# কলা শিক্ষা

## শিক্ষক, শিক্ষাৰ্থী আৰু পৰিৱেশ্য কলা

# ART EDUCATION

## Teacher, Student and Performing Arts

ড° সুদৰ্শনা বৰুৱা



# বিষয়সূচী

প্ৰথম অধ্যায় ঃ 'কলা' (Art) 11

- কলাৰ সংজ্ঞা, ইয়াৰ ধাৰণা আৰু কলাৰ বৰ্গীকৰণ
  (The concept of Art, its definations & classification)
- কলা আৰু সংস্কৃতি
  (Art and Culture)
- শিশু শিক্ষাত কলাৰ গুৰুত্ব, শৈক্ষিক উদ্দেশ্যৰ বৰ্গীকৰণ, কলাৰ প্ৰাথমিক উপাদান
  (Importance of art in child education, Taxonomy of Educational objectives, basic elements of art)
- শিশু আৰু শিক্ষকৰ মাজত সম্পৰ্ক
  (Relation between child & teacher)
- কলা আৰু মূল্যবোধৰ শিক্ষা (Art & Value Education)
- শিশুৰ শব্দ উচ্চাৰণ ভাল কৰাৰ বিধি
  (Vocal culture to improve pronounciation of child)
- কলাৰ প্ৰকাৰ ঃ
  (Difference types of art)
  পৰিবেশ্য কলা
  (Performing arts)
  দৃশ্য কলা
  (Visual art)
  সাহিত্য কলা
  (Literary art)
- কলাশিক্ষা ঃ শৈক্ষিক উদ্দেশ্য আৰু লক্ষ্য
  (Aim and objective of out in Education)
- শিক্ষাত কলা একত্ৰীকৰণ অথবা সমন্বিত পদ্ধতিৰে শিক্ষণ আৰু শিকন
  (Art integrated teacher learning method in education)

❖ শিক্ষাৰ প্ৰাথমিক স্তৰত কলাশিক্ষা
(Art in Education in primary level)

❖ শিক্ষাৰ মাধ্যমিক পৰ্য্যায়ত কলাশিক্ষা
(Art Education in secondary level)

❖ কৰ্মভিত্তিক গবেষণা আৰু কলা শিক্ষা
(Action research and Art Education)

দ্বিতীয় অধ্যায় ঃ বিষয় ঃ পৰিবেশ্য কলা-সঙ্গীত (Performing arts-Music) **62**

❖ শিশুৰ শিক্ষাত সঙ্গীতৰ উচ্চাৰণ, শাৰীৰিক সম্বন্ধ আৰু শ্বাস-প্ৰশ্বাসৰ বিধি
(The Pronouncing of musical notes, its relation with human body & different teachniques of vocal breathing exercises for children)

❖ পৰিবেশ্য কলাৰ শিক্ষাৰ প্ৰয়োজনীয়তা (Necessities of perform ing arts in education)

❖ পণ্ডিত ভাতখাণ্ডে আৰু পণ্ডিত পুলস্কৰ স্বৰলিপি পদ্ধতি
(Notation system of pt. Bhatkhande and pt. Paluskar)

❖ গুৰু শিষ্য পৰম্পৰাত ৫৩ অলঙ্কাৰ সাধনা
(Guru shishya tradition and 53 alankar practice)

❖ বিভিন্ন সাঙ্গীতিক তত্ত্বসমূহ ঃ
(Different musical elements in Music)

পৰিবেশ্য কলা, সঙ্গীতৰ পৰিভাষা, পৰিবেশ্য কলা, শ্ৰুতি আৰু স্বৰ, সপ্তক, অলঙ্কাৰ, মেল বা ঠাট, ৰাগ, গ্ৰাম, মূৰ্চ্ছনা, কাকু, তান, নিবন্ধ গান, অনিবন্ধ গান, ৰাগালাপ, ৰূপকালাপ, আলাপ্তি, প্ৰবন্ধ, ধ্ৰুপদ, ধমাৰ, খেয়াল, তৰানা, ঠুমৰী, হিন্দুস্তানী বা উত্তৰ ভাৰতীয় সঙ্গীতৰ ৩২ টা ঠাট, পণ্ডিত ব্যাঙ্কটমখীৰ ৰাগ বৰ্গীকৰণ, জাতি, ৰাগৰ সময়চক্ৰ।

(Defination of Music, performing arts swara, saptak, Alankar, Mela or Thata, Raga, Gram, Murahana, Kaka, Tara, Nibadha Gan, Anibadha gana, Ragalap, Rupakalapa, Alapti,

Prabandha, Dhrupad, Dhamar, Tarana, Thumri, Thatas in hindustani music, Raga classification of pt. Vyankat-makhi, Time Circle of Ragas)

❖ অসমৰ লোকসঙ্গীত

(Folk Music of Assam)

❖ বিভিন্ন ভাষাৰ গীত সংগ্ৰহ

(Collection of songs in different language)

১। সংস্কৃত শ্লোক (Sanskrit Sloka)
২। সৰস্বতী বন্দনা - (অসমীয়া /সংস্কৃত/হিন্দী ভাষাত উপলব্দ)
৩। ভক্তিমূলক গীত (অসমীয়া /সংস্কৃত/হিন্দী ভাষাত উপলব্দ)
৪। দেশপ্ৰেমমূলক গীত (অসমীয়া /সংস্কৃত/হিন্দী ভাষাত উপলব্দ)
৫। স্বাগতম গীত (Welcome song) (হিন্দী/অসমীয়া)
৬। বিভিন্ন প্ৰান্তৰ লোকগীত– (অসমীয়া/ৰাজস্থানী/উত্তৰপ্ৰদেশ/ গুজৰাট/ কোঙ্কণী/বড়ো/লালুঙ/ বেঙ্গলী ভাষাত উপলব্ধ)
৭। কণমানিহঁতৰ – নিচুকনি গীত (Children songs)
৮। মাতৃমন্দিৰ আশ্ৰম গীত (Matrimandir song for children)

**<u>অসমীয়া গীত</u> (Collection of Assamese songs) ঃ**

১। মণিকোৱঁৰ -ফুলকোঁৱৰ গীত
২। লালুঙৰ গীত
৩। জিকিৰ
৪। দেহবিচাৰৰ গীত
৫। বড়োগীত
৬। মহো-হো গীত
৭। পুৰুষোত্তম দাসৰ গীত
৮। অম্বিকাগিৰি ৰায়চৌধুৰীৰ গীত
৯। পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীত
১০। লক্ষ্মীনাথ বেজবৰুৱাৰ গীত
১১। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ গীত
১২। জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীত

১৩। বিষ্ণুৰাভাৰ গীত
১৪। কামৰূপী লোকগীত
১৫। গোৱালপৰীয়া লোকগীত
১৬। ৰবীন্দ্ৰ সঙ্গীত
১৭। ঝুমুৰ
১৮। লক্ষ্মীৰাম বৰুৱাৰ গীত
১৯। আনন্দিৰাম দাসৰ গীত
২০। দীপালী বৰঠাকুৰৰ কণ্ঠৰ গীত
২১। মিত্ৰদেৱ মহন্তৰ গীত
২২। জাতীয় সঙ্গীত
২৩। ৰাষ্ট্ৰীয় সঙ্গীত
২৪। বৰগীত
২৫। বিহুগীত
২৬। বিয়ানাম
২৭। প্ৰাৰ্থনাঃ তুমিচিত্ত বৃত্তি মোৰ
২৮। প্ৰাৰ্থনাঃ মুক্তিত নিস্পৃহ যিটো

তৃতীয় অধ্যায়ঃ **ৰাগ পৰিচয়** (Introduction of Ragas) 177

❖ **বিভিন্ন শাস্ত্ৰীয় ৰাগৰ পৰিচয় তান, আলাপ, স্বৰলিপিসহ** (Introduction of different Ragas Tana, Alapa, Notation)ঃ

ইমন, বিলাবল, অহ্লেয়া বিলাবল, ভৈৰব, খমাজ, কাফী, পূৰ্বী, আসাবৰী, ভূপালি, বাগেশ্ৰী, কেদাৰ, মালকোষ, দেশ, মাৰোবা, ভৈৰবী, ভীমপলাশী, বৃন্দাবনী সাৰঙ্গ, হমীৰ, বিহাগ, তিলক কামোদ, সোহিনী, কলিঙ্গড়া, মিএগমল্লাৰ, ইমনী--বিলাবল, সুৰমল্লাৰ, নায়কী কানড়া, অহীৰ ভৈৰব, গোৰখকল্যাণ, নাৰায়ণী কলাবতী, বিলাসখানী তৌড়ী, জৌনপুৰী, জয়জয়ন্তী, পুৰীয়াধনশ্ৰী, অড়ানা, গৌৰমল্লাৰ, পিলু, শুদ্ধকল্যাণ, ছায়ানট, দৰবাৰী কানড়া দেশকাৰ, কামোদ, ললিত, দূৰ্গা, শ্যামকল্যাণ, শুদ্ধসাৰংগ, মাৰুবিহাগ, শঙ্কৰা, পৰজ, বাহাৰ, হিন্দোল, মুলতানী, বসন্ত, ৰামকেলী, পুৰিয়া, জোগীয়, জোগ, জৈতকল্যাণ, তৌড়ী।

**চতুৰ্থ অধ্যায় ঃ 'নৃত্য'** 293

- ❖ নৃত্যকলা আৰু ইয়াৰ সংক্ষিপ্ত ইতিহাস (Dance of its brief history)
- ❖ ভাৰতীয় নৃত্যকলা (Indian Dances)
- ❖ লোকনৃত্য (Folk dance)
- ❖ অসমৰ লোকনৃত্য (Folk dances of Assam)
- ❖ অসমৰ লোকবাদ্য (Flok instruments of Assam)
- ❖ ভাৰতীয় শাস্ত্ৰীয় নৃত্য (Classical Dance of India)
- ❖ শিক্ষাৰ প্ৰাৰম্ভিক স্তৰত নৃত্য আৰু ইয়াৰ শৈক্ষিক মূল্য (Role of dance in School Education)

**পঞ্চম অধ্যায় ঃ 'নাটক'** 322

- ❖ নাটকৰ ইতিহাস আৰু শিক্ষাত নাটকৰ গুৰুত্ব (Role of drama in Education & its history)
- ❖ চৰিত্ৰ অভিনয় (Role play)
- ❖ অসমৰ লোকনাট (Folk theatre of Assam)
- ❖ পুতলা অভিনয় (Puppetry)

**ষষ্ঠ অধ্যায় ঃ 'সৃজনশীল লিখনি'** 353

- ❖ শিশু শিক্ষাত সৃজনশীল লিখনিৰ গুৰুত্ব (Importance of creative writing in child Education)

**সপ্তম অধ্যায় ঃ** 360

- ❖ শিক্ষাত ছাত্ৰ-ছাত্ৰীসকলক কলা একত্ৰীকৰণ অথবা সমন্বিতকৰণ পদ্ধতিৰে

দিয়া পাঠদান আৰু বিভিন্ন কাৰ্য কলাপ। (Various activity based teaching methods through art integration among studnents in education)

অষ্টম অধ্যায় ঃ 375

❖ অসমৰ সত্ৰ সাধকসকল, নৃত্যকাৰ, নাট্যকাৰ, সাহিত্যিক, কবি, গল্পকাৰ, সঙ্গীতকাৰৰ চমু পৰিচয়—
(Brief introduction of eminent satriya artist, dancers of Assam, dramatist, writer, poet, story writer, musicians)

নৱম অধ্যায় ঃ 388

❖ ভাৰতীয় চিত্ৰকলা
❖ প্ৰাথমিক পৰ্য্যায়ত দৃশ্য কলাৰ ভূমিকা
(Role of Visual art in primary level)
❖ দৃশ্যকলা সমন্বিত কাৰ্যপ্ৰণালী (প্ৰাথমিক স্তৰ)
(Activity related to visual art. (Primary level))

দশম অধ্যায় ঃ 398

❖ কলা আৰু সৌন্দৰ্য (Art and aesthetics)
❖ অসমীয়া গীত-নৃত্যত সাংস্কৃতিৰ প্ৰতিফলন (Reflection of Assamese Culture in Songs & Dances of Assam)
❖ ভাৰতীয় বাদ্য- তবলা, তানপুৰা আৰু অন্য বাদ্যসমূহ
(Indian Instrument Tabla-Tanpura and other instruments)
❖ তালৰ পৰিভাষা আৰু ইয়াৰ পৰিচয়
(Defination of Tala & Its introduction)
❖ ভাৰতত প্ৰচলিত লোকসঙ্গীত, লোকবাদ্য, লোকনৃত্য
(Folk music, folk instrument, folk dance of India)
❖ ভাৰতত প্ৰচলিত —
লোকসঙ্গীত, লোকবাদ্য, লোকনৃত্য

## প্ৰথম অধ্যায়

# কলা

## কলাৰ সাধাৰণ সংজ্ঞা, ইয়াৰ অৰ্থ আৰু ইয়াৰ ধাৰণা ঃ

**কলাৰ পৰিভাষা ঃ**

কলা হৈছে এক প্ৰকাৰৰ মানবীয় ক্ৰিয়া, যি মানুহৰ সৃজনশীল প্ৰতিভা, কল্পনাশীলতা, কৌশল, আবেগ অনুভূতি আৰু সুন্দৰতাৰ সৈতে জড়িত।

**কলাৰ সাধাৰণ অৰ্থ ঃ**

'কলা' শব্দটি ভাৰতীয় ভাষাত অত্যন্ত প্ৰাচীন। 'কলা' শব্দৰ অৰ্থ হৈছে সুন্দৰৰ অভিব্যক্তি আৰু প্ৰাপ্তি। গতিকে 'কলা'ৰ অৰ্থ সুন্দৰতাক প্ৰাপ্ত কৰাকে বুজায়। 'কলা' এক মানবীয় ক্ৰিয়া। ইয়াৰ বিশেষ লক্ষণসমূহ হৈছে, 'ধ্যান-ধাৰণাৰ দৃষ্টিৰে প্ৰকৃতিৰ প্ৰত্যেকটি বিষয়বস্তু লক্ষ্য কৰা, চিন্তন মনন কৰা, সংকলন কৰা আৰু সৃজনশীল প্ৰতিভাৰে স্পষ্ট ৰূপত প্ৰকাশ কৰা। সৃষ্টিৰ আৰম্ভণিৰে পৰা মানুহ সৌন্দৰ্য্যপ্ৰেমী। মানুহে নিজৰ জীৱনৰ প্ৰত্যেক ক্ষেত্ৰত সুন্দৰতাক উপভোগ কৰি ভাল পায় আৰু ইয়াক লাভ কৰাৰ ইচ্ছা কৰে। মানুহৰ এই সৌন্দৰ্য ভাবনাৰ পৰায়ে কলাৰ সৃষ্টি হয়। কলা হৈছে মানুহৰ এক অনুভব, যি ইয়াৰ বিচাৰ আৰু ভাবক ব্যক্ত কৰে। কলা হৈছে মানুহৰ সৃজনশীল প্ৰতিভাৰ এক ক্ৰমিক বিকাশৰ পৰিণাম। ইয়াৰ নিম্নলিখিত চাৰিটা অবস্থা হৈছে –

১। অতিৰিক্ত ইচ্ছা শক্তি

২। ইচ্ছাক পূৰ্ণতা প্ৰদান কৰা।

৩। ইচ্ছা, চেষ্টা আৰু ক্ৰিয়াৰ মাধ্যমেৰে কলাৰ সৃষ্টি কৰা।

৪। কলাৰ মাধ্যমেৰে দৰ্শকৰ ওপৰত প্ৰভাব বিস্তাৰ হয়।

যেতিয়া, ভাষাৰো সৃষ্টি হোৱা নাছিল তেতিয়াও মানুহৰ মাজত কলাৰ আভাষ পোৱা গৈছিল। ব্যক্তিৰ মনৰ অৰ্ন্তনীহিত ভাৱৰ সৃজনশীল প্ৰকাশ হৈছে কলা। কলা হৈছে আমাৰ কল্পনাশীল মনৰ চিন্তা আৰু ভাব প্ৰকাশৰ এক মাধ্যম।

ভাৰতীয় সংস্কৃতিত ৬৪ বিধ কলা আছে। এই ৬৪ বিধ কলাৰ ভিতৰত গীত, বাদ্য, নৃত্য, নাটক, সাহিত্য কলাকে আদি কৰি মুখা নিৰ্মাণ (Mask making), (Ornament designing) অলংকাৰ নিৰ্মাণ, ৰন্ধন (Cooking), ধাতু আৰু মাটিৰে বিভিন্ন সজুঁলী নিৰ্মাণ, পুতলা নিৰ্মাণ, মেক আপ বা প্ৰসাধন, বাঁহ বেতৰ কাম ইত্যাদি নানাবিধ কলা অন্তৰ্ভুক্ত।

আদিম অৱস্থাৰে পৰা মানুহৰ মাজত কলা অন্তৰ্নিহিত হৈ আছে। মানুহে যেতিয়া ভাষা কব নাজানিছিল, বিভিন্ন আকাৰ আৰু ইংগিতৰ সহায়েৰে কথাসমূহ আনজনক বুজাবলৈ চেষ্টা কৰিছিল। ইয়াৰ বাবে মানুহে বিভিন্ন অংগি-ভংগিৰ সহায়ত, কণ্ঠস্বৰৰ বিভিন্ন ধ্বনি প্ৰয়োগ আৰু মুখমণ্ডলৰ বিভিন্ন প্ৰকাশভঙ্গীৰ সহায় লৈছিল। এই শাৰীৰিক চাল-চলনত অভিনয় কলাৰ আভাষ পোৱা যায়। চৰাই-চিৰিকতি আৰু প্ৰকৃতিৰ বিভিন্ন উৎস যেনেঃ নদ-নদী, বতাহ-বৰষুণ আদিৰ ধ্বনি শুনি মানুহে সাংগীতিক স্বৰৰ বিকাশ কৰিছিল। জীৱ-জন্তুৰ হাঁড়, চামৰা, গছ-গছনি, বাঁহ ইত্যাদি প্ৰয়োগেৰে মানুহে বিভিন্ন বাদ্যযন্ত্ৰ নিৰ্মাণ কৰিছিল।

মানুহে চিকাৰ কৰিবলৈ উপযোগী অস্ত্ৰ-শস্ত্ৰ তৈয়াৰ কৰিছিল আৰু জীৱ-জন্তুৰ হাঁড়, বিভিন্ন ধাতু, শিল ইত্যাদি প্ৰকৃতিৰ বিভিন্ন উৎস যেনে গছ-গছনিৰ ডাল ইত্যাদিৰো ব্যৱহাৰ কৰিছিল। এনেদৰে পৰৱৰ্ত্তী সময়ত, মানুহৰ প্ৰয়োজনীয় সকলো সঁজুলি আৰু সমল মানুহে নিৰ্মাণ কৰি উলিয়াইছিল।

উদাহৰণস্বৰূপে ঃ বাহঁবেতৰ পাচি, মাটিৰ পাত্ৰ, বিভিন্ন ধৰণৰ গছৰ পাতৰ আৰু বাঁহবেতৰ আহিলা, ৰন্ধনৰ বাবে বিভিন্ন পাত্ৰ, ধাতুৰ নিৰ্মিত আঁহিলা ইত্যাদি প্ৰকৃতিৰ বিভিন্ন উপাদান সংগ্ৰহ কৰি, উপযোগীতাৰ আধাৰত মানুহে নিজৰ প্ৰয়োজনীয় সকলো বস্তু নিৰ্মাণ কৰিছিল। এনেবোৰ কলাৰ নিৰ্মাণ (utility purpose) মানুহৰ উপযোগীতাৰ উদ্দেশ্যৰে কৰা হৈছিল। অসমীয়া ভাষাত এনে কলাসমূহ "কাৰু কলা" বুলিও কোৱা হয়। অৰ্থাৎ যি শিল্প মানুহে দৈনন্দিন জীৱনৰ বৈষয়িক প্ৰয়োজনৰ বাবে সৃষ্টি কৰছিল, তেনে শিল্পক কাৰুকলা বোলা হয়। যেনে ঃ কাঁহ-পিতলৰ বাচন, মাটিৰ পাত্ৰ, পুতলা, বাঁহবেতৰ সা-সঁজুলি ইত্যাদি। এই কাৰু কলাসমূহ দৃশ্যগত কলাৰ অন্তৰ্ভূক্ত আৰু উপযোগীতাৰ উদ্দেশ্যেৰে নিৰ্মিত কলা। এনে কলাসমূহক "ঔদ্যোগিক শিল্প" (Industrial) বুলিও কোৱা হয়। আনহাতে, চাৰু কলাসমূহ এনে দৃশ্য কলা, যাৰ সৃষ্টি মানুহৰ সৌন্দৰ্যবোধ আৰু ইয়াৰ প্ৰকাশৰ বাবে কৰা হয়। মানুহৰ অন্তৰ্নিহিত ভাব-আবেগ বা অনুভূতিসমূহ, সৃজনশীল প্ৰতিভাসমূহৰ সুন্দৰ ৰূপত অভিব্যক্তিয়ে হৈছে চাৰুকলাৰ উৎস। চাৰু কলা উপযোগীতাৰ আধাৰত সৃষ্টি নহয়। মানুহৰ মানসিক

Anandaram Dhe... Acc No........ Date............ Nagaon : Assam

তৃপ্তিৰ বাবেহে হয়।

লোক শিল্পৰ পৰায়ে অতিক্ৰম কৰি কলায়ে বৰ্ত্তমান ৰূপ পাবলৈ সক্ষম হৈছে। বিভিন্ন লোকশিল্পসমূহ যেনে ঃ আলপনা, মেহেন্দী ডিজাইন, দেৱ দেৱীৰ পট নিৰ্মাণ, মাটিৰ পাত্ৰ, ঘৰৰ বেৰ অঁকা, কাপোৰত অঁকা নক্সা, অসমৰ কুঁহিলা চিত্ৰ আদি। কাৰু কলাসমূহৰ ভিতৰত, মাংগলিক অনুষ্ঠানৰ পবিত্ৰতা আৰু শুদ্ধিৰ বাবে আল্পনা তৈয়াৰ কৰা হয়, ঘৰ শুৱনি কৰিবলৈ ঘৰৰ বেৰত বিভিন্ন ডিজাইন অংকন কৰা হয়, পিন্ধা কপোৰযোৰ খুব সুন্দৰকৈ গঢ়িবলৈ বিভিন্ন ৰং আৰু ডিজাইন দিয়া ইত্যাদি। বিভিন্ন প্ৰয়োজনীয়তাৰ উদ্দেশ্যৰে এইদৰে বিভিন্ন শিল্পৰ নিৰ্মাণ হয়। ঠিক সেইদৰে, কাগজৰ দ্বাৰা নিৰ্মিত বিভিন্ন সা-সঁজুলি, পেলনীয়া বস্তুৰে নিৰ্মাণ কৰা কলা, ক'লাজ নিৰ্মাণ আদিৰে প্ৰয়োজনীয়তাৰ উদ্দেশ্যৰে আৰু লগতে সৌন্দৰ্যৰ ধাৰণাৰ আধাৰত এনে কলা নিৰ্মাণ কৰা হয়।

আদিম মানৱে, ধৰ্মীয় বিশ্বাসৰ আধাৰত বিভিন্ন কাৰ্যকলাপ কৰিছিল। কলা উৎপত্তিৰ আন এটা উদ্দেশ্য ধৰ্মৰ সৈতে সম্বন্ধিত। মানুহে প্ৰকৃতিৰ বিভিন্ন বিষয় বস্তু, প্ৰাকৃতিক দুৰ্য্যোগক ভয় কৰিছিল। বতাহ, বৰষুণ বিজুলী ঢেৰেকনি, ভূমিকম্প, বানপানী, মহামাৰীৰ মৃত্যুৰ পৰা হাত সাৰিবলৈ আদিম মানুহে এক শক্তিক বিশ্বাস কৰিবলৈ লৈছিল। এই ঐশ্বৰিক শক্তিক সন্তুষ্ট কৰিবলৈ মানুহে বিভিন্ন উপায় অবলম্বন কৰিছিল। যেনে - গছ, শিল আদি প্ৰকৃতিক উপাদানক প্ৰাৰ্থনাৰ মাধ্যম হিচাপে লৈ বিভিন্ন ধ্বনিৰ প্ৰয়োগ কৰি গীত-নৃত্য কৰা ইত্যাদি। মানুহৰ এনে কাৰ্যকলাপসমূহৰ পৰায়ে ধৰ্মীয় গীত, নৃত্যৰ বিকাশ হৈছিল। ধৰ্মীয় বিশ্বাসত গুহাত প্ৰাপ্ত চিত্ৰ, মন্দিৰ স্থাপত্য আৰু ভাস্কৰ্যৰ নিৰ্মাণ আদি ইয়াৰ উদাহৰণ।

এইদৰে কলাৰ উৎপত্তি ৩ টা প্ৰধান উদ্দেশ্যৰে হৈছিল –

(১) প্ৰয়োজনীয়তাৰ উদ্দেশ্য (Utilitarian Purpose)

(২) ধৰ্মীয় উদ্দেশ্য (Religious purpose)

(৩) ব্যক্তিগত সৌন্দৰ্যবোধৰ উদ্দেশ্য (Individualistic & Aesthetic purpose)

সৌন্দৰ্যবোধৰ উদ্দেশ্যৰে ব্যক্তিয়ে নিজৰ ভাব-আবেগসমূহ, প্ৰকাশ বা অভিব্যক্তি কলাৰ মাধ্যমেৰে কৰে। এই কলা সৃষ্টিৰ উদ্দেশ্য হৈছে সৌন্দৰ্যৰ বোধ আৰু ইয়াৰ প্ৰকাশ। চিত্ৰ প্ৰদৰ্শনী, ভাস্কৰ্য, গীত, নৃত্য, নাটকৰ আদি দৰ্শকৰ সন্মুখত প্ৰদৰ্শন কৰা হয়, ব্যক্তিগত সৌন্দৰ্য প্ৰকাশৰ উদ্দেশ্যৰে।

## কলাৰ বৰ্গীকৰণ ঃ

জীৱনৰ প্ৰত্যেক ক্ষেত্ৰতেই মানৱীয় ক্ৰিয়াসমূহৰ দ্বাৰায়ে কলাৰ সৃষ্টি হয়। অধ্যয়নৰ সুবিধাৰ বাবে ভিন্ন আচাৰ্য্যসকলে কলাৰ বৰ্গীকৰণ কৰিছে। বিভিন্ন বিদ্বানসকলে ভাৰতীয় শাস্ত্ৰ অনুসৰি, কলাক ৬৪ টা ভাগত বিভক্ত কৰিছে। কলাৰ ক্ষেত্ৰখন খুৱেই বহল আৰু সমৃদ্ধ। ১৭ শতাব্দীত যেতিয়া সৌন্দৰ্য্যশাস্ত্ৰ এক স্বতন্ত্ৰ বিষয়ৰ ৰূপত বিকশিত হয়, তেতিয়া ইয়াৰ অধ্যয়নৰ প্ৰধান বিষয় আছিল শিল্প আৰু ভিন্ন কলাশৈলীসমূহৰ পৰা ইয়াক পৃথকভাবে আলোচনা কৰা হৈছিল। ১৮ শতাব্দীত বিভিন্ন ললিতকলা আৰু উপযোগী কলাসূহৰ মাজৰ অন্তৰ বা পাৰ্থক্য স্পষ্ট হৈ পৰে।

## ললিত কলা (Fine art) ঃ

### ১। ললিত কলা ঃ

ললিত কলা বা সুকুমাৰ কলা হৈছে সৌন্দৰ্যৰ সাক্ষাৎ স্বৰূপ। এনেবোৰ কলাত ললিত্য বিৰাজমান। ইয়াত চিত্তক আনন্দ দিবপৰা ক্ষমতা বিৰাজমান। ললিত কলায়ে সৌন্দৰ্যক মূৰ্ত্ত ৰূপ প্ৰদান কৰে। ইয়াক দাৰ্শনিক হিগেলে ভিন্ন প্ৰকাৰত বিভক্ত কৰিছে। যেনে ঃ স্থাপত্যকলা, মূৰ্ত্তিকলা, চিত্ৰকলা, সংগীতকলা। ললিত কলাৰ অন্তৰ্গত এই কলাসমূহৰ উদ্দেশ্য হৈছেঃ মানৱ হৃদয়ক আনন্দৰ অনুভৱ কৰোৱা। এই ললিত কলাকে ইংৰাজীত 'ফাইন আৰ্টস্' (Fine arts) বুলিও হৈছে। ইয়াৰ অৰ্থ হৈছে সুন্দৰ কলা। গতিকে এই কলাসমূহে মানুহৰ মানসিক, আধ্যাত্মিক আৰু বৌদ্ধিক স্তৰক ওপৰলৈ নিয়ে আৰু মানুহৰ জীবনত মূল্যবোধ গঢ় দিয়াত সহায় কৰে। কিন্তু বৰ্তমান সময়ত ললিত কলাৰ ধাৰণা পৰিৱৰ্তন হৈছে।

অভিধানিক অৰ্থ অনুসৰি, ললিতকলা বুলিলে গীত, নৃত্য, বাদ্য, মূৰ্তিকলা, চিত্ৰ, ভাস্কৰ্য্য আদিৰ বিষয়ে কোৱা হয়। ললিত কলাৰ অৰ্থ হৈছে — যি কলাত লালিত্য বিৰাজমান। কিন্তু সঙ্গীত, নৃত্য নাটক আদি পৰিবেশন কৰিব পৰা কলাসমূহক 'পৰিবেশ্য কলা' (Performing arts) অন্তৰ্ভূক্ত কৰা হয়। এই কলাসমূহক স্বতন্ত্ৰ ৰূপত ইয়াৰ এক নিজস্ব পৰিচয় ডাঙি ধৰা হৈছে। আনহাতে, দৃশ্যকলা সমূহক কাৰুকলা আৰু চাৰুকলা এই দুই ভাগত বিভক্ত কৰা হয়। ঠিক সেইদৰে কাব্যকলাক সাহিত্যকলাৰ অন্তৰ্ভূক্ত কৰা হয়।

বিদ্যালয়ৰ শিক্ষা ব্যৱস্থাত বৰ্ত্তমান অন্তৰ্ভুক্ত কলাসমূহ হৈছে ঃ

১। পৰিবেশ্য কলা (Performing arts)

২। দৃশ্য কলা (Visual arts)

৩। সাহিত্য কলা (Literary arts)

পৰিবেশ্য কলা বুলি ক'লে, গীত, নৃত্য, নাটক, অপেৰা, মুক অভিনয় আদি কলাৰ বিষয়ে কব পৰা যায়। পৰিবেশ্য কলাত, কলাকাৰ বা শিল্পিয়ে দৰ্শকৰ সন্মুখত কলা প্ৰদৰ্শন কৰে। পৰিবেশ্য কলা সমূহৰ ভিতৰত যাদু দেখুওৱা, কৌতুক পৰিৱেশন কৰা, নৃত্য, নাট্য, কবিতা আবৃতি, বক্তৃতা, তৰ্ক ইত্যাদি অন্তৰ্ভূক্ত। এনেবোৰ কলাত কলাকাৰৰ শৰীৰটোৱেই হৈছে মাধ্যম ইয়াৰ জৰিয়তে কলাকাৰে কলা পৰিবেশন কৰে।

**সঙ্গীতকলা ঃ**

সঙ্গীত হৈছে ধ্বনিৰ আধাৰত সৃষ্ট কলা। ইয়াৰ জৰিয়তে কলাকাৰে নিজস্ব ভাব আবেগসমূহ, ধ্বনি মাধ্যমেৰে প্ৰকাশ কৰে। সঙ্গীত মধুৰ ধ্বনি বা স্বৰ, লয়, ধ্বনিৰ তাঁৰতা, তীব্ৰতা ইত্যাদি বিভিন্ন তত্ত্ব গুণৰ সমষ্টি। ১৩ শতিকাত পণ্ডিত সাৰঙ্গদেৱে গীত-নৃত্য, বাদ্য-বাদন এই তিনিওবিধ কলাৰ একেলগে সংগীত বুলি নামাকৰণ কৰিছে।

**নৃত্যকলা ঃ**

নৃত্য হৈছে এক প্ৰকাৰৰ পৰিবেশ্য কলা, ইয়াৰ জৰিয়তে শাৰীৰিক অংগ ভংগীমা, হাত-ভৰিৰ চালন, মুখ মণ্ডলৰ প্ৰকাশভঙ্গী ইত্যাদিৰ সহায়ত কলাকাৰে নিজৰ সৃজনশীল প্ৰতিভাৰ বৰ্হিপ্ৰকাশ কৰে।

**নাটক ঃ**

নাটক হৈছে এবিধ পৰিবেশ্য কলা। ইয়াত, অভিনয়, অংগি-ভংগি, কথোপকথনৰ সহায়ত, দৰ্শকৰ সন্মুখত কোনো ঘটনা বা কাহিনীক বিভিন্ন চাৰিত্ৰক ৰূপ দি পৰিবেশন কৰা হয়।

লোক নাটকৰ উৎপত্তি আৰু বিকাশ লোক সমাজ আৰু সাধাৰণ জনসাধাৰণৰ মাজৰ পৰায়ে হয়। উদাহৰণস্বৰূপে পুতলা নাচ, বাটৰ নাট, ওজাপালি ইত্যাদি।

**দৃশ্য কলা (Visual art) ঃ**

দৃশ্য কলাৰ অন্তৰ্গত, চাক্ষুষ বা দৃশ্যমান কলাসমূহক ধৰা হয়। কোনো আকৃতি, চিত্ৰ, ভাস্কৰ্য, স্থাপত্য ইত্যাদি দৃশ্যমান কলাৰ অন্তৰ্ভুক্ত বিষয়। দৃশ্য কলাক চাৰু কলা আৰু কাৰু কলাৰ ৰূপত দুটা ভাগত ভাগ কৰিব পাৰি। চাৰু কলা বা সুকুমাৰ কলাসমূহ হৈছে চিত্ৰ কলা, মূৰ্ত্তি বা ভাস্কৰ্য কলাসমূহ, স্থাপত্যকলা ইত্যাদি। কাৰু কলাৰ ভিতৰত, প্ৰয়োজনীয়তাৰ আধাৰত সৃষ্টি বিভিন্ন কলাসমূহ অন্তৰ্ভূক্ত।

দৃশ্য কলাৰ ক্ষেত্ৰত ছবি অঁকা, ৰং কৰা, মাটিৰ বস্তু নিৰ্মাণ কৰা, ইত্যাদি বিভিন্ন বিষয় অন্তৰ্ভূক্ত। এনেবোৰ কলাৰ মাধ্যম হৈছে –

ৰং, ব্ৰাচ, কাগজ ইত্যাদি।

**সাহিত্যকলা (Literary art) ঃ**

"সাহিত্য" শব্দটো লেটিন ভাষাৰ শব্দ "লিটেৰা"ৰ পৰা আহিছে। এই শব্দৰ অৰ্থ হৈছে লিখনি। এনে 'লিখনিৰ' অন্তৰ্গত, কাল্পনিক (fiction) আৰু অ-কাল্পনিক (Non fiction) ঘটনাসমূহ অন্তৰ্ভূক্ত। বিদ্যালয় শিক্ষাত শিশুক বিভিন্ন বিষয়ত সাধু লিখা, প্ৰবন্ধ, কবিতা লিখা, পাঠ্যক্ৰম অনুসৰি গল্প, নাটকৰ সংলাপ আদি পৰ্যায় অনুসৰি লিখা ইত্যাদি সাহিত্যকলাৰ অন্তৰ্ভূক্ত বিষয়।

## প্ৰাথমিক শিক্ষাত কলা বিষয়ৰ শৈক্ষিক মূল্য (Value of art in Education in primary level) ঃ

ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক, মানসিক স্তৰ বিকাশৰ ক্ষেত্ৰত বৰ্ত্তমান কলাগত শিক্ষাৰ প্ৰয়োজনীয়তা কেৱল প্ৰাথমিক স্তৰতেই নহয়, মাধ্যমিক আৰু উচ্চস্তৰীয় আৰু শিক্ষাৰ ক্ষেত্ৰতো ইয়াৰ প্ৰয়োজনীয়তা বৃদ্ধি পাইছে। সঙ্গীত, নাটক, নৃত্য আদি পৰিবেশ্য কলা আৰু দৃশ্য কলাক অন্যান্য পাঠ্যক্ৰমৰ বিষয়ৰ সৈতে সমন্বিত কৰি শিক্ষা ব্যৱস্থা অধিক ফলপ্ৰসু হ'ব বুলি ভবা হৈছে। সেইবাবে শিক্ষা নীতিত, কলাৰ চৰ্চা-অধ্যয়ন, খেল ধেমালীৰ মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীৰ উৎসাহ বৰ্দ্ধন আৰু উদ্দীপক পৰিবেশ সৃষ্টি কৰি মানসিক আৰু শাৰীৰিক ক্ষমতা বিকাশৰ বাবে কলা বিষয়ক অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ ফলত, শিশুৰ বিভিন্ন সমস্যাৰ সমাধান আৰু বিভিন্ন পৰিস্থিতিৰ সন্মুখীন হ'ব পৰা ক্ষমতা বৃদ্ধি হয়। সৃজনশীল প্ৰতিভায়ে নান্দনিকতাৰ আভাষ দিয়ে।

শিক্ষাৰ ক্ষেত্ৰত বিদ্যায়তনিক দিশৰ লগতে সহবিদ্যায়তনিক দিশৰ গুৰুত্ব মহত্বপূৰ্ণ পাশ্চাত্য শিক্ষা মনোবৈজ্ঞানিক 'বেঞ্জামিন ব্লুমে' শিক্ষণ আৰু শিকন প্ৰক্ৰিয়াৰ উদ্দেশ্যক তিনিটা ভাগত বিভক্ত কৰিছে।

এইকেইটা হৈছে –

(১) বৌদ্ধিক বা প্ৰজ্ঞাতত্ত্বৰ ক্ষেত্ৰ (Congnitive Domain)

(২) অনুভূতিক অথবা ভাবনাত্মক ক্ষেত্ৰ (Affective Domain)

(৩) মনোপেশীয়ে ক্ষেত্ৰ (Psychomotor Domain)

প্ৰজ্ঞাতত্ব অথবা বৌদ্ধিক ক্ষেত্ৰখনত আমাৰ মগজুৰ সৈতে সম্বন্ধিত ক্ৰিয়া

প্ৰতিক্ৰিয়া আৰু বিভিন্ন সমস্যাসমূহৰ বিষয়ে চৰ্চা কৰা হয়। "অনুভূতিৰ (Affective Domain) ক্ষেত্ৰখন", আমাৰ ভাব আবেগ আকৌ মনোপেশীয় ক্ষেত্ৰখন (Psychomotor Domain) আমাৰ শৰীৰ আৰু মানসিক অবস্থাৰ সৈতে জড়িত।

সঙ্গীত, নৃত্য, নাট্য, এইধৰণৰ পৰিবেশ্য কলাৰ জৰিয়তে শিশুৰ সৰ্বাঙ্গীন বিকাশ সম্ভৱপৰ হয়। সঙ্গীতত (গীত, বাদ্য, নৃত্য), শ্বাস-প্ৰশ্বাস দীৰ্ঘ কৰা, শাৰীৰিক অংগ সঞ্চালন, ব্যায়াম, যোগ সাধন বা ধ্যান ইত্যাদিৰ কাৰ্যসমূহ কৰাৰ ফলস্বৰূপে হৃদজনিত ৰোগ, হাপানি, এজমা, ইত্যাদি বিভিন্ন ৰোগৰ প্ৰতিশম হয়। কলা অভ্যাসৰ জৰিয়তে শিশুৰ কৰ্মক্ষমতা বিকাশ ঘটোৱা হয়। সৃজনশীল গুণৰ বৃদ্ধিৰ ফলত কাম কৰাৰ প্ৰতি স্পৃহা আৰু গতিৰ বৃদ্ধি হয়।

কলাৰ জৰিয়তে শিশুৰ চিন্তাশীল ক্ষমতাৰ বিকাশ হয়, কল্পনাশক্তি, সৃজনশীলতাৰ বিকাশ হয়। সমাজৰ সৈতে সংযোগ স্থাপনত, নিজস্ব ভাব অভিব্যক্তিত, আত্মশক্তিৰ বিকাশত কলা সহায়ক হয়। কলা শিক্ষাৰ মাধ্যমেৰে বিভিন্ন মস্তিষ্কজনিত সমস্যাত ভুগি থকা শিশুৰ চিকিৎসা সম্ভৱপৰ হয়। কলাশিক্ষাৰ মাধ্যমেৰে জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় কৌশল সমূহ আৰু মূল্যবোধৰ বিকাশ হয়। ইয়াৰ জৰিয়তে ব্যক্তিয়ে জীৱনত এক সুব্যক্তিত্ব গঢ় দিব পাৰে।

কলাৰ দৃষ্টিভঙ্গীৰে শিক্ষাৰ এই উদ্দেশ্যকেইটা উপৰোক্ত ধৰণে চাব পৰা যায়। এই তিনিওবিধক ক্ৰমান্বয়ে ইংৰাজীত "3H" বোলা হয়।

অৰ্থাৎ,

(১) মস্তিষ্ক (Head)

(২) হাত (Hand)

(৩) হৃদয় (Heart) ইত্যাদি

উপৰোক্ত শৰীৰৰ এইখিনিও অংগৰ সৈতে আৰু ইয়াৰ বিকাশৰ সৈতে, "শিক্ষণ -শিকণ" প্ৰক্ৰিয়াৰ উদ্দেশ্য আৰু ক্ষেত্ৰ সম্বন্ধিত হয়। শিশু শিক্ষাৰ ক্ষেত্ৰত এইসমূহ প্ৰয়োজনীয় বিষয়। শিক্ষাত 'কলা' সম্বন্ধিত বিষয়সমূহৰ অন্তৰ্ভুক্তিৰ ফলস্বৰূপে, শিক্ষাৰ্থীয়ে পৃথিৱীৰ বিভিন্ন স্থানত বসবাস কৰা, লোকৰ কলা-সংস্কৃতি, জীৱন শৈলী, ৰীতি-নীতি, কলা-পৰম্পৰা ইত্যাদি বিষয়ৰ জ্ঞান গভীৰতাৰে গৈ লাভ কৰিব পাৰে।

# কলা আৰু সংস্কৃতি

(১) কলা কি?
(২) সংস্কৃতি কি?
(৩) কলা আৰু সংস্কৃতিৰ মাজৰ সম্বন্ধ কি?
(৪) প্ৰত্যেক মানুহৰ মাজতে কলাগত গুণ/প্ৰবৃত্তি অন্ত নিৰ্হিত হৈ আছেনে?

এই ধৰণৰ বিভিন্ন প্ৰশ্ন আমাৰ মনলৈ আহে। এনেবোৰ প্ৰশ্নৰ বিষয়ে চৰ্চা কৰিবলৈ প্ৰথমে "সংস্কৃতি"ৰ বিষয়ে জানি লওঁ আহকচোন। "সংস্কৃতি" শব্দটো "সংস্কাৰ" শব্দটিৰ সৈতে জড়িত। অৰ্থাৎ যাৰ সংস্কাৰ কৰা হৈছে সিয়ে "সংস্কৃতি"। ইয়াক আন ধৰণেও কব পৰা যায়। যাৰ শুদ্ধি হৈছে অথবা 'সংস্কাৰ' হৈছে সেয়ে "সংস্কৃতি'। 'সংস্কৃতি' শব্দক আৰু বিশদভাবে বুজিবলৈ "কৃষ্টি"ৰ বিষয়ে জানি লোৱাটো প্ৰয়োজন। একেটা ক্ৰিয়া বাৰে বাৰে কৰাৰ আচৰণ বা আবৃত্তিক "কৃষ্টি" বোলা হয় আৰু "কৃষ্টিক" সংস্কাৰ কৰি লোৱাকে "সংস্কৃতি" বোলা হয়। ড° নবীন চন্দ্ৰ শৰ্মাৰ অনুসৰি — "কৃষিৰ বাবে পথাৰত হাল বোৱা বা কোৰমৰা ক্ৰিয়াৰ নাম হৈছে কৃষ্টি আৰু ইয়াৰ ফলস্বৰূপে, পথাৰত শস্য উৎপন্ন হোৱাৰ বাবে উপযোগী যি 'সংস্কাৰ', ক্ষমতা আৰু যোগ্যতা সেয়ে হৈছে 'সংস্কৃতি'। এখন সমাজৰ 'সংস্কৃতিয়ে সেই সমাজৰ নৈতিক, আধ্যাত্মিক আৰু বৌদ্ধিক বিকাশক সূচায়। বিভিন্ন "সংস্কাৰৰ" মাধ্যমেৰে সামূহিক জীৱনত লাভ কৰা অবস্থাৰ নাম "সংস্কৃতি"। মানুহ যেতিয়া সভ্য নাছিল, এনে আদিম মানুহৰ মাজত সংস্কাৰো নাছিল। সময়ৰ লগে লগে মানুহে বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে সমাজ পাতি থাকিবলৈ লয়। এখন সমাজৰ সদস্যৰূপে মানুহে আহৰণ কৰা জ্ঞান, বিশ্বাস, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসব-অনুষ্ঠান, আইন-কানুন, নৈতিকতা, অভ্যাস, কলা চৰ্চা ইত্যাদি হৈছে "সংস্কৃতিৰ" ভিন্ন উপাদান। সমাজপাতি জীয়াই থাকিবলৈ মানুহে সামাজিক প্ৰাণী হিচাপে সমাজৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, বিশ্বাস-অবিশ্বাস, ধৰ্ম-অধৰ্ম পৰম্পৰা আদি প্ৰবৃত্তিগত ভাবে শিকে। এয়ে হৈছে 'সংস্কৃতি'। "সংস্কৃতি" হৈছে মানৱ সৃষ্ট আৰু মানব অভিজ্ঞতাৰে পূৰ্ণ। মানুহৰ জীৱন ধাৰণৰ পদ্ধতি, সামাজিক অবস্থা, ভৌতিক উপাদানৰ ওপৰত সংস্কৃতি নিৰ্ভৰশীল। গতিকে, 'সংস্কৃতি' হৈছে এক বিস্তৃত বিষয়। 'সংস্কৃতি' হৈছে মানব সভ্যতা, শিল্প, ভাষা-ধৰ্ম, কলা আদিৰ পৰিণতি। 'সংস্কৃতিৰ' দৰে ধৰ্মও বিশ্বাস, মূল্যবোধ আচৰণৰ ওপৰত নিৰ্ভৰশীল। সামাজিক

অবস্থা, বিশ্বাস অনুসৰি, মানুহে ধৰ্মীয় ৰীতি-নীতি, সিদ্ধান্তসমূহ মানি চলে। ধৰ্মীয় বিশ্বাস সংস্কৃতিৰ এক অংশ। আকৌ, এই ধৰ্মীয় বিশ্বাসৰ উদ্দেশ্যৰে বিভিন্ন কলাৰো সৃষ্টি হয়।

আদিম যুগৰ মানুহ সভ্য নাছিল। সময়ৰ অগ্ৰগতিৰ লগে লগে মানুহে সভ্যতাৰ দিশে গতিমান হয়। মানব সভ্যতাক তিনিটা স্তৰত ভগোৱা হৈছে।

যেনে ঃ ১। বন্য স্তৰ

২। বৰ্বৰ স্তৰ

এই তিনিটা অবস্থাৰ পৰায়ে মানুহে সভ্যতাৰ দিশে গতি কৰিছে আৰু বিকশিত হৈছে। নগৰৰ উদ্ভব, লেখন পদ্ধতি, ধাতু বিজ্ঞানৰ বিকাশ ইত্যাদিৰ লগে লগে মানুহে সভ্যতাৰ দিশে গতি কৰে। ইয়াৰ সমান্তৰালভাবে ভাষাৰো বিকাশ হয়। ভাষা হৈছে সংস্কৃতিৰ প্ৰত্যক্ষ বাহক। ভাষা অবিহনে মানব নিহিত অভিজ্ঞতাই বিকাশ লাভ কৰিব নোৱাৰে। 'সংস্কৃতিৰ' উদ্ভব আৰু বিকাশ 'লোক' অথবা "লোকসমাজ"ৰ পৰায়ে হয়। সংস্কৃতিৰ পৰিসৰ ব্যাপক। ইয়াক ৩ টা ভাগত ভগাব পৰা যায়।

১। অভিজাত সংস্কৃতি।

২। লোক সংস্কৃতি।

৩। জনজাতীয় সংস্কৃতি।

**১। অভিজাত সংস্কৃতি ঃ**

অভিজাত সংস্কৃতি, লোক সংস্কৃতিৰ তুলনাত ৰীতিবদ্ধ, সুনিৰ্দিষ্ট হয়। এই সংস্কৃতিক বৈদিক বা শাস্ত্ৰীয় সংস্কৃতি বুলিব পাৰি।

**২। লোক সংস্কৃতি ঃ**

লোক সংস্কৃতিৰ উদ্ভব আৰু বিকাশৰ পটভূমি সাধাৰণতে লোক সমাজৰ (Flok Society) পৰা হয়। বিভিন্ন জনৰ মত অনুসৰি, যি সমাজ মহান সভ্যতাৰ দ্বাৰা প্ৰভাৱান্বিত নোহোৱাকৈ আছে, সেই সমাজক "লোকসমাজ" বোলা হয়। পৰম্পৰাই কোনো এক জনগোষ্ঠীৰ সামূহিক পৰিচয় প্ৰদানত অন্যতম ভূমিকা গ্ৰহণ কৰে।

**মানুহৰ লোকপৰম্পৰা অন্তৰ্ভুক্ত ঃ** সাধুকথা, পোছাক পৰিচ্ছদ, লোকবিশ্বাস, ৰীতি-নীতি, আ-অলংকাৰ, বাচন-বৰ্ত্তন আদি লোককলা যেনে ঃ

লোকনাট, লোকনৃত্য, লোক-ঔষধ, লোকগীত, লোকবাদ্য, লোকভাষা, লোক কবিতা, নিচুকণি গীত, বিয়ানাম, ৰন্ধন, বেৰত অঁকা, আলপনা, প্ৰাৰ্থনা ইত্যাদি লোক পৰম্পৰা বা লোককলা অন্তৰ্ভূক্ত।

**জনজাতীয় সংস্কৃতি ঃ**

জনজাতীয় সংস্কৃতি অক্ষত হয়। ই লোকসংস্কৃতি আৰু অভিজাত সংস্কৃতিৰ দ্বাৰা গভীৰভাবে প্ৰভাবিত নহয়। ই স্বয়ং সম্পূৰ্ণ।

অসমীয়া লোক-সংস্কৃতিক চাৰিটা ভাগত ভগাব পৰা যায়।

১। সামাজিক লোকপ্ৰথা ঃ

সামাজিক লোকপ্ৰথা বা লোকচাৰৰ অন্তৰ্ভূক্ত হয়, বিভিন্ন উৎসব অনুষ্ঠান, বিভিন্ন খেল ধেমালি, লোক ঔষধ, বিহু, বৈষাগু, বিসু, লিগাং, ভঠেলি, সুৰী, পাৰ্বা, তুসু পূজা, ভেকুলিৰ বিয়া ইত্যাদি।

২। মৌখিক লোকবিদ্যা ঃ

মৌখিক লোকবিদ্যাৰ অন্তৰ্ভূক্ত বিষয়সমূহ হৈছে, লোক কবিতা, বিহুগীত, হুচৰি, বিয়ানাম, ভাৰইয়া, চটকা, মৈসালী, মাউত গান, বন্দনা বা স্তুতি, দেহ বিচাৰৰ গীত, জিকিৰ, জাৰী, বাৰমাহী গীত, নৈদানিক গীত, বেলাড্ যেনে ঃ বদন বৰফুকনৰ গীত, জয়মতী গীত, মণিকোঁৱৰ-ফুলকোঁৱৰ গীত, জনাগাভৰুৰ গীত, হৰদত্ত বীৰদত্তৰ গীত, মলুবাৰ গীত, ভুইকম্পৰ গীত, বামুণ পুৰাণৰ গীত, নিচুকনি গীত, ধাইনাম, গৰখীয়া গীত।

জনজাতীয় ভাষাত, মিচিঙৰ অইনিতম, কবাননিতম, দয়িং নিতম, মিছাং নিতম, ডিমাছাৰ প্ৰাৰ্থনা গীত, বিসুগীত, প্ৰেম প্ৰণয়ৰ গীত, বিয়া গীত ইত্যাদি।

ইয়াৰোপৰি, লোককাহিনী যেনেঃ যোজনা, পটন্তৰ, সাঁথৰ, ফঁকৰা যোজনা, নিচুকনি গীত, খেল ধেমালী ইত্যাদি।

৩। ভৌতিক সংস্কৃতি ঃ

বাচন বৰ্ত্তন, ঘৰ-দুৱাৰ, আ অলংকাৰ, স্থাপত্যবিদ্যা, ৰন্ধন প্ৰণালী, চিত্ৰকলা।


৪। লোক পৰিবেশ্য কলাসমূহ ঃ

পুতলা নাচ, ঢুলীয়া, খুলীয়া ভাওৰীয়া, ওজাপালি, দেওধনী, দেবদাসী, কুশানগান, ভাৰীগান, ভাওগান, খেৰাই, বাগৰুম্বা আদি লোককলা গীত-নৃত্য, নাট সংপৃক্ত কলা।

এইদৰে অসমৰ অভিজাত সংস্কৃতিয়েই হওঁক অথবা লোক আৰু জনজাতীয় সংস্কৃতিয়েই হওঁক, "সংস্কৃতি" শব্দ আচলতে খুব বিস্তৃত অথবা বিশদ। লোক সংস্কৃতিৰ অন্তৰ্ভূক্ত বিভিন্ন কলাৰ বিকাশ সামাজিক ৰীতি, নীতি, বিশ্বাস মান্যতা, ধৰ্ম, মানুহৰ প্ৰয়োজনীয়তা আৰু মানুহৰ চিন্তাধাৰাৰ ভিত্তিত গঢ় লয়। গীত, বাদ্য, নৃত্য, কবিতা, নাটক আদি পৰিৱেশ্য কলা, দৃশ্যকলা, সাহিত্যকলা আমাৰ 'সংস্কৃতিৰ' অন্তৰ্ভূক্ত বিষয়। হিন্দুশাস্ত্ৰ অনুসৰি, আমাৰ ৬৪ বিধ কলাৰ ভিতৰত বাঁহ বেতৰ সঁজুলি বনোৱাকে আদি কৰি, মাটিৰ পাত্ৰ নিৰ্মাণসহ কহাৰৰ শিল্প, ৰন্ধন, ইত্যাদি মানুহৰ বিভিন্ন প্ৰয়োজনৰ আধাৰত সৃষ্ট কলা।

গতিকে, কলাৰ বিকাশৰ সৈতে আমাৰ "সংস্কৃতিৰ" বিকাশৰ সৈতে আমাৰ "সংস্কৃতিৰ" বিকাশ ওতঃপ্ৰোত ভাবে জড়িত।

চিত্ৰ ঃ Holistic Development Chart




উপৰোক্ত চিত্ৰত শিশুৰ পূৰ্ণাঙ্গ বিকাশৰ বাবে Holistic Development ৰ দিশসমূহৰ চৰ্চা আগবঢ়োৱা হৈছে।

ইংৰাজীৰ 'Holistic development' অথবা 'Holistic wellness' বুলিলে মানুহৰ সৰ্বাঙ্গীন আৰু পূৰ্ণ বিকাশৰ কথা বুজা যায়। ছাত্ৰ-ছাত্ৰী অথবা শিশুসকলৰ

ক্ষেত্ৰত বিশেষকৈ প্ৰাথমিক স্তৰৰ পৰায়ে 'Holistic wellness' ৰ ওপৰত গুৰুত্ব দিয়া উচিত। ইয়াৰে ভিতৰত 'Intellectual wellness' বুলিলে, বুদ্ধিমত্তাৰ উচিত দিশত বিকাশ হোৱাকে বুজায়। বৌদ্ধিক শ্ৰীবৃদ্ধিৰ বাবে শিশুসকলক সৰুৰে পৰা বিভিন্ন প্ৰায়োগিক কাৰ্যকলাপৰ মাধ্যমেৰে শিক্ষা প্ৰদান কৰিলে, শিক্ষা ফলপ্ৰসূ হয়। Social wellness অথবা সামাজিক দিশত বিকাশে শিশুৰ সামাজিকবোধ আৰু উচিত দিশত সামাজিক বিকাশ দায়বদ্ধতা, সমাজৰ প্ৰতি দায়িত্বশীলতাক সূচিত কৰে। Emotional wellness অৰ্থাৎ উচিত দিশত শিশুৰ আবেগিক বিকাশ বুলিলে ভাব-অনুভৱৰ উচিত দিশত বিকাশ হোৱাকে বুজায়। Environmental wellness বুলিলে আমাৰ চাৰিওদিশ কিদৰে আমি পৰিষ্কাৰ-পৰিচ্ছন্ন আৰু সংৰক্ষণ কৰি ৰখা উচিত ইয়াৰ ইংগিত দিয়ে। প্ৰত্যেকজন শিশু সু-স্বাস্থ্যবান হৈ থাকিলেহে আমাৰ দেশে প্ৰগতি কৰিব।

Physical wellness বুলিলে শৰীৰৰ উচিত দিশত বিকাশক বুজায়। বিভিন্ন ধৰণৰ যোগ, খেলা-ধূলা, নৃত্য আদিৰ মাধ্যমেৰে শৰীৰ ভালদৰে ৰাখিব পৰা যায়।

Spiritual wellness বুলিলে আমাৰ আত্মিক শুদ্ধি, শান্তি আৰু পূৰ্ণতাক বুজোৱা হয়। Occupational wellness বুলিলে, কাৰ্যক্ষেত্ৰত উচিত দিশত প্ৰগতি কৰিব পৰা ক্ষমতাক বুজোৱা হয়। কলা শিক্ষাৰ মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীৰ সকলো দিশতে বিকাশ সম্ভৱপৰ।

# কলা

## কলাৰ প্ৰাথমিক উপাদান

## (Basic elements of arts)

যিকোনো কলাৰ সৃষ্টিৰ বাবে, কিছুমান প্ৰাথমিক উপাদান গুৰুত্বপূৰ্ণ।

সঙ্গীত সৃষ্টিৰ মুখ্য উপাদানসমূহ হৈছে — তাল, লয়, সুৰ, সৌন্দৰ্য, ভাব, পৰিবেশন, শৈলী, সাজ, প্ৰকাশভঙ্গী ইত্যাদি।

দৃশ্যকলাৰ ক্ষেত্ৰত, ৰেখা, দূৰত্বৰ ধাৰণা, ৰঙৰ ধাৰণা, মূল্যবোধ, ছাঁৰ আবধাৰণা, আকৃতি, ইত্যাদি গুৰুত্বপূৰ্ণ। নৃত্যৰ ক্ষেত্ৰত, পৰিবেশন শৈলী, লয়, অংগি-ভংগি, অভিনয় আৰু প্ৰকাশভঙ্গী, ৰূপসজ্জা, ইত্যাদি গুৰুত্বপূৰ্ণ উপাদান। নাটকৰ ক্ষেত্ৰত, অভিনয় প্ৰকাশভঙ্গী, সাজসজ্জা, ৰূপসজ্জা, আংগিক বাচিক, আহাৰ্য, সাত্বিক দিশকে ধৰি, ধ্বনি নিক্ষেপ, পোহৰ নিক্ষেপ, সঙ্গীত ইত্যাদি গুৰুত্বপূৰ্ণ উপাদান।

## শিশু শিক্ষাত কলাৰ গুৰুত্ব ঃ

বিভিন্ন উন্নতিশীল দেশৰ উন্নতিৰ প্ৰধান কাৰণটো হৈছে সেই দেশৰ শিক্ষা ব্যৱস্থা। বৰ্ত্তমানসময়ত শিক্ষা ব্যৱস্থা নানান সংশোধনৰ মাজেৰে আগবঢ়াই নিবলৈ প্ৰচেষ্টা হাতত লোৱা হৈছে। শিক্ষা ব্যৱস্থাৰ বিকাশৰ জৰিয়তে, শিশুৰ বহুমুখী বিকাশৰ পথ সুচল হয়। ইয়াৰ বাবে শিক্ষা ব্যৱস্থাত বিভিন্ন সাল সলনিও সময়ে সময়ে কৰা দেখা যায়। এই ক্ষেত্ৰত আমাৰ শিক্ষা বিভাগসমূহে যথেষ্ট গুৰুত্ব সহকাৰে কাৰ্য কৰা দেখা যায়। লগতে বিশ্ববিদ্যালয় স্তৰতো কলা সম্বন্ধিত বিষয়সমূহ অন্তৰ্ভুক্ত কৰা হৈছে।

বিদ্যালয় শিক্ষাত ঐচ্ছিক বিষয়ৰ ৰূপত পূৰ্বৰে পৰা সৃজনশীল কলাসমূহৰ অন্তৰ্ভুক্ত কৰা হৈছিল। মহাত্মা গান্ধীয়ে বুনিয়াদী শিক্ষা ব্যৱস্থাত সঙ্গীত আৰু অন্যান্য কলাৰ বিষয়সমূহক প্ৰাধান্যতা দিছিল। বিভিন্ন দৃশ্য কলা, পৰিবেশ্য কলা আৰু সাহিত্য কলাৰ মাধ্যমেৰে "শিক্ষণ আৰু শিকণ" (Teaching-learning) পদ্ধতি, ছাত্ৰ-ছাত্ৰী সকলৰ বাবে কিদৰে মনোগ্ৰাহী কৰি তুলিব পাৰি, ইয়াৰ বাবে নানান চিন্তা-চৰ্চা বৰ্তমানেও কৰা হৈছে। উচ্চ শিক্ষাৰ ক্ষেত্ৰত সঙ্গীত, বাদ্য, নৃত্য, দৃশ্যকলা বিষয়সমূহ অন্তৰ্ভুক্ত কৰা হৈছে।

শিক্ষা পদ্ধতিত কলাৰ বিষয়সমূহ অন্তৰ্ভুক্ত কৰাৰ ফলত শিশুৰ শাৰীৰিক, মানসিক, ব্যক্তিত্ব বিকাশ সম্ভবপৰ হৈ পৰে। "কলা শিক্ষা"ৰ ব্যৱহাৰিক দিশসমূহৰ জৰিয়তে শিশুৰ আত্মপ্ৰকাশ আৰু আত্মঅভিব্যক্তি সহজ হৈ পৰে আৰু শিশুৰ সুপ্ত প্ৰতিভাৰ বিকাশ হয়। শিশুক সেইবাবে সাধাৰণ শিক্ষাৰ লগতে সহবিদ্যায়তনিক দিশত অৰ্থাৎ খেলা-ধূলাৰ মাধ্যমেৰে সঙ্গীত, নৃত্য, নাটক, কবিতা, সাধু কবলৈ দিয়া, কুইজ, তৰ্ক প্ৰতিযোগিতাত ভাগ লোৱা, দৃশ্যগত কলাৰ অন্তৰ্ভুক্ত বিভিন্ন কাৰুকলা যেনে ঃ হাতৰ বিভিন্ন কাৰ্য, চিলাই কৰা, বাঁহ বেতৰ সজুঁলি বনোৱা, কাহঁৰ পাত্ৰ, মাটিৰ পাত্ৰ তৈয়াৰ কৰা ইত্যাদি কলাৰ শিক্ষা দিয়াৰ ফলত, শিশুৰ স্থুল আৰু সুক্ষ্ম পেশীসমূহৰ বিকাশ সাধন হয়। শ্ৰেণীত নাটক, ৰোল প্লে (Role play), আদি খেলধেমালীৰ মাজেৰে শিক্ষা অধিক ফলপ্ৰসূ হয় আৰু শিশুৰ আবেগিক (emotion) বিকাশ হয় লগতে সৌন্দৰ্য্যবোধৰ বিকাশ হয়।

শিশুৰ সৌন্দৰ্যবোধ (Aesthetic sence) বৃদ্ধি কৰাৰ বাবে শিশুসকলৰ মাজত

"পৰিবেশ্য কলা", দৃশ্যকলা, সাহিত্যকলা আদি সৃজনশীল কলাসমূহৰ শিক্ষা দিয়াটো প্ৰয়োজনীয়। বৰ্ত্তমান সময়ত, বিদ্যায়তনিক দিশৰ লগতে 'সহবিদ্যায়তনিক' শিক্ষাৰ দিশসমূহ ছাত্ৰ-ছাত্ৰীৰ বাবে খুবেই গুৰুত্বপূৰ্ণ হৈ পৰিছে।

**জীৱন দক্ষতা আৰু কৌশল (Life skill)ঃ**




**জীৱন দক্ষতাসমূহৰ শিক্ষা কলাৰ মাধ্যমেৰে বিকাশ (Education for development of life skill through Art)ঃ**

উপৰোক্ত তালিকাত মানুহৰ (Life skill) জীৱন দক্ষতা সমূহৰ তালিকা প্ৰস্তুত কৰা হৈছে। শিক্ষণ-শিকণ প্ৰক্ৰিয়াৰ জৰিয়তে শ্ৰেণীত শিক্ষকে-শিশুক শিক্ষা প্ৰদান কৰে। ইয়াৰ ফলত শিশুৰ মাজত ক্ৰমান্বয়ে এই (Life skill) জীৱন দক্ষতা সমূহৰ বিকাশ হয়। এই কৌশলসমূহৰ বিকাশৰ ফলস্বৰূপে শিশুৰ ব্যক্তিত্ব গঠনত, চৰিত্ৰ গঠনত, ইতিবাচক প্ৰভাব বিস্তাৰ হয়।

"কলা শিক্ষাৰ" মাধ্যমেৰে শিশুৱে জীৱনত বিভিন্ন দক্ষতা আয়ত্ত কৰে আৰু ইয়াৰ বিকাশ সম্ভৱপৰ হয়। যেনেঃ স্ব-সংযোজন, অংশগ্ৰহণ, সৃজনশীলতা, চিন্তাধাৰাৰ বিকাশ ইত্যাদি। "কলা শিক্ষাৰ" জৰিয়তে শিশুৰ আন আন কিছুমান দিশতো বিকাশ হয় যেনেঃ

শিশুৰ বস্তুৰ নীৰিক্ষণ ক্ষমতা (Observation), অনুমান শক্তি (Reasoning skill), অনুসন্ধিৎসু-ভাব (Curious exploration), ভাব অভিব্যক্তি (Spontaneous expression), নতুন চিন্তাধাৰা (New ideas), কোনো বিষয়ৰ ওপৰত দৃষ্টিভঙ্গী (Way of looking things) আদি জীবন দক্ষতাসমূহৰ শ্ৰীবৃদ্ধি হয়। ৰবীন্দ্ৰনাথ ঠাকুৰে কৈছিল যে —

"Literature, music and the all arts are necessary for the development and following of a student to form an integrated total personality."

অৰ্থাৎ, সঙ্গীত আৰু অন্যান্য কলা ছাত্ৰ-ছাত্ৰীৰ সৰ্বাঙ্গীন বিকাশৰ বাবে আৰু ব্যক্তিত্ব বিকাশৰ বাবে প্ৰয়োজনীয়। ইয়াৰোপৰি, যিকোনো পৰিস্থিতিৰ সন্মুখীন হ'ব পৰাৰ ক্ষমতা (Resilience), স্বনিয়োজন (Self Management) আদি গুণগত কৌশলসমূহ গঢ় দিয়াত আৰু ব্যক্তিগত সশক্তিকৰণ (Personal Empowerment) গঢ় লৈ উঠাত, দেশৰ এজন সক্ৰিয় নাগৰিক (Active citizen) হিচাপে গঢ় লৈ উঠাত, পৰানুভূতি (Empathy) আদি গুণৰ বিকাশত এই কলাশিক্ষায়ে সহায় কৰে।

শিক্ষাৰ মূল লক্ষ্য আৰু উদ্দেশ্য হৈছে প্ৰত্যেকটি শিশুক এক সুন্দৰ ব্যক্তিত্বৰ গৰাকী কৰি সজাই তোলা।

(Education must be a real one that makes every child to be unique in nature) শিশু শিক্ষাৰ প্ৰতি সচেতনতা, উচ্ছাহ (enthusiasm) বৃদ্ধি কৰা আৰু শিশুৰ সম্পূৰ্ণ জীৱন কাল ছোৱাত কিবা নতুন সৃষ্টি কৰিবলৈ কলায়ে উৎসাহ যোগায়।

দৈনন্দিন জীৱনত আমাৰ সকলো কাৰ্য অভিব্যক্তি ভাষাৰ জৰিয়তে আমি কৰো। আমাৰ মনৰ ভাব-অনুভূতিসমূহ ভাষাৰ জৰিয়তে ব্যক্ত কৰিলেও ভাষাৰ লগত যেতিয়া কলাৰ সমাবেশ ঘটে ইয়াৰ অভিব্যক্তি অধিক প্ৰবল হয়। শিক্ষাৰ বিভিন্ন স্তৰত ছাত্ৰ-ছাত্ৰীৰ মনোবৈজ্ঞানিক বিকাশৰ বাবে আৰু ভাষাৰ সৈতে শিশুক ভালদৰে পৰিচয় কৰি দিয়াত কলা সহায়ক হয়। উদাহৰণস্বৰূপে—

কেঁচুৱা অবস্থাত যেতিয়া আমি ভাষা কব নোৱাৰো, তেনে অবস্থাত কান্দি, হাঁহি, ভিন্ন অংগি-ভংগিৰ সহায়ত কথাবোৰ ব্যক্ত কৰো। এই অংগি-ভংগি, মুখমণ্ডলৰ প্ৰকাশ ভংগি ইত্যাদিৰ মাজত ধ্বনি, ভাষা, অভিনয় আদি কলা সমাহিত। এইদৰে

মানব জীৱনৰ প্ৰাৰম্ভিক অবস্থাৰে পৰা কলাৰ বীজ নিহিত হৈ থাকে। কলাৰ মূখ্য উদ্দেশ্য হৈছে – মানুহৰ অন্তৰ্নিহিত ভাব আবেগ সমূহ সুন্দৰভাৱে বৰ্হিপ্ৰকাশ কৰা অথবা ফুটাই তোলা।

**শিক্ষা ঃ** 'শিক্ষা' হৈছে মানৱ জীৱনত আহৰণ কৰা জ্ঞান আৰু অভিজ্ঞতা। ই এক এনে কৌশল যাৰ জৰিয়তে সামাজিক প্ৰাণী হিচাবে মানুহে ব্যক্তিগত আৰু সামাজিক দুয়োটা দিশতে বিকাশ সাধন কৰি সমাজত জীয়াই থাকিবলৈ সক্ষম হয়। অসমীয়াত 'শিক্ষা' শব্দটো ইংৰাজী প্ৰতিশব্দ Education, লেটিন ভাষাত 'Educare' ৰ পৰা আহিছে।

শিক্ষাৰ ফলত জীৱনৰ বিভিন্ন সময়ছোৱাত ব্যক্তিয়ে নানান সমস্যাৰ সৈতে সন্মুখীন হ'ব পাৰে আৰু সমস্যাৰ সমাধান নিজেই বিচাৰি লব পৰা হয়। শিক্ষাৰ জৰিয়তে জটিল চিন্তনৰ কৌশল (critical thinking) ৰ বিকাশ হয়। চিন্তা হ'ল এক মানবীয় মানসিক প্ৰক্ৰিয়া। মানুহে যিকোনো ধৰণৰ কাৰ্য কৰিবলৈ চিন্তা কৰিব লগা হয়। জটিল চিন্তন-মনন মাধ্যমেৰে যিকোনো সমস্যাৰ সমাধান সম্ভব হয়। যুক্তিতৰ্ক, মানবীয় অনুসন্ধিৎসু ভাৱ জগাই তোলা ইত্যাদি শিক্ষাৰ ফলত সম্ভব হৈ পৰে। শিক্ষাৰ ফলত "সৃজনীশক্তি বিকাশৰ দক্ষতা" (creative Skill) ৰ বৃদ্ধি হয়। ব্যক্তিৰ আত্মবিশ্বাস, আত্মপ্ৰচেষ্টা, সৃষ্টিশীলতাৰ শ্ৰীবৃদ্ধি হয়। শিক্ষক সকলেও বিভিন্ন ক্ৰিয়াকাৰ্য, মুক্ত চিন্তা কৰিব পৰা ক্ষমতাৰ শিশুসকলৰ মাজত বৃদ্ধিৰ বাবে শ্ৰেণীকক্ষত এক আনন্দদায়ক পৰিবেশৰ সৃষ্টি কৰাটো প্ৰয়োজনীয়। শিশু-শিক্ষকৰ মাজত কথাৰ মুক্ত আদান-প্ৰদান হ'ব লাগে। বিভিন্ন কলাৰ প্ৰতিযোগিতা, তৰ্ক প্ৰতিযোগিতা, খেলা-ধুলা, সাহিত্য চৰ্চাৰ মাজেদি ছাত্ৰ-ছাত্ৰীৰ মাজত সৃজনশীল প্ৰতিভাৰ বিকাশ কৰিব পৰা যায়।

শিশুৰ মাজত পৰানুভূতিৰ ভাব (Empathy) জগায় তুলিবলৈ শিক্ষাৰ মাধ্যমেৰে শিক্ষকে চেষ্টা কৰাটো প্ৰয়োজনীয়। পৰস্পৰৰ মাজত বুজা-বুজি, অৰ্থাৎ পৰৰ অনুভূতিক নিজৰ অন্তৰেৰে অনুভৱ কৰাৰ মানসিক প্ৰক্ৰিয়াকে পৰানুভূতি (Empathy) বোলা হয়। ব্যক্তিয়ে নিজে যিকোনো সঠিক সিদ্ধান্ত গ্ৰহণ কৰিব পৰা ক্ষমতা— সৰুৰে পৰায়ে ক্ৰমান্বয়ে শিক্ষাৰ মাধ্যমেৰে গঢ় দিব পৰা যায়। শিক্ষাৰ মাধ্যমেৰে পৰস্পৰৰ মাজত আন্তৰিক সম্পৰ্ক, গঠনমূলক সম্পৰ্ক আৰু দলীয় মনোবৃত্তিৰ গঢ় দিব পৰা যায়।

শিশুৰ শৈশৱ কালৰ আৰম্ভণিৰ ৪-৬ (প্ৰাক প্ৰাথমিক) বছৰ অতি গুৰুত্বপূৰ্ণ। এই সময়ছোৱাত শিশুৰ বিকাশৰ অতি দ্ৰুত গতিত হয়। শিশুৰ সুপ্ত প্ৰতিভা আৰু ক্ষমতাৰ পূৰ্ণ বিকাশৰ বাবে এক উদ্দীপক পৰিস্থিতিৰ শ্ৰেণীকোঠাৰ লগতে ঘৰতো

অভিভাৱকে সৃষ্টি কৰিব পাৰে। শিশুৱে পৰিবেশৰ প্ৰত্যেকটি বিষয়ৰ সৈতে পোণপটীয়াকৈ আৰু নিজে অনুভৱ কৰিব পৰাকৈ আৰু কাৰ্যৰ অনুসন্ধান কৰি চাব পৰা হ'ব লাগে। প্ৰাৰম্ভিক শিক্ষাৰ স্তৰত শিশুক অধিক শিক্ষাৰ বোজা নিদি পৰিকল্পিত ৰূপত শিক্ষা দিয়াটো প্ৰয়াজনীয়। সুপৰিকল্পিত শৈক্ষিক আঁচনি তৈয়াৰ কৰি লোৱাটো প্ৰয়োজনীয়। সমাজৰ যিবোৰ পৰিয়ালৰ আৰ্থিক অনাটন বা আৰ্থিক ভাবে দুৰ্বল এনে পৰিয়ালৰ শিশুসকল শিক্ষাৰ ক্ষেত্ৰত যাতে বঞ্চিত নহয়, ঘৰুৱা পৰিবেশ সুচল নোহোৱাৰ ফলত আৰু পিতৃ-মাতৃৰ শিক্ষা নোহোৱাৰ ফলত, বিভিন্ন প্ৰয়োজনীয় সামগ্ৰীৰ অভাবত শিশুৰ বিকাশত যাতে ক্ষতি নহয়, এনে বিষয়সমূহৰ ওপৰত গুৰুত্ব দিয়াটো প্ৰয়োজনীয়। বিভিন্ন ধৰণৰ অভাবত যদি শিশুৰ জীৱনৰ শৈশৱকালছোৱা যদি কটাবলগীয়াত পৰে, তেন্তে শিশুৰ বৌদ্ধিক ভাষা বিকাশৰ ক্ষেত্ৰত বিৰূপ প্ৰভাব পৰে। ঘৰুৱা পৰিবেশত শিশুটোৱে, ইয়াৰ বিকাশৰ বাবে যিখিনি অভাব আৰু উদ্দীপকময় কথাৰ পৰা বঞ্চিত হয়, শিক্ষাৰ সুপৰিকল্পিত আঁচনি আৰু কাৰ্য্যসূচীয়ে শিশুটিৰ সেই অভাৱখিনি পূৰণ কৰিব পৰা যায়। এনে আঁচনিসমূহত শিশুৰ বৌদ্ধিক, ভাষিক, বিচাৰ ধাৰণা, সূক্ষ্ম শাৰীৰিক কলা-কৌশলেৰে সামাজিক আৰু আবেগিক বিকাশৰ বাবে উদ্দীপক পৰিবেশৰ সৃষ্টি কৰাটো প্ৰয়োজনীয়।

কলা শিক্ষায়ে এই ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগায়। বিভিন্ন ধৰণৰ সৃজনশীল, দৈহিক ক্ৰিয়াকালাপৰ মাধ্যমেৰে শিশুৰ বিকাশ সম্ভবপৰ হয়।

ড০ নাৰায়ণ শৰ্মায়ে তেওঁৰ গ্ৰন্থত কেইটিমন বোধশক্তিৰ মৌলিক কৌশলৰ বিষয়ে উল্লেখ কৰিছে।

১। বোধশক্তিৰ মৌলিক কৌশলসমূহৰ বিকাশত কলায়ে কিদৰে সহায় কৰে নিম্নলিখিত ধৰণে দেখুওৱা হৈছে—

উদ্দেশ্য (Objective) ক্ৰিয়া (Activities)

জ্ঞানেন্দ্ৰিয় সমূহৰ বিকাশত কলাৰ অবদান ঃ

(ক) দৃষ্টিশক্তিৰ বিকাশ (Sence of sight) ঃ শিশুৰ পৰিচিত বস্তু আৰু পৰিবেশ সম্বন্ধিত ছবি, জীব-জন্তু, চৰাই চিৰিকতি ইত্যাদি চোৱা। এইদৰে শিশুৰ দৃষ্টি, জ্ঞান বৃদ্ধি হয়।

(খ) শ্ৰৱণ শক্তিৰ বিকাশ (Sense of hearing) ঃ আমাৰ চাৰিওফালৰ শব্দৰ মাজত সম্বন্ধ স্থাপন কৰা, বিভিন্ন শব্দৰ মাজত সাদৃশ্য বৈসাদৃশ্য বিচাৰি উলিওৱা, শ্ৰৱণৰ জৰিয়তে বিভিন্ন ধৰণৰ চৰাইৰ মাত, জন্তুৰ মাত, মানুহৰ মাত চিনাক্ত কৰা।

সঙ্গীতৰ (গীত, বাদ্য, নৃত্য) মাধ্যমেৰে প্ৰকৃতিৰ বিভিন্ন ধ্বনিৰ সৈতে পৰিচয় হোৱাত বৌদ্ধিক বিকাশত সহায়ক হয়।

**(খ) মৌলিক ধাৰণা গঢ় দিয়াত কলাৰ উপযোগীতা ঃ**

**১। ৰঙৰ ধাৰণা (Colour concept) ঃ**

ৰঙা, নীলা, হালধীয়া, বগা, ক'লা আৰু সেউজীয়া ইত্যাদি। বিভিন্ন ৰং চিনাক্ত কৰা, গাঢ় ৰঙৰ পৰা পাতল ৰঙবোৰক চিনাক্ত কৰিবলৈ শিকোৱা আৰু ক্ৰম অনুসৰি সজোৱা।

**২। আকৃতিৰ ধাৰণা (Concept of shape) ঃ**

পৰিচিত বস্তুৰ সহায়ত আকৃতি চিনাক্ত কৰা। যেনে— ঘূৰণীয়া, ত্ৰিকোণীয়, চাৰিকোণীয় ইত্যাদি বিভিন্ন আকৃতিৰ সৈতে পৰিচয়।

**৩। প্ৰাক সংখ্যাৰ ধাৰণা (Colour concept) ঃ**

পদ্য (কবিতা ছন্দবদ্ধ) আন মাধ্যমেৰে বস্তুৰ আকাৰ, সংখ্যা, দৈৰ্ঘ্য, ওজন, উচ্চতা, ঘনত্ব, প্ৰস্থৰ, পৰিমাণ ইত্যাদিৰ ধাৰণা দিয়া। সংখ্যাৰ ধাৰণা সৰু সৰু কিছুমান (Rhymes) ছন্দময় কবিতাৰ যোগেদি দিব পৰা যায়।

**৪। নিৰ্দিষ্ট স্থানৰ ধাৰণা ঃ**

সাধু, পদ্য, খেল-ধেমালীৰ মাধ্যমেৰে স্থানৰ জ্ঞান দিয়া। যেনে ঃ সোঁফাল-বাঁওফাল, তল-ওপৰ ইত্যাদি।

**(গ) মৌখিক প্ৰকাশভঙ্গীৰ বিকাশত কলায়ে কিদৰে সহায় কৰে (How art helps in development of oral exprenssion)ঃ**

<u>উদ্দেশ্য</u>          <u>ক্ৰিয়া</u>

**১। কথোপকথন (Body Related Vocabulary)ঃ**

শিশুক অভিনয়, সংলাপৰ মাধ্যমেৰে মুখমণ্ডলৰ প্ৰকাশভঙ্গীৰ জৰিয়তে আত্মপ্ৰকাশ কৰিবলৈ সুবিধা দিয়া, পুতলাখেল, শব্দৰ খেলৰ মাধ্যমেৰে শিক্ষা দিয়া।

**২। সাধুকথা (Story telling)ঃ**

বিভিন্ন সাধুকথা কোৱা আৰু সাধু শেষ হোৱাৰ পিছত মূল কথাসমূহ শিশুক সুধি উত্তৰ দিবলৈ কোৱা। ছবি থকা বিভিন্ন কিতাপ পঢ়িবলৈ দিয়া, সাধুকথাবোৰত বিভিন্ন জীৱ-জন্তু, পশু-পক্ষী, বিভিন্ন প্ৰকৃতিৰ বিষয়বস্তু/উৎস ইত্যাদিৰ সৈতে শিশুক পৰিচয় কৰি দিয়া আৰু শিশুক কল্পনাশীল কৰি তোলা। সাধুকথাৰ কোনো বিষয় এটা বাছি দি শিশুক কবলৈ দিয়া। যেনে ঃ কুকুৰ, মেকুৰী, গৰু ইত্যাদি।

**৩। নাটকীয় ভংগী আৰু পুতলা খেল (Dramatization and Puppet play)ঃ**

নাটকীয় ভংগীসহ ছন্দসহ পদ্য শিশুক গাবলৈ শিকোৱাটো প্ৰয়োজন। সাধুকথা কৈ শিশুক সাধুৰ বিভিন্ন চৰিত্ৰৰ ভাও দি সংলাপ কবলৈ শিকোৱা, বিভিন্ন চৰিত্ৰৰ ভাও দি নাটকৰ সংলাপ কৰিবলৈ দিয়াটো উচিত।

**৪। ছবি পঢ়া (Picture Reading)ঃ**

ছবি দেখুৱাই শিশুক ছবিখনত থকা বিভিন্ন বস্তুৰ বৰ্ণনা কৰিব লাগে। ছবিখনত প্ৰকাশ পোৱা ভাব আৰু ঘটনাটিৰ বিষয়ে শিশুটিয়ে ভবাৰ ধৰণে ক'বলৈ দিয়াটো প্ৰয়োজনীয়।

**৫। সাহিত্য কলাৰ বিকাশ, সৃজনশীল আত্মপ্ৰকাশ (Creative self expression through literature)ঃ**

শিশু বিকাশত কোনো এটা শব্দ কৈ তাৰ সৈতে আনুষাংগিক শব্দবোৰ শিশুক কবলৈ দিয়াটো প্ৰয়োজনীয়। যেনেঃ শিক্ষয়িত্ৰীয়ে 'বায়ু' বুলি ক'লে শিশুৱে ক'ব অক্সিজেন, প্ৰদূষণ, কাৰ্বন-ডাই অক্সাইড ইত্যাদি। এনে বিজ্ঞান বিষয়ৰ সমসাময়িক শব্দ ক'বলৈ দি জ্ঞান বৃদ্ধি কৰা।

প্ৰত্যেক শিশুৰ মাজত নিজস্ব সৃজনশীল প্ৰতিভা অন্তৰ্নিহিত থাকে। শিশুৰ সৃজনশীলতাৰ বিকাশৰ ক্ষেত্ৰত কেইটিমান আন কাৰকে অবদান যোগাব পাৰে। যেনে ঃ পৰিবেশ্য কলাসমূহ - গীত, বাদ্য, নৃত্য, নাটক, কবিতা আবৃত্তি ইত্যাদি। এনেবোৰ কলাৰ মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীৰ বাবে এক উদ্দীপক পৰিস্থিতিৰ সৃষ্টি কৰিব পৰা যায়।

বিভিন্ন ছন্দময় কবিতা (Rhymes) আৰু ভংঙ্গিমাৰ সহায়ত (Action with Rhythm), গীত, নৃত্য, বাদ্যবাদন, শাৰীৰিক অংগ সঞ্চালন, প্ৰাথমিক স্তৰত বিভিন্ন বিষয় যেনে ঃ জীব জন্তুৰ চাল চলন অনুকৰণ কৰি অভিনয়, বিভিন্ন সংলাপৰ দ্বাৰা দিয়া শিক্ষা ফলপ্ৰসূ হৈ উঠে। বিভিন্ন ধ্বনি আৰু শব্দ উচ্চাৰণ আৰু লয় বা গতিত শিশুৱে অতি সহজে পাঠ আয়ত্ত কৰিব পৰা হয়।

আমাৰ চাৰিওফালৰ প্ৰাকৃতিক দৃশ্য উপভোগ কৰি, গীত লিখা, নৃত্য আৰু ছবি, ৰং ইত্যাদিৰ সহায়ত শিশুৱে আত্মপ্ৰকাশ কৰিব পাৰে।

শিশুক আমি বিভিন্ন কাৰ্যকলাপৰ দ্বাৰা সৃষ্টিশীল কাৰ্যৰ বাবে উৎসাহ দিয়াটো প্ৰয়োজন। শিশুৰ সৃজনশীল প্ৰতিভাসমূহ আৰু মন অথবা মানসিক অৱস্থাৰ বিকাশ সাধন কৰাটো প্ৰাৰম্ভিক শিশু শিক্ষা ব্যৱস্থাৰ এক অপৰিহাৰ্য্য অংগ।

# শিশু আৰু শিক্ষকৰ সম্পৰ্ক

## (Relation between Child & Teacher)

### শিশু আৰু শিক্ষকৰ সম্পৰ্ক ঃ

শিক্ষা হৈছে এখন সমাজৰ আৰু দেশৰ অগ্ৰগতিৰ শক্তিশালী মাধ্যম। শিক্ষানুষ্ঠানে দেশৰ আৰু সমাজৰ সুস্থ বিকাশ বা প্ৰগতিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীকে ভৱিষ্যতৰ এজন সু-নাগৰিক হিচাপে গঢ় দিয়াত শিক্ষানুষ্ঠানে এক বিশিষ্ট ভূমিকা পালন কৰে। ছাত্ৰ-ছাত্ৰীক শিক্ষা দিয়াৰ ক্ষেত্ৰত, শিক্ষকৰ দক্ষতা আৰু কৰ্ত্তব্য, নিষ্ঠা বহু পৰিমাণে নিৰ্ভৰ কৰে। শিক্ষা আৰু প্ৰশিক্ষণে এজন সু-শিক্ষক গঢ় দিয়াত সহায় কৰে। প্ৰশিক্ষণপ্ৰাপ্ত এজন শিক্ষকে নিজৰ দক্ষতাৰে ছাত্ৰ-ছাত্ৰীৰ মাজত জ্ঞানৰ চাকি জ্বলাব পাৰে। এজন শিক্ষকেই হৈছে এখন আদৰ্শ সমাজ গঢ় দিয়াৰ চাবিকাঠি। শিশুক ব্যৱহাৰিক, চৰিত্ৰবান, নিয়মানুবৰ্ত্তিতা, সু নাগৰিক হিচাপে গঢ় দিয়াটো শিক্ষকৰ কৰ্ত্তব্য।

এজন আদৰ্শ শিক্ষক হ'বলৈ হ'লে 'জ্ঞান, নিয়মানুবৰ্ত্তিতা, ব্যৱহাৰিক, ৰসিক, কৰ্মৰ প্ৰতি শ্ৰদ্ধা, দায়িত্বশীল, ছাত্ৰ-ছাত্ৰীৰ মনোবৈজ্ঞানিক আৰু আচৰণ সম্বন্ধে সু-নিৰীক্ষণ কৰিব পৰা ক্ষমতা তেওঁৰ থাকিব লাগিব। লগতে শিশুক বিভিন্ন ক্ষেত্ৰত ইতিবাচক কৰি তুলি উৎসাহ আৰু আত্মবিশ্বাস গঢ়ি তুলিবলৈ শিক্ষকে চেষ্টা কৰিব লাগে। এজন শিক্ষকে সততা, নিষ্ঠা আৰু সু পৰিকল্পিত ভাবে কৰ্ম কৰি শিশুৰ আচৰণ পৰিবৰ্ত্তন কৰিব পাৰে। শিশুক সৎ আচৰণ, সজগুণৰ গৰাকী কৰি তুলিব পাৰে। এজন শিশু বিভিন্ন পৰিবেশৰ পৰা বিদ্যালয়লৈ আহে আৰু বিভিন্ন পৰিস্থিতিৰ দ্বাৰা প্ৰভাবিত হয়। এনে ক্ষেত্ৰত শিক্ষকে পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি সচেতনভাবে আগ বঢ়াতো প্ৰয়োজনীয়। শিশুৰ মানসিক অবস্থা, ৰুচিবোধসমূহে বুজি বিভিন্ন কাৰ্যকলাপৰ মাধ্যমেৰে শিশুক আগবঢ়াই নিব লাগে।

### প্ৰাথমিক শিক্ষাৰ গুৰুত্বপূৰ্ণ বিষয়ঃ

১। ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰ গঠন

২। প্ৰভাৱশালী শিক্ষণ-শিকণ প্ৰক্ৰিয়া

৩। শ্ৰেণীকোঠাৰ সুব্যৱস্থা আৰু নিয়াৰীকৈ পৰিচালনা

৪। ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষণ

৫। সমাজ আৰু পৰিয়ালৰ সৈতে সু-সম্পৰ্ক।

কলা শিক্ষাৰ জৰিয়তে মানুহৰ মনৰ পৰা হিংসা-বিদ্বেষ, ক্ৰোধ-ভাব, অন্যায় ইত্যাদি ইতিবাচক দিশত শিশুক আগুৱায় নিয়াটো প্ৰয়োজনীয়। সমাজখন সুস্থ আৰু সবল কৰি তুলিবলৈ শিক্ষকে কলা শিক্ষাৰ জ্ঞান ছাত্ৰ-ছাত্ৰীক দিয়াটো অতি প্ৰয়োজনীয়। এখন বিদ্যালয়ত সাধাৰণ ছাত্ৰ-ছাত্ৰীৰ লগতে বিভিন্ন পৰিবেশৰ পৰা ছাত্ৰ-ছাত্ৰী আৰু বিশেষভাবে সক্ষম শিশুও আহিব পাৰে। ইয়াৰ বাবে বিশেষভাবে প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক, শ্ৰেণীকোঠাত প্ৰয়োক্ত বিভিন্ন সঁজুলী আৰু বিদ্যালয়ৰ ঘৰ, চৌহদ ইত্যাদি সুবিধাৰ প্ৰয়োজন।

## কলা আৰু মূল্যবোধৰ শিক্ষা (Value of art in Education) ঃ

কলা হৈছে আমাৰ মনৰ অন্তৰ্নিহিত ভাৱ, আৱেগ সৃষ্টিৰ মাধ্যম। কলাৰ জৰিয়তে শিশুৰ নৈতিক আধ্যাত্মিক, চাৰিত্ৰিক দিশত পূৰ্ণাংগ বিকাশ সম্ভৱপৰ। মূল্যবোধৰ ধাৰণা, মানব জীৱনৰ নৈতিক, আধ্যাত্মিক, সাংস্কৃতিক, অৰ্থনৈতিক, সৌন্দৰ্যাত্মক ৰাজনৈতিক দিশৰ সৈতে জড়িত।

সামাজিক জীব হিচাপে মানুহৰ মাজত মূল্যবোধৰ ধাৰণাটো সদায়েই জীয়াই থাকে। ইয়াৰ অবিহনে মানুহ সামাজিক হৈ উঠিব নোৱাৰে। সমাজ এখন সু-নিয়ন্ত্ৰিত ভাবে পৰিচালনা কৰিবলৈ যিবোৰ নীতি-নিয়ম, আদৰ্শ, ৰীতি-নীতি, আচাৰ-ব্যবহাৰ, ধৰ্মীয় বিশ্বাস, নৈতিক জ্ঞান আৰু চিন্তা মানুহে মানি চলে সেয়ে হৈছে মূল্যবোধ। সমাজভেদে মূল্যবোধৰ ধাৰণাও ভিন্ন হয়। বিভিন্ন স্থানৰ কলা সংস্কৃতি, পৰম্পৰা, চিন্তাধাৰা, আচাৰ ব্যৱহাৰ, ধৰ্মীয় মান্যতা, ৰাজনৈতিক, অৰ্থনৈতিক দিশসমূহ, ভিন্ন হয়।

এনে দিশ অনুসৰি, মূল্যবোধ এখন স্থানৰ পৰা আন স্থানৰ ভিন্ন হব পাৰে। এজন শিশুৰ আধ্যাত্মিক মূল্যবোধৰ জ্ঞান আৰু ইয়াৰ বিকাশ বুলি কলে, আধ্যাত্মিক দৃষ্টিকোণৰ পৰা মন, আত্মা, চিন্তা, বুদ্ধি ইত্যাদিৰ বিকাশৰ কথা আহে। নৈতিক মূল্যবোধে, শিশুৰ নৈতিক জ্ঞান জগায় তোলে। সমাজৰ প্ৰতি দায়িত্বশীল, মানুহৰ প্ৰতি দয়াশীল, সমাজৰ বিভিন্ন নীতি নিয়ম, পৰম্পৰা, চৰিত্ৰ, ব্যক্তিত্বৰ দিশ নিৰ্ণয়

কৰে।

সৌন্দৰ্য্যাত্মক চিন্তাধাৰায়ে মানুহৰ মাজত সৌন্দৰ্যৰ ভাবনা, সৃজনশীলতা, কল্পনাশক্তিৰ বিকাশ কৰে। গতিকে, সৌন্দৰ্য্যাত্মক চিন্তাধাৰায়ে মানুহৰ মূল্যবোধক সূচিত কৰে। কলা শিক্ষাৰ মাধ্যমেৰে শিশুৰ সৌন্দৰ্যৰ ধাৰণা প্ৰবল হয়।

সমাজৰ সৈতে জড়িত হৈ থকা বিভিন্ন ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, বিশ্বাস, কৰ্মৰাজি ইত্যাদিৰ শিক্ষায়ো ব্যক্তিৰ মাজত মূল্যবোধৰ ধাৰণাৰ বিকাশ কৰে। মূল্যবোধ, হৈছে এনে এক মানবীয় গুণ য'ত মানুহৰ প্ৰতি প্ৰেম, দয়া, সহিষ্ণুতা, ধৈৰ্য্য, সুস্থ চিন্তা, সমভাব বেদনা, ইত্যাদি অন্তৰ্ভূক্ত। মানুহৰ জীৱনকালত গুণ আৰু অবগুণ এই দুয়োটাৰে বিকাশ হয়। কিন্তু মূল্যবোধৰ শিক্ষাৰ জৰিয়তে এই অবগুণসমূহ দূৰ কৰি গুণগত মান বৃদ্ধি কৰিব পৰা যায়।

ইয়াৰ বাবে সুস্থ সামাজিক পৰিবেশৰ লগতে, অভিভাৱকে শিশুৰ প্ৰতি উচিত সময়ত উচিত পদক্ষেপ, নৈতিক প্ৰমূল্যবোধৰ জ্ঞান ইত্যাদি দিয়াটো প্ৰয়োজনীয়।

নৈতিকভাবে সচেতন পিতৃ-মাতৃৰ সন্তান বিপথে যোৱাৰ পৰা ৰক্ষা পৰিব পাৰে। সমাজত শিক্ষকৰ এক বিশেষ স্থান আছে। শিশুৰ ভবিষ্যত জীৱনৰ চাবি কাঠী শিক্ষকৰ হাততে থাকে। শিক্ষক এজনে কেৱল পুঁথিগত শিক্ষাৰ ওপৰতে ছাত্ৰ-ছাত্ৰীক শিক্ষাদান নকৰি, এনেবোৰ শিক্ষাৰ সৈতে মূল্যবোধৰ শিক্ষা সন্নিবিষ্ট কৰি পাঠদান, কৰোৱাটো উচিত।

শিক্ষক এজনে মানব জীৱনক উচিত দিশত আগুৱাই নিয়াত, মানুহৰ সদগুণ সমূহৰ বিকাশ কৰাত আৰু জীৱনটো সুন্দৰকৈ গঢ় দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। গতিকে, এজন শিক্ষকে প্ৰাথমিক পৰ্য্যায়ৰ পৰায়ে মূল্যবোধৰ শিক্ষা দিয়াটো প্ৰয়োজনীয়। মানুহৰ মাজত নৈতিক, সাংস্কৃতিক মূল্যবোধ গঢ় লৈ উঠাতো প্ৰয়োজনীয়। কলা, সাহিত্য, নৃত্য, গীত, অভিনয়, হস্তশিল্প, সাংস্কৃতিক আদান-প্ৰদান ইত্যাদিৰ মাধ্যমেৰে মানুহৰ সাংস্কৃতিক চিন্তাধাৰাৰ, ভাব-আবেগসমূহৰ বহিঃপ্ৰকাশ হয়। সাংস্কৃতিক মূল্যবোধৰ বাবে আমি জীৱনটো সুন্দৰকৈ জীয়াবলৈ শিকো। বিভিন্ন জনৰ সৈতে চিন্তা-চৰ্চা, কথাৰ আদান প্ৰদান, সু-চিন্তা, সু-আচৰণ ইত্যাদিৰ মাধ্যমেৰে সাংস্কৃতিক মূল্যবোধ প্ৰতিফলিত হয়। ইয়াৰ জৰিয়তে সুস্থ সমাজ এখন গঢ় লৈ উঠে, সমাজত বৌদ্ধিক মানসিক মূল্যায়ণ সম্ভৱপৰ হৈ উঠে। বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সাংস্কৃতিক মূল্যবোধৰ বিকাশ কৰিবলৈ সাংস্কৃতিক চেতনাৰ ভাব জগায় তুলিব লাগিব।

বিভিন্ন সাংস্কৃতিক কাৰ্যকলাপ, অনুষ্ঠান, ইত্যাদিৰ মাধ্যমেৰে এনেবোৰ কথা সম্ভৱপৰ হৈ পৰে। জ্যেষ্ঠজনক সন্মান, কনিষ্ঠজনৰ প্ৰতি মৰম, গুৰু, পিতৃ-মাতৃৰ প্ৰতি স্নেহ আদৰ, সন্মানৰ ভাব মূল্যবোধৰ শিক্ষাৰ মাধ্যমেৰে গঢ় লৈ উঠে। কবিতা, নাটক, গীতমাত, ছবি অকা ইত্যাদিৰ জৰিয়তে মূল্যবোধৰ শিক্ষা দিব পৰা যায়।

বৰ্ত্তমানে আধুনিক যুগত মানব জাতিয়ে বিভিন্ন বৈজ্ঞানিক আৰু প্ৰযুক্তিৰ বিকাশ ঘটিছে। এনেবোৰ বৈজ্ঞানিক প্ৰযুক্তিৰ বিকাশ ইতিবাচক দিশত হ'লেও ইয়াৰ নেতিবাচক দিশসমূহো দেখিবলৈ পোৱা যায়। বিষাক্ত মৰণাস্ত্ৰৰ ব্যৱহাৰ, পাৰমাণৱিক অস্ত্ৰৰ প্ৰয়োগ, যুদ্ধ-বিগ্ৰহৰ পৰিস্থিতি, হিংসা-বিদ্বেষ, সন্ত্ৰাসবাদ ইত্যাদি বিশ্বব্যাপী বিয়পি পৰাৰ ফলত মানুহৰ মাজত এজনৰ প্ৰতি আনজনৰ সহানুভূতিশীলতা, দয়া, মৰম-চেনেহ, শ্ৰদ্ধা ভাব-আবেগ সমূহ ম্লান হৈ আহিছে। এইধৰণৰ পৰিস্থিতিত মানৱ সমাজক এক বিকৃত মানসিকতায়ে গঢ় লৈ উঠিছে। মানুহৰ মাজত জীয়াই থকা ভাব আবেগসমূহ, সংস্কাৰ, আদৰ্শ, নীতি-নিয়ম, আচাৰ-ব্যৱহাৰৰ সময়ৰ লগে লগে দ্ৰুতগতিত পৰিবৰ্ত্তিত পৰিলক্ষিত হৈছে। কৰ্মব্যস্থতা, দ্ৰুত জীৱন ধাৰণৰ শৈলীয়ে মানৱ জাতিক এজনৰ পৰা আনজনক দূৰ কৰিছে মানুহৰ সৌন্দৰ্য্যাত্মক ভাব আৰু চিন্তাধাৰা, ধাৰ্মিক, সাংস্কৃতিক, নৈতিক, সামাজিক মূল্যবোধৰ মানদণ্ড হ্ৰাস হোৱাত মানুহক বিপথগামী কৰি তুলিছে। বেছিভাগ সময় মোবাইল, কম্পিউটাৰ আদি টেকনলজীৰ সৈতে সংগ লোৱাৰ ফলত মানুহৰ মাজত ভাব আদান প্ৰদানৰ বাবে সময় কমি আহিছে। ড্ৰাগছ সেৱন, মদ-ভাং আদি নিশাযুক্ত পদাৰ্থৰ প্ৰতি আসক্তি বৃদ্ধি পোৱাৰ ফলত সমাজখনক ই অন্ধকাৰলৈ ঠেলি নিছে। শিশুৰ প্ৰকৃতি সৈতে, সমাজৰ সৈতে, সমনীয়াৰ সৈতে, আত্মীয়ৰ সৈতে সম্পৰ্ক স্থাপন কমি যোৱাত সুস্থ মানসিকতা গঢ়ি উঠা নাই।

বৰ্ত্তমান ছাত্ৰ-ছাত্ৰীৰ মাজত মূল্যবোধ জাগ্ৰত কৰি ব্যক্তিত্বৰ সৰ্বাংগীন বিকাশ ঘটোৱাৰ প্ৰয়োজন আহি পৰিছে। মূল্যবোধৰ শিক্ষাৰ ফলত শিশুৰ জীৱন ভৱিষ্যতে অৰ্থপূৰ্ণ হৈ পৰিব। শিক্ষাৰ মূল উদ্দেশ্য হৈছে, শিশুৰ সৰ্বাঙ্গীন ব্যক্তিত্ব বিকাশ। ইয়াৰ সৈতে জড়িত হৈ আছে শিশুৰ দৈহিক, মানসিক বিকাশ। "শিক্ষাৰ" মাধ্যমেৰে শিশুক সু চৰিত্ৰবান, দেশৰ সু-নাগৰিক হিচাপে গঢ় দিব পৰা যায়। লগতে, শিশুৰ সামাজিক, নৈতিক, সাংস্কৃতিক, সৌন্দৰ্যবোধ ইত্যাদি বিভিন্ন দিশৰ বিকাশ "শিক্ষাৰ" মাধ্যমেৰে সম্ভৱপৰ হয়। 'কলা শিক্ষাৰ' জৰিয়তে শিশুৱে এক আত্মিক সন্তুষ্টি লাভ কৰে। এক আনন্দৰ ভাবৰ উদ্ভৱ, প্ৰত্যেকটি বিষয়-বস্তুক কল্পনাৰ মাধ্যমেৰে ভিন্ন ধৰণে চিন্তা কৰাৰ ক্ষমতা, ভিন্ন দৃষ্টিভঙ্গীৰে চিন্তা কৰাৰ ক্ষমতা, সৌন্দৰ্যবোধৰ ভাবৰ বিকাশ হয়।

এই প্ৰকৃতিৰ পৰায়ে শিশুৱে চিন্তা কৰাৰ ভিন্ন উৎস বিচাৰি পায় আৰু কল্পনা শক্তি আৰু সৃজনশীলতাৰ মাধ্যমেৰে আত্মপ্ৰকাশ কৰে।

১৯৭৯ চনত "ৰাষ্ট্ৰীয় শিক্ষা আৰু গৱেষণা পৰিষদে" ৮৪ বিধ মূল্যবোধৰ বিষয়ে উল্লেখ কৰিছে। এনেবোৰ মূল্যবোধৰ শিক্ষাৰ জৰিয়তে শিশুৰ পূৰ্ণাঙ্গ বিকাশ সম্ভব।

এইবোৰ হৈছে –

অহিংসা, দেশপ্ৰেমৰ ভাব, সহযোগিতা পৰিষ্কাৰ পৰিচ্ছন্নতা, নম্ৰতা, শ্ৰদ্ধা, মানবীয়তাবোধ, সহানুভূতি, সংযম, দায়িত্ববোধ ইত্যাদি।

এজন শিক্ষকে উচিত শিক্ষাৰ মাধ্যমেৰে প্ৰত্যক্ষ ৰূপত বিভিন্ন পাঠ্যক্ৰমৰ মাজেৰে আৰু বিভিন্ন ক্ৰিয়াত্মক কাৰ্যপ্ৰণালীৰ মাধ্যমেৰে দিব পাৰে। সামাজিক অবস্থা, পৰিবেশ, ঘৰুৱা অবস্থা আৰু সমাজৰ বিভিন্ন কাৰ্যকালাপৰ পৰাও ছাত্ৰ-ছাত্ৰীয়ে মূলবোধৰ শিক্ষা লাভ কৰে। ৰাষ্ট্ৰৰ প্ৰতি সন্মানৰ ভাব, ৰাষ্ট্ৰীয় সংগীত পৰিবেশন, ৰাষ্ট্ৰীয় পতাকাৰ প্ৰতি সন্মান ইত্যাদি হৈছে মূল্যবোধৰ শিক্ষা। বস্তুবাদী মানসিকতায়ে মূল্যবোধৰ ধাৰণাৰ ক্ষতি সাধন কৰে। ইন্টাৰনেট, বিভিন্ন টেকনলজিৰ, বৈজ্ঞানিক আবিষ্কাৰৰ ফলত আমাৰ জীৱন ধাৰণৰ পথ এফালে সুচল হৈছে, যদিও আনফালে ইয়াৰ কু প্ৰভাবৰ ফলত সুস্থ মানসিকতা, স্বভাব-চৰিত্ৰ গঢ় লোৱাত বাধাৰ সৃষ্টি কৰিছে। হিংসা, বিদ্বেষ, দুৰ্নীতি, ঠগ ইত্যাদি বৃদ্ধি পাব ধৰিছে। বিশেষকৈ পাশ্চাত্য দেশৰ প্ৰভাবত আমাৰ জীৱনত বিভিন্ন ধৰণে নেতিবাচক প্ৰভাবো পৰ দেখা যায়।

কলা শিক্ষাৰ জৰিয়তে বিভিন্ন দিশত মূল্যবোধৰ শিক্ষা আৰু জ্ঞান আমি ছাত্ৰ-ছাত্ৰীক দিব পাৰো। দেশৰ প্ৰতি শ্ৰদ্ধা, দেশৰ সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধা; মূল্যবোধৰ শিক্ষাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক দিব পৰা যায়। বিভিন্ন গীত, নৃত্য, নাটক, সাধু কোৱা, কবিতা লিখা আৰু আবৃত্তি কৰা, ছবি অঁকা, মাটিৰ পাত্ৰ নিৰ্মাণ, হস্তশিল্পৰ কৰ্ম ইত্যাদিৰ মাধ্যমেৰে মূল্যবোধৰ শিক্ষা ছাত্ৰ-ছাত্ৰীক দিব পৰা যায়।

## শিশুৰ শব্দ উচ্চাৰণ ভাল কৰাৰ বিধি (Vocal Culture to improve pronounc's of Child) ঃ

"Articulation" ৰ সাধাৰণ অৰ্থ হৈছে মুখেৰে 'ধ্বনি' নিৰ্গত কৰা। এই ধ্বনি নিৰ্গত হোৱা প্ৰণালী মুখৰ বিভিন্ন অংশ যেনে - ওঁঠ, জিভা, দাঁত, মুখৰ ভিতৰৰ ওপৰ-

তল অংশ উশাহ্-নিশাহ্ আদিৰ সৈতে জড়িত। এই "Articulation" আৰু "Phonological disorder" ৰ সমস্যা কোনো শিশুৰ মাজত দেখা দিব পাৰে আৰু ইয়াৰ বিভিন্ন কাৰণ থাকিব পাৰে।

'Phonology' বুলিলে কিছুমান ধ্বনিৰ শৃঙ্গলোক (Pattern) বুজায়, যাৰ সংযোগৰ ফলত শব্দ নিৰ্গত হয়। শিশুৰ মাজত "Articulation disorder" দেখা দিলে, এই "phonological disorder" স্বাভাৱিকতে দেখা যায়। মনোযোগ, একাগ্ৰতা, কাণেৰে শুনা (listening), কবলৈ অভ্যাস কৰোৱা, বাৰে বাৰে এটা শব্দৰ উচ্চাৰণ, মাংসপেশীৰ অভ্যাস, বুজাৰ ক্ষমতা বৃদ্ধি কৰিবলৈ বিভিন্ন উপায় অবলম্বন কৰিব পৰা যায়। যেনে — বিভিন্ন Blocks, শিশুক চিত্ৰ অংকন কৰিবলৈ দিয়া, কাৰুকলা, বিভিন্ন ৰঙৰ সৈতে পৰিচয় কৰিবলৈ বিভিন্ন মাধ্যমৰ প্ৰয়োগ কৰা, নৃত্য, গীত শুনোৱা ইত্যাদি বিভিন্ন কাৰ্যভিত্তিক উপায় অবলম্বন কৰিব পৰা যায়। এইদৰে খেলা-ধূলাৰ মাধ্যমেৰে শিশুক আগবঢ়ায়, নিয়াৰ ফলত শিশুৰ মাজত আত্মবিশ্বাস গঢ় লৈ উঠিব। শিশুক আখৰ পঢ়িবলৈ দিয়া, আকাৰ-ইঙ্গিতৰ দ্বাৰা প্ৰকাশভঙ্গী, শাৰীৰিক গতিবিধিৰ দ্বাৰা প্ৰকাশভঙ্গী শিকোৱাটো প্ৰয়োজনীয়। পৰস্পৰৰ মাজত ভাব-আবেগ আদান প্ৰদানৰ মাধ্যমেৰে শিশুৰ (communicative) সংযোগ ক্ষমতাৰ বিকাশ হয়। শিশুৰ Speech disorder ৰ মুখ্য দুটা কাৰণৰ এটা 'Functional' অৰ্থাৎ ইয়াৰ কাৰণবোৰ অজ্ঞাত হৈ থাকে আৰু আনটো 'organic' য'ত শাৰীৰিক বিভিন্ন কাৰণ জড়িত হৈ থাকে।

কিন্তু সাধাৰণতে শিশুৰ Articulation Phonetix ৰ বিকাশ আৰু উচ্চাৰণ শুদ্ধ কৰিবলৈ বিদ্যালয়ত শিক্ষকে বিভিন্ন উপায় অবলম্বন কৰিব পাৰে। 'Phonetix' আৰু শব্দৰ উচ্চাৰণ কৰিবলৈ শিকোৱা, শুনাৰ অভ্যাস গঢ়ি তোলা, প্ৰকৃতিৰ সৈতে আৰু সমাজৰ সৈতে সম্বন্ধ স্থাপন কৰিবলৈ শিকোৱা, বিভিন্ন কলাগত কাৰ্যকলাপৰ মাধ্যমেৰে বুজাৰ শক্তি আৰু দক্ষতাৰ বিকাশ ঘটোৱা ইত্যাদি। শিশুক বিদ্যালয়ত 'Speech Sound' সমূহ সেইবাবে ভালদৰে উচ্চাৰণ কৰিবলৈ শিকোৱাটো প্ৰয়োজনীয়। যেনে - 'AA', At, AW, AY, B, C, CH, D, E, F, G, J, OO, OR, PH, QU, TH, WH, X, Y, Z ইত্যাদি।

Articulation অৰ ৭টা স্তৰত শিশুৱে —

(১) কোনো বিষয় শুনিবলৈ শিকিব আৰু শুদ্ধ-অশুদ্ধ হ'লেও ক'বলৈ শিকে।

(২) অকলশৰে থাকিলেও এই বৰ্ণ, শব্দ উচ্চাৰণ স্বাভাৱিক প্ৰচেষ্টা কৰিব।

(৩) ক্ৰমান্বয়ে, শব্দ আৰু বৰ্ণ ভালদৰে ক'ব পৰা হয়।

(৪) এটা-দুটা শব্দ ক'ব পৰা হয়।

(৫) পৰৱৰ্ত্তী সময়ত বাক্য ক'ব পৰা হয়।

(৬) শেষত কথোপকথন ভালদৰে কৰিব পৰা হয়।

শিশুৰ কাণেৰে শুনা শক্তি কম হ'লে, মগজুৰ উচিত বিকাশ সময়মতে নহ'লে, মাংসপেশী দুৰ্বল হ'লে, জন্মগত সমস্যা থাকিলে Articulation অত অসুবিধা হ'ব পাৰে।

**১১ বিধৰ (Articulation) বা গ্ৰন্থিলতা ঃ** শিশুৰ শব্দ উচ্চাৰণ সঠিক ধৰণে কৰিব পাৰিছে নে নাই আৰু উচিত বয়সৰ লগে লগে শব্দ উচ্চাৰণ স্পষ্ট হৈছেনে নাই, এনেবোৰ বিষয়ৰ ওপৰত অভিভাৱক আৰু শিক্ষকে গুৰুত্ব দিয়া উচিত। এনেক্ষেত্ৰত ১১ বিধৰ Articulation অথবা, স্পষ্ট উচ্চাৰণৰ বিধি অথবা গ্ৰন্থিলতাৰ কথা কব পাৰি। 'Articulation' হৈছে আমাৰ মুখমণ্ডলৰ কোন কোন অংশৰ প্ৰয়োগ আৰু বৰ্ণ আৰু শব্দ উচ্চাৰণ কৰোতে ব্যৱহাৰ হৈছে আৰু কিদৰে ব্যৱহাৰ কৰা হয়। কোনটো ভাষাৰ বৰ্ণ বা ইংৰাজীৰ "Alphabet' আদি কওঁতে জিভাৰ দাঁত, ওঁঠ, ইত্যাদি মুখমণ্ডলৰ বিভিন্ন অংশৰ প্ৰয়োগ কিদৰে হ'ব, শ্বাস-প্ৰশ্বাসৰ গতি উচ্চাৰণ কৰোতে কিদৰে নিয়ন্ত্ৰিত হ'ব এনেবোৰ বিষয় অতি গুৰুত্বপূৰ্ণ। আমাৰ কণ্ঠটো হৈছে এক প্ৰকাৰৰ যন্ত্ৰ আৰু 'Articulation' হৈছে এক প্ৰকাৰৰ Skill বা দক্ষতা, ইয়াৰ জৰিয়তে শব্দৰ শুদ্ধ আৰু স্পষ্ট উচ্চাৰণ সম্ভৱ হয়। এইদৰে 'Articulation' ৰ এই প্ৰক্ৰিয়াৰ সৈতে আমাৰ tone, volume, pitch ইত্যাদি সংযুক্ত হৈ পৰৱৰ্ত্তী স্তৰত শব্দ উচ্চাৰণ সম্ভৱ হয়।

**Articulation বা গ্ৰন্থিলতা আৰু Enuciation বা শব্দৰ স্পষ্ট উচ্চাৰণৰ মাজত পাৰ্থক্য ঃ**

Articulation হৈছে শব্দটো বা ধ্বনি বাহিৰ হোৱাৰ সময়ত হোৱা মুখমণ্ডলৰ বিভিন্ন ক্ৰিয়া। "Enuciation" হৈছে, ব্যক্তিৰ কণ্ঠস্বৰ আৰু শৰীৰৰ বায়ুৰ মাধ্যমেৰে বাহিৰ হৈ অহা স্পষ্ট ধ্বনি।

এনেক্ষেত্ৰত "Articulation" আৰু "Enuciation" দুয়োটা বিষয়েই গুৰুত্বপূৰ্ণ। শব্দ উচ্চাৰণ ভাল কৰিবলৈ প্ৰয়োজন হয় Vocal warm up অথবা কণ্ঠ সংস্কাৰ কৰা অথবা বিভিন্ন অভ্যাস (Exercise) ৰ জৰিয়তে উপযোগী কৰি তোলা।

কণ্ঠৰ এই "warm up" অভ্যাসসমূহ বা কণ্ঠসংস্কাৰ এনেধৰণৰ –

১। প্ৰথমে, শব্দ উচ্চাৰণ কৰিবলৈ গাঁওতে, মুখখন ভালদৰে খুল খাইছে নে নাই চোৱাটো প্ৰয়োজন।

২। আমাৰ কণ্ঠৰ দ্বাৰা নিৰ্গত হোৱা ধ্বনিৰ উঠা-নমাৰ প্ৰক্ৰিয়াৰে ধ্বনি বায়ুৰ লগত সংযুক্ত হৈ শব্দৰ মাধ্যমেৰে নিৰ্গত হয়। গতিকে অসমীয়াৰ বৰ্ণসমূহ বা ইংৰাজীৰ 'Alphabet' হওক, "Phonetics" বা ভাষাৰ ধ্বনি বিজ্ঞানৰ জ্ঞান ইত্যাদিৰ উচিতভাবে উচ্চাৰণৰ পদ্ধতি, শিশুক শিকাবলৈ আৰু বিভিন্ন Pitch অত বৰ্ণসমূহ উচ্চাৰণ কৰিবলৈ অথবা বৰ্ণসমূহৰ প্ৰয়োগ তল ওপৰ কৰা পদ্ধতিৰে শুদ্ধ আৰু স্পষ্ট কৰাটো প্ৰয়োজনীয়।

৩। উশাহ-নিশাহৰ নিয়ন্ত্ৰণ কৰিবলৈ শিশুক শিক্ষা দিয়াটো প্ৰয়োজনীয়। ইয়াৰ বাবে 'যোগ' সাধনৰ জৰিয়তেও উশাহ নিশাহ নিয়ন্ত্ৰিত আনিব পৰা যায়।

৪। ৫ মিনিট সময় মুখমণ্ডলৰ আগলৈ পিছলৈ হাতেৰে, মাংসপেশীসমূহ সংবাহন অথবা, Massage কৰিব লাগে।

৫। দুয়োখন ওঁঠ লগ লগাই ('Hum') 'হম্' ধ্বনি শিশুক উচ্চাৰণ কৰিবলৈ দিব লাগে। এই উচ্চাৰণ পেটৰ পৰা নিৰ্গত হৈ আহিব।

৬। (Umm) 'ওঁম্' ধ্বনিৰ উচ্চাৰণ দিব লাগে। এই ধ্বনি মস্তিষ্ক, উদৰ, নাৰী, হৃদয়ৰ সৈতে সম্বন্ধিত। ধ্বনি উচ্চাৰণ কৰোতে হোৱা কম্পনৰ ফলত দেহ-মন সতেজ হ'ব আৰু ৰোগ নিৰাময় হ'ব।

৭। (Ha) 'হা' ধ্বনি উচ্চাৰণ কৰিবলৈ দি, হাতখন পেটত ৰাখি ধ্বনি উচ্চাৰণ কৰিবলৈ শিশুক দিব লাগে। প্ৰথমে, উশাহ লৈ পেটতো বায়ুৰ পূৰ্ণ কৰিব লব লাগে তাৰ পিছত নিশ্বাসত বায়ু উলিয়াই দি "হা" বৰ্ণৰ উচ্চাৰণ কৰিব লাগে।

৮। ১১ বাৰ জিভা ঘূৰোৱা অভ্যাস কৰিব লাগে।

৯। শব্দ উচ্চাৰণ মন্দ্ৰ, মধ্য, তাঁৰ সপ্তকত অথবা বিভিন্ন 'Pitch' অত বৰ্ণ আৰু "Phonetics" ৰ সহায়ত বিভিন্ন অভ্যাস কৰাব লাগে।

"ধ্বনি উচ্চাৰণৰ" বা "Phonetics" সমূহৰ অভ্যাস ছাত্ৰ-ছাত্ৰীক কৰোৱাটো প্ৰয়োজনীয়। উদাহৰণস্বৰূপে ঃ

ইংৰাজীৰ Vowel – a, e, i, o, u আদি। এই 'Vowel' সমূহ উচ্চাৰণ কৰোতে মুখখন কিছু মেল খাই, বায়ু বাহিৰলৈ ওলোৱা হয় আৰু Consonants, সমূহৰ উচ্চাৰণ কিছু ভিন্ন হয়।

এইক্ষেত্ৰত মুখমণ্ডলৰ, ওঁঠ, জিভাৰ প্ৰয়োগো ভিন্ন হয়। এইদৰে ইংৰাজীৰ কিছুমান শব্দ যেনে ঃ p̲ill, t̲ill, k̲ill, b̲ill, d̲ill, gill ইত্যাদি Consonant alphabets সমূহৰ উচ্চাৰণ শিক্ষকে শিকোৱাটো প্ৰয়োজন।

১১। ইয়াৰোপৰি পৰৱৰ্ত্তী স্তৰত, বৰ্ণ, শব্দ, আৰু বাক্যৰ সহায়তো বিভিন্ন উচ্চাৰণৰ অভ্যাস কৰোৱটো প্ৰয়োজনীয়।

যেনে ঃ

১। I need a box of biscuits, a box of mixed biscuits and biscuit mixer.

২। High roller, low roller, lower roller.

এই বাক্য কেইটা মনত ৰাখি দ্ৰুত গতিত শিশুক শিক্ষকে শ্ৰেণীক কৰলৈ শিকাব। এইদৰে, শব্দ উচ্চাৰণ ভাল হ'ব।

ভাৰতীয় শাস্ত্ৰীয় সঙ্গীতত ৰে, গা, মা, পা ইত্যাদি স্বৰ উচ্চাৰণৰ বাবে দিয়া হয় আৰু পাশ্চাত্য সঙ্গীততো ঠিক সেইদৰে Do, Re, Mi, So, La ইত্যাদি স্বৰৰ ব্যৱহাৰ সঙ্গীতত কৰা হয়।

এনে ধৰণৰ স্বৰ প্ৰয়োগৰ ফলত কণ্ঠস্বৰ শুদ্ধ হোৱাৰ লগতে, স্বৰ নিক্ষেপণ উচ্চাৰণ স্বৰৰ উঠা-নমা প্ৰক্ৰিয়াৰ অভ্যাস হয়। ইয়াৰ ফলস্বৰূপে ধ্বনি মধুৰ হোৱাৰ লগতে উচ্চাৰণৰো বিকাশ হয়। ভাৰতীয় সঙ্গীতৰ সা, ৰে, গা, মা, পা, ধা, নি এই স্বৰসমূহ নিৰ্দ্দিষ্ট স্থানত অৱস্থিত। এই নিৰ্দ্দিষ্ট স্থানলৈ কণ্ঠক এইসমূহ বৰ্ণৰ সহায়েৰে অথবা 'আ-কাৰ' উচ্চাৰণৰ সহায়েৰে লৈ যাব পৰা যায়।

ছাত্ৰ-ছাত্ৰীয়ে তিনি ধৰণে ভাষাৰ জ্ঞান লাভ কৰে। যেনে কাণেৰে শুনি, চকুৰে চাই আৰু মুখেৰে উচ্চাৰণ কৰি অথবা পঢ়ি। যদি ছাত্ৰ-ছাত্ৰীয়ে এই ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হোৱা দেখা যায় তেন্তে শিক্ষকে এইক্ষেত্ৰত বিশেষ ব্যৱস্থা লোৱাটো প্ৰয়োজনীয়। এইদৰে বিশেষ ভাবে সক্ষম শিশুৰ বাবে বিশেষজ্ঞৰ সৈতে আলোচনা আৰু উপযুক্ত শিক্ষাৰ মাধ্যমেৰে এনেবোৰ ছাত্ৰ-ছাত্ৰীক বিভিন্ন বিষয়ৰ জ্ঞান দিব পৰা যাব। 'Phonetics' বা ভাষাৰ ধ্বনিবিজ্ঞান হৈছে মানুহৰ শৰীৰৰ পৰা ওলোৱা বিভিন্ন ধ্বনিৰ বিষয়ক অধ্যয়ন আৰু (Phonology) 'ফনোলজী', হৈছে ধ্বনিৰ শ্ৰেণীবভাজন। ভাষাৰ ক্ষেত্ৰত ধ্বনিক সাধাৰণতে অসমীয়াৰ ব্যঞ্জন বৰ্ণ আৰু স্বৰবৰ্ণ এই দুই ভাগত ভগোৱা হয়। অসমীয়া ভাষাৰ ক্ষেত্ৰত 'অ' 'আ' 'ই' 'ঈ' 'ঋ' আদি স্বৰবৰ্ণসমূহৰ

উচ্চাৰণ সাধাৰণতে আৰম্ভণিতে দিয়া।

**আধুনিক 'Phonetics' বা ভাষাৰ ধ্বনি বিজ্ঞানক তিনি ভাগত বিভক্তঃ**

১। Production অৰ্থাৎ ধ্বনি উৎপাদন অথবা, কোনো এটা ধ্বনি কি প্ৰক্ৰিয়াৰে উচ্চাৰণ কৰা হ'ব।

ইয়াক, 'Articulatory phonetics' বোলা হয়।

২। Transmission, অৰ্থাৎ কিদৰে, শব্দটো বা ধ্বনিটো নিৰ্গত হৈছে। ইয়াক ইংৰাজীত 'acoustics' বুলিব পাৰি।

৩। Perception, হৈছে সেই ধ্বনি কাণেৰে শুনা। ই হৈছে "auditive" অথবা শ্ৰৱণ ইন্দ্ৰিয়ৰ সৈতে জড়িত। ইয়াক ইংৰাজীত "Auditory phonetics" বোলা হয়।

ধ্বনিৰ তিনিটা শ্ৰেণী আছে।

১। Phones – ই হৈছে মানবীয় ধ্বনি।

২। Phonemes– যি কোনো এটা ভাষাক স্পষ্ট কৰে আৰু এটা ভাষাক আনটোৰ পৰা পৃথক কৰে।

৩। Allophones– যি ধ্বনি স্পষ্ট নাথাকে।

'Phonetics' অথবা ধ্বনিবিদ্যাৰ সহায়ত, ধ্বনিৰ বিভিন্ন দিশ, বিভিন্ন ধ্বনিৰ সংযুক্ত কৰণ আৰু ধ্বনি কিদৰে এটা বৰ্ণৰ মাধ্যমেৰে নিৰ্গত হয়, সেই বিষয়ত অধ্যয়ন কৰা হয়।

শিশুৰ ক্ষেত্ৰত অসমীয়াৰ (Consonent) ব্যঞ্জনবৰ্ণ আৰু (Vowel) স্বৰবৰ্ণৰ উচ্চাৰণৰ লগে লগে rhymes বা ছন্দময় কবিতা ইত্যাদি শিকোৱাটো শিশুৰ বাবে প্ৰয়োজনীয়।

সঙ্গীতৰ ক্ষেত্ৰত কণ্ঠ প্ৰয়োগৰ কিছু কথা ঃ

১। Pitch অথবা ধ্বনি নিক্ষেপ কৰাৰ অৰ্থ হৈছে, ধ্বনি কিমান উচ্চ অথবা নীচ হ'ব। কিছুমান সাঙ্গীতিক ধ্বনিৰ বাবে খুব উচ্চ স্বৰত গোৱাটো প্ৰয়োজনীয় হয়। কিছুমান ধ্বনি আকৌ নিম্ন স্বৰত গোৱা হয় বা তলত গোৱা হয়। কিছুমান স্বৰ বা ধ্বনি সমান স্বৰত অথবা মধ্যত প্ৰয়োগ কৰা প্ৰত্যেক ব্যক্তিৰে tonal quality অৰ্থাৎ কণ্ঠৰ গুণাগুণ ভিন্ন হয়।

২। Tempo বা লয়ৰ অৰ্থ হৈছে যে কি গতি অথবা সময়ৰ কি গতিত সুৰৰ প্ৰয়োগ হ'ব। এইক্ষেত্ৰত সঙ্গীত দ্ৰুত, মধ্য আৰু বিলম্বিত গতিও হ'ব পাৰে। সঙ্গীতৰ ই এক প্ৰধান অংগ।

৩। Intensity or loudness or, Magnitude অথবা ধ্বনিৰ প্ৰবলতা বা তীব্ৰতা অৰ্থ হৈছে, যেতিয়া কোনো ধ্বনি বা স্বৰ খুব জোৰেৰে আৰু খুব লাহেকৈ কব পৰা যায় অথবা কণ্ঠস্বৰ প্ৰয়োগ কৰিব পৰা যায়। ইয়াকে ধ্বনিৰ তীব্ৰতা বোলা হয়। আমাৰ কণ্ঠস্বৰৰ সৈতে বায়ুৰ কম্পন হৈ ধ্বনি উৎপন্ন হয়। জোৰেৰে অহা ধ্বনিৰ কম্পন বিস্তাৰ বেছি হয়। আৰু কম জোৰেৰে অহা ধ্বনিৰ কম্পন বিস্তাৰ কম হয়।

৪। Dynamics অথবা গতি বিদ্যা বা গতিবিজ্ঞানৰ অৰ্থ হৈছে কিমান জোৰেৰে আৰু কিমান কোমলতাৰে স্বৰ প্ৰয়োগ হ'ব অথবা ধ্বনিৰ প্ৰয়োগ হ'ব।

সঙ্গীতৰ ক্ষেত্ৰত গায়কে স্বৰৰ প্ৰয়োগ খুব কোমলতাৰে লোৱা দেখা যায় আৰু কেতিয়াবা (Voice modulation) কণ্ঠস্বৰ পৰিবৰ্ত্তনৰ সহায়ত মোটা ধ্বনি উৎপন্ন কৰা দেখা যায়। এইদৰে কণ্ঠস্বৰৰ ভিন্ন প্ৰয়োগক "Dynamics" বোলা হয়। কবিতা আবৃত্তি কৰোতে, নাটক কৰোতে এনে পৰিবৰ্ত্তন পৰিলক্ষিত হয়।

Duration, স্থিতিকাল বা সময়সীমাৰ অৰ্থ হৈছে, শব্দৰ প্ৰয়োগ কিমান দীৰ্ঘ বা চুটী কৰা হৈছে। কিছুমান ধ্বনি সঙ্গীতত খুব কম সময়লৈ অৰ্থাৎ চুটী কৈ লোৱা হয় আৰু কিছুমান দীৰ্ঘ কৰা হয়। ইয়াকে "Duration" বা শব্দৰ সময়সীমা বোলা হয়।

Texture অথবা গঠনবিন্যাস হৈছে, কণ্ঠস্বৰৰ গঠনবিন্যাসৰ সৈতে কণ্ঠৰ স্বৰৰ নিক্ষেপণ কি ধৰণৰ হব ইয়াক অধ্যয়ন কণ্ঠৰ গঠনবিন্যাস বুলি কলে কণ্ঠস্বৰৰ তীক্ষ্ণ, পাতল,সৰু, মিহি, মোটা, গধুৰ ইত্যাদিক বুজায়।

**কলা শিক্ষা ঃ**

**শৈক্ষিক উদ্দেশ্য আৰু লক্ষ্য**

**প্ৰাথমিক পৰ্যায়ত কলা সমন্বিত পদ্ধতিৰে পাঠদান ঃ**

কলা হৈছে মানুহৰ মনৰ নান্দনিক ভাবসূহৰ প্ৰকাশৰ এক মাধ্যম। কলা হৈছে মানুহৰ সুক্ষ্ম অনুভূতিসূহৰ সৌন্দৰ্য্যাত্মক প্ৰকাশ। অৰ্থাৎ আমাৰ মনত যিবোৰ ভাব কল্পনাৰ উদয় হয়, সেইবোৰ যেতিয়া আমি শাৰীৰিক মাধ্যমেৰে যেনে ঃ শৰীৰৰ

বিভিন্ন অঙ্গি-ভঙ্গিৰ সহায়ত অথবা বিভিন্ন ধ্বনি বা কণ্ঠস্বৰৰ প্ৰয়োগৰ সহায়ত প্ৰকাশ কৰো, তাকেই পৰিবেশ্য কলা বোলা হয়। 'কলা' সৃষ্টি অন্য মাধ্যমৰ দ্বাৰাও হ'ব পাৰে। যেনে দৃশ্যগত কলাৰ ক্ষেত্ৰত, ছবি আঁকোতে আমি পেন পেঞ্চিল, ৰং-তুলিকা ইত্যাদিৰ ব্যৱহাৰ কৰা।

পৰিবেশ্য কলাৰ অন্তৰ্গত গীত, বাদ্য, নৃত্য, নাটক, কবিতা আবৃত্তি, মুক-অভিনয়, চাৰ্কাচ ইত্যাদি অন্তৰ্ভূক্ত। ভাৰতবৰ্ষত কলা শব্দৰ ব্যৱহাৰ বৈদিক যুগৰ পৰায়ে হৈছিল। ঋগবেদ আৰু সামবেদত বিভিন্ন কলাৰ বিষয়ে উল্লেখ পোৱা যায়। যৰ্জুবেদৰ ৩০ নং অধ্যায়ত ৬৪ বিধ কলাৰ বিষয়ে উল্লেখ পোৱা যায়। গতিকে, প্ৰত্যেক শিক্ষকৰে এটা মূখ্য দায়িত্ব হৈছে যে, তেওঁ ভাষা, কলা সংস্কৃতি, থলুৱা হস্তশিল্প, বাদ্যযন্ত্ৰ, সা-সঁজুলি, গীত-মাত, নৃত্য ইত্যাদিৰ জ্ঞান ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰাৰ লগতে, ইয়াৰ সংৰক্ষণ কিদৰে কৰিব পৰা যায়, ইয়াৰ পথ নিদৰ্শন কৰা।

কলা বিষয়ক জ্ঞান প্ৰদান কৰোৱায়ে হৈছে কলাশিক্ষা। কলাৰ জ্ঞানৰ মাধ্যমেৰে শিশু আৰু মানুহৰ বিভিন্ন দিশৰ উৎকৰ্ষ সাধনেই হৈছে ' কলা শিক্ষা'। বৰ্ত্তমান সময়ত, আলোচনাৰ বিষয় হৈছে কিদৰে কলা সমন্বিত বা একত্ৰীকৰণ পদ্ধতিৰে শিশুক পাঠদান বা শিক্ষাদান কৰিব পৰা যায়।

শিশু শিক্ষাৰ প্ৰাথমিক পৰ্য্যায়ত শিশুক বিভিন্ন বিষয়বস্তুৰ সৈতে পৰিচয় কৰি দিয়াটো শিক্ষকৰ কৰ্ত্তব্য।

প্ৰকৃতিৰ প্ৰত্যেকটি বিষয়বস্তু, জীব আৰু জড় পদাৰ্থৰ অনুভৱ, ভাব-আবেগ গঢ় দিয়াটো শিক্ষকৰ কৰ্ত্তব্য। প্ৰকৃতিৰ প্ৰত্যেক বিষয়কো সুন্দৰতাৰ দৃষ্টিভঙ্গীৰে কিদৰে লক্ষ্য কৰিব, প্ৰত্যেক বিষয়ৰ ইতিবাচক আৰু নেতিবাচক দিশসমূহৰ বিষয়ে অৱগত শিশুক কৰোৱাটো শিক্ষকৰ কৰ্ত্তব্য। শিশুৰ মনটো অত্যন্ত কোমলীয়া। গতিকে কল্পনাশক্তি, সৃজনশীলতাৰ বিকাশৰ জৰিয়তে শিশুৰ মনত যাতে এক ইতিবাচক চিন্তাধাৰাৰ সৃষ্টি হয় সেই বিষয়ত গুৰুত্ব দিব লাগে। ভৱিষ্যতে ভাব-আবেগৰ ওপৰত নিয়ন্ত্ৰণ কিদৰে কৰিব সেই বিষয়ৰ ওপৰত লক্ষ্য ৰাখি প্ৰাথমিক পৰ্য্যায়ৰ পৰায়ে শিক্ষা দিয়াটো প্ৰয়োজনীয়। ভৱিষ্যত জীৱনৰ সন্মুখীন হ'বলগীয়া প্ৰত্যেক সমস্যা, পৰিস্থিতিৰ, সৈতে যাতে মুখামুখি হ'ব পাৰে তেনেবোৰ কথালৈ লক্ষ্য ৰাখি শিক্ষকে ছাত্ৰ-ছাত্ৰীক প্ৰস্তুত কৰাটো প্ৰয়োজনীয়।

'কলা শিক্ষাৰ' মাধ্যমেৰে শিক্ষকে, শিশুক বিভিন্ন কথা সহজেই শিকাব পাৰে আৰু বিষয়টি প্ৰয়োগাত্মক দিশসমূহেৰে সামৰি লৈ মনোগ্ৰাহী কৰি তুলিব পাৰে। এনে

ক্ষেত্ৰত, শিশুৰ অন্তৰ্নিহিত ভাব আবেগৰ লগতে মানসিক অৱস্থাৰো ইতিবাচক দিশত বিকাশ লাভ কৰে।

শিশুৰ প্ৰাৰম্ভিক স্তৰৰ শিক্ষা, আখৰ লিখোৱা অথবা সংখ্যা লিখোৱাৰে আৰম্ভ নহয়। আশে-পাশে থকা বিভিন্ন বস্তু স্পৰ্শ কৰি আৰু বিভিন্ন শব্দৰ শ্ৰৱণ আৰু উচ্চাৰণৰ মাধ্যমেৰে হয়। এনে স্তৰত সুৰযুক্ত মধুৰ ধ্বনি ছন্দময় গীতৰ সহায়ত পৰিৱেশন কৰি যিকোনো বিষয়ৰ জ্ঞান অতি সহজেই দিব পৰা যায়। শিশুৱে এইদৰে পুনৰাবৃত্তি কৰি অভ্যাস কৰিলে শব্দ উচ্চাৰণ স্পষ্ট হয়। শিক্ষকে শিশুক কেৱল একঘেয়ামী পাঠ নপঢ়ায় বিভিন্ন কাৰ্য্যকলাপৰ মাধ্যমেৰে পাঠদান কৰাব লাগে। বিভিন্ন উদাহৰণসহ এনেবোৰ কাৰ্যকালাপৰ উল্লেখ পৰৱৰ্ত্তী অধ্যায়ত সমাবিষ্ট কৰা হৈছে।

## কলা সমন্বিত শিক্ষণ-শিকণ পদ্ধতি
## (Art Integrated Teaching learning process)

**প্ৰাথমিক স্তৰ (In primary level) ঃ**

বৰ্ত্তমান শিক্ষাত বিদ্যায়তনিক (Scholastic education) দিশৰ লগতে সহবিদ্যায়তনিক (Co-scholastic) শিক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। এনে ক্ষেত্ৰত শিক্ষক এজনে যেতিয়া বিভিন্ন বিষয় যেনে ঃ ভাষা, গণিত, সমাজ বিজ্ঞান, পৰিৱেশ বিজ্ঞান ইত্যাদি বিষয়ক পাঠদান কৰিব, তেনে ক্ষেত্ৰত, শিশুক বিষয়টোৰ ওপৰত পাঠ্যপুথি ভিত্তিক জ্ঞান দিয়াৰ লগতে প্ৰায়োগিক দিশত বিষয়টি মনোগ্ৰাহী কৰি তুলিবলৈ পৰা যায়।

এইদৰে, কলাৰ সৈতে সংযুক্ত অথবা সমন্বিত কৰি দিয়া শিক্ষাক "Art Integration" বোলা হয়।

**উদাহৰণস্বৰূপে ঃ** "ইংৰাজী" ভাষাৰ পাঠদান কৰাওঁতে শিক্ষকে যদি শিশুক 'ৰং' সম্বন্ধিত ধাৰণা দি, এটি শিশুসুলভ কবিতা শিকোৱা হয়, তেন্তে শিশুৰ কথাবোৰ অথবা বিষয়টো সোনকালে মনত ৰব। (প্ৰাক্ প্ৰাথমিক আৰু নিম্ন প্ৰাথমিক স্তৰ) (Pre primary & Lower primary Level)।

উদাহৰণ ঃ ইংৰাজীৰ এটি শিশুমূলক কবিতা ঃ

**<u>Colours</u>**

My teeth are white

They are so bright
My hair is black
And so is Jack
A Tomato is red
Sometimes green
But a green potato is never seen
A sunflower is yellow
A chocolate is brown
A brinjal is purple
With a green crown

এইদৰে, বিভিন্ন প্ৰকাশভঙ্গী, অঙ্গি-ভঙ্গিৰ সহায়ত ছাত্ৰ-ছাত্ৰীক শব্দ উচ্চাৰণ, ভাষাৰ জ্ঞান শিক্ষকে দিব লাগে। এই কবিতাৰ মাধ্যমেৰে শিশুৰ মানবীয় শৰীৰৰ গঠন আৰু 'ৰং' সম্বন্ধিত ধাৰণা স্পষ্ট হ'ব।

আন এটি কবিতাৰ জৰিয়তে শিশুৰ "দিশ নিৰ্ণয়' সম্বন্ধিত ধাৰণা স্পষ্ট' হ'ব --

**প্ৰাথমিক স্তৰ ঃ**

**কবিতাঃ <u>দিশ নিৰ্ণয়</u>**

পূৰ্ব, পশ্চিম, উত্তৰ, দক্ষিণ এই চাৰিও দিশ
আহা শিকো আহা আমি
চাৰিও দিশৰ গীত।
সূৰুয়ৰ দিশে মুখ কৰি ৰবা
পাবা পূৰ্ব দিশ,
দুয়োখন হাত আকৌ মেলি দি
পাবা উত্তৰ আৰু দক্ষিণ দিশ
ঠিক তোমাৰ বিপৰীতে আছে পশ্চিম দিশ।

ঠিক সেইদৰে, 'পাচলিৰ বাগিছা', 'সেউজীয়া সেউজীয়া', আদি গীতসমূহৰ পৰা খেতি কৰা বিষয়ক জ্ঞান পাব পাৰো। প্ৰকৃতিৰ গছ গছনি, ফল মূল, পাচলি সম্বন্ধিত জ্ঞান, এনেবোৰ গীত আৰু কবিতাৰ মাধ্যমেৰে পাব পৰা যায়। বিভিন্ন চিত্ৰ,

আকৃতি, ৰেখা, বৃত্ত আদিৰ চিত্ৰ, জীব-জন্তু, ফল-মূল, শাক-পাচলি আদি প্ৰকৃতিৰ প্ৰত্যেক বিষয়বস্তুৰ পৰিচয় আৰু গুণাগুণৰ বৰ্ণনা বিভিন্ন চিত্ৰ অংকন, গীত, কবিতা আদিৰ মাধ্যমেৰে পাব পৰা যায়।

প্ৰাথমিক শিক্ষা হৈছে এখন সমাজৰ অগ্ৰগতিৰ মূল। প্ৰাথমিক শিক্ষা সাৰ্বজনীন আৰু বাধ্যতামূলক হ'বলৈ হ'লে কেইটামান প্ৰয়োজনীয় দিশ হৈছে — (১) বিদ্যালয়ৰ সা-সুবিধাৰ ক্ষেত্ৰত সাৰ্বজনীন ব্যৱস্থা গ্ৰহণ কৰা। (২) বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্ত্তি নিশ্চিত কৰা (৩) ছাত্ৰ-ছাত্ৰীক বিদ্যালয়ত ধৰি ৰখাৰ ব্যৱস্থা কৰা (৪) শিক্ষাৰ গুণগত মান বৃদ্ধি কৰা।

শিশুসাধাৰণতে আনৰ ওপৰত নিৰ্ভৰশীল হয় আৰু শিশুৱে নিজৰ যত্নৰ প্ৰয়োজনীয়তা সমূহৰ বিষয়ে নিজে উপলব্ধি কৰিব নোৱাৰে, এনে ক্ষেত্ৰত শিশুৰ সৰ্বাঙ্গীন বিকাশৰ বাবে শিশুৰ খোৱা পিন্ধা, স্বাস্থ্য, পুষ্টিকৰ খাদ্য, ৰোগ ইত্যাদিৰ প্ৰতি লক্ষ্য ৰাখি শিশুৰ প্ৰতি যত্ন লোৱাটো প্ৰয়োজন। ইয়াৰ জৰিয়তে শিশুৰ মানসিক, দৈহিক, আবেগিক, ভাষা আদিৰ বিকাশ হয়। শিশুৱে নিজৰ চাৰিওফালে থকা বস্তু, পৰিস্থিতি ইত্যাদি বিষয়ে জানিবলৈ কৌতুহল অনুভব কৰে। শিশুৰ সুস্থ শাৰীৰিক, মানসিক বিকাশৰ বাবে মাক-দেউতাক, পৰিয়ালৰ সদস্য তথা শিক্ষকৰ পৰা শিশুৱে মৰম আদৰ ইত্যাদি বিচাৰে। সেইবাবে ঘৰৰ পৰায়ে শিশুৰ এক সুস্থ বাতাবৰণৰ প্ৰয়োজন হয়। কলা-সংস্কৃতিৰ চৰ্চাৰ জৰিয়তে ঘৰখনত এক প্ৰকাৰৰ সুন্দৰ পৰিৱেশ গঢ় লৈ উঠে। ইয়াৰ বাবে শিশুক বিভিন্ন খেল ধেমালি যেনেঃ পুতলা খেল, দৰা-কইনা, ৰন্ধনৰ খেল ইত্যাদি নানা ক্ৰিয়া কলাপ ঘৰত অভিভাৱকে কৰিবলৈ সুবিধা দিব লাগে। কোনো চিত্ৰ পৰ্য্যবেক্ষণ কৰি কাহিনী লিখা অথবা কোৱা। শিশুক অভিভাৱকেই হওঁক বা শিক্ষকে বিভিন্ন অংগ সঞ্চালৰ জৰিয়তে কবিতা গাবলৈ, সাধুৰ ভাব স্পষ্ট হ'বলৈ বিষয় সাপেক্ষে অংগ সঞ্চালন, (Voice modulation) কণ্ঠ পৰিবৰ্ত্তনৰ জৰিয়তে বিভিন্ন কথা শিকাবলৈ যত্ন কৰিব লাগে। শিশু অনুকৰণ প্ৰিয়। কিবা এটা বস্তু অনুসৰণ কৰা কাৰ্যই হ'ল অনুকৰণ। শিশুৱে সাধাৰণতে স্বাভাৱিক অনুকৰণৰ মাধ্যমেৰে পৰিয়াল, সমাজ, পৰিবেশ আৰু বিদ্যালয়ৰ পৰা বিভিন্ন কথা শিকে। গতিকে দৈনন্দিন জীৱনত দেখা, শুনা আৰু অনুভৱ কৰা বিভিন্ন অৱস্থা শিশুৱে অনুকৰণ (Imitation) কৰে। বিদ্যালয়ত শিক্ষকৰ চাল-চলন, কথা বতৰা, দৃষ্টিভংগী, সাজপাৰ, ইত্যাদিৰ উপৰিও সহপাঠীৰ স্বভাৱ চৰিত্ৰ, আচৰণ আৰু আনুসাংগিক বিভিন্ন বিষয় ইত্যাদি সকলো কথা শিশুৱে অনুকৰণ কৰে। অনুকৰণৰ মাধ্যমেৰে শিশুৱে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে

বহু কথা শিকে। গতিকে, ঘৰত আৰু শিক্ষকে শিশুক শিক্ষা দিওতে এক অনুকৰণ কৰা পৰিবেশ সৃষ্টি কৰিব লাগে। পৰ্যবেক্ষণ (Observation) হ'ল, শিশুৰ আন এক প্ৰক্ৰিয়া, যাৰ জৰিয়তে শিশুৱে বিভিন্ন জ্ঞান অৰ্জন কৰে। সেইবাবে শিক্ষকে বিভিন্ন ক্ৰিয়া কলাপ যোগেদি বিভিন্ন বিষয় শিকাবলৈ যত্ন কৰিব লাগে। শিশুৰ পঞ্চ ইন্দ্ৰিয় পৰ্যবেক্ষণৰ ক্ৰিয়াত প্ৰয়োগ হ'লে উৰ্দ্ধত জ্ঞান লাভ কৰিবলৈ সহজ হৈ পৰিব। ইয়াৰ বাবে শিক্ষকে পদ্ধতিগত, প্ৰণালীবদ্ধ আৰু বৈজ্ঞানিক দৃষ্টিভংগীৰ সহায়ত শিশুক বিভিন্ন কাৰ্য শিকাব লাগে।

পৰ্যবেক্ষণৰ সুবিধাৰ বাবে কোনো বিষয় পঢ়াওঁতে, বিভিন্ন চিত্ৰ, মানচিত্ৰ, তালিকা, তথ্য, ক্ষেত্ৰ পৰ্যবেক্ষণ, (field observation) বিভিন্ন সমস্যা, সামাজিক পৰিস্থিতি ইত্যাদি সাঁ সজুলি আৰু মাধ্যমৰ সহায় লব পৰা যায়।

শিকন প্ৰক্ৰিয়াক বিভিন্ন কাৰকৰ ভিত্তিত ভিন্ন ভাগত ভগাব পাৰি। শিকনৰ ভাগ তিনি প্ৰকাৰৰ।

১। দলগত শিকন (group learning)

২। সমনীয়া শিকন (peer learning)

৩। স্ব-শিকন (self-learning)

শিকন প্ৰক্ৰিয়াত বিভিন্ন বিষয়সমূহ ক্ৰিয়া কলাপ ভিত্তিক কৰিলে শিক্ষণ আৰু শিকণ প্ৰক্ৰিয়া ফলপ্ৰসূ হয়। এইক্ষেত্ৰত, কোনো এটা বিষয় শ্ৰেণীত পঁঢ়াওতে শিক্ষকে দলগতভাবে কৰা কিছুমান কাৰ্যকলাপ দিব পাৰে। উদাহৰণ স্বৰূপে ঃ দলগতভাবে কোনো বিষয়ত এখন নাটক লিখা। সমনীয়াৰ ক্ৰিয়া কলাপৰ ভিত্তিতো শিক্ষাৰ্থীয়ে বহু কথা শিকে। গতিকে প্ৰত্যেককে ভাগে ভাগে ছবি আঁকা, কাৰু কলাৰ কাৰ্য্যসমূহ যেনে ঃ মাটিৰ পাত্ৰ নিৰ্মাণ, চিলাই কৰা, পেলনীয়া সামগ্ৰীৰ সহায়ত বিভিন্ন বস্তু তৈয়াৰ কৰা সমবেত গীত পৰিবেশন, নৃত্য পৰিবেশন ইত্যাদি।

এইক্ষেত্ৰত, এজনে আনজনৰ সৈতে কথা পাতি বা আলোচনা কৰি বিভিন্ন সমস্যা সামাধান কৰিব পাৰে।

স্ব শিকন (Self learning), প্ৰক্ৰিয়াত শিশুৱে নিজে বিষয়সমূহ অনুভৱ কৰে আৰু জ্ঞান লাভ কৰে।

শিকাৰুৱে শিকন ব্যৱস্থাত নিজে কোনো বিষয়ৰ ক্ৰিয়া-কলাপ অধ্যয়নৰ মাধ্যমেৰে শিকে আৰু জ্ঞান অৰ্জন কৰে। এই শিকনত ছাত্ৰ-ছাত্ৰীয়ে ব্যক্তিগত ৰুচি অভিৰুচি, মনোযোগ আৰু শিকন গতি আদিক অনুসৰণ কৰে।

শ্ৰেণী পৰিৱেশত শিশুৰ মনোযোগ বৃদ্ধিত কৰাত কলা বিষয় অত্যন্ত উপযোগী। বিভিন্ন চাৰ্ট, মেপ, গ্লোৱ, দৃশ্য-শ্ৰব্য সঁজুলিৰ ব্যৱহাৰ ইত্যাদিৰ জৰিয়তে শ্ৰেণীত ছাত্ৰ-ছাত্ৰীৰ মাজত "উদ্দীপক" পৰিবেশ গঢ় লৈ উঠিব পাৰে। প্ৰখ্যাত সঙ্গীতজ্ঞ, চিত্ৰকাৰ, বিজ্ঞানী, নাট্যকাৰ, সাহিত্যকাৰ আদিৰ উদাহৰণ দি আৰু তেওঁলোকৰ বিষয়ে বিভিন্ন ধৰণৰ জ্ঞান দি শ্ৰেণীত শিশুৰ আগ্ৰহ, মনোযোগ আকৰ্ষণ কৰিব পৰা যায়। বিভিন্ন অংগ সঞ্চালনৰ সহায়ত নাটক, কবিতা, গীত, নৃত্য, সাধু কোৱাৰ জৰিয়তে শিশুৰ পঢ়াৰ প্ৰতি মনোযোগ আৰু আগ্ৰহ বৃদ্ধি হ'ব।

প্ৰকৃতিৰ পৰা প্ৰাপ্ত বিভিন্ন শিক্ষণ-শিকন সঁজুলিৰ সহায়ত, শিশুক মাজে সময়ে প্ৰাকৃতিক পৰিবেশত পাঠদান কৰাটো প্ৰয়োজনীয়। যেনে - বাহৰ মাৰি লৈ বজোৱা, গছৰ পাত, ফুলেৰে ৰং নিৰ্মাণ কৰা ইত্যাদি। ব্যক্তিৰ জীৱনত সাধাৰণ শিক্ষাৰ লগতে ব্যক্তিগত আৰু সামূহিক জীৱন অৰ্থপূৰ্ণ, শৃঙ্খলাবদ্ধ, মূল্যবান, সংস্কৃতিবান কৰিবলৈ শিক্ষাত সহবিদ্যায়িতনিক দিশৰ অনুশীলন আৱশ্যকীয়। সহবিদ্যায়তনিক শিক্ষাৰ ফলত শিকাৰুৰ মানবীয় প্ৰমূল্য-সমূহৰ বিকাশ ঘটে। গতিকে শিক্ষকে ব্যৱহাৰিক শিক্ষাৰ জৰিয়তে শিশুৰ সামাজিক, নৈতিক, আধ্যাত্মিক মূল্যবোধৰ শিক্ষা ছাত্ৰ-ছাত্ৰীক দিব পাৰে।

শিক্ষা অনুষ্ঠানৰ প্ৰতি, সমাজৰ প্ৰতি, প্ৰকৃতিৰ প্ৰতি, সমনীয়াৰ প্ৰতি উচিত মনোভাব গঢ় লৈ উঠিবলৈ কলাশিক্ষাৰ গুৰুত্ব অধিক। কলাশিক্ষাৰ জৰিয়তে নৈতিক শিক্ষা আৰু অনুশাসনমূলক শিক্ষাৰ জ্ঞান বৃদ্ধি হয়। সহনশীল মনোবৃত্তি, সভ্যতা-সংস্কৃতিৰ জ্ঞান, মানবীয় প্ৰমূল্যবোধ, ৰাষ্ট্ৰ ভক্তিৰ ভাব, সামাজিক ৰীতি-নীতিৰ জ্ঞান, আধ্যাত্মিক মনোভাব, ইত্যাদি গঢ় দিয়াত সহ বিদ্যায়তনিক শিক্ষা সহায়ক।

## কলা শিক্ষা আৰু কৰ্মভিত্তিক গবেষণা ঃ (Art Education and Action research)

'Research' শব্দটো 'Re' অৰ্থাৎ পুণৰ আৰু "Search" অৰ্থাৎ কিবা এটা নতুন বা পুণৰ অনুসন্ধান কৰাকে বুজায়। অসমীয়া ভাষাত ইয়াক গৱেষণা অথবা শোধ বুলিও কোৱা হয়। অৰ্থাৎ কোনো এক সত্যৰ আধাৰত কৰা পুনৰ অনুসন্ধানত গৱেষণা বোলা হয়। কলাৰ অন্তৰ্গত বিভিন্ন ধৰণৰ সৃজনশীল কলাসমূহ অন্তৰ্ভুক্ত। যেনে - গীত, নৃত্য, নাটক, ৰোল প্লে, বাদ্য বাদন, কবিতা, তৰ্ক, সাধু, মুকঅভিনয় ইত্যাদি। বিভিন্ন কলাৰ মাধ্যমেৰে দেখা দিয়া বিভিন্ন সমস্যাৰ হস্তক্ষেপৰ জৰিয়তে শিক্ষা ব্যৱস্থাত কাৰ্যভিত্তিক গৱেষণা কৰিব পৰা যায়।

'গৱেষণা' হৈছে সত্যৰ অনুসন্ধান। এই সত্যৰ সন্ধান বৈজ্ঞানিক পদ্ধতিৰে পোৱা যায়। গতিকে, 'গৱেষণা' হৈছে এক শৃঙ্গলাবদ্ধ আৰু কিবা এটা উদ্দেশ্যৰে লোৱা পদক্ষেপ। ইয়াৰ জৰিয়তে অৰ্থপূৰ্ণ প্ৰশ্নৰ উত্তৰ বিচাৰি পোৱা যায়। এইক্ষেত্ৰত বিষয়ৰ উপযোগী আৰু উচিত ক্ষেত্ৰ অধ্যয়ন জৰিয়তে বিষয়টোৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰি আৰু তথ্য সংগ্ৰহ কৰিব পৰা যায়। গতিকে, আমি কব পাৰে যে 'গৱেষণা' হৈছে, কোনো ঘটনাৰ বা বিষয়ৰ 'কাৰণ' আৰু এই "কাৰণৰ" প্ৰভাব সম্বন্ধিত অধ্যয়ন।

শিক্ষা ব্যৱস্থাত শৈক্ষিক গৱেষণাৰ শ্ৰেণীবিভাজন নিম্নলিখিত ধৰণে কৰিব পৰা যায়।

১। প্ৰাথমিক গৱেষণা (Basic or Fundamental Research)

২। প্ৰয়োগাত্মক গৱেষণা (Applied Research)

৩। কাৰ্যভিত্তিক গৱেষণা (Action Research)

৪। বৰ্ণনাত্মক গৱেষণা (Descriptive Research)

## কৰ্মভিত্তিক গবেষণা

কৰ্মভিত্তিক অনুসন্ধান শব্দৰ প্ৰয়োগ আৰু ইয়াৰ সংজ্ঞাৰ প্ৰকাশ সৰ্বপ্ৰথম ১৯৫৬ চনৰ পৰায়ে ধাৰণাটো/ বিষয়টো শিক্ষা ব্যৱস্থাত অন্তৰ্ভূক্ত হয়। এনে অনুসন্ধানৰ ক্ষেত্ৰত শিক্ষক, শিক্ষাৰ্থী, শিক্ষা ব্যৱস্থা, পৰ্যবেক্ষক, প্ৰশাসক, শ্ৰেণী, বিদ্যালয় শিক্ষাৰ অন্যান্য দিশ, বিদ্যালয়ৰ বিকল্প, অভিভাৱক, স্থানীয় লোক এই ক্ষেত্ৰত কোনো শৈক্ষিক অনুষ্ঠান, প্ৰতিষ্ঠান, বিদ্যালয় আদি জৰিত হৈ থাকিব পাৰে। উচ্চ শিক্ষাৰ ক্ষেত্ৰত বিশ্ববিদ্যালয় আদিৰ সহযোগত এনে শোধ কৰিব পৰা যায়। দুখন বা তাতোধিক বিদ্যালয়ৰ সহযোগতো এক কাৰ্যভিত্তিক গৱেষণা কৰিব পৰা যায়। ইত্যাদি সমাবিষ্ট হৈ থাকে। এই সকলোৰে এক সু-শিক্ষা ব্যৱস্থা আৰু সু-শ্ৰেণীকক্ষৰ বাবে এনে ধৰণৰ অনুসন্ধান কৰা হয়।

এনে ধৰণৰ অনুসন্ধানৰ ক্ষেত্ৰত উচিত পৰীক্ষণৰ (Assessment) দ্বাৰা সমল সংগ্ৰহ কৰি ক্ৰমাগত উন্নতি অথবা মূল্যায়ণ (Evalution) নিৰ্ণয় কৰা হয়।

কৰ্মভিত্তিক অনুসন্ধান, এনে ধৰণৰ প্ৰক্ৰিয়া, য'ত শোধকৰ্ত্তায়ে নিজৰ শৈক্ষিক অভ্যাসৰ ব্যৱস্থিত ৰূপ অতি সাবধানতাপূৰ্বক অনুসন্ধান কৰে আৰু ইয়াৰ বাবে বিভিন্ন উপায় আৰু কৌশল অবলম্বন কৰে। শিক্ষা ব্যৱস্থাত শিক্ষক আৰু শিক্ষা প্ৰধানে এনে ধৰণৰ সমস্যাৰ ওপৰত কাৰ্য কৰে, যিবোৰ সমস্যা তেওঁলোকে দৈনন্দিন সন্মুখীন হয়

শিক্ষা ব্যৱস্থাত। গতিকে কাৰ্যভিত্তিক গৱেষণা হ'ল অতি কম সময়ৰ ভিতৰত দৈনন্দিন দেখা দিয়া বিভিন্ন সমস্যাৰ অনুসন্ধানৰ মাধ্যমেৰে সমাধান বিচাৰি উলিওৱা।

কৰ্মভিত্তিক গৱেষণাৰ ক্ষেত্ৰত, শিক্ষক আৰু শিক্ষানুষ্ঠান প্ৰধানে সহযোগিতাৰে কাম কৰিবলগীয়া হয়। লগতে এজন শিক্ষকে সহকৰ্মীৰে সৈতে সহযোগ কৰি কাৰ্য কৰিবলগীয়া হয়। এনে ক্ষেত্ৰত, নিজস্ব পেশাৰ বিকাশৰ বাবে কাৰ্যভিত্তিক গৱেষণা ফলপ্ৰসূ। এইদৰে বিভিন্ন সমস্যাৰ সমাধান উলিয়াব পৰা যায় আৰু ভৱিষ্যতে শিক্ষা ক্ষেত্ৰত দেখা দিয়া ত্ৰুটিসমূহ আঁতৰাই বিকাশ সম্ভৱ কৰিব পৰা যায়।

'কৰ্মভিত্তিক' গবেষণাৰ (Action Research) ৰ কাৰ্যৰ অৰ্থ হৈছে "কিবা এটা কাৰ্য বা কৰ্ম" আৰু 'গবেষণা'ৰ সমাৰ্থক হৈছে অনুসন্ধান, শোধ, খোজ, সন্ধান কৰা। কৰ্মভিত্তিক গবেষণাৰ ক্ষেত্ৰত চিৰন্তন সত্য কথা নহে বা, ইয়াৰ পৰিসৰ খুব ব্যাপক নহয়। এই ক্ষেত্ৰত, কোনো বিশেষ আৰু স্থানীয় সমস্যা নিৰ্মূল কৰাৰ বাবেহে কাৰ্যভিত্তিক গৱেষণা কৰা হয়। আমেৰিকাৰ এজন শিক্ষাবিদ B.R. Buckinghan এ পোণ প্ৰথমে ১৯২৬ চনত কাৰ্যভিত্তিক গবেষণাৰ ধাৰণা সম্পৰ্কে নিজ গ্ৰন্থত উল্লেখ কৰিছিল। ১৯৪৩ চনত "MIT" ৰ প্ৰফেচৰসকলেও এই বিষয়ত আলোচনা কৰে।

## কৰ্মভিত্তিক গৱেষণাৰ শ্ৰেণীবিভাজন

### ব্যক্তিগত কৰ্মভিত্তিক গৱেষণাঃ

শিক্ষকৰ, ব্যক্তিগত গৱেষণাৰ অৰ্থ হৈছে কিবা এটা নিৰ্দিষ্ট বিষয়ক লৈ শ্ৰেণীকোঠাত কৰা গবেষণা। এজন শিক্ষকে শিক্ষাৰ ক্ষেত্ৰত শ্ৰেণীকোঠাত বিভিন্ন সমস্যাৰ দৈনন্দিন সন্মুখীন হ'ব লগাত পৰে। সুচাৰুৰূপে শ্ৰেণীকোঠাটো চলাই নিয়া, শিক্ষাত দিয়া নিৰ্দেশনাত্মক নীতি সুচাৰুৰূপে পালন কৰা, বিভিন্ন সামগ্ৰীৰ প্ৰয়োজনীয়তা, ছাত্ৰ-ছাত্ৰীৰ শিক্ষণ, ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত দেখা দিয়া সমস্যা, শিক্ষকৰ গুণগত মান নিৰ্ণয় কৰা আৰু উচিত প্ৰশিক্ষণৰ প্ৰয়োজনীয় দিশসমূহ নিৰিক্ষণ কৰা ইত্যাদি। এজন শিক্ষকে কৰ্মভিত্তিক গৱেষণাৰ মাধ্যমে অভিভাবক প্ৰধান শিক্ষক-আদিকো বিভিন্ন ধৰণে সহায় আগবঢ়াব পাৰে।

কৰ্মভিত্তিক গৱেষণাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণো নিৰ্ভৰ কৰে। যদি কোনে

ছাত্ৰ-ছাত্ৰীয়ে এই গবেষণাৰ ক্ষেত্ৰত অংশীদ্বাৰ হ'ব নোখোজে, তেন্তে তেওঁক জোৰ কৰাটোও উচিত নহব। শিক্ষকে সমাধান আৰু সিদ্ধান্তত উপনীত নোহোৱালৈ কাৰো সৈতে এই বিষয়ত কথাখিনিত অবগত কৰিব নোৱাৰে অথবা গৱেষণাৰ কাৰ্য্য প্ৰকাশ কৰিব নোৱাৰে। কিন্তু তেওঁ কোনো Conference বা Seminer ত গৱেষণাৰ বিষয়টিৰ আধাৰত ভিন্ন ধৰণে গৱেষণা পত্ৰ প্ৰস্তুত কৰিব পাৰে।

## সহযোগাত্মক কৰ্মভিত্তিক গৱেষণা ঃ

সহযোগাত্মক কৰ্মভিত্তিক গৱেষণাৰ ভিতৰত দুজন বা তাতোধিক সমূহ শিক্ষকে কৰা কৰ্মভিত্তিক গবেষণাক সূচায়। শিক্ষক সকলে এইক্ষেত্ৰত বিশ্ববিদ্যালয় আৰু অন্যান্য সমুদায়ৰ পৰাও সহযোগ পাব পাৰে আৰু সহযোগিতাৰ মাধ্যমেৰে গৱেষণা কৰিব পাৰে।

## বিদ্যালয় সম্বন্ধিত কৰ্মভিত্তিক গৱেষণা ঃ

বিদ্যালয় সম্বন্ধিত কৰ্মভিত্তিক গৱেষণাত সকলোৰে বাবে সমান বিষয়ৰ ওপৰত আলোচনা কৰা হয়। এইক্ষেত্ৰত বিদ্যালয়ৰ বিভিন্ন দিশত বিকাশৰ বাবে বিষয় নিৰ্বাচন কৰি অনুসন্ধান আগবঢ়াব পৰা যায়। ছাত্ৰ-ছাত্ৰী প্ৰদৰ্শন কি ধৰণৰ হৈছে, বিদ্যালয়খনৰ বিভিন্ন দিশত উন্নয়নৰ বাবে কি দৰে সিদ্ধান্ত লব পৰা যায়, এনেবোৰ বিষয়ৰ অধ্যয়ন, নিৰিক্ষণ, অনুমান আৰু ধাৰণা, তথ্য সংগ্ৰহ, বিশ্লেষণৰ জৰিয়তে সিদ্ধান্তত উপনীত হ'ব পৰা যায়।

## জিলা সম্বন্ধিত কৰ্মভিত্তিক গৱেষণা ঃ

জিলাসম্বন্ধিত কৰ্মভিত্তিক গৱেষণা হৈছে অধিক জটিল আৰু এইক্ষেত্ৰত অধিক সমলৰ প্ৰয়োগ কৰা হয়। অৰ্থাৎ কোনো এক নিৰ্দিষ্ট সমস্যাৰ ক্ষেত্ৰত যদি ভিন্ন বিদ্যালয়ৰ মাজত সাদৃশ্য থাকে তেন্তে এই ক্ষেত্ৰত বিষয়সমূহ সংগঠনমূলক, সমূদায়মূলক, পৰিবেশন ভিত্তিক আৰু সিদ্ধান্ত মূলক হয়। এখন জিলাত থকা বিভিন্ন বিদ্যালয়ৰ এক নিৰ্দিষ্ট সমস্যাক কেন্দ্ৰ কৰি সমস্যাসমূহৰ তথ্য সংগ্ৰহ আৰু অধ্যয়ন কৰা হয়। এইক্ষেত্ৰত কোনো সংগঠনৰ অধীনত এই কাৰ্য্য কৰিব পৰা যায়।

শৈক্ষক অনুষ্ঠান অথবা বিদ্যালয়ত বিভিন্ন সমস্যা দৈনন্দিন দেখা দিব পাৰে। যেনে ছাত্ৰ-ছাত্ৰী শ্ৰেণীত অনুপস্থিত, শ্ৰেণীত ভালকৈ মন নিদিয়া, ছবি আকিবলৈ দিলে বিশেষকৈ মন নকৰা কিন্তু অন্য বিষয়ত ৰাপ দেখুওৱা, অসমৰ মেপখন আকিবলৈ দিলে বিক্ৰিত কৰা, আখৰ ভালদৰে লিখিবলৈ চেষ্টা নকৰা ইত্যাদি। এনে বিভিন্ন

সমস্যাসমূহৰ বিভিন্ন উপায় নিৰিক্ষণ, অনুমানৰ জৰিয়তে সমাধান উলিয়াব পৰা যাব। বিদ্যালয় স্তৰত শিক্ষক আৰু শিক্ষাৰ্থী আৰু শিক্ষাৰ ক্ষেত্ৰত দেখা দিয়া বিভিন্ন সমস্যা সমূহ এনে কাৰ্যভিত্তিক গৱেষণাৰ জৰিয়তে কম সময়ৰ ভিতৰতে গম পাব পৰা যায় আৰু ইয়াৰ সমাধানৰ পথ সূচল কৰিব পৰা যায়। এইদৰে গৱেষণাৰ জৰিয়তে বিভিন্ন বিষয়ত উদ্ভাবিত সমস্যাসমূহৰ ইতিবাচক আৰু নেতিবাচক দিশসমূহৰ বিষয়ে জানিব পৰা যায় আৰু শিক্ষা ফলপ্ৰসূ কৰি তুলিব পৰা যায়। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী, শিক্ষক, অভিভাৱক, স্থানীয় লোকক সমাৱেশ কৰিব পাৰিব।

কৰ্মভিত্তিক গৱেষণাৰ ক্ষেত্ৰত প্ৰস্তাবিত বিষয়ৰ এক পূৰ্ব পৰিকল্পনা তৈয়াৰ কৰি লোৱা হয়। এই কাৰ্যৰ পৰিকল্পনা আঁচনি প্ৰস্তাবিত হোৱাৰ পিছত ইয়াত সন্মতি প্ৰদান হ'লেই, কাৰ্যৰ আঁচনি অনুসৰি শোধ কাৰ্য আৰম্ভ হয় আৰু তৎক্ষণিকভাৱে হোৱা কিছুমান প্ৰয়োগ আৰু ব্যৱহাৰৰ ক্ষেত্ৰত ইয়াক কেন্দ্ৰীভূত কৰি ইয়াৰ প্ৰয়োগ কৰা হয়। উদাহৰণস্বৰূপে যদি এজন ছাত্ৰ-ছাত্ৰী বিদ্যালয়ৰ বাৰ্ষিক অনুষ্ঠানৰ দিনা প্ৰায়ে অনুপস্থিত থাকে। এই সমস্যাৰ সমাধান শিক্ষকে বিভিন্ন ধৰণে চালি-জাৰি চাই উলিয়াব লাগিব। অনুমান, অনুসন্ধান, ক্ষেত্ৰ অধ্যায়ন, সাক্ষাৎকাৰৰ ভিত্তিত তথা সংগ্ৰহ কৰি কাৰ্যভিত্তিক গৱেষণাৰ জৰিয়তে সমাধান কৰিবলৈ চেষ্টা কৰিব পাৰিব। ইয়াৰ বাবে অভিভাৱকসকলৰ যদি সমৰ্থন নাথাকে তেন্তে প্ৰয়োজন তেওঁলোকৰ সাক্ষাৎকাৰ অথবা কাউঞ্চেলিঙৰ জৰিয়তে সম্যাৰ বিষয়ে তেওঁলোকক অৱগত কৰিব লাগিব।

ইয়াৰ পৰা পোৱা ফলাফলসমূহ কিছুমান বিশেষ ক্ষেত্ৰতহে প্ৰযোজ্য হয়। বিস্তৃত ৰূপত ইয়াৰ সাৰ্বজনীন বৈধতা নথাকে।

উদাহৰণস্বৰূপেঃ ধৰি লোৱা হ'ল, কোনো এখন শিক্ষানুষ্ঠান সম্বন্ধিত কৰ্মভিত্তিক শোধকাৰ্যত গৱেষকে পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক যদি অসমৰ মানচিত্ৰ বা মেপখন আঁকিবলৈ কোৱা হয় আৰু মেপখন শিকোৱাৰ পিছত আকোঁতে যিবোৰ আনুষাংগিক সমস্যা দেখা দিয়ে, শিক্ষকে আন আন কি এনে উপায় অবলম্বন কৰিলে মেপখন আঁকিবলৈ ছাত্ৰ-ছাত্ৰীয়ে সহজে শিকিব পৰিব চিন্তা কৰিব লাগিব। সাধাৰণ অৰ্থত, এই চিন্তাৰ মাধ্যমেৰে উপায় বা সমাধান বাছি উলিওৱাকে কৰ্মভিত্তিক গৱেষণা স্বৰূপ বুলিব পৰা যাব। প্ৰথম দিনা কৰ্মভিত্তিক গবেষণাৰ তথ্যখিনি অৰ্থাৎ ছাত্ৰ-ছাত্ৰীসকলে অসমৰ মেপখন আঁকিব পাৰিছেনে নাই লক্ষ্য কৰিব আৰু তথ্য সংগ্ৰহ কৰিব। কিমানজন ছাত্ৰ-ছাত্ৰীয়ে সঠিকভাবে আঁকিব পাৰিছে আৰু কিমানজনে সঠিকভাবে আঁকিব পৰা নাই চাব লাগিব। এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ মাজত মেপখন আঁকোতে দেখা দিয়া নানান

সমস্যাসমূহ লক্ষ্য কৰিব।

এইদৰে অসমৰ মানচিত্ৰ বা মেপখন আঁকোতে যদিহে সঠিক হোৱা নাই, কিহৰ বাবে হোৱা নাই অনুমান কৰিব আৰু উচিত। ব্যৱহাৰিক গবেষণাৰ আধাৰত উচিত 'TLM' (Teaching learning metarial) প্ৰয়োগ সহ বিভিন্ন উপায়েৰে মেপখন আঁকিবলৈ শিকাব। গৱেষকে পৰৱৰ্ত্তী স্তৰত পৰীক্ষণৰ মাধ্যমেৰে মেপখন অঁকা হৈছেনে পুণঃ নীৰিক্ষণ কৰিব আৰু এইদৰে তথ্য সংগ্ৰহ কৰিব পৰা যাব আৰু ছাত্ৰ-ছাত্ৰীৰ উচিত পৰীক্ষণৰ (Assessment) জৰিয়তে পৰবৰ্ত্তী স্তৰত সিদ্ধান্তত উপনীত হ'ব পৰা যাব।

ঠিক সেইদৰে আন এটি উদাহৰণ দাঙি ধৰিব পৰা যায়। গৱেষণাৰ বাবে "বিদ্যালয়ত সঙ্গীত শিক্ষণৰ পদ্ধতি আৰু সমস্যা বিষয়টো লোৱা হ'ল।" এই ক্ষেত্ৰত অসমৰ লোকসঙ্গীত অথবা জাতীয় সংঙ্গীত ছাত্ৰ-ছাত্ৰী নিৰ্বাচন কৰি দিব পাৰিব। "লোক সঙ্গীতৰ" সৈতে জড়িত বিভিন্ন দিশসমূহৰ বিষয়ে বুজাই কব। প্ৰত্যেক দিনাখন হোৱা Progress বা বিকাশ তথ্য সংগ্ৰহৰ মাধ্যমেৰে লিপিবদ্ধ কৰি ৰাখিব। যদিহে গীত শিকাওঁতে ছাত্ৰ-ছাত্ৰীয়ে কিছুমান অসুবিধাৰ সন্মুখীন হব লগা হয় তেন্তে কিদৰে সমস্যা নিৰ্মূল কৰিব পৰা যায় অথবা যদিহে ছাত্ৰ-ছাত্ৰীৰ বাবে বিষয়টো মনোগ্ৰাহী কৰিব পৰা হোৱা নাই, তেন্তে কিদৰে ছাত্ৰ-ছাত্ৰীক সহজ লভ্য কিছুমান লয় যুক্ত বাদ্যত লয়ৰ জ্ঞান অথবা অন্যান্য মেলড়িক বাদ্যৰ সহায়ত, আমোদগ্ৰাহী কৰিব পৰা যায় লক্ষ্য কৰিব। পৰবৰ্ত্তী স্তৰত ছাত্ৰ-ছাত্ৰীৰ Progress বা বিকাশ খিনিৰ তথ্য আহৰণ কৰা যাব। কৰ্মভিত্তিক গবেষণাৰ পৰিসৰ বিস্তৃত নহয়। কোনো বিশেষ শ্ৰেণী বা কম পৰিসৰৰ ভিতৰতে তথ্য সংগ্ৰহৰ মাধ্যমেৰে সেই স্থানৰ সমস্যাৰ বিষয়ে জানিব পৰা যায়। কিন্তু বহল ৰূপত ইয়াৰ সাৰ্বজনীন বৈধতা নাথাকে। ব্যৱহাৰিক গৱেষণা কৰিবলৈ লওঁতে প্ৰস্তাবিত কৰ্মৰ এখন আঁচনি তৈয়াৰ কৰি লোৱাটো প্ৰয়োজনীয় হ'ব। ঠিক সেইদৰে কলা শিক্ষাৰ মাধ্যমেৰেও বিভিন্ন সমস্যাৰ সমাধান উলিয়াব পৰা যায়।

শিক্ষণ আৰু শিকণৰ ক্ষেত্ৰত দেখা দিয়া সমস্যাসমূহ জানিবলৈ গৱেষকে প্ৰয়োজন অনুসৰি, অভিভাৱক, স্থানীয় লোক (community) আদিৰ সৈতেও সাক্ষাৎকাৰ কৰিব পাৰিব। প্ৰয়োজন অনুসৰি শিক্ষণ শিকন সমল (TLM) প্ৰয়োগেৰে ছাত্ৰ-ছাত্ৰীক প্ৰায়োগিক দিশত নানান কাৰ্যকলাপৰ মাধ্যমেৰে সমস্যাৰ বুজ লব আৰু সমস্যা সমাধানৰ প্ৰচেষ্টা হাতত লব। যদি ছাত্ৰ-বা ছাত্ৰীয়ে শ্ৰেণীত মনোযোগ দিব পৰ

নাই চেন্তে কিয় দিয়া নাই ইয়াৰ কাৰণ কি কি হ'ব পাৰে ইমাৰ অনুমান শিক্ষকে লগাব লাগিব। প্ৰয়োজন সাপেক্ষে অভিভাৱক, অন্যান্য শ্ৰেণী শিক্ষকৰ সৈতে সাক্ষাৎকাৰ, প্ৰশ্নাৱলীৰ মাধ্যমেৰে সমাধান উলিয়াবলৈ চেষ্টা কৰিব। এই ক্ষেত্ৰত কলা একত্ৰিকৰণৰ জৰিয়তে সমাধান বিচাৰিব পৰা যাব।

এই ক্ষেত্ৰত পূৰ্ব ধাৰণা আৰু অধ্যয়নৰ মাধ্যমেৰে গৱেষকে এখন আঁচনি তৈয়াৰ কৰা হ'ব। ইয়াৰ পৰবৰ্ত্তী স্তৰত, এক পৰিকল্পনা অনুসৰি কাৰ্যসূচী তৈয়াৰ কৰা যাব আৰু প্ৰস্তাৱিত কৰ্মৰ আঁচনি পঠোৱা হ'ব। প্ৰস্তাৱিত কৰ্ম আচনিৰ ভাষা সদাই সমস্যাটো কি চলি আছে আৰু কি কৰিব লাগিব সেই বিষয়ে প্ৰকাশ হ'ব লাগিব। ক্ষেত্ৰ অধ্যয়ন আৰু তথ্য সংগ্ৰহৰ মাধ্যমেৰে মূল্যায়ণ (Evalution) কৰা হব। সূচী দিয়াৰ পৰৱৰ্তী স্তৰৰ অনুসন্ধানত প্ৰয়োজন অনুসৰি, আঁচনিৰ পৰিবৰ্ত্তন হব পাৰে আৰু শেষত পুনঃ পৰীক্ষণৰ মাধ্যমেৰে সমস্যাৰ বিভিন্ন দিশ নীৰিক্ষণ কৰি সমস্যাৰ সমাধান আৰু সিদ্ধান্তত উপনীত হব। কাৰ্যভিত্তিক গৱেষণাৰ ক্ষেত্ৰত কব পাৰি যে এই প্ৰক্ৰিয়াত শোধকৰ্ত্তায়ে অথবা অংশগ্ৰহণ কৰায়ে বিজ্ঞান সন্মত আৰু গৱেষণাৰ নীতিসমূহৰ ব্যৱহাৰ কৰি নিজৰ শৈক্ষিক চৰ্চাৰ বিকাশ কৰিব পাৰে।

কৰ্মভিত্তিক গৱেষণা হৈছে, Applied Research বা প্ৰয়োগাত্মক গৱেষণাৰ এটা ভাগ। বাস্তৱ জীৱনৰ যিকোনো সমস্যাৰ সমাধান বিচাৰি এই গবেষণা কৰা হয়।

"কৰ্মভিত্তিক গৱেষণা" বা "Action Research" কৰিবলৈ যাঁওতে প্ৰস্তাবিত বিষয়ৰ ওপৰত কাৰ্য আৰম্ভ কৰিবলৈ নিম্নলিখিত ধৰণে এই প্ৰতিমান স্তৰ। সমূহ তৈয়াৰ কৰিব লাগিব। কাৰ্যভিত্তিক গৱেষণাৰ ক্ষেত্ৰত গৱেষণাৰ স্তৰসমূহ প্ৰণালীবদ্ধ ৰূপত (১) পূৰ্ব অধ্যয়ন আৰু পৰীক্ষা (Pre Test) (২) সমস্যাৰ চিনাক্তকৰণ (Identity the problem) (৩) Proposal অথবা, গৱেষণাৰ সূচী তৈয়াৰ কৰা হয়।

## গৱেষণাৰ সূচী - প্ৰস্তাৱিত কৰ্মৰ আঁচনি

**প্ৰকল্পৰ বিষয় ঃ** প্ৰাথমিক স্তৰত শিশুৰ উচ্চাৰণ আৰু পঠনৰ সমস্যা আৰু গীত-কবিতাৰ মাধ্যমেৰে বিকাশ। এইক্ষেত্ৰত গৱেষণাৰ সূচী এইধৰণৰ হ'ব —

১। পাতনি (Preface) অথবা বিষয়ৰ পৰিচয়

২। প্ৰকল্প বা বিষয়ৰ গুৰুত্ব (Importance of Porject Study)

৩। প্ৰকল্প বা বিষয়ৰ পৰিসৰ (Scope of the Porject Study)

৪। অধ্যয়নৰ উদ্দেশ্য (Objective of Research Porject)

৫। প্ৰকল্পৰ কাৰ্য পদ্ধতি (The system of the Project work)

৬। প্ৰকল্পৰ মূল্যায়ণ (Evalution of the Project )

৭। প্ৰকল্পৰ ব্যয়ৰ অনুমান (Estimate of expenditure for the project)

৮। অনুষ্ঠানৰ নাম অন্তৰ্ভুক্ত শিক্ষাৰ্থীৰ সংখ্যা (Name of the Institution number of studnets enrolled)

৯। বিভিন্ন বিষয়ৰ শিক্ষকৰ সংখ্যা (Numbers of teachers in various subjects)

১০। প্ৰকল্প কাৰ্যৰ বাবে বিদ্যালয়ত উপলব্ধ সুবিধাসমূহ (The available facilities in school for project work)

১১। প্ৰকল্পৰ পটভূমি (Back ground of the Project)

১২। সমস্যাৰ চিনাক্তকৰণ (Identification of problem)

১৩। সমস্যাৰ সংজ্ঞা আৰু আবাদি নিৰ্ধাৰণ (Definition and Limitation of Problem)

১৪। কৰ্মভিত্তিক অনুমেয় প্ৰস্তুত (Formulation of Action Hypothesis)

১৫। কৰ্মভিত্তিক অনুমেয়ৰ পৰীক্ষণ (Testing the action hypothesis)

১৬। উপসংহাৰ (Conclusion)

১৭। মন্তব্য (Remarks)

শিক্ষাক্ষেত্ৰত, প্ৰতিদিনে দেখা দিয়া নানান সমস্যাসমূহ কৰ্মভিত্তিক গৱেষণাৰ মাধ্যমেৰে নিৰ্মূল কৰিব পৰা যায়। এই ক্ষেত্ৰত শিক্ষকসকলে হোৱা সমস্যাসমূহৰ ব্যৱহাৰিক সমাধান কৰিবলগীয়া হয়। উদাহৰণস্বৰূপে সমস্যা বিদ্যালয়ত প্ৰাতঃ নিয়মিত প্ৰাৰ্থনাৰ সময়ত ছাত্ৰ-ছাত্ৰীৰ অনুপস্থিতি। এইক্ষেত্ৰত, শিক্ষকে, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু অন্যান্য উপায়েৰে কৰ্মভিত্তিক গৱেষণাৰ মাধ্যমেৰে দেখা দিয়া সমস্যাৰ সমাধান বিচাৰি উলিয়াবলৈ চেষ্টা কৰিব। আন এটি উদাহৰণ ডাঙি ধৰা হ'ল। যেনেঃ বিদ্যালয়ত প্ৰাতঃকাল 'জাতীয় সংগীত পৰিবেশনত দেখা দিয়া ত্ৰুটি"। এই বিষয়ৰ কাৰণ বুজি লৈ সমস্যা সমাধানৰ প্ৰচেষ্টা কৰ্মভিত্তিক শোধৰ জৰিয়তে ল'ব পৰা যায়।

গৱেষণাৰ বিষয়টোৰ অনুমতি পোৱাৰ পিছত, গৱেষণাৰ তথ্য আহৰণৰ বাবে ক্ষেত্ৰ অধ্যয়ন কৰা হ'ব আৰু প্ৰশ্নাৱলী আৰু সাক্ষাৎ গ্ৰহণ কৰা হ'ব। নীৰিক্ষণ (Observation), তথ্য সংগ্ৰহ (Data Collection), বিশ্লেষণ (Analysis), হস্তক্ষেপ (Intervention), পৰীক্ষণ (Assessment), মূল্যায়ণ (Evaluation) ৰ পৰ্যায়ৰ মাধ্যমেৰে প্ৰণালীবদ্ধ ৰূপত গৱেষণাত অগ্ৰসৰ হোৱা যাব।

কৰ্মভিত্তিক গৱেষণাৰ ক্ষেত্ৰত তথ্য সংগ্ৰহৰ পিছত, নিম্নলিখিত উদাহৰণৰ দৰে নজৰ তালিকা প্ৰস্তুত কৰিব পৰা যায়।

<u>বিদ্যালয়-১ স্তৰ প্ৰাথমিক</u>

<u>তালিকা</u> - ১ (Tabulation or Checklist)

| ক্ৰমিক নং | শিক্ষানুষ্ঠানৰ নাম | মুঠ ছাত্ৰ-ছাত্ৰী শ্ৰেণী অনুসৰি | সাক্ষাৎকাৰৰ তাৰিখ | উচ্চাৰণৰ সমস্যা থকা মুঠ ছাত্ৰ-ছাত্ৰী | কলা শিক্ষা / ভাষা বিষয়ৰ শ্ৰেণীৰ সময় | খোলা/ বন্ধ বাৰ |
|---|---|---|---|---|---|---|
| ১ | | | | | | |
| ২ | | | | | | |
| ৩ | | | | | | |
| ৪ | | | | | | |
| ৫ | | | | | | |
| ৬ | | | | | | |
| ৭ | | | | | | |

যদিহে ২ খন শিক্ষানুষ্ঠানৰ গৱেষণাৰ বিষয় হিচাপে লোৱা হয় তেন্তে আন এখন তালিকা প্ৰস্তুত হ'ব।

**<u>নজৰ তালিকা</u> - ২ (Tabulation or Checklist)**

| ক্রমিক নং | শিক্ষানুষ্ঠানৰ নাম | তৃতীয় শ্ৰেণী মুঠ ছাত্ৰ ছাত্ৰী | চতুৰ্থ শ্ৰেণী মুঠ ছাত্ৰ ছাত্ৰী | উচ্চৰণ সমস্যা থকা | কলা শিক্ষাৰ বাবে সময়সীমা | শিক্ষকৰ সংখ্যা অৰ্হতা | শিক্ষকৰ কৰ্তৃপক্ষৰ সমস্যা | শিক্ষক আৰু অভিভাৱকৰ সাক্ষাৎকাৰ |
|---|---|---|---|---|---|---|---|---|
| ১ | | | | | | | | |
| ২ | | | | | | | | |
| ৩ | | | | | | | | |
| ৪ | | | | | | | | |
| ৫ | | | | | | | | |
| ৬ | | | | | | | | |

<u>বিদ্যালয় নং-২</u> ৰ ক্ষেত্ৰতো এনে এখন তালিকা তৈয়াৰ কৰি, শেষত দুয়োখন বিদ্যালয়ৰ বিষয়ে অধ্যয়ন কৰা হ'ব।

কৰ্মভিত্তিক গৱেষণাৰ ক্ষেত্ৰত নৈতিক মূল্যৰ বিষয়টো গুৰুত্বপূৰ্ণ। শিক্ষাৰ ক্ষেত্ৰত দেখা দিয়া বিভিন্ন সমস্যা অথবা বিসংগতি আঁতৰাই, নৈতিকতাবোধ, নৈতিক চৰিত্ৰ গঠন, নৈতিক কাৰ্যৰ বিকাশ কৰিবলৈ কৰ্মভিত্তিক গবেষণাৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

নৈতিকতাবোধ হৈছে এক প্ৰকাৰৰ সিদ্ধান্ত ইয়াৰ জৰিয়তে ব্যক্তিবিশেষৰ শুদ্ধ আৰু গ্ৰহণযোগ্য আচৰণ গঢ় লৈ উঠে। এইক্ষেত্ৰত, কাৰ্যভিত্তিক গৱেষণাৰ জৰিয়তে এনেবোৰ দিশৰ বিকাশ উচিত ধৰণে হৈছেনে নাই নীৰিক্ষণ কৰিব পৰা যায়।

কৰ্মভিত্তিক গৱেষণাৰ ক্ষেত্ৰত শোধকৰ্ত্তায়ে সমল সংগ্ৰহ কৰোতে, যি সাধনৰ জৰিয়তে এই তথ্য সমূহ সংগ্ৰহ কৰিব, তেওঁৰ অনুমতি পাব লাগিব। এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী আৰু প্ৰয়োজনসাপেক্ষে অভিভাবকৰ মত লব লাগিব।

এইদৰে তথ্য সংগ্ৰহ আৰু সম্পূৰ্ণ অধ্যয়নৰ পৰবৰ্ত্তী স্তৰত কৰ্মভিত্তিক গৱেষণাৰ লিখিত ৰূপ দিয়া যাব। বিভক্ত অধ্যায়ত বিভিক্ত কৰি গবেষণা পত্ৰখন এইদৰে লিখা যাব। উদাহৰণস্বৰূপে ঃ

**(Report Writing) বিবৃত্তি লিখন**

**(Cover page) বেটুপাত**

(Declaraton) — মন্তব্য

(Acknowledgement) — স্বীকৃতি

**(Content) বিষয়সূচী**

**Chapter-I**

1.0 (Introduction) বিষয়ৰ পৰিচয়

1.1 (Area of study) অধ্যয়নৰ ক্ষেত্ৰ

1.2 (Objective) উদ্দেশ্য

1.3 (Need and significance of the study) অধ্যয়নৰ প্ৰয়োজনীয়তা আৰু বিশেষত্ত্ব

1.4 (Statement of the problem) সমস্যাৰ বিবৰণ

1.5 (Hypothesis) হাইপথেচিচ্

1.6 (Action plan) কাৰ্যভিত্তিক পৰিকল্পনা

1.7 (Aim as Objective of the study) অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য

**Chapter-II**

2.0 (Review of literature) গ্ৰন্থ সমীক্ষা

**Chapter-III**

3.0 (Methodology) অধ্যয়নৰ পদ্ধতি

3.1 (Sample of the study) অধ্যয়নৰ নমুনা

3.2 (Procedure) অধ্যয়নৰ প্ৰক্ৰিয়া

3.3 (Pre-test) পূৰ্ব পৰীক্ষণ

3.4 (Remedial measures) সমস্যাৰ সমাধানৰ উপায়

3.5 (Post-test) পৰৱৰ্ত্তী অধ্যয়ন

**Chapter-IV**

4.0 (Analysis of Data তথ্যৰ বিশ্লেষণ

4.1 (Findings of the analysis) বিশ্লেষণৰ দ্বাৰা প্ৰাপ্ত সিদ্ধান্ত

**Chapter-V**

5.0 (Suggestion) প্ৰস্তাৱ

5.1 (Report) শেষ বিবৃতি বা ৰিপোৰ্ট

5.2 (Conclusion) সিদ্ধান্ত

কাৰ্যভিত্তিক গৱেষণাৰ ক্ষেত্ৰত শিশুৰ সৈতে জড়িত শিক্ষক, শিক্ষক প্ৰশিক্ষক, প্ৰশাসক, শৈক্ষিক অনুষ্ঠান, বিদ্যালয়ৰ শিক্ষক, প্ৰধান শিক্ষক ইত্যাদি জড়িত হৈ থাকে।

ইয়াৰোপৰি, DIET, BTC, নৰ্মাল স্কুল, ইত্যাদি বিভাগৰ লোকসকল জড়িত হ'ব পাৰে।

## শিক্ষাৰ মাধ্যমিক পৰ্য্যায়ত কলা সমন্বিত পদ্ধতিৰে পাঠদানৰ প্ৰয়োজনীয়তা (Art integration) ঃ

কলা হৈছে মানুহৰ মনৰ নান্দনিক ভাব প্ৰকাশ কৰাৰ এক মাধ্যম আৰু মানুহৰ সুক্ষ্ম অনুভূতিসমূহৰ প্ৰকাশ। 'কলা শিক্ষা'ৰ জৰিয়তে মানুহে নিজস্ব ভাব আবেগসমূহৰ সৃজনশীল প্ৰতিভাসমূহৰ বৰ্হিপ্ৰকাশ কৰে। এই প্ৰতিভাসমূহৰ বিকাশৰ ফলস্বৰূপে

ছাত্র-ছাত্রীৰ মানসিক, আত্মিক শাৰীৰিক উৎকৰ্ষ সাধন হয়।

কলাৰ মাধ্যমেৰে মানুহৰ সৌন্দৰ্য্যত্মক অভিব্যক্তিৰ বিকাশ হয়। ই আমাৰ হৃদয়ত সৌন্দৰ্যবোধ জগাই তোলে। কলাৰ সৈতে সৌন্দৰ্যবোধৰ ধাৰণাটো ওতঃপ্ৰোতঃ ভাবে জড়িত। পাশ্চাত্য দেশত ইয়াক 'Aesthetics' বোলা হয়। কলা শিক্ষাৰ মাধ্যমেৰে মানুহৰ নান্দনিক ভাবসমূহৰ প্ৰকাশ হয়।

"সৌন্দৰ্যক ভাল পোৱাটো এক সোৱাদ আৰু সৌন্দৰ্যতা সৃষ্টি কৰাটো হৈছে শিল্প"। শব্দ, ধ্বনি, ৰং, ৰেখা, গতিৰ মাধ্যমেৰে কলায়ে আত্মপ্ৰকাশ কৰে। শব্দৰ পৰা সৃষ্টি হয় সাহিত্য, ধ্বনিৰ পৰা সঙ্গীত, ৰংৰ পৰা চিত্ৰ প্ৰতিফলিত হয়। কলাৰ সৈতে সত্য আৰু সুন্দৰতা জড়িত হৈ থাকে। যিকোনো সুন্দৰ বস্তু দেখিলেই আমি আনন্দিত হওঁ। কলাৰ জৰিয়তে সৌন্দৰ্য্যাত্মক অভিব্যক্তি আৰু সৌন্দৰ্যবোধ জগাই তুলিব পৰা যায়। কলাৰ জৰিয়তে সুন্দৰৰ প্ৰতিফলন হয়। কলাৰ মাধ্যমেৰে সৌন্দৰ্য্যাত্মক ৰূপত আমি নিজস্ব সৃষ্টিসমূহ, সৃজনশীল প্ৰতিভাসমূহ প্ৰদৰ্শন কৰো। দৰ্শকে সেই কলা প্ৰদৰ্শন চাবলৈ আহি কলাকাৰৰ সেই ভাব অনুভূতিসমূহৰ সৈতে যেতিয়া একাত্ম হয় তেতিয়া দৰ্শকে ৰস উপভোগ কৰে। তেতিয়া 'কলা' সফল হয়। 'কলাৰ' মুখ্য উদ্দেশ্য হৈছে সুন্দৰতাৰ প্ৰকাশ আৰু দৰ্শকক আনন্দ প্ৰদান কৰা। উদাহৰণস্বৰূপে, "নাটকৰ" ক্ষেত্ৰত এখন নাটক প্ৰদৰ্শন কৰাৰ অবস্থাত কলাকাৰে বিভিন্ন ভাব প্ৰকাশৰ মাধ্যমেৰে অভিব্যক্তি কৰে। সেই ভাবৰ সৈতে দৰ্শকৰ মনৰ ভাব একাত্ম হ'লে দৰ্শকে ৰসৰ সোৱাদ লব পাৰে আৰু আনন্দ লাভ কৰে।

১৩ শতিকালৈ মানুহৰ মাজত এক ধাৰণা আছিল যে, 'কলা' হৈছে হাতে কৰা কাৰ্য বা কাৰিকৰী বিদ্যা। ১৭ শতিকাৰ পৰবৰ্ত্তী সময়ত আন আন নান্দনিক কলাসমূহৰ প্ৰাধান্যতা বৃদ্ধি হ'বলৈ ধৰে। বাদ্য, চিত্ৰ, স্থাপত্য, কবিতা, নাটক ইত্যাদি কলাৰ মহত্ত্ব বৃদ্ধি হয়।

বৰ্ত্তমানসময়ত সৃজনশীল কলাসমূহৰ গুৰুত্ব বৃদ্ধি হৈ অহাৰ ফলত, শিক্ষা ব্যৱস্থাত আমূল পৰিবৰ্ত্তন দেখা যায়। সাধাৰণ পাঠদানৰ লগতে খেলা-ধূলা, খেলা-ধূলাৰ মাজেৰে কৰা নৃত্য, গীত, নাটক, কবিতা লিখা আৰু আবৃত্তি, ছবি অঁকা ইত্যাদি।

বৰ্ত্তমান শিক্ষানুষ্ঠানসমূহও সহবিদ্যায়তনিক বিষয়সমূহৰো প্ৰাধান্যতা বৃদ্ধি হৈ আহিছে। ফলত শিক্ষা ফলপ্ৰসূ হৈ পৰিছে। কলা শিক্ষাৰ জৰিয়তে শিশুৰ শাৰীৰিক, মানসিক ইত্যাদি দিশতো প্ৰভাব পৰে। শিশুৱে গঠনমূলক কাৰ্যসমূহত জড়িত হবলৈ শিকে, ফলত ব্যক্তিগত আৰু সামাজিক যিকোনো কাৰ্য সুকলমে কৰিব পাৰে।

শিক্ষাৰ পাঠ্যক্ৰমৰ বিভিন্ন বিষয়সমূহ কলা শিক্ষাৰ মাধ্যমেৰে প্ৰদান কৰিলে ছাত্ৰ-ছাত্ৰীসকলে সহজে বুজি পায়। "কলা সমন্বিতকৰণ বা "কলা একত্ৰীকৰণৰ" ধাৰণাটোৱে পাঠ্যক্ৰমৰ অন্যান্য বিষয়সমূহৰ সৈতে কলা বিষয়ক সমন্বিত বা সংযুক্ত কৰাকে বুজায়।

গণিত, ভূগোল, সমাজবিজ্ঞান, পৰিবেশ বিজ্ঞান আদিৰ দৰে বিষয়বোৰৰ কলাৰ সৈতে সম্পৰ্ক আছে। এনেবোৰ বিষয় যদি কলা শিক্ষাৰ জৰিয়তে শিক্ষাৰ্থীক পাঠদান কৰিব পৰা যায়, তেন্তে শিক্ষা ছাত্ৰ-ছাত্ৰীৰ বাবে অধিক মনোগ্ৰাহী হৈ পৰিব।

উদাহৰণস্বৰূপে ঃ

গণিতৰ দৰে কঠিন বিষয় এটা কলা শিক্ষাৰ জৰিয়তে সহজ সৰল আৰু আকৰ্ষণীয় কৰি তুলিব পৰি।

বিভিন্ন জ্যোমিতিক ছবি অংকন কৰিবলৈ দি বস্তুৰ দৈৰ্ঘ্য, প্ৰস্থৰ ধাৰণা, স্থানৰ ধাৰণাৰ জ্ঞান দিব পৰা যায়। বিজ্ঞানৰ ক্ষেত্ৰতো মানুহ আৰু অন্য জীৱ-জন্তুৰ শৰীৰৰ বিভিন্ন অংগ প্ৰত্যঙ্গৰ চিত্ৰ আঁকিবলৈ দিয়া হয়। ইয়াৰোপৰি বিভিন্ন বস্তুৰ চিত্ৰ দেখুওৱাই এনেবোৰ বিষয়ৰ ধাৰণা স্পষ্ট কৰি তুলিব পৰা যায়।

ভাষা ক্ষেত্ৰত, কবিতা, গীত, সাধু আদি লিখিবলৈ ছাত্ৰ-ছাত্ৰীক শিকাব লাগে। ইয়াৰোপৰি নাটক, ভাওনা আদি ক'লাজ, চিলাই, মাটিৰে বিভিন্ন বৈজ্ঞানিক সঁজুলি, বিভিন্ন পেলনীয়া সামগ্ৰীৰে ডাচবিন বনোৱা, বিজ্ঞান সম্বন্ধীয় প্ৰয়োগাত্মক প্ৰজেক্ট নিৰ্মাণ কৰা, পোষ্টাৰ নিৰ্মাণ কৰা, কাৰ্ড বনোৱা ইত্যাদি কাৰ্যৰ মাধ্যমেৰে শিক্ষকে বিভিন্ন বিষয়ৰ পাঠদান কৰিব পৰে।

শিক্ষাৰ মাধ্যমিক উচ্চ পৰ্য্যায়ত নাটক বা অভিনয়ৰ জৰিয়তে কিদৰে পাঠদান কৰিব পৰা যায়, এই বিষয়ক উদাহৰণ দাঙিধৰা হ'ল— শ্ৰেণীকোঠাত এজন শিক্ষকে যদি পৰিবেশ বিজ্ঞানৰ (EVS) বিভিন্ন বিষয়ৰ পাঠদান কৰে যেনেঃ (১) বৃক্ষৰোপন (Tree Plantation) (২) পৰিবেশ প্ৰদূষণ (Environmental pollution) (৩) প্ৰাণী সুৰক্ষা (Animal protection) ইত্যাদি বিষয়সমূহ সংলাপৰ মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীক কৰোৱাব পাৰে। শ্ৰেণীকোঠাত কৰা এই কাৰ্যকলাপসমূহক "ৰোল প্লে" (Role play)ৰ সহায়ত কৰিব পৰা যায়। এনে কৰিলে পাঠদান একঘেয়ামী হৈ নাথাকিব আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে আমনিদায়ক নহৈ আনন্দদায়ক হব। ফলত শিক্ষা উৎসাহবৰ্দ্ধক আৰু মনোগ্ৰাহী হৈ উঠিব। এনেদৰে হোৱা শিক্ষাদানৰ ফলত ছাত্ৰ-ছাত্ৰীৰ বহুমুখী বিকাশ হয়।

ঠিক সেইদৰে, সমাজ-বিজ্ঞানৰ "মানব অধিকাৰ" আৰু "শিশু সুৰক্ষা" বিষয়ে পাঠদান কৰোতে এইদৰে "ৰোল প্লেৰ" মাধ্যমেৰে শিক্ষা দিব পৰা যায়।

## কলা শিক্ষা আৰু বিভিন্ন কৰ্ম

কলা শিক্ষা ক্ষেত্ৰত বিভিন্ন প্ৰকৃতি সম্বন্ধিত কবিতা যেনেঃ আকাশ, নিয়ৰ, বতাহ, সূৰ্য্য, চন্দ্ৰ ইত্যাদি যিকোনো বিষয়ৰ কবিতা গাবলৈ দি অথবা কবিতা লিখিবলৈ দি ভাষা শক্তিশালী কৰি তুলিব পৰা যায়। এনেবোৰ কাৰ্যৰ ফলত ছাত্ৰ-ছাত্ৰীৰ কৰ্মপ্ৰেৰণা, কৰ্মদ্যোমৰ ভাবৰ বিকাশ হয়। ছাত্ৰ-ছাত্ৰীৰ কল্পনাশক্তি, সৃজনশীল প্ৰতিভা, শব্দজ্ঞান বৃদ্ধি হয়। বিভিন্ন ধৰণৰ গীতৰ মাধ্যমেৰে দেশপ্ৰেমৰ ভাবনা জাগৃত কৰিব পৰা যায়। বিভিন্ন প্ৰাৰ্থনা গীত বা ভক্তিগীতৰ মাধ্যমেৰে আধ্যাত্মিক ভাব জগায় তুলি সু-চৰিত্ৰ গঢ় দিব পৰা যায়। আমাৰ জাতীয় কৃষ্টি-সংস্কৃতিৰ পৰিচয়স্বৰূপে ভিন্ন বিষয়ৰ গীত-নৃত্য, লোকগীত, লোকনৃত্য, লোকবাদ্য, পুতলা নাচ, ওজাপালি, সত্ৰীয়া নৃত্য-গীত ইত্যাদি বিভিন্ন দিশৰ জ্ঞান ছাত্ৰ-ছাত্ৰীক 'কলা শিক্ষাৰ' মাধ্যমেৰে দিব পৰা যায়। বিভিন্ন হস্তশিল্প, থলুৱা শিল্প ৰাজি, মাটিৰে নিৰ্মিত আঁহিলা, ইত্যাদিৰ সৈতে পৰিচয় কৰি দিয়াৰ লগতে, কিদৰে তৈয়াৰ কৰিব পাৰি, এনেবোৰ বিষয়ৰ জ্ঞান দিয়াটো প্ৰয়োজনীয়। এনেবোৰ বিষয়ে জ্ঞান দিয়াৰ ফলত ছাত্ৰ-ছাত্ৰীৰ সামাজিক দায়বদ্ধতা, স্বদেশপ্ৰেমৰ ভাব গঢ় লব আৰু সৃজনশীল প্ৰতিভাৰ লগতে মানসিক বিকাশ হ'ব। 'বিজ্ঞান' বিষয়ৰ বিভিন্ন "মডেল" আঁকিবলৈ আৰু মাটিৰে আৰু বিভিন্ন সঁজুলিৰে কিদৰে নিৰ্মাণ কৰিব পাৰি শিক্ষকে এনেবোৰ বিষয় শিকাব লাগে। এইদৰে শ্ৰেণীকোঠাত এক 'উদ্দীপক' পৰিবেশৰ সৃষ্টি কৰিব লাগে।

'উদ্দীপক' হৈছে শিক্ষা ব্যৱস্থাত প্ৰয়োক্ত এক প্ৰক্ৰিয়া ইয়াৰ জৰিয়তে শ্ৰেণীকোঠাত বিভিন্ন কৌশলৰ সহায়ত, কাৰ্যকলাপৰ মাধ্যমেৰে শিক্ষকে শিশুৰ প্ৰতিভাসমূহৰ বিকাশ কৰিবলৈ যত্ন কৰে। এনে এক "উদ্দীপক" পৰিস্থিতিৰ সৃষ্টি কৰি ছাত্ৰ-ছাত্ৰীৰ সৰ্বাঙ্গীন বিকাশৰ বাবে শিক্ষকে চেষ্টা কৰে।

কলাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মাজত দলীয় ভাবনা গঢ় লৈ উঠে। তৰ্ক প্ৰতিযোগিতা, কুইজ, দলীয় বিভিন্ন কাৰ্য, সমবেত সঙ্গীত ইত্যাদিৰ শিক্ষণ পদ্ধতিৰে ছাত্ৰ-ছাত্ৰীৰ কলাত্মক প্ৰতিভাসমূহৰ বিকাশ হয়। ছাত্ৰ-ছাত্ৰীৰ মাজত সিদ্ধান্ত লোৱাৰ ক্ষমতা (Decision Making) চিন্তা ক্ষমতাৰ বিকাশ, লক্ষ্য স্থিৰ কৰিব পৰা ক্ষমতা (Strategy building), বিচাৰ-বিশ্লেষণ (analysis) কৰিব পৰা ক্ষমতাৰ বিকাশ হয়।

কলা শিক্ষায়ে ছাত্ৰ-ছাত্ৰীৰ "holistic development" অত সহায় কৰে। অৰ্থাৎ 'কলা শিক্ষাৰ' লগতে বিষয়ৰ আনুষাংগিক জ্ঞান লাভ কৰিবলৈ সক্ষম হয়।

কবিতা, নাটক, গীত, ছবি আঁকা, সাধুকথা, নৃত্য, বিভিন্ন সৃজনশীল লিখনিৰ জৰিয়তে শিক্ষাৰ বিভিন্ন বিষয়সমূহৰ জ্ঞান কিদৰে ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰিব পৰা যায় অথবা জ্ঞান দিব পৰা যায়, এনেবোৰ বিষয়ৰ আলোচনা পৰবৰ্ত্তী অধ্যায়ত বিস্তৃত ৰূপত কৰা হৈছে।

## দ্বিতীয় অধ্যায়

# পৰিৱেশ্য কলা

বিভিন্ন পৰিৱেশ্য কলা (Performing arts) ৰ ভিতৰত সঙ্গীতৰ বিষয়ে প্ৰথমে আলোচনা কৰা যাওঁক। শিক্ষা ব্যৱস্থাত পৰিবেশ্য কলাৰ বিষয়টো অন্তৰ্ভুক্ত কৰা হৈছে।

## সঙ্গীত

**সঙ্গীতৰ স্বৰ উচ্চাৰণ আৰু শাৰীৰিক সম্বন্ধ আৰু শ্বাস-প্ৰশ্বাস অভ্যাসৰ বিধি ঃ**

আমাৰ কণ্ঠয়েদি স্বৰ উচ্চাৰণ কৰোতে, আমাৰ শৰীৰৰ, বিশেষকৈ মুখমণ্ডল, পেট আদি অংশৰ প্ৰয়োগ হয়। উদাহৰণস্বৰূপে 'সা' আৰু 'মা' স্বৰ উচ্চাৰণ কৰোতে জিভা, ওঁঠ, কণ্ঠ নলীৰ ব্যৱহাৰ হয় আৰু বিভিন্ন গ্ৰন্থি (gland) সমূহৰ ব্যৱহাৰ হয়। "ৰে" আৰু "ধা" স্বৰ উচ্চাৰণত কণ্ঠ (Throat), জিভা, দাঁতৰ ব্যৱহাৰ কৰা হয়। "গা" স্বৰৰ উচ্চাৰণ কৰোতে "কণ্ঠ" আৰু "জিভাৰ" প্ৰয়োগ দেখা যায়। সেইদৰে "মা" আৰু "নি" স্বৰৰ উচ্চাৰণ বিভিন্ন "নাসিকাৰ" সহায়ত কৰা হয়।

ভাৰতীয় সঙ্গীতৰ ইতিহাস অতি প্ৰাচীন। বিভিন্ন লোকৰ মত অনুসৰি সঙ্গীত উৎপত্তি প্ৰকৃতিৰ পৰা, অন্য মত অনুসৰি, ধৰ্মীয় আধাৰত অৰ্থাৎ দেব দেবীৰ শ্ৰীমুখৰ পৰা সঙ্গীতৰ স্বৰৰ উৎপত্তি হয়।

কিন্তু, সঙ্গীতৰ উৎপত্তি 'লোক' অৰ্থ্যৎ জনসাধাৰণৰ আবেগ অনুভূতিৰ প্ৰকাশ মাধ্যমেৰেই হৈছে বুলি কব পাৰি। প্ৰকৃতিৰ বিভিন্ন ধ্বনি, যেনে ঃ- পানী, বৰষুন, মেঘ গৰ্জন, চৰাই-চিৰিকতি, জীৱ, জন্তু আদিৰ মাতৰ পৰায়ে সপ্ত স্বৰৰ বিকাশ হৈছিল মানুহে এনে বিভিন্ন সুমধৰ ধনি অনুকৰণ কৰি মাত উলিয়াইছিল। ঠিক সেইদৰে গছ পাত মেৰিয়াই ফুঁক দি ধ্বনি নিৰ্গত হৈছিল। দুডাল বাঁহ, কাঠ আৰু অন্য সামগ্ৰী মাজত মৰিয়াই লয় দিছিল। এইদৰে সঙ্গীতৰ বিকাশ ক্ৰমাগত ৰূপত হৈছিল লোকসঙ্গীতৰ পৰায়ে পৰবৰ্ত্তী সময়ত 'মাৰ্গী' আৰু 'দেশী' সঙ্গীতৰ বিকাশ হৈছিল "মাৰ্গী" সঙ্গীত পৰবৰ্ত্তী সময়ত লুপ্ত হৈছিল যদিও, 'মাৰ্গী' সঙ্গীত আৰু 'দেশী' সঙ্গীত তত্ত্বসমূহৰ সংমিশ্ৰণত ভাৰতীয় শাস্ত্ৰীয় সঙ্গীতৰ বিকাশ হৈছিল। ভাৰতীয় সঙ্গীত এই ক্ৰমাগত বিকাশ ৩ টা যুগত ভগাব পাৰি।

এইকেইটা হ'ল
(১) প্ৰাচীন যুগ
(২) মধ্য যুগ
(৩) আধুনিক যুগ।
প্ৰাচীন সঙ্গীতৰ আধাৰতেই পৰবৰ্ত্তী সময়ত বিভিন্ন সঙ্গীত শৈলীৰ বিকাশ হয়।
বৰ্ত্তমান প্ৰচলিত ভাৰতীয় শৈলীসমূহ হৈছে
(১) লোক সংগীত
(২) আঞ্চলিক সঙ্গীত
(৩) ভক্তিগীত
(৪) লঘু সঙ্গীত
(৫) শাস্ত্ৰীয় সঙ্গীত হিন্দুস্থানী / কৰ্ণাটিক শেলী।
(৬) উপশাস্ত্ৰীয় সংঙ্গীত ইত্যাদি।

সঙ্গীতৰ অভ্যাস কৰোতে বা সাধনা কৰোতে কিদৰে শ্বাস-প্ৰশ্বাসৰ প্ৰয়োগ হ'ব লাগে, ইয়াৰ নীতি-নিয়মসুহ জানি লোৱটো প্ৰয়োজনীয়। শ্বাস ক্ৰিয়া সম্পূৰ্ণ হোৱা অৰ্থাৎ শ্বাস লোৱা আৰু এৰা প্ৰক্ৰিয়াক "শ্বাস নিয়ন্ত্ৰণ" (Breath control) বোলা হয়।

আমাৰ (Larynx) 'লেৰিংচ' বা স্বৰযন্ত্ৰ অনেক পেশীৰে যুক্ত হয়। ইয়াৰ সৈতে ভিতৰেদি "মিওকাচ কোড" (Mucous coat) আৰু কণ্ঠ নলী (Vocal chord) 'ভোকেল কৰ্ড' থাকে।

'ভোকেল কৰ্ড', স্বৰযন্ত্ৰ 'লেৰিক্সৰ' (Laryhx) অৰ ভিতৰত থাকে। ইয়াৰ সন্মুখৰ ফালে থাকে, 'থাইৰইড' কাৰ্টিলেজ' (Thyroid cartilage) পিছ্ৰফালে থাকে (Larynx) 'আৰটেনইড' কাৰ্টিলেজ'। 'লেৰিংচৰ' (Larynx) পেশীৰ ফালে যেতিয়া বায়ুৰ স্পন্দন হয়, তেতিয়া স্বৰ উৎপাদন হয় আৰু ভিন্ন পেশীসমূহে শব্দক নিয়ন্ত্ৰণ কৰে। খাদ্য খোৱাৰ সময়ছোৱাত 'লেৰিংচৰ' (Larynx) অৰ মুখখন নিজে বন্ধ হয়। যদি 'লেৰিংচৰ' (Larynx) মুখখন নিজে বন্ধ নহয় তেন্তে, খাদ্য (quality) 'লেৰিংচ' অত প্ৰবেশ কৰিব পাৰে। ইয়াৰ ফলত দুৰ্ঘটনা হোৱাৰ সম্ভাবনা থাকে। স্বৰ সাধনা বা কণ্ঠ সাধনা কিদৰে কৰা উচিত এই বিষয়ত সতৰ্ক নহ'লে কণ্ঠ কৰ্কশ আৰু স্বৰ ভংগ হোৱাৰ সম্ভাবনা দেখা যায়।

কণ্ঠৰ দ্বাৰা 'ধ্বনি' বা স্বৰ উচ্চাৰণ কৰোতে ইয়াত কণ্ঠৰ ওজন আৰু ধ্বনি

উচ্চাৰণৰ মান বা গুণ কেনে হয় এই বিষয়ে জনাটো প্ৰয়োজনীয়। গুণাগুণ জানিলে (Scale) স্কেল নিৰূপণ কৰোতে সুবিধা হয়।

প্ৰাতঃকাল খালী কণ্ঠত, স্বৰ সাধনা কৰোতে মন্ত্ৰ সপ্তকত 'ওঁ' কাৰ ধ্বনি প্ৰথমে উচ্চাৰণ কৰিলে কণ্ঠৰ গুণগত মান বৃদ্ধি হয়। ইয়াৰ পিছত এটা এটাকৈ স্বৰসমূহ অভ্যাস কৰোতে ধ্বনিৰ গুণগত মান বৃদ্ধি হ'বলৈ ধৰে আৰু ই উন্নত হয়।

অন্যান্য জীৱ জন্তুতকৈ মানুহৰ কণ্ঠ শুৱলা-মধুৰ আৰু শক্তিশালী হয়। সেইবাবে আমি বিভিন্ন ধ্বনি উৎপাদন কৰিব পাৰো। বিভিন্ন কম্পনাংকৰ নাদ আমি আমাৰ কণ্ঠৰে নিৰ্গত কৰিব পাৰো। প্ৰাৰম্ভিক অৱস্থাত স্বৰ অভ্যাস কৰোতে হাৰমনিয়াম আৰু বিশেষকৈ তানপুৰাত স্বৰৰ সৈতে পৰিচয় কৰি দিয়াটো অত্যন্ত প্ৰয়োজনীয়। প্ৰত্যেক শিক্ষাৰ্থীয়ে স্বৰ শুদ্ধভাবে কণ্ঠত বহুৱাই ল'বলৈ অভ্যাস কৰাটো প্ৰয়োজনীয়। 'হাৰমনিয়াম' আৰু 'তানপুৰাত' স্বৰৰ সৈতে ভালদৰে পৰিচয় হোৱাৰ পিছত "সা পা সাঁ" অথবা "সা মা সাঁ" এই স্বৰসমূহ ধৰি অভ্যাস কৰাটো প্ৰয়োজনীয়। অৰ্থাৎ 'স্কেল' (Scale) ধৰি গাবলৈ দিব লাগে। এইদৰে কৰাৰ ফলত কণ্ঠ খোলা আৰু শুৱলা হয়। লগতে স্বৰ আয়ত্ত ভালদৰে কৰিব পৰা যায়। ফুচফুচকৈ কথা -পতা- আৰু খুব চিঞৰি গান গোৱাটো কণ্ঠৰ বাবে ক্ষতিকাৰক। গাঁওতে, হাত ভৰি লৰাই, মুখমণ্ডলৰ, কপাল কোঁচাই গাব নালাগে। গায়কৰ গুণ আৰু দোষত এই বিষয়ে উল্লেখ আছে সঙ্গীতৰ বাবে ধৈৰ্য্যৰ অত্যন্ত প্ৰয়োজন। বহুতো শিক্ষাৰ্থীয়ে ধৈৰ্য্য হেৰুৱাই আবেগ উচ্ছাগৰ বশবৰ্ত্তী হৈ সঙ্গীতৰ শিক্ষা লাভ কৰে আৰু কেৱল ডিগ্ৰী আৰু ডিপ্লমাৰ আশাত সঙ্গীতৰ শিক্ষা লাভ কৰে। এনে শিকাৰুৰ অৰ্ধজ্ঞান আৰু শিক্ষা কাৰ্যগত নহয়। সঙ্গীত এবিধ এনে ঈশ্বৰ প্ৰদত্ত কলা যি কলা কলাকাৰে ইচ্ছা কৰিলেই লাভ কৰিব বা আয়ত্ত কৰিব নোৱাৰে। ইয়াৰ বাবে প্ৰয়োজন সাধনাৰ। ৰাগ পৰিবেশনত তান প্ৰস্তুত কৰোতে জাব্ৰা লৰাই গোৱাটো গায়কৰ দোষ। গায়নৰ সৈতে আমাৰ নাভি আৰু উদৰ বা পেটৰ সম্পৰ্ক আছে। গায়নৰ সময়ত মুখমণ্ডল এক নিৰ্দ্দিষ্ট মাত্ৰালৈ খুলি, পেটৰ বায়ুৰ সহায়ত ধ্বনি উলিয়াবলৈ চেষ্টা কৰিব লাগে। কেৱল কণ্ঠত জোৰ প্ৰয়োগ কৰি গোবাৰ ফলত গলা বা কণ্ঠত কষ্ট হয় আৰু স্বৰ ভংগ হ'ব পাৰে। গতিকে স্বৰ লগোৱা বিধি আয়ত্ত কৰিবলৈ উচিত গুৰুৰ ওচৰত শিক্ষা লোৱাটো প্ৰয়োজনীয় গোৱাৰ ক্ষেত্ৰত 'কৰ্ণৰ' ব্যবহাৰো গুৰুত্বপূৰ্ণ।

গঠনৰ ক্ষেত্ৰত কৰ্ণক তিনিটা ভাগত ভাগ কৰিব পাৰি –

(১) বৰ্হিগতকৰ্ণ (External ear)

(২) মধ্যকৰ্ণ (Middle ear)

(৩) অন্তঃকৰ্ণ (Inner ear)

**কৰ্ণকুহ (Ear hole) ঃ**

'কৰ্ণ' বা সাধাৰণ অৰ্থত 'কাণ' হৈছে নাক-গলা আৰু শ্ৰুতিনলীৰ সৈতে সংযুক্ত অতি গুৰুত্বপূৰ্ণ অংগ। কৰ্ণকুহৰ শেষ প্ৰান্তত পৰ্দাযুক্ত হৈ থাকে "ইয়েৰড্ৰাম" (ear-drum)। কাণৰ ভিতৰৰ অংশত সৰু হাঁড়ৰ দ্বাৰা নিৰ্মিত এক অংশ থাকে। ইয়াৰ লগত আন এক হাঁড় সংযুক্ত হৈ থাকে। বায়ু, শব্দ তৰংগৰ দ্বাৰা যেতিয়া কৰ্ণত প্ৰবেশ কৰে, তেতিয়া এই সৰু হাতুৰীৰ দৰে অংশটো ইয়েৰড্ৰাম (eardrum), কাণৰ ভিতৰৰ চামৰাৱেদি, যি পৰ্দা থাকে, তাত আঘাত কৰে। সেইসময়ত শব্দ তৰঙ্গ মস্তিষ্কলৈ গৈ দৰ্শকক শ্ৰবণৰ দ্বাৰা অনুভূতিৰ সৃষ্টি কৰে। স্নায়ুজাতীয় শিৰা (sensory nerves) মস্তিষ্কৰ সৈতে যুক্ত হৈ বাৰ্ত্তা পৰিবহনৰ কাৰ্য কৰে। মানুহ যেতিয়া দৈহিক আৰু মানসিক দিশৰ পৰা অসুস্থ হয়, তেতিয়া স্নায়ুৰ কাৰ্যৰ বিকৃতি ঘটে। জিভাৰ দ্বাৰা আমি নানা প্ৰকাৰৰ সোৱাদ বুজি পাওঁ কৰ্ণৰ দ্বাৰা শ্ৰৱণৰ মাধ্যমেৰে বিভিন্ন শব্দ তৰঙ্গ গ্ৰহণ কৰিব পাৰো। শব্দ তৰঙ্গ যেতিয়া গ্ৰহণযোগ্য হয়, তেতিয়া শব্দ তৰঙ্গয়ে স্নায়ুৰ মাধ্যমেৰে বিভিন্ন প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। সঙ্গীতৰ মাধ্যমেৰে শিশুৱে টোপনি যোৱা দেখা যায়। সুমধুৰ সংঙ্গীতিক ধ্বনিৰে কবিতাৰ ছন্দ, প্ৰেমৰ ভাব আৰু হৃদয়গত ভাব-বেদনাসমূহ সুন্দৰকৈ প্ৰকাশ কৰিব পৰা যায়। বিকৃত আৰু কৰ্কশ কণ্ঠ, স্বৰ আৰু ধ্বনিয়ে মানুহৰ মনত বিৰক্তিৰ ভাব গঢ়ি তোলে। সুন্দৰ আৰু শ্ৰুতিমধুৰ স্বৰ ধ্বনিয়ে আমাৰ হৃদয় আৰু মন উৎসাহিত কৰি তোলে। ইয়াৰ ফলত দেহ, মন আদি সুস্থ হয়। আমাৰ হৃদয়ত ভাব, আমাৰ অনুভূতি, ৰুচি আৰু জীৱনৰ অভিজ্ঞতাসমূহ স্বৰ আৰু সঙ্গীতৰ মাধ্যমেৰে প্ৰকাশ কৰো। সঙ্গীত, মন, মস্তিষ্ক, শৰীৰ আৰু আমাৰ হৃদয়গত ভাব অনুভূতিৰ সৈতে সম্বন্ধিত। ১৯১১ চনত এজন আমেৰিকান গবেষক, "লিওনাৰ্ড আইৰিচে", গবেষণা কৰি পোৱা এক তথ্য অনুসৰি, সাধাৰণভাৱে চাইকেল চলাই যাওঁতে চালকজনৰ ভৰিৰ পেদেল মাৰি যোৱা ক্ৰিয়া আৰু খুব শব্দ বা জোৰেৰে দ্ৰুত লয়ত এটি গীত বা সঙ্গীত শুনি গলে ভৰিৰে পেদেল মাৰি যোৱা ক্ৰিয়া দ্ৰুত হব পাৰে। ঠিক সেইদৰে ভক্তিমূলক খুব কৰুণ গীত এটি শুনিলে আমাৰ মস্তিষ্ক লৈ শান্তিৰ ভাব আৰু আমাৰ কেতিয়াবা টোপনিৰ ভাব আহিব পাৰে। সাঙ্গীতিক স্বৰসমূহৰ প্ৰয়োগ ওপৰত আমাৰ মস্তিষ্কৰ ভিন্ন ক্ৰিয়া প্ৰতিক্ৰিয়া সমূহ নিৰ্ভৰশীল। সঙ্গীতৰ এনে এক শক্তি নিহিত হৈ থাকে, ইয়াৰ জৰিয়তে আমাৰ অন্তঃৰ্নিহিত শক্তি, উৎসাহ

বৰ্দ্ধন হয় আৰু কাম কৰিবলৈ উদ্যম, স্পৃহাৰ বৃদ্ধি হয়। কলাৰ অভ্যাসৰ দ্বাৰা মন সতেজ হয় আৰু মনোযোগ বৃদ্ধি হয়। কলাৰ জৰিয়তে আত্মপ্ৰকাশ আৰু বৰ্হিঃপ্ৰকাশ কৰিব পৰা শক্তিৰ বৃদ্ধি হয়। সঙ্গীতৰ জৰিয়তে মনলৈ সংকেতিক বাৰ্তা (Signal) প্ৰেৰণ হয় আৰু আমাৰ মনোযোগ বৃদ্ধি হয়। পাশ্চাত্য গবেষকসকলে কৰা এক গবেষণাৰ দ্বাৰা জনা যায় যে, চাইকেল চালক এজনৰ ৭% অক্সিজেন সঙ্গীত শুনি থাকিলে, আন এজন সঙ্গীত নুশুনা চালকতকৈ বৃদ্ধি হয়। কেৱল সঙ্গীত শিকি থকা ছাত্ৰ-ছাত্ৰীয়েই সঙ্গীতৰ দ্বাৰা লাভান্বিত হয়, এনে নহয়। বিভিন্ন ৰোগত ভুগি থকা ব্যক্তিবিশেষৰ আৰু হৃদয়ৰোগজনিত, মানসিক ৰোগত ভুগি থকা ব্যক্তি, সঙ্গীত শুনাৰ ফলত লাভান্বিত হয়। সুমধুৰ সাঙ্গীতিক ধ্বনি আৰু কৰ্কশ ধ্বনি বা কোলাহল দুয়োপ্ৰকাৰ ধ্বনিয়ে আমাৰ মগজুত ক্ৰিয়া কৰে। উদাহৰণস্বৰূপে গাড়ী-মটৰ আদিৰ শব্দয়ে, আমাৰ খং-ৰাগ, উত্তেজনা, নিৰাশাৰ ভাব বৃদ্ধি কৰে। বিভিন্ন ধ্বনিৰ ফলত আমাৰ মগজুত ভিন্ন ক্ৰিয়া দেখা যায়। পাশ্চাত্য বিজ্ঞানীসকলে ভাৰতীয় ৰাগ সঙ্গীতৰ জৰিয়তে, বিভিন্ন লয়, সুমধুৰ লঘু সঙ্গীতৰ দ্বাৰা বিভিন্ন মানসিক ৰোগৰ নিৰাময় হয়। এই বিষয়ত বিস্তৃত আলোচনা স্ব লিখিত "ভাৰতীয় ৰাগ সঙ্গীত তত্ত্ব" নামৰ গ্ৰন্থত প্ৰস্তুত কৰিছো।

সঙ্গীতে আদিম যুগৰে পৰায়ে মানব জীৱন আৰু সভ্যতাৰ উন্নতি আৰু বিকাশৰ পৰিচয় ডাঙি ধৰিছে। দুখন দেশৰ মাজত অন্তঃসম্বন্ধ স্থাপন কৰিবলৈ যাওঁতে সঙ্গীতে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সামাজিক, পাৰম্পৰিক উৎসব অনুষ্ঠানকে আদি কৰি কৃষি, লোকসমাজৰ ধৰ্মীয় কৃতি ইত্যাদি সকলোতে সঙ্গীত বিনে ই আধৰুৱা। সঙ্গীত, গীত, বাদ্য, নৃত্যৰ সমন্বয় বুলি কোৱা হয়। বাদ্যৰ লয় গীতৰ সুমধুৰ ধ্বনি, নৃত্যৰ লয়, অংগি -ভংগিমাৰ জৰিয়তে শাৰীৰিক মানসিক বিকাশ হয়।

আমাৰ আবেগ-অনুভূতিৰ (emotions) ওপৰত সঙ্গীতে প্ৰভাৱ বিস্তাৰ কৰে। [illegible] এজন সু-ব্যক্তিত্বৰ গৰাকী ৰূপত গঢ় লৈ উঠাত সহায় কৰে। আমাৰ দুই [illegible] সমাজত [illegible] ধৰণৰ আবেগ (emotions) আছে —

(১) Perceived emotion — ধাৰণাত্মক অনুভূতি

(২) Self emotion — স্ব-অনুভূতি

কেতিয়াবা আমি সঙ্গীতৰ শব্দ বুজি নোপোৱাকৈয়ে গীতটো অনুভৱ কৰি[illegible] পাৰো। ঠিক সেইদৰে, আবেগিক গীত এটি গাই আমি কেতিয়াবা আনন্দ অনুভ[illegible] কেতিয়াবা আনন্দ অনুভৱ কৰো, মনত শান্তিৰ ভা[illegible]

হয়, দুখ কৰাতকৈ গীতৰ কথা গভীৰতা, দুখপ্ৰকাশ থাকিলেও গীতটো শুনি মন জুৰ পৰি যায় আৰু এক কৰুণভাব সেইদৰে, তৃপ্তিৰ অনুভূতি হয়। ব্যক্তিবিশেষে এই অনুভৱ ভিন্ন হ'ব পাৰে। সেইটো ব্যক্তিবিশেষৰ স্থিতি, অৱস্থা, পৰিবেশ মানসিক অবস্থা ইত্যাদিৰ ওপৰত নিৰ্ভৰ কৰে। কেতিয়াবা যদি এজন ব্যক্তিৰ মনত খুব সমস্যাই আবৰি থাকে, আৰু কোনো কলাৰ উপভোগ কৰে, তেওঁৰ হয়তো (feeling) অনুভৱ আন জনতকৈ ভিন্ন হ'ব পাৰে। জীবনৰ বিভিন্ন ভাব-আবেগৰ অনুভূতি, বিভিন্ন ঘটনা, দুখ সুখৰ সৈতে পোনপটিয়া সম্বন্ধ নাথাকিলেও, সংগীতত অন্তৰ্নিহিত ভাব-আবেগসমূহ আমি আমাৰ ধাৰাত্মক অনুভূতিৰ সহায়ত (Perceive emotion) অনুভৱ কৰিব পাৰো আৰু গীতটো স্বয়ং অনুভৱ কৰি সজাই তুলিব পাৰো। সঁচা অৰ্থত, কোনো ঘটনা, সুখ-দুখৰ এক পৰিস্থিতি ন'হলেও, গীতৰ জৰিয়তে আমি সেইবোৰ অনুভৱ কৰিব পাৰো। অৰ্থাৎ, উদাহৰণস্বৰূপে যদি লাচিত বৰফুকনৰ সম্বন্ধিত এটি গীত শুনি, যদিহে আমি ভাল পাঁও আৰু ইয়াক অনুভৱ কৰো তেন্তে আমাৰ মনৰ ভাবসমূহ স্বদেশপ্ৰেমেৰে ভৰি পৰিব, যদিও আমি সেই স্থানত থাকি এই দৃশ্য চাই থকা নাই। এই ক্ষেত্ৰত, সঙ্গীতক দৰ্শনৰ সৈতে সম্বন্ধিত কৰিব পাৰি। কলাৰ সৌন্দৰ্য অথবা সৌন্দৰ্যবোধ এক অধ্যয়নৰ বিষয়। সৌন্দৰ্যশাস্ত্ৰ (Aesthetics) হৈছে দৰ্শনৰ এক শাখা।

## মস্তিষ্কৰ গঠন ঃ

আমাৰ মস্তিষ্ক হৈছে এক প্ৰকাৰ স্নায়ুৰ গঠন। আমাৰ মস্তিষ্কৰ সকলো ভাগ একেলগে কাম কৰে। কিন্তু, প্ৰত্যেক অংগৰে নিজস্ব বৈশিষ্ট্য আৰু কাৰ্য্যাবলী ভিন্ন। মস্তিষ্ক মূলতঃ ৩টা ভাগত বিভক্ত।

যেনে — (Forebrain) ফৰব্ৰেন
(Midbrain) মিডব্ৰেন
(Hindbrain) হিডব্ৰেন

মস্তিষ্কৰ ভিন্ন বাৰ্ত্তা বা সংকেত শৰীৰলৈ যায় আৰু শৰীৰে সেইধৰণে কাৰ্য কৰে। সোঁফালৰ মস্তিষ্কৰ (Right side brain) 'চেৰিব্ৰেথমিফেৰ' (Cerebrathemiphere) অংশয়ে আমাৰ শৰীৰৰ বাওঁফালৰ অংশক নিয়ন্ত্ৰণ কৰে আৰু বাওঁফাৰ "হেমিফিয়েৰে" আমাৰ সোঁফালৰ শৰীৰ নিয়ন্ত্ৰণ কৰে।

যেতিয়া আমাৰ মস্তিষ্কৰ এটা অংশ বিকল হৈ যায়, তেতিয়া শৰীৰৰ এটা অংগও বিকল হয়। যেনে ঃ যদি মস্তিষ্ক সোঁফালৰ 'হেমিস্ফিয়েৰ' (Femiphere)

আঘাত প্ৰাপ্ত হয় (Strock) তেন্তে বাওঁফালৰ হাঁত ভৰি 'পেৰালাইচিচ' (Peralized) হৈ পৰে।

আমাৰ মস্তিষ্ক দুটা ভাগত বিভক্ত। এই দুই অংশক 'চেৰিব্ৰাম (cerebrum) বোলে। ইয়াৰ মাজত বিভক্ত গভীৰ অংশ 'ফিচাৰ' (fissure) ৰ দুয়োকাষে 'চেৰিব্ৰাম' (cerebrum) বোলে। এই দুয়োটা (hemisphere) অংশৰ মাজৰ সম্বন্ধ পাতল, শিৰাৰ মাজেদি হয়। এই শিৰা অথবা 'Nerve fibre', 'ফিচাৰত' অৱস্থিত হয়। যদিও দুয়োটা (hemisphere) 'হেমিচফিয়াৰ' একেই হয়, দুয়োফালৰ পৰা চালে, ইয়াত পাৰ্থক্য দেখা যায়। বাওঁফালৰ মস্তিষ্ক বা হেমিচফিয়েৰৰ (hemisphere) কাৰ্য শব্দ মনত ৰখা আৰু 'সোঁ হেমিচফিয়েৰৰ' কাৰ্য অনুমান (reasoing) বা অৱধাৰণা, চিন্তা কৰাৰ কাৰ্যৰ দ্বাৰা (Abstract reasoning skill) বিক্ষিপ্ত ধাৰণাসমূহ নিয়ন্ত্ৰণ কৰা হয়। আমি যেতিয়া এখন মস্তিষ্কৰ চিত্ৰ চাওঁ, ইয়াৰ উৰ্ধ্বত থকা অংশটোক (cerebrumsits) 'চেৰিব্ৰামচাইটিচ' বোলা হয়। এই উৰ্ধ্বত থকা অংশয়ে বুদ্ধিমত্তা আৰু অন্যান্য কাৰ্যসমূহ নিয়ন্ত্ৰণ কৰে আৰু স্মৃতিৰ (Memory) কাৰ্য নিয়ন্ত্ৰণ কৰাত সহায় কৰে। কল্পনা শক্তি বৃদ্ধিত এই শক্তিয়ে সহায় কৰে। উদাহৰণস্বৰূপে বন্ধুৰ সৈতে চিনাক্তকৰণ কৰোৱা, ৰাস্তা চিনাক্তকৰণ, মানুহ চিনাক্তকৰণ ইত্যাদিত সহায় হয়।


সকলো মস্তিষ্কৰ ভাগসমূহ একেলগে কাৰ্য কৰে। প্ৰত্যেকৰে নিজস্ব কাৰ্য্যাবলী আছে। 'হিণ্ডব্ৰেন' (hind brain) অৱস্থিত, মেৰুদণ্ড (spinal) ৰ ওপৰৰ অংশটোত। ই এক "ব্ৰেইন ষ্টেম" (Brain stem) আৰু কিছুমান বেঁকা শিৰাৰ বল (wrinkled ball of Tissues) ইয়াক 'চেৰিব্ৰাম' বোলা হয়। 'হিণ্ডব্ৰেন' (cerebellum) এ শৰীৰৰ প্ৰমূখ্য কাৰ্য সমূহ নিয়ন্ত্ৰণ কৰে। যেতিয়া আমি টেনিচ খেলো আৰু বল মাৰো আৰু পিয়ানো বজাওঁ ইত্যাদি বিভিন্ন কাৰ্য শিকো (Hindbrain) 'চেৰিব্ৰাম' অংশয়ে বিভিন্ন কাৰ্য চলাই যায়। মগজুৰ একেবাৰে ওপৰৰ অংশত 'মিডব্ৰেন' (Midbrain) থাকে। এই অংশয়ে চকুৰ গতি আৰু শৰীৰৰ চলন আৰু আন আন কাৰ্য আৰু গতি নিয়ন্ত্ৰণ কৰে।

'ফৰব্ৰেন' (Forebrain) মানুহৰ মস্তিষ্কৰ উন্নতিশীল আৰু উচ্চমানৰ এক অংশ। এই অংশয়ে চেৰিব্ৰামৰ (Cerebrum) তাৰ গঠনক সূচায়। 'চেৰিব্ৰামে' বুদ্ধিমত্তাৰ ক্ৰিয়াক সূচিত কৰে আৰু নিয়ন্ত্ৰণ কৰে। এই বিষয়ত ১৯৯০ চনৰ এক গবেষণাৰ দ্বাৰা বুজা যায়। "National Institude of neurological disorder and

stroke" তাৰ গবেষণা অনুসৰি, মস্তিষ্ক কিদৰে ভালে ৰখা যায় আৰু ইয়াৰ কাৰ্যসমূহ, মস্তিষ্কৰ বিভিন্ন ৰোগ কিদৰে হয়, এনেবোৰ বিষয়ত জানিব পৰা যায়। মস্তিষ্কয়ে আমাৰ চৰিত্ৰ নিয়ন্ত্ৰণ কৰে। মস্তিষ্কয়ে শৰীৰত হোৱা প্ৰতিক্ৰিয়াবোৰ শৰীৰৰ মাধ্যমেৰে ব্যক্ত কৰে। উদাহৰণস্বৰূপে যদি আমাৰ ভোক লাগে, খাবলৈ মন যায়, আমি উত্তেজিত হৈ পৰো। এই বাৰ্তা মস্তিষ্কয়ে শৰীৰলৈ পঠাই। কোনো ঘটনাৰ ফলত দুখ লগা, সুখী হোৱা, বিস্মিত হোৱা, হাঁহি-উঠা ইত্যাদি সকলো ভাব-আবেগসমূহ মগজুৱে নিয়ন্ত্ৰণ কৰে। মস্তিষ্কৰ বিভিন্ন ৰাসায়নিক ক্ৰিয়াৰ দ্বাৰা এই কাৰ্য্য নিয়ন্ত্ৰণ কৰে।

মস্তিষ্কলৈ বাৰ্তা প্ৰেৰণ কৰাৰ পিছত আমাৰ 'নাৰভাচ সিচটেম' (Nervous system) ত ক্ৰিয়া কৰে আৰু ই আমাৰ মাংসপেশীক নিয়ন্ত্ৰণ কৰে। ইয়াৰ ফলত আমি বিভিন্ন কাৰ্যসমূহ কৰো যেনেঃ দৌৰা, গান গোৱা, খোজ কঢ়া, লিখা ইত্যাদি। আমাৰ 'স্পাইনেল কৰ্ড' (Spinal chord) এ, এই (Nervous system) 'নাৰভাচ সিচটেমত' ইয়াক নিয়ন্ত্ৰণ কৰে। আমাৰ এই "নাৰ্ভচে্ল" (Nerve cell) সমূহক 'নিউৰচ' (Neurous) বোলা হয়। সঙ্গীতৰ জৰিয়তে শিশুৰ বিভিন্ন মানসিক সমস্যা বা প্ৰজ্ঞাতত্ত্ব ক্ষেত্ৰৰ (Cognitive Domain) সমস্যা সমূহ দূৰ কৰিব পৰা যায়।

**মগজুৰ গঠন ঃ**



সকলো মানুহৰ সৃজনশীল প্ৰতিভা আছে। এই ক্ষেত্ৰত আমি অবগত হব লাগিব যে ব্যক্তিবিশেষে কোন ক্ষেত্ৰত অৰ্থাৎ কোনবিধ কলা গুণৰ অধিকাৰী। ব্যৱহাৰিক কাৰ্যৰ মাধ্যমেৰে এইবিষয়ে অবগত হব পৰা যায়। আমাৰ কোটি কোটি মগজুৰ শিৰা আৰু উপশিৰা আছে। এই শিৰা-উপশিৰায়ে একেলগে কাৰ্য কৰে। ওপৰৰ মগজুৰ চিত্ৰত কিদৰে মগজুৱে কাৰ্য কৰে ইয়াৰ চিত্ৰ প্ৰস্তুত কৰা হৈছে।

প্ৰাথমিক স্তৰত শিশুক সংগীত, কবিতাৰ মাধ্যমেৰে শিকাব পৰা কিছুমান কাৰ্যকলাপ -

১। সাধু কোৱা আৰু কথোপকথনৰ মাধ্যমেৰে গীত, নাটক, কবিতাৰ যোগেদি বিভিন্ন বিষয় স্পষ্ট কৰি তোলা।

২। শিশুক প্ৰকৃতিৰ বিভিন্ন শব্দৰ সৈতে পৰিচয় কৰি দিয়া।

৩। বিভিন্ন ৰং, খাদ্যবস্তু, জীৱ-জন্তু সংখ্যা, আকৃতি, শৰীৰৰ অংগ, পৰিৱেশ, আকাশ, চন্দ্ৰ, তৰা, চৰাই-চিৰিকটি, বৰষুণ, পৰিস্কাৰ-পৰিচ্ছন্নতা, বিদ্যালয় ইত্যাদি বিষয়ক কবিতা আৰু গীত কৰলৈ শিকোৱা। উদাহৰণ স্বৰূপে ৰিম ঝিম ঝিম বৰষুণ পৰিছিল, মেঘে গিৰ্ গিৰ্ কৰে, গৰখীয়া হেৰ' গৰখীয়া, পকা ধানৰ মাজে মাজে, বগলীয়ে বগা ফোট দি যা ইত্যাদি।

৪। বুঢ়ী আইৰ সাধু, হিতোপদেশ ইত্যাদি বিভিন্ন সাধু ব্যাখ্যা কৰা আৰু ভইচ মডুলেচনৰ জৰিয়তে ক'বলৈ শিকোৱা।

৫। কহুৱা বন, লুইতৰ চাপৰিত কৰে নাৱৰীয়া, হুৰ হুৰ বতা চৰাই, বালি মাহি তোৰে লগত, ৰঙা নীলা ৰঙা নীলা এজাক চৰাই, গছে গছে পাতি দিলে, বিলতে হালিছে আদি শিশুমূলক গীত গাবলৈ শিকোৱা হয়।

৬। বিভিন্ন দেশভক্তিমূলক গীত যেনে মোৰে ভাৰতৰে, তোৰে মোৰে আলোকৰে যাত্ৰা, শ্ৰীময় অসমীৰ ইত্যাদি গাবলৈ শিকোৱা হয়।

৭। প্ৰাচীন ঐতিহাসিক গীতসমূহ যেনে - জয়মতী কুঁৱৰি, ফুল কোঁৱৰ মনি কোঁৱৰ ইত্যাদি গীতসমূহ শিকোৱা।

৮। বিভিন্ন লোকবাদ্য, লোকগীত, লোকপৰিৱেশ্য কলাসমূহৰ সৈতে পৰিচয় কৰি দিয়া।

৯। আমাৰ শিল্পীসকল ড০ ভূপেন হাজৰিকা, পুৰুষোত্তম দাস, বিষ্ণুৰাভা আদিৰ বিষয়ে কোৱা আৰু গীত গাবলৈ দিয়া।

# পণ্ডিত ভাতখাণ্ডে আৰু পলুস্কৰ স্বৰলিপি পদ্ধতি

| পণ্ডিত বিষ্ণু নৰায়ণ ভাতখাণ্ডে স্বৰলিপি পদ্ধতি ঃ | পণ্ডিত বিষ্ণু দিগম্বৰ পলুস্কৰ স্বৰলিপি পদ্ধতি |
|---|---|
| স্বৰ চিহ্ন ঃ বিভিন্ন স্বৰ চিহ্ন | |
| শুদ্ধ স্বৰ ঃ ৰে, গা, মা, পা | ৰে, গা, মা |
| কোমল স্বৰ ঃ ৰে গা | ৰে্ গা্ |
| তীব্ৰ স্বৰ ঃ র্ম | ম্র |
| মধ্য সপ্তকৰ স্বৰ ঃ গা, মা, পা | গা, মা, পা |
| মন্ত্ৰ সপ্তক — নি ধ প | নী, ধ প |
| এক মাত্ৰা — ৰে গা | ৰে গা |
| ১ $\frac{১}{২}$ মাত্ৰা — সা — ৰে | স ০ ৰে |
| অৰ্থাৎ | |
| সা = ১ $\frac{১}{২}$ আৰু | |
| ৰে = $\frac{১}{২}$) | |
| দুই মাত্ৰা— ৰে — গা — | ৰে গা |
| আধা মাত্ৰা — | ৰে প গা ম |
| ৰেপ, গম | |
| চাৰি মাত্ৰা | |
| ৰে গা মা পা | ৰে গা মা পা |
| অৰ্দ্ধ বিৰাম | |
| সা, ৰেগা | সা ৰে গা |

| | |
|---|---|
| সা = $\frac{১}{২}$, | ১ |
| ৰে, গা ক্রমশঃ $\frac{১}{৪}$ মাত্রা। | + |
| তাল লিপি | বিভাগ নাথাকে |
| সম — × | মাত্রা সংখ্যাসমূহ |
| খালী ০ | ১, ৫, ১১ |
| বিভাগ — । | পা ⁀ গা |
| তালি — ২, ৩, ৪ | ধা পা |
| মীড় — পা গা | (পা) |
| কণ — ধা পা | শ্যা • • ম |
| খটক — (প) - পাধামাপা | |
| গীত উচ্চাৰণ — শ্যা ss ম | |

# গুৰু শিষ্য পৰম্পৰাত অলঙ্কাৰ বা পাল্টা সাধনাঃ

**অলঙ্কাৰ বা পাল্টা সাধনা ঃ**

অলংকাৰৰ সাধাৰণ অৰ্থ হৈছে আভূষণ। অৰ্থাৎ ভিন্ন আ-অলংকাৰেৰে যিদৰে আমি আমাৰ শৰীৰটো সজাই পৰাই তোলো, ঠিক সেইদৰে সঙ্গীততো নিয়মিত ক্ৰমত ভিন্ন স্বৰৰ প্ৰয়োগেৰে সঙ্গীত সুমধুৰ কৰি তোলা হয়।

স্বৰ আৰু 'আ-কাৰ' সাধনাৰ ফলত কণ্ঠ সুমধুৰ হয়।

## অলংকাৰ

১। **আৰোহন ঃ** সা, ৰে, গা, মা, পা, ধা, নি সঁ।

**অবৰোহন ঃ** সাঁ, নি, ধা, পা, মা, গা, ৰে, সা।

২। **আৰোহন ঃ** সাঁসাঁ, ৰেৰে, গাগা, মামা, পাপা, ধাধা, নিনি, সাঁসাঁ।

**অবৰোহন ঃ** সাসা, নিনি, ধাধা, পাপা, মামা, গাগা, ৰেৰে, সাসা

৩। **আৰোহন ঃ** সাঁসাঁসাঁ, ৰেৰেৰে, গাগাগ, মামামা, পাপাপা, ধাধাধা, নিনিনি, সাসাসা।

**অবৰোহন ঃ** সাঁসাঁসাঁ, নিনিনি, ধাধাধা, পাপাপা, মামামা, গাগাগা, ৰেৰেৰে, সাসাসা

৪। **আৰোহন ঃ** সাসাসাসা, ৰেৰেৰেৰে, গাগাগাগা, মামামামা, পাপাপাপা, ধাধাধাধা, নিনিনিনি, সাঁসাঁসাঁসাঁ।

**অবৰোহন ঃ** সাঁসাঁসাঁসাঁ, নিনিনিনি, ধাধাধাধা, পাপাপাপ, মামামামা, গাগাগাগা, ৰেৰেৰেৰে সাসাসাস।

৫। **আৰোহন ঃ** সা–, ৰে–, গা–, মা–, পা–, ধা–, নি–, সঁ–

**অবৰোহন ঃ** সঁ–, নি–, ধ–, প–, ম–, গা–, ৰে–, সাঁ–

৬। **আৰোহন ঃ** সাঁ-সাঁ, ৰে-ৰে, গা-গা, মা-মা, পা-পা, ধা-ধা, নি-নি, সা-সা

**অবৰোহন ঃ** সা-সা, নি-নি, ধা-ধা, পা-পা, মা-মা, গা-গা, ৰে-ৰে, সা-সা।

৭। **আৰোহন ঃ** সা ৰে সা

সা ৰে গা ৰে সা

সা ৰে গা মা গা ৰে সা

সা ৰে গা মা পা মা গা ৰে সা

সা ৰে গা মা পা ধা পা মা

গা ৰে সা

সা ৰে গা মা পা ধা নি ধা পা মা—

গা ৰে সা

গা ৰে গা মা পা ধা নি সাঁ নি ধা—

পা ম গা ৰে সা

সা ৰে গা মা পা ধা নি সঁ ৰঁ

সঁ নি ধা পা মা গা ৰে গা

সা ৰে গা মা পা ধা নি সাঁ ৰেঁ গাঁ

ৰেঁ সাঁ নি ধা পা মা গা ৰে সা

সা ৰে গা মা পা ধা নি সাঁ ৰেঁ

গাঁ মাঁ পাঁ মাঁ গাঁ ৰেঁ সাঁ নি ধা

পা মা গা ৰে সা

(৮) অবৰোহন ঃ

সাঁ নি সাঁ

সঁ নি ধা নি সাঁ

সাঁ নি ধা পা ধা নি সাঁ

সাঁ নি ধা পা মা পা ধা নি সাঁ

সাঁ নি ধা পা মা গা মা পা

ধা নি সাঁ -

সাঁ নি ধা পা মা গ ৰে গা

মা পা ধা নি সাঁ

সাঁ নি ধা পা মা গা ৰে

সা ৰে গা মা পা ধা নি সাঁ

সাঁ নি ধা পা মা গা ৰে সা

নি সা ৰে গা মা পা ধা নি সাঁ

সাঁ নি ধা পা গা ৰে সা নি ধা

নি স ৰে গা মা পা ধা নি সাঁ

সাঁ নি ধা পা মা গা ৰে সা নি ধ

নি স ৰে গা মা পা ধা নি সঁ

সা নি ধা পা ম গা ৰে সা নি ধা পা

ধা নি সা ৰে গা ম পা ধা নি সাঁ

<u>(৯) অবৰোহন</u> ঃ

সা

সা, ৰে

সা, ৰে, গা

সা, ৰে, গা মা, পা

সা, ৰে, গা, মা, পা, ধা, নি

সা, ৰে, গা, মা, পা, ধা, নি, সাঁ

সা, ৰে, গা, মা, পা, ধা, নি, সাঁ, ৰেঁ,

সা, নি, ধা, পা, মা,পা, ধা, নি, সাঁ, ৰঁ, গঁ

সা, ৰে, গা, মা, পা, ধা, নি, সাঁ, ৰেঁ, গাঁ,মাঁ

সা, ৰে, গা, মা, পা, ধা, নি, সাঁ, ৰেঁ,
গাঁ,মাঁ, পাঁ

<u>(১০) অবৰোহন</u> ঃ

সাঁ

সাঁ নি

সাঁ নি ধা

সাঁ নি ধা পা

সাঁ নি ধা পা মা

সাঁ নি ধা পা মা গা

সাঁ নি ধা পা মা গা ৰে

সাঁ নি ধা প মা গা ৰে সা

(১১) আৰোহন

সাৰেগা, ৰেগামা, গামাপা, মাপাধা পাধানি, ধানিসাঁ

অবৰোহন

সাঁনিধা, নিধাপা, ধাপাম, পামাগা, মাগাৰে, গাৰেসা।

(১২) আৰোহন

সাৰেগামা, ৰেগামাপা, গামপাধা, মাপাধানি, পাধানিসাঁ ।

অবৰোহন

সাঁ নিধাপা, নিধাপাম, ধাপামাগা,

পামাগৰে, মাগাৰেসা।

অথবা,

পাধানিসাঁ, মাপাধানি, গামাপাধা, ৰেগামাপা, সাৰেগামা।

(১৩) আৰোহন

সাৰেগামাপা, ৰেগামাপাধা, গামাপাধানি, মাপাধানিসাঁ

অবৰোহন

সাঁনিধাপামা, নিধাপামাগা, ধাপামাগাৰে, পামাগাৰেসা

অথবা,

মাপাধানিসাঁ, গামাপাধানি, ৰেগামাপাধা, সাৰেগামাপা, নিসাৰেগামা, ধনিসাৰেগা, পধনিসাৰে, মাপাধানিসা।

(১৪) আৰোহন

গামাপাসাৰে, মাপাধাৰেগা, পাধানিগামা, ধানিসামাপা, নিসাঁৰেঁপাধা, সাঁৰেঁগাঁধানি, ৰেঁগঁমঁনিসা।

অবৰোহন

সাঁৰেঁগাঁধানি, নিসাঁৰেঁপাধা, ধানিসাঁমাপা, পাধানিগামা, মাপাধাৰেগা, গামাপাসাৰে, ৰেগামানিসা।

(১৫) আৰোহন

সাৰেগামাপাধা, ৰেগামাপাধানি, গামাপাধানিসাঁ, মাপাধানিসাঁৰেঁ, পাধানিসাঁৰেঁগাঁ

অবৰোহন

গাঁৰেঁসাঁনিধাপা, ৰেঁ সাঁ নি ধা পা, সাঁনিধাপামাগা,

নিধাপামাগাৰে, ধাপামাগাৰেসা।

অথবা,

পাধানিসাঁৰেঁগাঁ, মাপাধানিসাঁৰেঁ, গামপাধানিসাঁ,

ৰেগামাপাধানি, সাৰেগামাপাধা, নিসাৰেগামাপা,

ধানিসগামা, পাধানিসাৰেগা, মাপাধানিসাৰে

গামাপাধানিসা।

(১৬) আৰোহন

সাৰেগামাপাধা, ৰেগামাপাধানি, গামাপাধানিসাঁ

মাপাধানিসাঁৰেঁ পাধানিসাৰেঁগঁ ধানিসাঁৰেঁগাঁমাঁ

অবৰোহন

মাঁগাঁৰেঁসাঁনিধা, গাঁৰেঁসাঁনিধাপা, ৰেঁসাঁনিধাপামা, সাঁনিধাপামাগা, নিধাপামাগাৰে, ধাপামাগাৰেসা।

(১৭) আৰোহন

সাগা, ৰেমা, গাপা, মাধা, পানি, ধাসাঁ।

অবৰোহন

সাঁধা, নিপা, ধামা, পাগা, মাৰে, গাসা।

(উপৰোক্ত স্বৰসমূহ, দুবাৰকৈ, তিনিবাৰকৈ, চাৰিবাৰকৈও আবৃত্ত কৰিব পৰা যায়।)

(১৮) আৰোহন

সামা, ৰেপা, গাধা, মানি, পাসাঁ

অবৰোহন

সাঁপা, নিমা, ধাগা, পাৰে, মাসা।

(১৯) আৰোহন

সাৰেসা, ৰেগাৰে, গামাগা, মাপামা, পাধাপা, ধানিধা, নিসাঁনি, সাঁৰেঁসাঁ

অবৰোহন

সাঁনিসাঁ, নিধানি, ধাপাধা, পামাপা, মাগামা, গাৰেগা, ৰেসাৰে, সানি়স।

(২০) আৰোহন

সাৰেগাৰেসা, ৰোগামাগাৰে, গামাপমাগা, মাপাধাপাম, পাধানিধাপা, ধানিসাঁনিধা, নিসাঁৰেঁসাঁনি, সাঁৰেঁগাঁৰেঁসাঁ।

অবৰোহন

সাঁৰেঁগাঁৰেঁসাঁ, নিসাঁৰেঁসঁনি, ধানিসাঁনিধা, পাধানিধাপা, মাপাধা পামা, গামাপামগা, ৰেগামাগাৰে, সাৰেগাৰেসা।

(২১) আৰোহন

সাৰেসাৰেগা, ৰেগাৰেগামা,

গামাগামপা, মাপাসাপাধা,

পাধাপাধানি, ধানিধানিসাঁ।

অবৰোহন

সাঁনিসাঁনিধা, নিধানিধাপা, ধাপাধাপামা,

পামাপামাগা, মাগামাগাৰে, গাৰেগাৰেগা।

(২২) আৰোহন

সাৰেগামাগাৰেসা, ৰেগামাপামাগাৰে,

গামাপাধাপামাগা, মাপাধানিধাপামা, পাধানিসাঁনিধাপা,

ধানিসাঁৰেঁ, নিসাৰেঁগাঁৰেঁসাঁনি, সাঁৰেঁগাঁমাঁগাঁৰেঁসঁ।

অবৰোহন

সাঁৰেঁগাঁমাঁগাঁৰেঁসাঁ, নিসাঁৰেঁগাঁৰেঁসাঁনি,

ধানিসাঁৰেঁসাঁনিধা, পাধানিসাঁনিধাপা,

মাপাধানিধাপামা, গামাপাধাপামাগা,

ৰেগামাপামাগাৰে, সাৰেগামাপাৰেগা

(২৩) আৰোহন

সাৰেগাৰেসাৰেগা, ৰেগামাগাৰেগামা,

গামাপামাগামাপা, মাপাধাপামাপাধা,

পাধানিধপাধানি, ধানিসাঁনিধানিসঁ।

অবৰোহন

সাঁনিধানিসাঁনিধা, নিধাপাধানিধাপা

ধাপামপধাপামা, পামাগামাপামগা

মাগাৰেগামা গাৰে, গাৰেসৰেগাৰেসা।

(২৪) আৰোহন

সা-ৰেগামাপা, ৰে-গা মা পা ধা, গা-মাপাধানি,

ম-পাধানিসাঁ, পা-ধানিসাঁৰেঁ,

ধা- নিসাঁৰেঁগাঁ, নি-সাঁৰেঁগাঁমাঁ,

সাঁ-ৰেঁগাঁমাঁপাঁ

অবৰোহন

ধা-নিসাঁৰেঁগাঁ, পা-ধানিসাঁৰেঁ, মা-পাধানিসাঁ

গা-মাপাধানি, ৰে-গামাপাধা, সা-ৰেগামাপা

নি-সাৰেগামা, ধা-নিসাৰেগা

প-ধানিসাৰে, মা- পাধানিসা।

(২৫) আৰোহন

ৰে ৰে সানিসাৰেনিসা, গাগাৰেসাৰেগাসাৰে

মামাগাৰেগামাৰেগা, পাপামাগামাপাগামা,

ধাধাপামাপাধামাপা, নিনিধাপাধানিপাধা

সাঁসাঁপাধানিসাঁধানি, ৰেঁৰেঁসানিসাঁৰেনিসাঁ।

অবৰোহন

সাঁনিৰেঁসানিসাঁৰেঁৰেঁ, নিধাসাঁনিধাপাসাঁসাঁ,

ধাপানিধাপাধানিনি, পামাধাপামাপাধাধা

মাগাপামাগামাপাপা, গাৰেমাগাৰেগামামা

ৰেসাগাৰেসাৰেগাগা, সানিৰেসানিসাৰেৰে,

নি ধা সা নি ধা নি সা সা।

(২৬) আৰোহন

সাসাৰেগাৰে, ৰে ৰে গামগা, গাগামপামা,

মা মা পা ধা পা, প পা ধা নিধা, ধা ধা নিসাঁনি

নি নি সাঁৰেঁসাঁ

অবৰোহন

সাঁৰেঁসাঁনিনি, নিসাঁনিধাধা,

ধানিধাপাপা, পধাপামামা, মাপমগাগা,

গামাগাৰেৰে, ৰেগাৰেমাসা।

(২৭) আৰোহন

ৰেসা, মাৰে, পাগা, ধামা, নিধা

সাঁনি, ৰেঁসাঁ।

অবৰোহন

সাঁৰেঁ, নিসাঁ, ধানি, পাধা, মাপা,

গামা, ৰেগা, সাৰে, নিসা।

(২৮) আৰোহন

সাৰেৰে, ৰেগাগা, গামামা, মাপাপা, পাধাধা,

ধানিনি, নিসাঁসাঁ

<u>অৱৰোহন</u>

সাঁনিনি, নিধাধা, ধাপাপা, পামামা,

মাগাগা, গাৰেৰে, ৰেসাসা।

<u>(২৯) আৰোহন</u>

সাগামাৰেসা, ৰেমাপাগাৰে, গাপাধামাগা,

মাধানিধামা, পানিসাঁনিপা, ধাসাঁৰেসাঁধা

নিৰেঁগাঁৰেঁনি, সাঁগাঁমাঁৰেঁসাঁ।

<u>অৱৰোহন</u>

সাঁগাঁমাঁৰেঁসাঁ, নিৰেঁগাঁৰেঁনি, ধাসাঁৰেঁসাঁধা,

পানিসাঁনিপা, মাধানিধামা, গাপাধামাগা,

ৰেগামাগাৰে, সাগামাৰেসা।

<u>অথবা,</u>

<u>অৱৰোহন</u>

গাঁৰেঁগাঁসাঁৰেঁ, ৰেঁসাঁৰেঁনিসাঁ, সাঁনিসাঁধানি,

নিধানিপাধা, ধাপাধামাপা, পামপাগামা

মাগামাৰেগা, গাৰেগাসাৰে, ৰেসাৰেনিসা

<u>(৩০) আৰোহন</u>

সাৰেৰেগা, ৰেগাগামা, গামামাপা

মাপাপাধা, পাধধানি, ধানিনিসাঁ,

<u>অৱৰোহন</u>

সাঁনিনিধা, নিধাধাপা, ধাপাপামা,

পামামাগা, মাগাগাৰে, গাৰেৰেসা।

<u>(৩১) আৰোহন</u>

গগৰেসা, মামাগাৰে, পাপামাগা,

ধাধাপামা, নিনিধাপা, সাঁসাঁনিধা,

ৰেঁৰেঁসাঁনি, গাঁগাঁৰেঁসাঁ

<u>অবৰোহন</u>

গাঁগাঁৰেঁসাঁ, ৰেঁৰেঁসাঁনি, সাঁসাঁনিধা,

নিনিধাপা, ধাধাপামা, পাপামাগা,

মামাগাৰে, গাগাৰেসা।

(৩২) <u>আৰোহন</u>

সাৰেগাৰেসা, মাপাধাপামা, সাঁৰেঁগাঁৰেঁসাঁ

<u>অবৰোহন</u>

সাৰেগাৰেসা, মাপাধাপামা, সাৰেগাৰেসা,

(৩৩) <u>আৰোহন</u>

সাৰেগামাপামাগাৰে, ৰেগামাপাধাপামাগা,

গামাপাধানিপামা, মাপাধানিসাঁনিধাপা,

পাধানিসাঁৰেঁসাঁনিধা

ধানিসাঁৰেঁগাঁৰেঁসাঁনি

নিসাঁৰেঁগাঁমাঁগাঁৰেঁসাঁ

<u>অবৰোহন</u>

নিসাঁৰেঁগাঁমাঁগাঁৰেঁসাঁ, ধানিসাঁৰেঁগাঁৰেঁসাঁনি

পাধানিসাঁৰেঁসাঁনিধা, মাপাধানিসাঁনিধাপা

গামাপাধানিধাপাম, ৰেগামাপাধাপাগামা

সাৰেগামাপামাগাৰে, নিসাৰেগামাগাৰেসা

(৩৪) <u>আৰোহন</u>

সাগাগা, ৰেমামা, গাপাপা,

মাধাধা, পানিনি, ধাসাঁসাঁ

<u>অবৰোহন</u>

সাঁধাধা, নিপাপা, ধামাপা,

পাগাগা, মাৰেৰে, গাসাসা।

(৩৫) আৰোহন

গাৰেসা, মাগাৰে, পামাগা

ধাপামা, নিধাপা, সাঁনিধা, ৰেঁসাঁনি,

গাঁৰেঁসা

অবৰোহন

গাঁৰেঁসাঁ, ৰেঁসাঁনি, সাঁনিধা, নিধাপা,

ধাপামা, পামাগা, মাগাৰে, গাৰেসা

(অথবা এই ধৰণেও গাব পৰা যায়)

সাঁৰেঁগাঁ, নিসাঁৰে, ধানিসাঁ, পাধানি,

মাপাধা, গামাপা, ৰেগাসা, সাৰেগা,

নিসাৰে, ধানিসা।

(৩৬) আৰোহন

সা- -, ৰে- -, গা - -, মা - -,

পা - -, ধা - -, নি - -, সাঁ - -

অবৰোহন

সাঁ - - , নি - - , ধা - -, পা - -,

মা- - , গা - -, ৰে - - , সা - -

(৩৭) আৰোহন

গাগাৰেগাগাৰেসাৰে, মামাগামামাগাৰেগা

পাপামাপাপামাগামা, ধাধাপাধাধাপামাপা

নিনিধনিনিধাপাধা, সাঁসাঁনিসাঁসাঁনিধানি

ৰেঁৰেঁসৰেঁৰেঁসাঁনিসাঁ

(৩৮) আৰোহন

সাগামাৰেসা, ৰেমাপাগাৰে,

গাপাধামাগা, মাধানিধামা,

পানিসাঁনিপা, ধাসাঁৰেঁসাঁধা,

নিৰেঁগাঁৰেঁনি, সাঁগাঁমাঁৰেঁসাঁ

অবৰোহন

সাঁগাঁমাঁৰেঁসাঁ, নিৰেঁগাঁৰেঁনি, ধাঁসাঁৰেঁসাঁধা,

পানিসাঁনিপা, মাপাধাপামা, গামাপামাগা

ৰেগামাগাৰে, সাগামাৰেগা

(৩৯) আৰোহন

সাৰেৰেৰে, সাগাগাগা

ৰেগাগাগা, ৰেমামামা

গামামামা, গাপাপাপা

মাপাপাপা, মাধাধাধা

পাধাধাধ, পনিনিনি

ধানিনিনি, ধাসাঁসাঁসাঁ

(৪০) আৰোহন

সাৰেগামাৰেগামা, ৰেগামাপাগামাপা

গামাপাধামাপাধা, মাপাধানিপাধানি

পাধানিসাঁধানিসাঁ

অবৰোহন

সাঁনিধাপনিধাপা, নিধাপামাধাপামা

ধাপামাগাপামাগা, পামাগাৰেমাগাৰে

মাগাৰেসাগাৰেসা।

(৪১) আৰোহন

সাঁগামা, ৰেমাপা, সাপাধা, মাধানি,

পানিসাঁ

অবৰোহন

সাঁনিপা, নিধামা, ধাপাগা, পামাৰে, মাগাসা।

(৪২) আৰোহন

সাৰেগাৰেগামাপা, ৰেগাৰেগামাপাধা

গামাগামাপাধানি, মাপামাপাধানিসাঁ

অবৰোহন

সাঁনিসাঁনিধাপাম, নিধানিধাপামাগা

ধাপাধাপামাগাৰে, পামাপামাগাৰেসা।

(৪৩) আৰোহন

সাসাৰেসা, ৰেৰেগাৰে, গাগামাগা

মামাপামা, পাপাধাপা, ধাধানিধা,

নিনিসাঁনি, সাঁসাঁৰেঁসাঁ

অবৰোহন

সাঁসাঁনিসাঁ, নিনিধানি, ধাধাপাধা,

পা পা মা পা, মামাগামা, গাগাৰেগা

ৰেৰেসাৰে, সাসানিসা

(৪৪) আৰোহন

সাৰেসাৰেগাৰেসা, ৰেগাৰেৰেগামাগাৰে,

গামাগাগামাপামাগা, মাপামামাপাধাপামা,

পাধাপাপাধানিধাপা, ধানিধাধানিসাঁনিধা,

নিসাঁনিনিসাঁৰেঁসাঁনি, সাঁৰেঁসাঁসাঁৰেঁগাঁৰেঁসাঁ

অবৰোহন

সাঁনিসাঁসাঁনিধানিসাঁ, নিধানিনিধাপাধানি,

ধাপাধাধাপামাপাধা, পামাপাপামাগামাপা

মাগামামাগাৰেগামা, গাৰেগাগাৰেগাৰেসা

ৰেগাৰেৰেসানিসাৰে, সানিসাসানিধনিসা

(৪৫) আৰোহন

সাৰেসাগাৰেগামা, ৰেগাৰেমাগামাপা,

গামাগাপামাপাধা, মাপামাধাপাধানি,

পাধাপানিধানিসাঁ,

অবৰোহন

সাঁনিসাঁধানিধাপা, নিধানিপধাপামা

ধাপাধামাপমাগা, পমাপগমাগাৰে

মাগামাৰেগাৰেসা।

(৪৬) আৰোহন

সাৰেগাগাৰেগাৰেসা, ৰেগামামা

গামাগৰে, গামাপাপামাপমগা

মাপধাধাপাধাপামা, পাধানিনিধানিধাপা

ধানিসাঁসাঁনিসাঁনিধা, নিসাঁৰেঁৰেঁসৰেঁসনি

সাঁৰেঁগাঁগাঁৰেঁগাঁৰেঁসাঁ

অবৰোহন

সাঁনিধাধানিধানিসাঁ, নিধাপাপাধাপাধানি

ধাপামামাপামাপাধা, পামাগাগামাগামাপা

মাগাৰেৰে গাৰেগামা, গাৰেগাগাৰেসাৰেগা

ৰেসানিনিসানিসাৰে, সানিধাধানিধানিসা

(৪৭) আৰোহন

সাৰেসাৰেগাৰেগা, ৰেগাৰেগাৰেগামা

গামাগামাগামাপা, মাপামাপামাপাধা

পাধাপাধাপাধানি, ধানিধানিধানিসা

<u>অবৰোহন</u>

সানিসানিসানিধা, নিধানিধানিধাপা

ধাপাধাপাধাপামা, পামাপামাপামাগা

মাগামাগামাগাৰে, গাৰেগাৰেসাৰেসা

<u>(৪৮) আৰোহন</u>

সাৰেগাৰেগাৰেসা, ৰেগামাগামাগাৰে

গামাপামাপামাগা, মাপাধাপাধাপামা

পাধানিধানিধাপা, ধানিসানিসানিধা

নিসাৰেসাৰেসানি, সাৰেগাৰেগাৰেসা

<u>অবৰোহন</u>

সানিধানিধানিসা, নিধাপধাপধানি

ধাপামপামাপাধা, পামাগমাগামাপা

মাগাৰেগাৰেগামা, গৰেসাসোগো

ৰেসানিসানিসাৰে, সানিধানিধানিসা

<u>(৪৯) আৰোহন</u>

সাৰেসাগাৰেগাৰেসা, গামাগামাগাৰে

গামাপামাপামাগা, মাপাধাপাধাপামা

পাধানিধানিধাপা, ধানিসানিসানিধা

নিসাৰেসাৰেসানি, সা  াৰেগাৰেসা

<u>অবৰোহন</u>

সানিসাধানিধানিসা, নিধানিপাধাপাধানি

ধাপাধামাপামাপাধা, পামাপাগামাগামাপা

মাগামাৰেগাৰেগামা, গাৰেগাসাৰেমাৰেগা

ৰেসাৰেনিসানিসাৰে, সানিসাধানিধনিসা

(৫০)

স্বৰ অনুশীলন

| | | | | | | |
|---|---|---|---|---|---|---|
| সা | ৰে | গা | মা | পা | ধা | নি |
| ৰে | সা | গা | মা | পা | ধা | নি |
| সা | ৰে | গা | মা | পা | ধা | নি |
| গা | সা | ৰে | মা | পা | ধা | নি |
| ৰে | গা | সা | মা | পা | ধা | নি |
| গা | ৰে | সা | মা | পা | ধা | নি |
| সা | ৰে | মা | গা | পা | ধা | নি |
| ৰে | গা | মা | গা | পা | ধা | নি |
| সা | মা | ৰে | গা | পা | ধা | নি |

(৫২)

| | | | | |
|---|---|---|---|---|
| সা | ৰে | মা | পা | গা |
| ৰে | সা | মা | পা | গা |
| সা | মা | ৰে | পা | গা |
| মা | সা | ৰে | পা | গা |
| ৰে | মা | সা | পা | গা |
| মা | ৰে | সা | পা | গা |
| সা | ৰে | পা | মা | গা |
| ৰে | সা | পা | মা | গা |
| সা | পা | ৰে | মা | গা |
| পা | সা | ৰে | মা | গা |
| ৰে | পা | সা | মা | গা |

| | | | | |
|---|---|---|---|---|
| পা | ৰে | সা | মা | গা |
| সা | মা | পা | ৰে | গা |
| মা | সা | পা | ৰে | গা |
| সা | পা | মা | ৰে | গা |
| পা | সা | মা | ৰে | গা |
| মা | পা | সা | ৰে | গা |
| পা | মা | সা | ৰে | গা |
| ৰে | মা | পা | সা | গা |
| মা | ৰে | পা | সা | গা |
| ৰে | পা | মা | সা | গা |
| মা | পা | ৰে | সা | গা |
| পা | মা | ৰে | সা | গা |

(৫৩)

| | | | |
|---|---|---|---|
| সা | ৰে | গা | মা |
| ৰে | সা | গা | মা |
| সা | গা | ৰে | মা |
| গা | সা | ৰে | মা |
| ৰে | গা | সা | মা |
| গা | ৰে | সা | মা |

(৫৪)

| | | | |
|---|---|---|---|
| সা | ৰে | মা | ৰে |
| গা | সা | মা | ৰে |
| সা | মা | গা | ৰে |
| মা | সা | গা | ৰে |
| গা | মা | সা | ৰে |

| | | | |
|---|---|---|---|
| মা | গা | সা | ৰে |

<u>(৫৫)</u>

| | | | |
|---|---|---|---|
| সা | ৰে | মা | গা |
| ৰে | সা | মা | গা |
| সা | মা | ৰে | গা |
| মা | গা | ৰে | গা |
| ৰে | মা | সা | গা |
| মা | ৰে | সা | গা |

<u>(৫৬)</u>

| | | | |
|---|---|---|---|
| ৰে | গা | মা | গা |
| গা | ৰে | মা | সা |
| ৰে | মা | গা | সা |
| মা | ৰে | গা | সা |
| গা | মা | ৰে | সা |
| গা | মা | ৰে | সা |
| মা | গা | ৰে | সা |

<u>(৫৭)</u>

| | | | |
|---|---|---|---|
| ৰে | গা | মা | পা |
| গা | ৰে | মা | পা |
| ৰে | মা | গা | পা |
| গা | মা | ৰে | পা |
| মা | গা | ৰে | পা |

<u>(৫৮)</u>

| | | | |
|---|---|---|---|
| ৰে | মা | পা | গা |
| মা | ৰে | পা | গা |

| | | | |
|---|---|---|---|
| ৰে | পা | মা | গা |
| পা | ৰে | মা | গা |
| পা | মা | ৰে | গা |

## বিভিন্ন সাঙ্গীতিক তত্ত্বসমূহ ঃ

### পৰিৱেশ্য কলাৰ পৰিভাষা ঃ

যিবিধ কলাত শাৰীৰিক অংগ প্ৰত্যঙ্গৰ ব্যৱহাৰ, অংগ সঞ্চালন, কণ্ঠৰ প্ৰয়োগৰ দ্বাৰা নিজস্ব কল্পনাশক্তি, সৃজনশীল প্ৰতিভাসমূহ দৰ্শকৰ সন্মুখত প্ৰদৰ্শন কৰি দেখুওৱা হয়, এনেবিধ কলাক পৰিবেশ্য কলা বোলা হয়। পৰিৱেশ্য কলাৰ শ্ৰেণীত নাটক, সঙ্গীত (গীত, বাদ্য, নৃত্য) আৰু অন্যান্য কলাসমূহ যেনে ঃ কবিতা আবৃতি, বক্তৃতা, তৰ্ক, মুক অভিনয়, চাৰ্কাচ ইত্যাদি কলাসমূহ অন্তৰ্ভূক্ত হয়।

পৰিৱেশ্য কলাসমূহ দৃশ্য-শ্ৰব্য, দৃশ্যগত আৰু শ্ৰব্য এই তিনিও ধৰণৰ হ'ব পাৰে।

### পৰিৱেশ্য কলা প্ৰয়োজনীয়তা

(১) পৰিৱেশ্য কলাৰ শিক্ষাৰ ফলস্বৰূপে মন, শৰীৰ, আবেগ, সতেজ আৰু নিয়ন্ত্ৰিত হয়, লগতে ইয়াৰ সু বিকাশত সহায় হয়। অৰ্থাৎ, আবেগিক, বৌদ্ধিক বিকাশ হয় আৰু কাৰ্য কৰাৰ ক্ষমতাৰ বিকাশ হয়।

(২) প্ৰকৃতি আৰু সমাজৰ সৈতে সম্বন্ধ স্থাপনত সহায়ক হয়।

(৩) আমাৰ (Life skill) জীৱনজোৰা কৌশল সমূহৰ সু বিকাশ হয়।

(৪) আত্মবিশ্বাস, জটিল চিন্তনৰ ক্ষমতাৰ বৃদ্ধি হয়।

(৫) সৃষ্টিশীলতাৰ বিকাশ হয়।

(৬) আনৰ সৈতে সংযোগ স্থাপনত সহায়ক হয়।

(৭) সুস্বাস্থ্য গঢ় দিয়াত সহায়ক হয়। উত্তেজনা / চাপ মুক্ত হোৱাত সহায়ক।

(৮) এক মনোৰঞ্জনৰ সাধন।

(৯) ইয়াৰ জৰিয়তে প্ৰকাশ ভঙ্গী স্পষ্ট হয়।

(১০) বিভিন্ন স্থানৰ সংস্কৃতিৰ সৈতে পৰিচয়, আদান - প্ৰদান আৰু সমন্বয় স্থাপন সহায়ক হয়। বিভিন্ন দিশত 'Hoslistic development' আৰু জ্ঞান বৃদ্ধি

হয়।

(১২) কলা সমাজিক পৰিবৰ্ত্তনৰ ক্ষেত্ৰত সহায়ক। উদাহৰণ স্বৰূপে বাটৰ নাট (Street play), গীত, চিত্ৰ তৈয়াৰ কৰা ইত্যাদিৰ জৰিয়তে বিভিন্ন সামাজিক সমস্যাৰ প্ৰতিচ্ছবি ডাঙি ধৰিব পৰা যায়।

(১৩) এই সম্পূৰ্ণ পৃথিবীখন বস্তবাদী। বৰ্ত্তমান প্ৰযুক্তিৰ যুগত মানুহৰ মাজত হিংসা, বিদ্বেষ ; অমানবীয় বোধৰ বৃদ্ধি হৈছে। কলা শিক্ষাৰ জৰিয়তে মানুহৰ মাজত প্ৰেম - প্ৰীত, আনন্দ, ভাব-অনুভবৰ বিকাশ হয়।

(১৪) পৰিবেশ্য কলাত আছে এক গতি। গানত লয়, নৃত্য এক নিৰ্দ্দিষ্ট (Movement) চলন আৰু গতিত কৰা হয়। এনেবোৰ কলা হৈছে "যোগ" সাধনৰ প্ৰক্ৰিয়া।

(১৫) বৰ্তমান বিভিন্ন দেশত সঙ্গীতৰ মাধ্যমেৰে ৰোগ নিৰাময়ৰ বাবে গবেষণা কৰি থকা হৈছে। বিভিন্ন শৰীৰিক আৰু মানসিকভাবে অসুস্থ ব্যক্তিৰ ৰোগ নিৰাময় "Music Therapy" ৰ জৰিয়তে সম্ভবপৰ হৈ পৰিছে।

## বিভিন্ন সাংগীতিক তত্ত্বসমূহ

### সঙ্গীতৰ পৰিভাষা ঃ

গীত, বাদ্য, নৃত্য এই তিনিও কলাৰ সমন্বয় আৰু সংমিশ্ৰণক সঙ্গীত বোলা হয়। ত্ৰয়োদশ শতিকাত ৰচিত শাৰঙ্গদেৱৰ "সঙ্গীত ৰত্নাকৰ' নামৰ গ্ৰন্থত সঙ্গীত শব্দৰ উল্লেখ পোৱা যায়।

সঙ্গীতৰ উৎপত্তি সম্বন্ধে বিভিন্ন সময়ত ভিন্ন মতামত পোৱা যায়। বিভিন্ন বিদ্বানৰ মত অনুসৰি, সঙ্গীতৰ স্ৰষ্টা হ'ল ব্ৰহ্মা। ব্ৰহ্মাৰ পৰা নাৰদে দুগৰাকী শিষ্য 'হাহা' আৰু 'হুহুৱে' পৃথিৱীত সঙ্গীতৰ প্ৰচলন কৰে। আন এক মত অনুসৰি, সঙ্গীতৰ উৎপত্তি প্ৰকৃতিৰ বিভিন্ন ধ্বনিৰ পৰা হৈছিল।

যেনে ঃ বতাহৰ হু-হু ধ্বনি, চৰাই-চিৰিকটিৰ মাত, নদ-নদীৰ কল-কল ধ্বনি ইত্যাদি। সঙ্গীত হ'ল মনৰ সূক্ষ্ম অনুভূতিৰ প্ৰকাশ। ভাবনাৰ গভীৰতাৰ পৰাই সঙ্গীতৰ উৎপত্তি হৈছে বুলি ভিন্নজনে কব খুজে। সঙ্গীতে শ্ৰুতাৰ মনত আনন্দ প্ৰদান কৰে। মানুহৰ দৈহিক, শাৰীৰিক আৰু সামাজিক ক্ষেত্ৰত সংযোগ স্থাপন কৰাৰ দিশত আৰু মানৱ বিকাশৰ দিশত, সঙ্গীতে মহত্ত্বপূৰ্ণ ভূমিকা পালন কৰে।

<u>শ্ৰুতি আৰু স্বৰ ঃ</u>

"শ্ৰুতি" এক সংস্কৃত শব্দ। "শ্ৰু" বৰ্ণৰ অৰ্থ হৈছে শুনা। গতিকে "শ্ৰুতি" শব্দৰ অৰ্থ হৈছে যি শুনা যায়। 'শ্ৰুতি' ৰ পৰিভাষা ভিন্ন গ্ৰন্থকাৰে সৰল ৰীতিত এইধৰণে প্ৰকাশ কৰিছে সংস্কৃত ভাষাত শ্ৰুতি বিষয়ে কোৱা হয়—

"শ্ৰুয়ন্তেঃ ইতি শ্ৰুতি"। অৰ্থাৎ, যি ধ্বনি শুনা যায়, তাকে শ্ৰুতি বোলা হয়। ভাৰতীয় সঙ্গীতত শ্ৰুতি মুঠতে ২২ টা। ৭ টা শুদ্ধ আৰু ৫ টা বিকৃত স্বৰ ইয়াত স্থাপিত হয়।

<u>স্বৰ ঃ</u>

সঙ্গীত উপযোগী নাদ যি স্বয় ঃ মধুৰ ইয়াক 'স্বৰ' বোলা হয়। 'শ্ৰুতি ৰ' পিছত উৎপন্ন হোৱা স্নিগ্ধ, আৰু স্বয়ঃ ৰঞ্জক নাদক "স্বৰ" বোলা হয়। যেতিয়া কোনো অন্য ৰাগত এই স্বৰসমূহৰ অতিৰিক্ত অন্য শ্ৰুতিৰ প্ৰয়োগ হয়, তেনে ক্ষেত্ৰত, যি শ্ৰুতিৰ প্ৰয়োগ হয়, সি স্বৰ হৈ পৰে আৰু যি স্বৰ বাদ দিয়া হয়, সি পুণঃ শ্ৰুতি হৈ পৰে।

<u>সপ্তক ঃ</u>

'সা, ৰে, গা, মা, পা, ধা, নি

এই সাতোটা স্বৰক ক্ৰমান্বয়ে গোৱা আৰু বজোৱাকে 'সপ্তক' বোলা হয়। সপ্তক তিনি প্ৰকাৰৰ ঃ

১। মন্দ্ৰ সপ্তক

২। মধ্য সপ্তক

৩। তাঁৰ সপ্তক

**১। মন্দ্ৰ সপ্তক ঃ**

সি সপ্তকত স্বৰ, মধ্য সপ্তকৰ স্বৰতকৈ দুগুণ তলত হয়। ইয়াক 'মন্দ্ৰ সপ্তক' বোলা হয়। মন্দ্ৰ সপ্তকৰ স্বৰৰ বাবে এইদৰে স্বৰৰ তলত চিহ্নৰ প্ৰয়োগ কৰা হয়।

যেনেঃ সা নি় ধা় পা় মা় গা় ৰে় সা।

**২। মধ্য সপ্তক ঃ**

যি সপ্তকত স্বৰৰ ধ্বনি মন্দ্র সপ্তকৰ স্বৰৰ দুগুণ হয় তাক মধ্য সপ্তক বোলা হয়। মধ্য সপ্তকৰ বাবে কোনো চিহ্নৰ প্রয়োগ কৰা নহয়।

যেনেঃ সা ৰে গা মা পা ধা নি

৩। **তাঁৰ সপ্তক ঃ**

যি সপ্তকৰ স্বৰৰ ধ্বনি মধ্য সপ্তকৰ স্বৰৰ দুগুণ হয়, ইয়াক তাঁৰ সপ্তক বোলা হয়। তাঁৰ সপ্তকৰ স্বৰৰ বাবে স্বৰৰ ওপৰৰ অংশত বিন্দু প্রয়োগ কৰা হয়।

যেনেঃ সাঁ ৰেঁ গাঁ মাঁ পাঁ ধাঁ নিঁ।

**অলংকাৰ ঃ**

অলংকাৰক 'পাল্টা' বুলিও কোৱা হয়। অলংকাৰৰ দ্বাৰা ৰাগৰ বিস্তাৰ কৰা হয়। সঙ্গীত শিক্ষাৰ প্রাৰম্ভিকতে অলংকাৰ বা পাল্টা ভালদৰে আয়ত্ব কৰাটো প্রয়োজনীয়। কিছুমান এনেধৰণৰ অলঙ্কাৰ অভ্যাসৰ বিষয়ে গ্ৰন্থৰ আৰম্ভণিতে উল্লেখ কৰা হৈছে।

**মেল বা ঠাট ঃ**

নাদৰ পৰা শ্রুতি, শ্রুতিৰ পৰা স্বৰ, স্বৰৰ পৰা সপ্তকৰ ১২ টা শুদ্ধ আৰু বিকৃত স্বৰ উৎপন্ন হয় আৰু এই স্বৰৰ পৰায়ে ঠাট বা মেলৰ উৎপত্তি হয়।

শুদ্ধ আৰু বিকৃত মুঠতে ১২ টা স্বৰৰ দ্বাৰা গাণিতিক সংজ্ঞাৰে মুঠতে ৭২ টা মেলৰ উৎপত্তি হয়। পণ্ডিত ব্যাঙ্কটমখীয়ে ১৭ শতিকাত ৭২ টা মেল আৰু ইয়াৰ নিয়মৰ বিষয়ে উল্লেখ কৰিছে। হিন্দুস্তানী সঙ্গীতৰ পণ্ডিত ভাতখাণ্ডেয়ে এই মেলৰ পৰাই ১০ টা ঠাট বচি লৈ ৰাগ বৰ্গীকৰণ কৰে।

এই ১০ টা ঠাট হৈছেঃ

| ঠাট | স্বৰ |
|---|---|
| ১। বিলাবল ঃ | সা, ৰে, গা, মা, পা, ধা, নি, সাঁ |
| ২। কল্যাণ ঃ | সা, ৰে, গা, র্ম, পা, ধা, নি, সাঁ |
| ৩। খমাজ ঃ | সা, ৰে, গা, মা, পা, ধা, নি, সাঁ |
| ৪। ভৈৰব ঃ | সা, ৰে, গা, মা, পা, ধা, নি, সাঁ |
| ৫। পূৰ্বী ঃ | সা, ৰে, গা, র্মা, পা, ধা, নি, সাঁ |

৬। মাৰবা ঃ সা, ৰে, গা, ৰ্মা, পা, ধা, নি, সাঁ

৭। কাফী ঃ সা, ৰে, গা, মা, পা, ধা, নি, সাঁ

৮। আশাবৰী ঃ সা, ৰে, গা, মা, পা, ধা, নি, সাঁ

৯। ভৈৰবী ঃ সা, ৰে, গা, মা, পা, ধা, নি, সাঁ

১০। তোড়ী ঃ সা, ৰে, গা, ৰ্মা, পা, ধা, নি, সাঁ

## ঠাটৰ নিয়ম ঃ

১। ঠাটত ৭ টা স্বৰ থকাটো আবশ্যকীয়। ঠাটৰ পৰা উৎপন্ন ৰাগত ৫,৬ আৰু ৭ টা স্বৰ হ'ব পাৰে। কিন্তু ঠাটত সম্পূৰ্ণ ৭ টা স্বৰ থকাটো আবশ্যকীয়।

২। ঠাটত ৭ টা স্বৰ ক্ৰমানুসৰি থাকে। ৰাগত এইটো অনিবাৰ্য নহয়।

৩। ঠাটত এটা স্বৰৰে দুটা ৰূপ এটাৰ পিছত আনটোৰ প্ৰয়োগ হয়।

৪। ঠাটত আৰোহন অবৰোহন দুয়োটা থকাটো আৱশ্যকীয় নহয়। ৰাগত আৰোহণ অবৰোহন দুয়োটা থকাটো আৱশ্যকীয়।

৫। ঠাটব মেলত ৰঞ্জকতা থকাটো আৱশ্যকীয় নহয়। কিন্তু ৰাগত আৱশ্যকীয়।

## ৰাগ ঃ

সাধাৰণ ভাষাত ঠাটৰ পৰা ৰাগৰ উৎপত্তি হয়। ধ্বনিৰ এক বিশিষ্ট ৰচনা যি "স্বৰ" আৰু 'বৰ্ণৰ' দ্বাৰা সুশোভিত হয় আৰু যি শ্ৰুতাৰ চিত্তক ৰঞ্জকতা প্ৰদান কৰে, তাকেই ৰাগ বোলা হয়।

১। ৰাগত কমেও ৫ টা স্বৰ থাকিব লাগে। পাঁচটা স্বৰতকৈ কম স্বৰেৰে ৰাগ হ'ব নোৱাৰে।

২। ৰাগত আৰোহন-অবৰোহন দুয়োটা থকাটো আবশ্যকীয়।

৩। ৰাগত "সা" স্বৰটি কেতিয়াও বৰ্জিত নহয়। "সা" স্বৰৰ বাহিৰে বাকী স্বৰসমূহ বৰ্জিত হয়।

৫। ৰাগত "মা" স্বৰ আৰু "পা" স্বৰ এই দুয়োটা স্বৰ একেলগে আৰু একে সময়তে কেতিয়াও বৰ্জিত নহয়।

৬। ৰাগত বাদী স্বৰৰ প্ৰাধান্যতা থাকিব লাগিব।

**গ্ৰাম ঃ**

শ্ৰুতি, স্বৰ, গ্ৰাম এই তিনিওটা এটাৰ সৈতে আনটো সম্বন্ধিত। শ্ৰুতিৰ পৰা স্বৰ, স্বৰৰ পৰা গ্ৰামৰ ৰচনা হয়। 'শ্ৰুতি' ব্যবস্থাৰ তাৎপৰ্য্য হৈছে – স্বৰ ব্যৱস্থা আৰু স্বৰ ব্যবস্থাৰ তাৎপৰ্য্য হৈছে গ্ৰাম। গ্ৰাম তিনি প্ৰকাৰৰ –

যেনে ঃ ১। ষড়জ গ্ৰাম।

২। মধ্যম গ্ৰাম।

৩। গান্ধাৰ গ্ৰাম।

**মূৰ্চ্ছনা ঃ**

মূৰ্চ্ছনা উৎপত্তি গ্ৰামৰ পৰা হৈছে। সতোটা স্বৰক ক্ৰমানুসৰি আৰোহন আৰু অবৰোহন কৰাকে 'মূৰ্চ্ছনা' বোলা হয়। দুটা গ্ৰাম হৈছে যেনে ঃ

১। ষড়জ গ্ৰাম

২। মধ্যম গ্ৰাম।

প্ৰত্যেক গ্ৰামৰে সাতোটাকৈ মূৰ্চ্ছনা ধৰা হৈছে। মূৰ্চ্ছনা শব্দটি 'মূৰ্চ্ছ' ধাতুৰ পৰা উৎপন্ন হৈছে। ইয়াৰ অৰ্থ হৈছে বিস্তাৰ কৰা। মূৰ্চ্ছনাৰ দ্বাৰা ৰাগৰ বিস্তাৰ আৰু ৰাগ-নিৰ্মাণ কৰা হয়।

**ষড়জ গ্ৰামৰ মূৰ্চ্ছনা হৈছে ঃ**

১। উত্তৰমন্দ্ৰা ২। ৰঞ্জনী ৩। উত্তৰায়তা ৪। শুদ্ধ ষড়জ ৫। মৎৰীকৃতা ৬। অশ্বক্ৰান্তা ৭। অভিৰুদগতা।

**মধ্যম গ্ৰামিক মূৰ্চ্ছনা ঃ**

১। সৌবেৰী ২। হৰিণাশ্ব ৩। কলোপনতা ৪। শুদ্ধ মধ্যম ৫। মাৰ্গী ৬। পৌৰবী ৭। হৃষ্যকা।

**কাকু ঃ**

স্বৰৰ ভিন্ন ভেদৰ জ্ঞানক আৰু স্বৰৰ ভিন্ন প্ৰয়োগক 'কাকু' বোলা হয়। কাকু মুঠতে ৬ প্ৰকাৰৰ।

১। স্বৰ কাকু

২। ৰাগ কাকু

৩। দেশ কাকু

৪। দেশ কাকু

৫। যন্ত্ৰ কাকু

৬। ক্ষেত্ৰ কাকু

## তান ঃ

"তান" শব্দ "তন" ধাতুৰ পৰা উৎপন্ন হৈছে। 'তন' শব্দৰ অৰ্থ হৈছে বিস্তাৰ কৰা। তানৰ প্ৰয়োগ খেয়াল নামৰ গীতৰ প্ৰকাৰত কৰা হয়। ইয়াৰ জৰিয়তে ৰাগৰ স্বৰসমূহক বিভিন্ন ধৰণে সজাই তোলা হয় আৰু পৰিবেশন কৰ হয়। 'তান' সাধাৰণতে ঠাহ, দুগুণ, চৌগুণ, আঠগুণ ইত্যাদি লয়ত পৰিবেশন কৰা হয়। বিভিন্ন প্ৰকাৰৰ 'তান' শাস্ত্ৰীয় সঙ্গীতত পৰিবেশন কৰা হয়।

যেনে ঃ শুদ্ধ তান, কূট তান, মিশ্ৰ তান, গমক তান, বোলতান ইত্যাদি।

**১। শুদ্ধ তান ঃ** ক্ৰমানুসৰি কৰা স্বৰ প্ৰয়োগক শুদ্ধ তান বোলা হয়। যেনে ঃ সা, ৰে গা, মা, পা, ধা, নি, সা।

**২। কূট তান ঃ** যি তানত স্বৰৰ ক্ৰম কিছু বক্ৰ হয়, তেনে তানক কূট-তান বোলা হয়।

যেনে ঃ ৰে, গা, মা, ৰে, ধা, পা, মা, মা, পা, গা, মা, ৰে, গা, সা।

**৩। মিশ্ৰতান ঃ** যি তান শুদ্ধ তান আৰু কূট তান এই দুই প্ৰকাৰৰ তানৰ সংমিশ্ৰণত কৰা হয়, তেনে তানক 'মিশ্ৰ তান' বোলা হয়। যেনে ঃ নি পা গা মা পা ধা পা মা গা মা ধা নি সা ৰে সা।

**৪। গমক তান ঃ** যি তানত স্বৰসমূহ গমকৰ দ্বাৰা প্ৰয়োগ কৰা হয়, তেনে তানক গমক তান বোলা হয়। যেনে ঃ সা সা সা সা, ৰে ৰে ৰে ৰে ইত্যাদি।

**৫। বোলতান ঃ** গীতৰ কোনো বোলক লৈ যি তান কৰা হয় তেনেধৰণৰ তানক 'বোলতান' বোলা হয়।

## নিবদ্ধ গান ঃ

'সঙ্গীত ৰত্নাকৰ' নামৰ শাৰঙ্গদেৱৰ গ্ৰন্থত, শাৰঙ্গ দেৱে নিবদ্ধ গানৰ তিনিটা নাম উল্লেখ কৰিছে। এক প্ৰাচীন গায়নশৈলী। এই গায়নশৈলী শাস্ত্ৰীয় বিধাৰে ব্যৱস্থিত,

নিৰ্দিষ্ট 'তাল' আৰু 'ছন্দত' বদ্ধৰূপত প্ৰস্তুত কৰা হয়।

নিবদ্ধ গানৰ তিনিটা প্ৰকাৰ হৈছে –

১। প্ৰবন্ধ ২। বস্তু ৩। ৰূপক।

'ধাতু' আৰু অংগৰ দ্বাৰা বদ্ধ গানক 'নিবদ্ধ' গান বোলা হয়। প্ৰবন্ধ, বস্তু, ৰূপক ধাতু আৰু অংগৰ দ্বাৰা নিবদ্ধ হৈ থাকে। এই ধাতু আৰু অংগসমূহ হৈছে –

ধাতু ঃ

১। উদগ্ৰাহ

২। মেলাপক

৩। ধ্ৰুব

৪। আভোগ

অংগ ঃ

১। স্বৰ

২। বিৰুদ

৩। পদ

৪। তেনক

৫। পাট

৬। তাল

**অনিবদ্ধ গান ঃ**

প্ৰাচীন সময়ত অনিবদ্ধ গানক আলাপ গায়ন বা আলাপ্তি গান বুলিও কোৱা হৈছিল। এই আলাপ গায়ন তিনি প্ৰকাৰৰ।

যেনে ঃ

১। ৰাগালাপ ঃ

যি গায়ন শৈলীত ৰাগ সম্বন্ধিত ১০ টা লক্ষণ যেনে ঃ গ্ৰহ, অংশ, মন্দ্ৰ, তাঁৰ, ন্যাস, অপন্যাগ, বহুত্ব, ষাড়বত্ব, ঔড়বত্ব ইত্যাদি স্পষ্ট হয়, ইয়াক 'ৰাগালাপ' বোলা হয়।

'ৰাগালাপত' গায়কে ৰাগৰ দহ লক্ষণ স্পষ্টকৈ পৰিবেশন কৰাটো প্ৰয়োজনীয়।

**ৰূপকালাপ ঃ**

প্ৰাচীন আলাপ গায়নৰ অন্য এক প্ৰকাৰ আছিল ৰূপকালাপ। ৰূপকালাপত, ৰাগালাপৰ দৰেই দহ্ ৰাগ লক্ষণ স্পষ্ট হয়।

ৰূপকালাপ, ৰাগালাপৰ অগ্ৰিম স্থান। ৰূপকালাপত শব্দ বা গীতৰ বোল নাথাকে আৰু কোনো বন্ধা তাল নাথাকে। কিন্তু ৰাগালাপৰ অপেক্ষাত ৰূপকালাপ অধিক বিস্তৃত।

## আলাপ্তি ঃ

প্ৰাচীন সময়ত আলাপ গায়নৰ সকলোতকৈ বিস্তৃত প্ৰকাৰ হৈছে – আলাপ্তি। আলাপ্তিত ৰাগটো সম্পূৰ্ণ ৰূপত প্ৰদৰ্শন কৰা হয়। ইয়াত ৰাগৰ দহটা লক্ষণ স্পষ্ট হয়। আলাপৰ ভিন্ন-ভিন্ন ভাগ 'প্ৰবন্ধ' গায়নৰ ভাগৰ দৰে ভিন্ন ভিন্ন কৰি দেখুওৱা হয়।

## প্ৰবন্ধ

'প্ৰ + বন্ধ + ধন' ধাতুৰ সংযোগত 'প্ৰৱন্ধ' শব্দৰ বুৎপত্তি হৈছে। প্ৰবন্ধ শব্দৰ অৰ্থ হৈছে, যি গীত বদ্ধ ৰূপত থাকে। 'প্ৰবন্ধ' গীতৰ, এক প্ৰকাৰৰ প্ৰাচীন গায়ন শৈলী আছিল আৰু ধাতু আৰু অংগৰ দ্বাৰা নিৰ্দিষ্ট ৰূপত বদ্ধ কৰি পৰিবেশন কৰা হৈছিল।

## বিভিন্ন সঙ্গীতিক গায়ন শৈলী ঃ

### ধ্ৰুপদ ঃ

ধ্ৰুৱপদ ভাৰতবৰ্ষৰ এক উত্তম আৰু প্ৰাচীন গায়নশৈলী। "ধ্ৰুৱপদ" শব্দ 'ধ্ৰুৱ' আৰু 'পদ', এই দুই শব্দৰ সংযোগৰ ফলত হৈছে। 'ধ্ৰুৱ'ৰ অৰ্থ হৈছে, অটল, দৃঢ় আৰু স্থায়ী আৰু 'পদ'ৰ অৰ্থ হৈছে সাহিত্য।

'ধ্ৰুপদ' হৈছে এনে গীত যি বিশেষ নিয়মৰ দ্বাৰা 'স্বৰ', পদ (সাহিত্য) আৰু তালেৰে বদ্ধ হয়, আৰু য'ত কোনো পৰিবৰ্ত্তনৰ প্ৰয়োজন নহয়। ধ্ৰুপদৰ আবিষ্কাৰ সৰ্বপ্ৰথম "ৰাগ দৰ্পণ" নামৰ গ্ৰন্থত "ফকীৰুল্লায়ে", গ্বোলিয়ৰৰ ৰজা মানসিংহ তোমৰে কৰা বুলি ক'ব কয়। ৰজা ৰামসিংহ তোমৰে খৃঃ ১৪৮৬-১৫১৬ শতিকাত দৰবাৰী গায়কৰ সহায়ত অনেক ধ্ৰুপদৰ ৰচনা কৰিছিল। এনে প্ৰাচীন প্ৰবন্ধসমূহক সুন্দৰ আৰু এক নবীন ৰূপত ব্যৱস্থিত কৰি তোমৰে ধ্ৰুপদ গীতৰ ৰচনা কৰে।

ধ্ৰুপদ অন্য গায়ন শৈলীৰ তুলনাত গম্ভীৰ আৰু জোৰদাৰ। ইয়াৰ গায়নৰ বাবে

উচ্চস্বৰ জ্ঞান, ভাল স্বৰ অভ্যাস, ৰাগ জ্ঞানৰ প্ৰয়োজন। পুৰুষৰ কণ্ঠৰ বাবে ধ্ৰুপদ অধিক উপযোগী। ধ্ৰুপদ কিছুমান নিৰ্দিষ্ট তাল যেনে ঃ চৌতাল, মূলতাল, চম্পা, তীব্ৰা, ব্ৰহ্ম, ৰুদ্ৰতাল ইত্যাদি গোৱা হয়। প্ৰাৰম্ভিকতে 'নোম তোম' আলাপৰ সহায়ত গায়ন প্ৰস্তুত কৰা হয়।

## ধমাৰ ঃ

"ধমাৰ" তালত 'হোৰী' নামৰ গায়ন শৈলীৰ পৰিবেশন কৰা হয়। এনে গীতক "ধমাৰ" বোলা হয়।

"হোৰী" গীত সাধাৰণতে 'ধ্ৰুপদ' গায়ক অৰ্থাৎ কলাৱন্তসকলে প্ৰস্তুত কৰে। 'ধমাৰ' শৈলী 'ধমাৰ' তালত প্ৰস্তুত কৰা হয়। 'ধমাৰ' গীতত স্থায়ী, অন্তৰা, সঞ্চাৰী, আভোগ এই চাৰিটা ভাগ থাকে। কিছুমান ধমাৰ গীতত কেৱল স্থায়ী আৰু অন্তৰা এই দুটা ভাগ থাকে। এই গীতসমূহ বৰাবৰ, দুগুণ, চৌগুণ, তিগুণ ইত্যাদি লয়কাৰীৰে প্ৰস্তুত কৰা হয়।

## খেয়াল

'খেয়াল' হৈছে এক ফৰাচী শব্দ। ইয়াৰ অৰ্থ হৈছে কল্পনা। গায়কে কোনো ৰাগত বন্দিশ প্ৰস্তুত কৰোতে, নিজ বুদ্ধি সামৰ্থতাৰে প্ৰস্তুত কৰে। কল্পনা আৰু চেষ্টাৰে, ৰাগৰ নিয়ম পালন কৰি আলাপ, বোলআলাপ, তান, বোলতান আৰু বিভিন্ন অলংকাৰ, গমক, মীড় ইত্যাদিৰ দ্বাৰা সুশোভিত হয়, তেতিয়া ইয়াক 'খেয়াল' বোলা হয়। 'খেয়াল' বীৰ, শান্ত, বাৎসল্য, কৰুণ, ভক্তিপূৰ্ণ হয়। খেয়ালত ঈশ্বৰ উপাসনা, ৰজাৰ প্ৰশংসা, গুৰুভক্তি, ঋতু বৰ্ণনা, কৃষ্ণলীলা প্ৰেম বৰ্ণনা ইত্যাদিৰ আভাষ পোৱা যায়। খেয়াল দুই প্ৰকাৰৰ।

১। বিলম্বিত খেয়াল।

২। দ্ৰুত খেয়াল।

## ১। বিলম্বিত খেয়াল ঃ

বিলম্বিত খেয়াল অধিক একতাল, তিলবাড়া, ঝুমড়া, আড়োচৌতাল আৰু ত্ৰিতালত গোৱা হয়।

খেয়ালৰ সৈতে তবলা বাদ্য সংগত কৰা হয়। বিলম্বিত খেয়ালৰ প্ৰকৃতি গম্ভীৰ আৰু ইয়াৰ গতি ধীমা হয়, বিলম্বিত খেয়ালৰ বিস্তাৰ, আলাপ, বোল আলাপ, বহলাৱা

ইত্যাদিৰ দ্বাৰা কৰা হয়। তানৰ প্ৰয়োগ ধীমা গতিৰ আৰু পৰবৰ্ত্তী সময়ত দ্ৰুত গতিত কৰা হয়।

**দ্ৰুত খেয়াল ঃ**

দ্ৰুতখেয়াল বা ছোটা খেয়াল সাধাৰণতে ত্ৰিতাল, দ্ৰুত একতাল আদি তালত প্ৰস্তুত কৰা হয়। এই গায়নশৈলীৰ সৈতে তবলা বাদ্যৰ সংগত কৰা হয়। ইয়াৰ গতি দ্ৰুত হয়। ইয়াৰ প্ৰকৃতি বিলম্বিত খেয়ালৰ তুলনাত কিছু চঞ্চল হয়। ইয়াত দ্ৰুত তানৰ প্ৰয়োগ কৰা হয়। দ্ৰুত খেয়ালত তান প্ৰথমে সৰু সৰু কিছুমান স্বৰ সমুদায়ৰ জৰিয়তে কৰা হয়। ক্ৰমশ্ৰ তানসমূহ সৰুৰ পৰা ডাঙৰ তানলৈ পৰিৱৰ্তিত কৰা হয়। দ্ৰুত খেয়ালত ব্যৱহৃত এই তানসমূহ হৈছে যেনেঃ সপাট তান, ছুট তান, গমক তান ইত্যাদি।

**তৰানা**

"তৰানা" খেয়াল গায়নৰ দৰেই এক প্ৰকাৰৰ গায়ন শৈলী। "তৰানা"ত গীতৰ বোলৰ সলনি "আদানি দ্ৰিম তানানা, দেৰেনা, নাদিৰ, দিন দানি, তদানি, তনন, দেৰেনা তানোম"। বোলৰ অতিৰিক্ত মৃদঙ্গ, পখাবজ বাদ্যৰ বোল যেনেঃ "ধা কিট তক গদি গিন ধা" ইত্যাদিৰ প্ৰয়োগ দেখা যায়। খেয়াল গায়নৰ দৰে 'তৰানা' আধুনিক যুগৰ এক লোকপ্ৰিয় গায়নৰ প্ৰকাৰ। 'তৰানা' শুনিবলৈ অতি সুমধুৰ। ইয়াৰ ভাগ দুটা স্থায়ী আৰু অন্তৰা। 'তৰানা' শৈলী অতি দ্ৰুত লয়ত প্ৰস্তুত কৰা হয়। তৰানাৰ বিকাশ ১৩-১৪ শতাব্দীত আলাউদ্দিন খিলজীৰ দৰবাৰৰ গায়ক অমীৰ খুচৰুৱে কৰিছিল।

**ঠুমৰী ঃ**

'ঠুমৰী' উত্তৰ ভাৰতত প্ৰচলিত এক লোকপ্ৰিয় গায়ন শৈলী। "ঠুমৰী" শৈলীৰ আৱিষ্কাৰ অবধৰ নবাব বজিদ আলী শ্বাহে কৰিছিল বুলি কোৱা হয়। প্ৰকৃততে 'ঠুংৰী' 'ঠুমকনা' ইত্যাদি শব্দৰ পৰাই 'ঠুমৰী' শব্দৰ উৎপত্তি হৈছিল। কিন্তু ইয়াৰ পূৰ্বতে 'ঠুমৰী' কোনো এক ৰূপত প্ৰচলিত আছিল বুলি ধাৰণা কৰা হয়। ঠুমৰী একপ্ৰকাৰ শৃঙ্গাৰ ৰস প্ৰধান গীত। "ঠুমৰী" শৈলী এক প্ৰকাৰৰ শৃঙ্গাৰ ৰস প্ৰধান গীত। ঠুমৰীত বিবাহ, প্ৰেম-মিলন, বাৎসল্য আৰু ভক্তিভাব পোৱা যায়। ইয়াৰ ৰাধা-কৃষ্ণৰ বৰ্ণনা পোৱা যায়। ঠুমৰী অধিক কাফী, খমাজ, ভৈৰবী, পীলু আদি ৰাগত গোৱা হয়। শৃঙ্গাৰ ৰস প্ৰধান গায়কী হোৱাৰ বাবে কুশল গায়কে সুন্দৰকৈ ঠুমৰী পৰিবেশন কৰে। ঠুমৰী ব্ৰজ, অবধী, ভৌজপুৰী আদি ভাষাতো প্ৰচলিত।

**হিন্দুস্তানী বা উত্তৰ ভাৰতীয় সঙ্গীতত প্ৰচলিত স্বৰৰ ভিত্তিত বত্ৰিশটা ঠাটঃ**

পণ্ডিত ব্যাঙ্কটকখীৰ সময়ত দক্ষিণ ভাৰতত প্ৰচলিত স্বৰৰ ভিত্তিত ৭২ টা মেলৰ সৃষ্টি হৈছিল। এই মেল পদ্ধতিৰ আধাৰত হিন্দুস্তানী সঙ্গীতৰ প্ৰচলিত ১২ টা স্বৰৰ পৰা মাত ৩২ টা ঠাট উদ্ভাৱন কৰা হয়।

হিন্দুস্তানী বা উত্তৰ ভাৰতীয় সঙ্গীতত প্ৰচলিত বাৰটা স্বৰ ঃ

সা ৰে ৰে গা গা মা মা পা ধা ধা নি নি

প্ৰথমতে, "তীব্ৰ মা" স্বৰ বাদ দি তাৰ ঠাইত বাৰ স্বৰত 'সা' স্বৰ সংযোগ কৰিলে স্বৰসমূহৰ অৱস্থান হ'ব এনেধৰণৰ –

সা ৰে ৰে গা গা মা পা ধা ধা নি নি সাঁ

এইদৰে স্বৰৰ সমষ্টিক দুই ভাগত ভগালে প্ৰথম ভাগত হ'ব –

সা ৰে ৰে গা গা মা

আৰু দ্বিতীয় ভাগত হ'ব –

ধা ধা নি নি সাঁ

প্ৰথম ভাগৰ পৰা (ভাগ কৰিব) দ্বিতীয় ভাগৰ পৰা

| | | | |
|---|---|---|---|
| ১। | সা ৰে গা মা | ১। | পা ধা নি সাঁ |
| | সা ৰে গা মা | ২। | পা ধা নি সাঁ |
| | সা ৰে গা মা | ৩। | পা ধা নি সাঁ |
| | সা ৰে গা মা | ৪। | পা ধা নি সাঁ |

এইদৰে, প্ৰথম আৰু দ্বিতীয় ভাগৰ স্বৰ সমষ্টি স্বৰ সংযোজনৰ ফলত ৪ × ৪ = ১৬ টা স্বৰ সমষ্টি অথবা ঠাট পাব পৰা যায়। এই ঠাটৰ পৰায়ে ৰাগৰ উৎপত্তি হয়।

## মেল অথবা ঠাটৰ আধাৰত পণ্ডিত ব্যাঙ্কটমখীৰ ৰাগ বৰ্গীকৰণ ঃ

দক্ষিণ ভাৰতৰ সঙ্গীত বিদ্বান পণ্ডিত ব্যাঙ্কটমখীয়ে সৰ্বপ্ৰথম সপ্তকৰ ১২ টা শুদ্ধ আৰু বিকৃত স্বৰৰ পৰা ৭২ টা ঠাট বা মেল পদ্ধতিৰ উৎপত্তি কৰে। পণ্ডিত ব্যাঙ্কচমখী ৰচিত গ্ৰন্থ "চতুৰ্দণ্ডি প্ৰকাশিকা", ১৭ শতাব্দীৰ উত্তৰাৰ্ধত প্ৰকাশিত হৈছিল। এই গ্ৰন্থ অনুসৰি ১২ টা শুদ্ধ আৰু বিকৃত স্বৰ এই ধৰণৰ – সা ৰে ৰে গা গা মা মা পা ধা ধা নি নি।

এই ১২ টা স্বৰক প্ৰত্যেকবাৰ সাতটি স্বৰ ক্ৰমানুসৰি লৈ ঠাটৰ ৰচনা কৰা

হয়। কিছু সময়ৰ বাবে এই ১২ টা স্বৰৰ পৰা "তীব্ৰ র্মা' আঁতৰাই শেষত তাঁৰ ষড়জ লগাই সংখ্যা পূৰ্ণ কৰা হয়। এই স্বৰ ক্ৰমানুসৰি এই ধৰণৰ –

সা ৰে ৰে গা গা মা র্মা

ধা ধা নি নি সাঁ।

এই স্বৰৰ দুটা ভাগ কৰা হয়। প্ৰথম ভাগ পূৰ্বাধ–

সা ৰে ৰে গা গা মা ।

দ্বিতীয় ভাগ উত্তৰাৰ্ধ –

পা ধা ধা নি নি সাঁ।

পূৰ্ব সপ্তকাৰ্ধৰ পৰা মুঠ ৬ টা মেলাৰ্ধ ওলায়।

যেনে ঃ

| | | | |
|---|---|---|---|
| সা | ৰে | ৰে | মা |
| সা | ৰে | গা | মা |
| সা | ৰে | গা | মা |
| সা | ৰে | গা | মা |
| সা | ৰে | গা | মা |

এই ধৰণে সপ্তকৰ উত্তৰাৰ্ধত ৬ টা মেলাৰ্ধ ওলায়। যেনে ঃ

| | | | |
|---|---|---|---|
| পা | ধা | ধা | সাঁ |
| পা | ধা | নি | সাঁ |
| পা | ধা | নি | সাঁ |
| পা | ধা | নি | সাঁ |
| পা | ধা | নি | সাঁ |
| পা | নি | নি | সাঁ |

সম্পূৰ্ণ মেল উৎপন্ন কৰাৰ ববে পূৰ্ব মেলাৰ্ধ আৰু উত্তৰ মেলাৰ্ধক সংযোগ কৰা হয়। এনে কৰাৰ পৰা নিম্নলিখিত মেলৰ উৎপত্তি হয় –

এটা পূৰ্ব মেলাৰ্ধৰ লগত ৬ টা উত্তৰ মেলাৰ্ধ সংযোগ কৰাৰ ফলত ৬ টা সম্পূৰ্ণ মেল প্ৰাপ্ত হয়।

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| ১। | সা | ৰে | ৰে | মা | পা | ধা | ধা | সাঁ |
| ২। | সা | ৰে | ৰে | মা | পা | ধা | নি | সাঁ |
| ৩। | সা | ৰে | ৰে | মা | পা | ধা | নি | সাঁ |
| ৪। | সা | ৰে | ৰে | মা | পা | ধা | নি | সাঁ |
| ৫। | সা | ৰে | ৰে | মা | পা | ধা | নি | সাঁ |
| ৬। | সা | ৰে | ৰে | মা | পা | নি | নি | সাঁ |

এইদৰে, পূৰ্ব মেলাৰ্ধৰ লগত ৬ টা উত্তৰ মেলাৰ্ধ সংযোগ কৰাৰ ফলত ৬ টা সম্পূৰ্ণ মেল প্ৰাপ্ত হয়। গতিকে সম্পূৰ্ণ মেল ৬ × ৬ = ৩৬ হয়। এই ৩৬ টা মেলৰ 'মা' স্বৰ শুদ্ধ হয়।

যদি 'শুদ্ধ মা' স্বৰৰ স্থানত 'মা' (তীব্ৰ ম) স্বৰ ৰখা হয় তেন্তে আন ৬ টা মেলৰ উৎপত্তি হয়। এই ধৰণে ৭২ টা মেল সংগীত বিদ্বানৰ দ্বাৰা সমস্ত ৰাগৰ জনক বুলি ধৰা হৈছে। পণ্ডিত ভাতখাণ্ডেই হিন্দুস্তানী সংগীত পদ্ধতিৰ উপযোগী ইয়াৰ ১০ টা ঠাট বাছি লৈ সমস্ত ৰাগক এই ১০ টা ঠাটৰ অন্তৰ্গত ৰাখিছে। এই ১০ টা ঠাট নিজৰ শুদ্ধ আৰু বিকৃত স্বৰৰ সৈতে নিম্নলিখিত ধৰণৰ –

১। বিলাবল ঠাট ঃ সা ৰে গা মা পা ধা নি সাঁ

২। কল্যাণ ঠাট ঃ সা ৰে গা মা পা ধা নি সাঁ

৩। খমাজ ঠাট ঃ সা ৰে গা মা পা ধা নি সাঁ

৪। ভৈৰব ঠাট ঃ সা ৰে গা মা পা ধা নি সাঁ

৫। পূৰ্বী ঠাট ঃ সা ৰে গা মা পা ধা নি সাঁ

৬। মাৰবা ঠাট ঃ সা ৰে গা মা পা ধা নি সাঁ

৭। কাফী ঠাট ঃ সা ৰে গা মা পা ধা নি সাঁ

৮। আসাবৰী ঠাট ঃ সা ৰে গা মা পা ধা নি সাঁ

৯। ভৈৰবী ঠাট ঃ সা ৰে গা মা পা ধা নি সাঁ

১০। তোড়ী ঠাট ঃ সা ৰে গা মা পা ধা নি সাঁ

## জাতি ঃ

জাতি ৩ প্ৰকাৰৰ আৰু এই প্ৰকাৰ জাতি এটাৰ আনটো আৰোহন অবৰোহনৰ ৰূপত সংযুক্ত হৈ ভিন্ন ৰাগৰ উৎপন্ন হয়। ভিন্ন বিদ্বানৰ মত অনুসৰি, ৰাগৰ মুখ্য ৰূপৰ তিনিটা জাতি থাকে –

ঔড়ব, ষাড়ব, সম্পূৰ্ণ। এই তিনি প্ৰকাৰৰ জাতিৰ ৰাগৰ আৰোহন অবৰোহনত স্বতন্ত্ৰ ৰূপত প্ৰয়োগ হয়। ঠাট পদ্ধতিত গণিতৰ দৃষ্টিৰে নিম্নলিখিত ধৰণে ৰাগৰ সৃষ্টি হ'ব পাৰে।

(১) সম্পূৰ্ণ-সম্পূৰ্ণ জাতি ঃ এই জাতিৰ ১৫ টা ৰাগ উৎপন্ন হয়।

(২) সম্পূৰ্ণ-ষাড়ব ঃ এই জাতিৰ ৬ টা ৰাগ হয়।

(৩) সম্পূৰ্ণ-ষাড়ব ঃ এই জাতিৰ ৩৬ টা ৰাগ হয়।

(৪) ষাড়ব-সম্পূৰ্ণ ঃ ৯০ টা ৰাগ উৎপন্ন হয়।

(৫) ষাড়ব-ষাড়ব ঃ ১৫ টা ৰাগ উৎপন্ন হয়।

(৬) ষাড়ব-ঔড়ব ঃ ৯০ টা ৰাগ উৎপন্ন হয়।

(৭) ঔড়ব-সম্পূৰ্ণ ঃ ১৫ টা ৰাগ উৎপন্ন হব।

(৮) ঔড়ব-ষাড়ব ঃ ৯০ টা ৰাগ উৎপন্ন হয়।

(৯) ঔড়ব-ঔড়ব ঃ ১৫ টা ৰাগ উৎপন্ন হয়।

ষাড়বৰ অৰ্থ হৈছে, যি ৰাগ ৬ টা স্বৰ যুক্ত হয়। ঔড়ব জাতিৰ অৰ্থ হৈছে, যি ৰাগ ৫ টা স্বৰযুক্ত হয়।

সম্পূৰ্ণ জাতিৰ অৰ্থ হৈছে যি ৰাগ ৭ টা স্বৰ যুক্ত হয়।

## ৰাগৰ সময়চক্ৰ

ভাৰতীয় সঙ্গীতত প্ৰত্যেক ৰাগৰে নিৰ্দ্দিষ্ট সময়সীমা বন্ধা হৈছে। বিভিন্ন শাস্ত্ৰকাৰে অনুভব আৰু মনোবৈজ্ঞানিক আধাৰত বিভিন্ন ৰাগৰ পৃথক -পৃথক সময় নিশ্চিত কৰিছে।

ভাৰতীয় সঙ্গীতৰ ৰাগ গায়নৰ নিশ্চিত সময় নিৰ্ধাৰণ বিশেষ কেইটিমান সিদ্ধান্তৰ ওপৰত লক্ষ্য ৰাখি কৰা হৈছে –

(১) অধ্বৰ্দশক স্বৰ

(২) বাদী সংবাদী স্বৰ

(৩) পূৰ্বাঙ্গ আৰু উত্তৰাঙ্গ স্বৰ

(৪) ৰে ধা গা নি যুক্ত স্বৰ

## (১) অৰ্ধ্বদশক স্বৰ ঃ

উত্তৰ ভাৰতীয় সঙ্গীতত মধ্যম স্বৰৰ বিশেষ মহত্ত্ব আছে। এই স্বৰৰ সহায়ত আমি কোনো এটা ৰাগ কোন সময়ত গায়ন কৰিলে উচিত আৰু অনুচিত সেই বিষয়ে জানিব পাৰো।

দিনটোৰ ২৪ ঘণ্টাৰ সময়ক দুটা ভাগত ভগোৱা হয়। সৰ্বসন্মতিৰে, প্ৰথম ভাগ দুপৰীয়া ১২ বজাৰ পৰা ৰাতি ১২ বজালৈ আৰু দ্বিতীয়ভাগ, উত্তৰাৰ্দ্ধ অৰ্থাৎ ইয়াৰ সময় ৰাতি ১২ বজাৰ পৰা দিনৰ ১২ বজালৈ হয়। প্ৰথম ভাগ অৰ্থাৎ পূৰ্বাৰ্ধত 'তীব্ৰ মা' আৰু উত্তৰাৰ্ধত "শুদ্ধ মা" ৰ প্ৰাধান্যতা পোৱা যায়।

**উদাহৰণস্বৰূপে ঃ** ভৈৰৱ আৰু বহাৰ ৰাগক ধৰা হওঁক। দুয়োটা ৰাগতে "শুদ্ধ মা" ৰ প্ৰয়োগ কৰা হয়। ইয়াৰ নিশ্চিত সময় জ্ঞাত নহ'লেও, আমি ক'ব পাৰো যে, ইয়াৰ গায়ন সময় ৰাতি ১২ বজাৰ পিছৰ পৰা দিনৰ ১২ বজাৰ ভিতৰত হ'ব। এই ধৰণে ৰাগ পূৰ্বী, মূলতানী আদি ৰাগৰ বিষয়েও কাব পৰা যায়। এই ৰাগত 'তীব্ৰ মা' স্বৰ প্ৰয়োগ কৰা হয়।

ইয়াৰ গায়ন সময়ৰ বিষয়ে অৰ্ধদশক স্বৰৰ সহায়ত অনুমান কৰিব পৰা যায়। প্ৰাতঃকালীন সন্ধিপ্ৰকাশ ৰাগত "শুদ্ধ মা" আৰু সন্ধ্যাকালীন সন্ধিপ্ৰকাশ ৰাগত 'তীব্ৰ মা' স্বৰৰ প্ৰাধান্যতা থাকে।

ভৈৰৱ, কালিঙ্গড়া ইত্যাদি প্ৰাতঃকালীন সন্ধিপ্ৰকাশ ৰাগ আৰু 'শুদ্ধ মা' স্বৰ যুক্ত শ্ৰী, মাৰৱা, পুৰীয়া ইত্যাদি ৰাগ সন্ধ্যাকালীন সন্ধিপ্ৰকাশ ৰাগ। এনে ৰাগত "তীব্ৰ মা" ৰ প্ৰয়োগ হয়। সন্ধ্যাকালীন সন্ধিপ্ৰকাশ ৰাগ পূৰ্বতে দুয়ো মধ্যম যুক্ত কৰা হয় যদিও 'তীব্ৰ মা' প্ৰমূখ্য আৰু 'শুদ্ধ মা' গৌণ হয়। এইদৰে প্ৰাতঃকালীন সন্ধিপ্ৰকাশ ৰাগ ৰামকলী আৰু ললিতৰ 'তীব্ৰ মা' গৌণ আৰু 'শুদ্ধ মা' প্ৰমূখ্য হয়।

## (২) বাদী আৰু সবাদী স্বৰ ঃ

যিদৰে দিনৰ দুটা ভাগ কৰা হয়, সেইদৰে এটা সপ্তকৰো দুটা ভাগ কৰা হয়। যেনেঃ উত্তৰাঙ্গ আৰ পূৰ্বাঙ্গ। সংখ্যাৰ দৃষ্টিত, সা, ৰে, গা মা - পূৰ্বাঙ্গত আৰু পা, ধা নি, সাঁ উত্তৰাঙ্গত প্ৰয়োগ হয়। শাস্ত্ৰকাৰ-সকলৰ মত অনুসৰি, যি ৰাগৰ বাদীস্বৰ 'সা' ৰে, গা আৰু 'মা স্বৰৰ ভিতৰত হয়, ইয়াৰ গায়ন সময় দিনৰ প্ৰথম ভাগ অৰ্থাৎ দিনৰ ১২

বজাৰ পৰা ৰাতিৰ ১২ বজাৰ ভিতৰত আৰু যি ৰাগৰ বাদীস্বৰ 'পা, ধা নি আৰু সাঁ 'ৰ ভিতৰত হয়, ইয়াৰ গায়ন সময় দিনৰ দ্বিতীয় ভাগ অৰ্থাৎ ৰাত্ৰিৰ ১২ বজাৰ পৰা দিনৰ ১২ বজাৰ ভিতৰত হয়। কিন্তু ইয়াৰ ভিন্ন অপবদো পৰিলক্ষিত হয়।

## (৩) পূৰ্বাঙ্গ –উত্তৰাঙ্গ ঃ

যি ৰাগ পূৰ্বাঙ্গত অধিক প্ৰয়োগ হয়, সেই ৰাগ দিনৰ ১২ বজাৰ পৰা ৰাতিৰ ১২ বজাৰ ভিতৰত আৰু সি ৰাগৰ উত্তৰাঙ্গ অধিক প্ৰবল হয়, সেই ৰাগ ৰাতিৰ ১২ বজাৰ পৰা দিনৰ ১২ বজাৰ ভিতৰত পৰিবেশন কৰা হয়।

উদাহৰণস্বৰূপে ঃ কেদাৰ, ভূপালী ৰাগ ইত্যাদি।

## (৪) 'ৰে', 'ধা' কোমল, 'ৰে' 'ধা' শুদ্ধ আৰু 'গা' 'নি' কোমলযুক্ত ৰাগ ঃ

(১) ৰে, ধা কোমলযুক্ত

(২) ৰে, ধা শুদ্ধ

(৩) গা, নি স্বৰযুক্ত ৰাগ।

## (৫) 'ৰে' 'ধা' কোমলযুক্ত সন্ধিপ্ৰকাশ ৰাগ ঃ

যি ৰাগত 'ৰে' স্বৰ আৰু 'ধা' স্বৰ কোমল হয়, তেনে ৰাগক সন্ধিপ্ৰকাশ ৰাগ বোলা হয়। কাৰণ ইয়াৰ গায়ন দিন আৰু ৰাতিৰ সন্ধিৰ সময়ত কৰা হয়। সন্ধিপ্ৰকাশ ৰাগৰ সময় ৪ বজাৰ পৰা ৭ বজা প্ৰাতঃ কাল আৰু ৪ বজাৰ পৰা ৭ বজা সন্ধাকালত হয়। এই সময়ৰ ভিতৰত ৰাগ পূৰ্বী, মাৰবা আৰু ভৈৰব ঠাটৰ ৰাগ গোৱা হয়। যেনে ঃ ভৈৰব, কালিঙ্গড়া, জোগীয়া।

## (২) শুদ্ধ ৰে, ধা যুক্ত ৰাগ ঃ

'ৰে' স্বৰ কোমল আৰু 'গা' স্বৰ শুদ্ধযুক্ত ৰাগৰ পিছত 'ৰে' 'ধা' শুদ্ধযুক্ত ৰাগ গোৱা হয়। এই বৰ্গত বিলাবল, খমাজ, কল্যাণ ৰাগ অন্তৰ্ভূক্ত। এই ৰাগসমূহত সদায় 'শুদ্ধ গা' স্বৰৰ প্ৰয়োগ হয়। 'গান্ধাৰ' কোমল হ'লে, 'গা' আৰু 'নি' কোমল স্বৰযুক্ত ৰাগৰ অন্তৰ্গত হৈ পৰে। এই বৰ্গৰ ৰাগৰ সময় দিনৰ ৭ বজাৰ পৰা ১০ বজাৰ ভিতৰত আৰু ৰাতিৰ ৭ বজাৰ পৰা ১০ বজাৰ ভিতৰত।

## (৩) কোমল গা, নি যুক্ত ৰাগ ঃ

এই বৰ্গত 'গা' আৰু 'নি' স্বৰযুক্ত ৰাগসমূহ অন্তৰ্ভূক্ত। সময় দিন আৰু ৰাতিৰ

১০ বজাৰ পৰা ৪ বজালৈ। কোনো কোনো বিদ্বানে ১২ বজাৰ পৰা ৪ বজালৈ মানে। কিন্তু প্ৰথম মতটি অধিক উপযুক্ত। এই বৰ্গত ৪ টা ঠাট আছে যেনে ঃ তোড়ী, আশাবৰী, ভৈৰবী আৰু কাফী।

দ্বিতীয় কাৰণ হৈছে –

তোড়ী, ভৈৰবী, দেশী আদি ৰাগৰ বৰ্গ ১২ বজাৰ পূৰ্বতেই আৰম্ভ হয়। এই বৰ্গৰ ৰাগৰ সময় ১০ বজাৰ পৰা ধৰা হয়।

যেনে ঃ পটদীপ ৰাগ। এই ৰাগৰ সময় দিনৰ চতুৰ্থ প্ৰহৰ, এই নিয়মৰ অপবাদ। ইয়াত 'গা' স্বৰ কোমল, কিন্তু 'নি' স্বৰ শুদ্ধ হয়।

## বিভিন্ন ভাষাৰ গীত সংগ্ৰহ ঃ

### সংস্কৃত শ্লোক

(১) সৰস্বতী নমস্তুম্যম বৰদে কামৰূপিণী বিদ্যাৰম্ভ্ম কৰিষ্যামি সিদ্ধিৰ্ভবতু মে সদা।

(২) বক্ৰতুণ্ড মহাকায় সূৰ্য্যকোটি সমপ্ৰভঃ নিৰ্বিঘ্নম্ কুৰুমেদেব সৰ্বকাৰ্য্যেষু সৰ্বদা।

(৩) সৰ্বে ভবন্তু সুখিন ঃ।।
সৰ্বে সন্তু নিৰাময়াঃ
সৰ্বে ভদ্ৰাণি পশ্যন্তু।।
মা কশ্চিদ্দুঃ ভাগ্ভবেত
ওঁ শান্তিঃ শান্তিঃ শান্তিঃ।।

(৪) ওঁম্ সহানা ভবতু
ওঁম্ সহনৌ ভুনক্তু
সহ বীৰ্য্যম কৰবাবহে
তেজস্বিণবধিতমস্তু মা বিদ্বিষাবহে
ওঁ শান্তিঃ শান্তিঃ শান্তিঃ।।

(৫) গুৰুৰ্ব্ৰহ্মা গুৰুৰ্বিষ্ণু গুৰুদেবৌ মহশ্বেৰঃ
গুৰুসাক্ষাত পৰমব্ৰহ্ম তস্মৈ শ্ৰী গুৰবে নমঃ
ধ্যানমূলম গুৰমূৰ্ত্তি পূজামূলম গুৰুপদম
মন্ত্ৰমূলম্ গুৰুৰবাক্যম মৌক্ষমূলম গুৰকৃপা।

(৬) অসতৌ মা সদ্গময়
তমসৌ মা জ্যেৰ্তিগময়
মৃত্যুৰ্মাম্যমৃতম গময়।

(৭) ভূমিমঙ্গলম, উদকমঙ্গলম, অগ্নিমঙ্গলম
বায়ুমঙ্গলম, গগনমঙ্গলম, সূৰ্য্যমঙ্গলম
জগত মঙ্গলম, দেহমঙ্গলম, মনোমঙ্গলম
আত্মামঙ্গলম, সৰ্বমঙ্গলম
ভবতু, ভবতু, ভবতু।।

(৮) ওঁ ভূৰ্ভুৰ্বঃ স্বাহা ততৎসবিতুৰ্ব্যৰেণ্যন
ভৰ্গো দেবস্যধীমহি ধিয়ো যৌ নঃ
প্ৰচোদয়াত।।

(৯) যেষাম, ন বিদ্যাম, ন তপৌ, না দানম্
ন চাপি, ন শীলম, ন গুণৌ ন ধৰ্মঃ।।
তে মৰ্ত্য লোকে, ভুবি ভাৰভূতা
মনুষ্য ৰূপেণ মৃগাশ্চৰন্তি।।

(১০)বিদ্যা নাম লৰস্য ৰূপম অধিকম
প্ৰচ্ছন্নগুপ্তম ধনম বিদ্যা বোধকৰা
যশঃ সুখকৰী
বিদ্যা গুৰুণাম্ গুৰু ঃ
বিদ্যা বন্ধুজনৌ বিদেশগমননে বিদ্যা মহাদেবতা

বিদ্যা ৰাজসু পুজিতা ন তু ধনম্
বিদ্যাবিহীনঃ পশুঃ।

(১১) পূৰ্ণমদঃ পূৰ্ণমিদম পৰ্ণাতপূৰ্ণমুদচ্যতে
পূৰ্ণস্য পূৰ্ণমাদায় পূৰ্ণমেবাবশিষ্যতে
ওঁ শান্তিঃ শান্তিঃ শান্তিঃ।।

(১২)যা কুন্দেন্দু তুষাৰহাৰ ধবলা
যা শুভ্ৰ বস্ত্ৰাবৃতা
যা বীণা বৰদণ্ড মণ্ডিত কৰা
যা শ্বেতা পদ্মাসনা।
যা ব্ৰহ্মাচ্যুত শংকৰ প্ৰভৃতিৰ্ভিদৰ্বৈ
সদা বন্দিতা
সা মাং পাতু সৰস্বতী ভগবতী
নিঃ শেষ জাড্যাপহা।
শ্বেতপাদ্মাসনা দেবী, শ্বেতপুষ্পশোভিতা
শ্বেতম্বৰা ধৰা নিত্যা শ্বেতগন্ধানুলেপনা
ওঁ নমৌ সৰস্বতৈ নমো নমঃ
শ্বেতাক্ষ সূত হস্ত চ
শ্বেত চন্দন চৰ্চিতা
শ্বেত বীণা ধৰা শুভ্ৰা শ্বেতালংকাৰ ভূষিতা।
ওঁ নমো সৰস্বতৈ নমো নঃ
বন্দিতা সিদ্ধগন্ধবৈৰাৰ্চিতা সুৰদানবৈ
পুজিতা মুনিভিঃ সৰ্বেঃ ঋষিভিঃ
স্তুয়তে সদা
স্তৌত্ৰেনানেন তাম দেবীম
জগধাত্ৰীম সৰস্বতীম।

যে স্মৰন্তি ত্ৰিসন্ধ্যায়াম সৰ্বা বিদ্যালভন্তে
ওঁ নমো সৰস্বতৈ নমো নমঃ।

(১৩) সৰস্বতী বন্দান (সংস্কৃত)

জয় জয় হে ভগবতী সুৰ ভাৰতী
তব চৰণৌ প্ৰণামামঃ
নাদ ব্ৰহ্মময়ী জয় বাগেশ্বৰী
শৰণম তে গচ্ছামঃ।।
ত্বমসি শৰণ্যা ত্ৰিভুবন ধন্যা
বন্দিত সুৰ মুনি চৰণা
নব ৰস মধুৰা কবিতা মুখড়া
স্মিত ৰুচি ৰুচিৰা ভৰনা।
আসিনা ভব মানস হ্মসে
কুণ্ড তুহিন শশি ধবলে।
হৰ জগতাম কুৰু বৌদ্ধি বিকাশসম
স্থিত পংকজ তনু বিমলে।
ললিত কলাময়ি জ্ঞান বিভাময়ী
বীণা পুস্তকধাৰিণী
মন্দিৰা স্তামনৌ তব পদকমলে
অই কুণ্ঠা বিষ ধাৰিণী।

<u>সৰস্বতী বন্দনা (হিন্দী)</u>

সাৰদে মা শ্বেত বসনা
বন্দনা স্বীকাৰ কৰ মাঁ
হৌ ৰহে পদ ভ্ৰান্ত সাৰে
বিশ্ব কা উদ্ধাৰ কৰ মাঁ

তুহী বীণা বাদিনী
পিয়ুষ ঘট শ্ৰুতি ধাৰিণী
জ্ঞান কী বাণী কলুষ
অজ্ঞানতম সংহাৰণী
শৰণ মে লেলে হমে তু
বৰদ হস্ত্ৰ পসাৰ কৰ মাঁ।।

## ভক্তিমূলক গীত (হিন্দী)

শ্ৰী ৰামচন্দ্ৰ কৃপালু ভজু মন
হৰণ ভব ভয় দাৰুণম
নবকঞ্জ লোচন, কঞ্জমুখ কৰ
কঞ্জ পদ কঞ্জাৰুণম।।
কন্দৰ্প অগণিত অমিত ছবি নব
নীল নীৰজ সুন্দৰম
পট পীত মানহু তড়িত ৰুচি শুচি
নৌমি জনক সুতা বৰম।।
ভজ দীনবন্ধু দিনেশ দানব
দৈত্য বংশ নিকন্দনম
ৰঘুনন্দ আনন্দ কন্দ কৌশল
চন্দ দশৰথ নন্দনম।।
শিৰ মুকুট কুণ্ডন তিলক চাৰু
উদাৰ অংগ বিভূষণম।
অজানু ভুজ শৰ চাপ ধৰ সংগ্ৰাম জিত খৰ দুষণম।
ইতি বদতি
তুলসীদাস শংকৰ
শেষ মুনি মন ৰঞ্জনম

মম হৃদয় কুঞ্জ নিবাস কুৰু
কামাদী খলদল গঞ্জনাম।

## ভক্তিপ্ৰধান গীত

প্ৰভুজী দয়া কৰো জগ মে
আন বসৌ,
তুম বিন লাগে সুনা খালী ঘট মে
প্ৰেম ভৰো
তন্ত্ৰ-মন্ত্ৰ পূজা নহী জানু মে তৌ কেবল তুমকৌ হী মানু
সাৰে জগ মে ঢুঢ়াঁ তুমকৌ
অবতৌ আকৰ বাহু ধৰৌ।।
ভেদ-ভাব তুমনে না সিখায়া
হম অজ্ঞানী পাৰ কৰাতৌ
কেসে ইস ভব সাগৰ মে হম্
আপনী নৈয়া পাৰ লগাএ।।

## ভক্তিপ্ৰধান (ভজন) হিন্দী

বৈষ্ণৱ জনতৌ, তেনে কহিয়ে জে
পীড় পৰাই জানে ৰে
পৰদুখে উপকাৰ কৰে তৌয়ে
মন অভিমান ন আণে ৰে।।
সকল লোক মান
সহুনে বন্দে
নিন্দা না কৰে কেনী ৰে
বাচ কাচ মন নিচ্ছল ৰাখে
ধন ধন জননী তেনী ৰে বৈষ্ণৱ

সমদৃষ্টি নে তৃষ্ণা ত্যাগী, পৰস্ত্ৰী জেনে মাত ৰে,
জিহ্বা ঠকী অসত্য ন বৌলে,
পৰধন নব ঝালী হাথ ৰে।
মোহ্ মায়া ব্যাপে নহী জেনে
দৃঢ় বৈৰাগ্য জেনা মনমাঁ ৰে
ৰামনামসুন তালী লাগী,
সকল তীৰথ তেনা তনমা ৰে
বণলোভী নে কপটৰহিত সে,
কাম ক্ৰোধ নিৰ্বাঁয়া ৰে,
ভণে নৰসেয়া তেনু দৰশন কৰতা
কুল এক তেৰৌ তাৰয়া ৰে।।

## <u>ভক্তিপ্ৰধান (ভজন) হিন্দী</u>

ঠুমক চলত ৰামচন্দ্ৰ, বাজত পেজনীয়া কিলকী কিলকী উঠত ধায়, গিৰত ভূমি লট পটায়

ধায় মাঁ তু গৌদ লেত দশৰথ কিৰণীয়া,
অঞ্চল ৰজ অংগ ধাৰি, বিবিধ ভাতি কৌ দুলাৰি২
তন মন ধন বাৰী বাৰী, কহত মৃদু বচনিয়া
বিদ্ৰম সে অৰুণ অধৰ২
বৌলত মুখ মধুৰ মধুৰ
সুভগ নাসিকা মে চাৰু, লটকত লটকনীয়া
তুলসীদাস অতি আনন্দ, দিখকে মুখাৰবৃন্দ
ৰঘুবৰ ছবি কে সমান
ৰঘুবৰ ছবি বনিয়া।।

## সৰস্বতী বন্দনা হিন্দী

মাঁ শাৰদে হংস বাহিনী বীণাপাণি।
ব্ৰহ্মভামিনী কলাস্বামিনী
জগ তাৰদে মাঁ শাৰদে।
হৃদয় গগণ যে মত্য পাবন মে
মুক্ত গগণ যে জনজীবন মে
জন জীবন মে ৰশ্মি কৰদে
মাঁ শাৰদে।।

## ভজন (ভক্তিমূলক গীত) হিন্দী

পায়োজী মেনে ৰাম ৰতন ধন পায়ৌ
বস্তু অমোলক দী মেৰে শতগুৰু
কৃপা কৰ অপনায়ো।
জনম জনম কী পুঞ্জী পাই
জগ মে সভী খুমায়ৌ
খৰচ না খুটে, চৌৰ না লুটে
দিন দিন বঢ়ত সবায়ৌ
সত কী নাব, খেবটিয়া সতগুৰু
ভবসাগৰ তৰ আয়ৌ
মীৰা কে প্ৰভূ গিৰধৰ নাগৰ
হৰখ হৰখ জস গায়ৌ।

## ভজন (ভক্তিমূলক গীত) (হিন্দী)

ভজন ঃ মীৰা

গায়ক ঃ ড° সুদৰ্শনা বৰুৱা (অনলাইন প্ৰাপ্ত)

সুৰঃ প্ৰণতি বৰুৱা

ঝুলত ৰাধা সঙ্গ
গিৰধৰ ঝুলত ৰাধা সঙ্গ
অবিৰ গুলাল কী ধুম মচাই
ভৰ পিচকাৰী ৰঙ্গ।
লাল ভয়ী বৃন্দাবন যমুনা
কেসৰ চুৱত ৰঙ্গ
গিৰধৰ ঝুলত ৰাধা সঙ্গ।
অবিৰ গুলাল কী
নাচত লাল অধাৰ সুৰবৰা
ধীমী ধীমী নাচে মৃদঙ্গ
মীৰা কে প্ৰভূ গিৰধৰ নাগৰ
চৰণ কমল কুদঙ্গ

## ভজন (ভক্তিমূলক গীত) (হিন্দী)

ভজন ঃ মীৰা

গায়ক ঃ ড° সুদৰ্শনা বৰুৱা (Tseries ভজন)

সুৰঃ প্ৰণতি বৰুৱা

এৰী মেতৌ প্ৰেম দিবানী, মেৰৌ দৰদ না জানে কৌই
ঘায়ল কী গতি, ঘায়ল জানে
জৌ কৌই ঘায়ল হৌবে।
সুলী ওপৰ সেজ হমাৰী

সৌবন কিসবিধ হৌবে
গগণ মণ্ডল পৰজে পিয়াকী
কিসবিধ মিলনা হৌবে
দৰদ কী মাৰী, বন বন ডৌলু
বৈদ মিলা নহী কৌই
মীৰা কে প্ৰভূ পীড় মিটেগী
জব বৈদ্য সাবৰীয়া হৌবে।।

## ভজন (ভক্তিমূলক গীত) (হিন্দী)

ভজন ঃ মীৰা

গায়ক ঃ ড° সুদৰ্শনা বৰুৱা

সুৰঃ প্ৰণতি বৰুৱা

দৌ দৰশন গিৰধৰী
তেৰী সাঁবৰী সুৰত পৰ বাৰীৰে
যমুনা তত হৰি ধেনু সৰাবে
মধুৰ মধুৰ ধ্বনি বেণু বজাবে
কান্ধে কম্বৰীয়া কাৰী ৰে।
ভক্ত হে তু হৰী ৰূপ বনায়া
ব্ৰহ্মানন্দ মেৰে মনকৌ ভায়া
তেৰে চৰণ পৰ বাৰী ৰে।

## ভক্তিমূলক গীত (অসমীয়া)

গায়ক/সুৰকাৰ/কথা

ড° সুদৰ্শনা বৰুৱা

মুৰুলী মোহন মধুৰ সুৰ

বৃন্দাবনে আজু আনন্দে মগন।
নূপূৰ ঝমকে, বাজায় ঠমকে
নাচত শ্ৰীকৃষ্ণে মন আনন্দনে। (অনলাইন প্ৰাপ্ত)

## <u>ভক্তিমূলক গীত (অসমীয়া)</u>

কথা ঃ গীতা হাতীকাকটি
সুৰঃ প্ৰণতি বৰুৱা
গায়ক ঃ ড° সুদৰ্শনা বৰুৱা (অনলাইন প্ৰাপ্ত) ভক্তিগীত

বজোৱা কি সুৰে মুৰুলী শ্যাম
যি সুৰে সুৰে উঠে কঁপনি
ৰাধা মই বাধা নাই শ্যামা।
আবিৰৰ ৰঙে ৰঙে ফাগুণ
নামি আহে—
সৃষ্টিৰ উতলা বন
বাজে কিঙ্কিণী, মই শ্যাম ও
তোমাৰেই মনো মানসী।

## <u>দেশপ্ৰেমমূলক গীত (অসমীয়া)</u>

কথা ঃ বঙ্কিম চন্দ্ৰ চট্টোপাধ্যায়

বন্দে মাতৰম্
সুজলাম সুফলাম মলয়জ শীতলাম
শস্য শ্যামলাম মাতৰম।।
বন্দে মাতৰম
শুভ জ্যোস্না পুলকিত যামিনীম
ফুল্ল কুসুমিত দ্ৰুমদল শোভিনীম

সুহাসিনী সুমধুৰ ভাষিণীম
সুখদাম বৰদাম মাতৰম।।
সপ্তকৌটি কণ্ঠ কল কল
নিনাদ কৰালে
নিশব্দ কৌটি ভূজে ধ্রুত
খৰকৰবালে
কে বৌলে মাঁ তুমি বৌলে
ৰিপুদল বাৰিণী মাতৰম
তুমি বিদ্যা, তুমি ধৰ্ম তুমি
হৃদি তুমি মৰ্ম্ম
ত্বং হি প্ৰাপাঃ শৰীৰে।
বাহুতে তুমি মা শক্তি হৃদয়ে
তুমি মা ভক্তি
তোমাৰেই প্ৰতিমা গঢ়ি মন্দিৰে মন্দিৰে
ত্বংহি দুৰ্গা দশ প্ৰহৰণ ধাৰিণী
কমলা কমল দল বিহাৰিণী
বাণী বিদ্যাদায়িনী নমামি ত্বাং
কমলাম নমামি অমলাম অতুলাম
সুজলাং সুফলাং মাতৰম।।
বন্দে মাতৰম,
শ্যামলাং সৰলাং সুশিতাং ভুষিতাম
ধৰণীম ভৰণীম মাতৰম।

## দেশপ্ৰেমমুলক গীত (হিন্দী)

তেৰী হে জমী তেৰা আসমা
তু বড়া মেহৰবা তু বকশীশ কৰ

সভী কা হে তু সভী তেৰে
খুদা মেৰে তু বকশীশ কৰ।।
তেৰী মৰ্জী সে এ মালিক হম ইস
দুনীয়া মে আএ হে
তেৰী ৰহমৰ সে হম সবনে
জিস্ম ঔৰ জান পায়ে হে।
তু অপনী নজৰ হম পৰ
ৰখনা কিস হাল মে হে
যে খবৰ ৰখনা
তু চাহে তৌ হমে ৰখে
তু চাহে তৌ হমে মাৰে
তেৰে আগে ঝুকা কে সৰ
খড়ে হে আজ হম সাৰে
সবসে বড়ী তাকত বালে
তু চাহে তৌ হৰ আফত তালে।

## দেশপ্ৰেমমূলক গীত (হিন্দী)

কথা ঃ জগজীৎ সিং, ইকবাল

লব পে আতী হে দুআ বনকে তমন্না মেৰী
জিন্দগী শম্মা কী সুৰত হৌ খুদায়া মেৰী
হৌমেৰে দম সে য়ুহী মেৰে বতন কী জিনত
জিস তৰহ ফুল সে হৌতী হে চমন কী জিনত
জিন্দগী হৌ মেৰী পৰবানে কী
সুৰত যাৰব
ইল্ম কী শম্মা সে হৌ মুজকৌ মুহব্বত য়াৰব

হৌ মেৰা কাম গৰীবৌ কী হিমায়ত কৰনা
দৰ্দ মন্দৌ সে জইকৌ সে মুহম্মত কৰনা
মেৰে আল্লাহ্ বুৰাই সে বচনা হে মুঝকৌ
নেক জৌ ৰাহ হৌ উস
ৰাহ পে চলনা মুঝকৌ।

## দেশপ্ৰেমমূলক গীত (হিন্দী)

জ্যোতি সে প্ৰভু কী দূৰ হৌ অন্ধিয়াৰে
জাগ উঠে মন মে প্ৰেম কী ফুলবাৰী।
তন মন হে তু, সব ধন হেতু
মালিক হে তু, জীবন হে তু
কৃপা মেৰী ভক্তি মেৰী, তেৰা
বচন সাথ ৰহে
কণ কণ মে বসী ৰহে ছবি তেৰী ন্যাৰী, জাগা উঠা মন মে প্ৰেম কী ফুলবাৰী।।
শব্দ মেৰা গুঞ্জ উঠা, জাগ উঠে সবকে তন-মন
জল থল মে, বাদল মে,
শক্তি মেৰী ব্যক্ত ৰহে।।
সুনলৌ প্ৰভূজী, বিনতী হমাৰী
জাগ উঠে মন মে, প্ৰেম কী ফুলবাৰী।

## দেশপ্ৰেমমূলক গীত (হিন্দী)

কথা ঃ ইকবাল

চিশি, নে জমী পৰ পেগামে হক সুনায়া
নানাক নে জিস চমন মে বহদত কা গীত গায়া
তাতাৰিয়ৌ নে জিসকৌ, অপনা বতন বানায়া

জিসনে হিজাজিয়ৌ সে দশে অৰব চুৰায়া
মেৰা বতন বহী হে।।
যুনানিয়ৌ নে জিসকৌ
হেৰান কৰ দিয়া থা,
সাৰে জহা কৌ জিসনে
ইল্মৌ হুনৰ দিয়া থা।।
মিট্টী কৌ জিসকী হক নে
জৰ কা অসৰ দিয়া থা।
তুৰ্কৌ কা·জিসনে দামন
হীৰৌ সে ভৰ দিয়া থা।।

## দেশপ্ৰেমমূলক গীত (হিন্দী)

— জয়শংকৰ প্ৰসাদ

অৰুণ য়হ মধুময় দেশ হমাৰা
জহা পহুচ অঞ্জান ক্ষিতিজ কৌ
মিলতা এক সহাৰা
অৰুণ য়হ মধুময় দেশ হমাৰা।।
সৰসতামৰস গৰ্ভ বিভা পৰ
নাচ ৰহী তৰুশিখা মনোহৰ
ছিটকা জীবন হৰিয়ালী পৰ
মঙ্গল কুম কুম সাৰা
অৰুণ য়হ মধুময় দেশ হমাৰা।।
লঘু সুৰধনু সে পংখ পসাৰে
শীতল মলয় সমীৰ সহাৰে
উড়তে খগ জিস ঔৰ মুহ কিএ

সমঝ নীৰ নিজ প্যাৰা।
অৰুণ য়হ মধুময় দেশ হমাৰা
বৰসাতী আঁখৌ মে বাদল
বনতে জহা ভৰে কৰুণা জল
নাহৰে টকৰাতী অন্ত কী
পাকৰ জহা কিনাৰা।।
হেমকুম্ভ লে উষা সবেৰে
ভৰতী ঢুলকাটী সুখ মেৰে
মন্দিৰ উঘতে ৰহতে জব জগ কৰ
ৰজনী ভৰ তাৰা।।

## দেশপ্ৰেমমূলক গীত (হিন্দী)

কথা ঃ গিৰজা কুমাৰ মাথুৰ

হৌগে কময়াম, হৌগে কাময়াম
হম্ হৌগে কাময়াব, একদিন
হৌ হৌ মন হে বিশ্বাস
পুৰা হে বিশ্বাস, হম হৌগে কামিয়াম।।
হৌগী শান্তি চাৰৌ ঔৰ 4
একদিন,
হৌ হৌ মন হে বিশ্বাস
পুৰা হে বিশ্বাস,
হৌগী শান্তি চাৰৌ ঔৰ একদিন।
হম চলেঙ্গে সাথ-সাথ
ডাল হাথৌ মে হাথ
হম চলেঙ্গে সাথ সাথ একদিন

Anandaram Dhekial Phookan College Library
Acc No........
Date...........
Nagaon : Assam

নহী ডৰ কিসী কা আজ
নহী ভয় কিসী কা আজ
নহী ডৰ কিসী কা আজ
একদিন।।

## দেশপ্ৰেমমূলক গীত (হিন্দী)

অন্ধেৰে জহা মে হম, এক শম্মা জ্বলা দেঙ্গে
খুদ বনকে উজ্বালা হম
জুলমত কৌ মিটা দেঙ্গে।।
হম ক্যা হে হমে খুদ পৰ
জৌ খুদ কা ভৰৌসা হৌ
দুনিয়া য়া ন, দুনিয়া হৌ
অগৰ এক ৰজা না হৌ
হম এসে সিপাহী হে
এক শৌৰ মচা দেঙ্গে
খুদ বনকে উজালা হম
জুল্মত কৌ মিটা দেঙ্গে।।

## দেশপ্ৰেমমূলক গীত (হিন্দী)

এ মেৰে বতন কে লৌগৌ
জৰা আঁখ মে ভৰলৌ পানী
জৌ শ্বহীদ হুএ হে উনকী
জৰা য়াদ কৰৌ কুৰবানী।
জব ঘায়ল হোআ হিমালয়
খতৰে মে পড়ী আজানী
জব তক থী সাস লড়ে বৌ
ফিৰ অপনী লাশ বিচা দী

সঙ্গীত পৰ ৰখ কৰ মাথা
সৌ গয়ে অমৰ বলিদানী
জৌ শ্বহীদ ———
কৌই শিখ কৌই জাত মৰাঠা 2
কৌই গুৰখা কৌই মদ্ৰাছী 2
সৰহদ পৰ মৰনে বালা
হৰ বীৰ থা ভাৰতবাসী
জৌ খুন গিৰা পৰ্বত পৰ
বহ খুন থা হিন্দুস্তানী
জব দেশ মে থী দিবালী
বে খেল ৰহে থে হৌলী
জব হম বেঠে থে ঘৰৌ মে
বে ঝৌল ৰহে থে গৌলী
থে ধন্য জবান বৌ আপনে
থী ধন্য বৌ উনকী জবানী
জৌ শ্বহীদ হুএ হে উনকী
জৰা য়াদ কৰৌ কুৰবানী
থী খুন সে লথপথ কায়া 2
ফিৰ ভী বন্দুক উঠাকৰ
দশ দশ কৌ এক নে মাৰা ফিৰ
গিৰ গএ হৌশ গবাকৰ
জব অন্ত সময় আয়া তৌ
কহ গএ কি অব মৰতে হে
খুশ ৰহনা দেশ কে প্যাৰৌ
অব হম তৌ সফৰ কৰতে হে

ক্যা লৌগ থে বহ্ দীবানে
ক্যা লৌগ থে বে অভিমানী
জৌ শ্বহীদ .....

## দেশপ্ৰেমমূলক গীত (হিন্দী)

হম জমানে সে নহী
হমসে জহা সাৰা-
সাথ হমাৰে চলৌ, চলৌ
ক্ষিতিজ কৌ নয়ী, নয়ী, নয়ী।।
বল কী দেবী বনী অবলা
জিনা সিখায়া হমে
অমন চেন কী কিমত পৰ
প্ৰাণ কিয়া উৎকৰ্ষ
প্ৰাণ কা মৌহ্ য়হ কেসা
জানা সভী কৌ বৌহা
বাদা হম ভূলে কেসে
দিয়া জৌ হমনে উন্থে।।
অৰুণ য়হী সে উঠা হে-
তন মে প্ৰকাশ লিএ
সুলভ পতন পাবন মে
সৌনে কে খগ থে উড়ে,
গীত, নৃত্য কী গুঞ্জ উঠতী-
বিখৰতী চাৰৌ ঔৰ
শৌৰ্য দয়া ঔৰ প্ৰেম মে
অলেখ ভৰে হে পড়ে

## ভাৰতৰ বিভিন্ন প্ৰান্তত প্ৰচলিত লোকগীত ঃ

### উত্তৰ প্ৰদেশ প্ৰান্তৰ গীত (লোকগীত)

উমড় ঘুমড় কৰ আয়ী ৰে বদৰীয়া আয়ী ৰে
লহৰাতে জল আতে হে বৰসাতে হে
নীলী জল কী ধাৰা।
পীয় পীয়ু পপীহা বৌলে
দেখৌ মৌৰ নাচ দিখাএ, খেত মে হৰিয়ালী চায়ে।।
বৰসে বাদল মন লহৰাএ
পবন কে ঝৌকে খুব হৰ্ষাএ
হৰী ভৰী য়হ বসুধা বুলাএ।।

### ৰাজস্থানী গীত (লোকগীত)

আ ৎ ৎ ৎ ৎ
সাঁবৰী ডাৰা মেন্দৰী সৌবাঢ়া
অৰে মেহন্দী সৌ হথ ৰঙ্গে লাল
স্বাৰী মেহন্দী হৌ বলীৰ ৰিবা ইতে কুঢ়ে লায়ৌ।
আজ লগণ বৌ ভুবা বাতে লালৌ
অৰে, ভুবা বৌ ৰখ্যৌ জান্তৌ মৌৰ
স্থাৰী মেহন্দী হৌ।।
অৰে আজ ভইৰৌ পীৰালৌ ধৌড়লিয়া সুন গাবে
অৰে ঘৌড়লিয়ৌ তীনী বীনী বীস
স্থাৰী মেহন্দী হৌ বলীৰ
ৰিবা ইতে কুঢ়ে লায়ৌ।।
আজ লগল লেনৌ কাকলিয়ৌ তেৰায়ৌ

অৰে কাকলিয়োঁ ভৌৰৌ সবৰৌ নৌক ম্হাৰী

## বেঙ্গলী গীত

কথা ঃ শলীল চৌধুৰী

ধিতাংগ ধিতাংগ বোলে
এই মাদলে তান তোলে
তাৰ আনন্দ উচ্ছল্
আকাশ ভৌৰে জচনাএ,
আএ্ চুটে শ্‌কলে
আজ হাঁসীৰ কলৰৌলে
নতুন জীবন গোড়িয়া।।
আএ ৰে আএ লগন বৌএ জাএ
মেঘ গুৰগুৰ কৰে চাঁদেৰ সিমনাই
পাৰুল বন ড়াকে
চম্পা ছুটে আএ
বৌগীৰা শৌব হাকে
কোমৰ বেধে আএ
আয় ৰে আয় আয় ৰে আয়।।
ধিনাক নতীন তীনা এই
বাজাবে প্ৰাণ বীণা
আজ সবাৰ মিলন বীণা
এমৌন জীবোন বৃথা জাএ।
এই দেশ তোমাৰ আমাৰ
এই আমৰা ভৰি খামাৰ
আৰ আমৰা গড়ি স্বপন দিএ

সোনাৰ কামনা।।
আয় ৰে আয়।।

## <u>গুজৰাটী গীত</u> — (ভাৰত কী গীত)

বিষয় ঃ দেশ ভক্তি

কথা ঃ নিনু মজুমদাৰ

আকাশ গঙ্গা সূৰ্য্য চন্দ্ৰ তাৰা
সন্ধ্যা ঊষা কই না নথী
কৌনী ভূমি, কৌনী নদী
কৌনী সাগৰ ধাৰা।
ভেদ কেবল শব্দে, অমৰা
তামাৰা
এজ হাস, এজ ৰুদন
আশ এক নিৰাশা
এজ মানব উৰ্মীফণ মিতৰ ভাষা
মেঘ ধেনু, অন্দৰ না
হোয় কদী জংগৌ
সুন্দৰতা কাজ বন্যা বিবিধ ৰঙ্গৌ।।

## <u>অসমীয়া গীত (দেশভক্তিমূলক)</u>

এই মাটিৰে মৰমতে মাটিকে চুমিলো
এই মাটিতে জীবন ছবি আঁকি আঁকি মুছিলো।
দূৰ আকাশৰ ৰহণ কিয়নো লাগে লাগে, আঁহা ।আহাঁ।
মাটিৰ বুকুত মনৰ মালতী বুটলো।
মনৰ কৰণিৰে সুৰৰ পাপৰিৰ আজি
সুকুমাৰ থাপনা সজোৱা

সূদুৰ, সুদিনৰ নতুন দৃষ্টিকোণ নমোৱা ।।
এই মাটিৰে মৰমতে

## কণমানি হঁতৰ গীত (অসমীয়া)

(১) বগলী এ, সবাহলৈ নগলি কিয় ?
গৈছিলো গৈছিলো বাটতে বৰষুণে পালে
ৰংদৈৰ ঘৰতে, সোমাব খোজোতে
চেংদৈ কুকুৰে খালে।
চেই কুকুৰ চেই
নাহিবি জপনা দেই ।।
বাঁহৰ মূঢ়া বগৰিৰ গুৰা,
ক'ৰ পৰা আহিল এইটো চকু চেলোৱা বুঢ়া ।।

## নিচুকনি গীত

(২) ৰঁদালি এ, ৰ'দ দে
আলি কাটি জালি দিম
বৰ পীৰা পাৰি দিম
তাতে বহি বহি ৰ'দ দে ।।
লাই হালে জালে
আবেলি বতাহে
লফা হালে জালে পাত
আমাৰে মইনা হালিছে জালিছে
আজি চোবা পৰভাতে
বৰ ঘৰৰ মেকুৰী সৰু ঘৰলৈ যায়
ঢাকন খুলি পইতা ভাত চুৰ কৰি খাই ।।

## নিচুকনি গীত

(৩) আমাৰে মইনা শুব এ
বাৰীতে বগৰী ৰুব এ,
বাৰীতে বগৰী পকি সৰি গ'লে
মইনায়ে বুটলি খাব।

## কণমানিহঁতৰ গীত

(৪) ভালু মামা, ভালু মামা
কল এটা খোৱানা
গান এটা গোৱানা
A, B, C, D পঢ়ানা
ক, খ, গ, ঘ মাতানা
A for Apple
B for Ball
C for Cat
D for Doll
'ক'ৰ পৰা হয় 'কিতাপ'
'খ'ৰ পৰা হয় 'খবৰ'
'গ'ৰ পৰা হয় 'গান'
'ঘ'ৰ পৰা মই ঘৰত যাম।
(এইদৰে সুৰত বৰ্ণমালা খন কণমানিহঁতক শিকাব)

## কণমানিহঁতৰ গীত

(৫) মেকুৰী মাহী কোৱা তুমি কৰ পৰা আহিছা
কিমান এন্দুৰ মাৰি তুমি কিমান খাই আহিছা,
নাই নাই আজি এটা এন্দুৰ মই নাপালো
গাখীৰো মই নাপালো আৰু মাছো মই নাপালো।

দিনটো ভোকত থাকিলো।।

## নিচুকনি গীত

(৬) জোনবাই এ, বেজী এটি দিয়া বেজীনো কেলেই
মোনা শিবলৈ মোনানো কেলেই?
ধন ভৰাবলৈ, ধননো কেলেই?
হাতী কিনিবলৈ, হাতীনো কেলেই?
উঠি ফুৰিবলৈ, উঠি ফুৰিলেনো কি হয়?
বৰ মানুহ হয়।
বৰ মনুহ হলে কি হয়?
গধূলিতে ডবা কোবায় দুদুম দুম।

## স্বাগতম গীত (হিন্দী)

স্বাগত মে দ্বীপ জ্বলাএ
জ্বলাএ দ্বীপ জ্বলাএ
ফুলৌ কী মালা পহনাএ
পহনাএ মালা পহনাএ
স্বাগত মে দ্বীপ জ্বালএ।
এসে দ্বীপ জ্বলাএ
আজ আঙ্গন মে অপনে
পুৰী হৌ গই হে, হম সবকে সপনে
মিলকে খুশীয়া মনাএ
মনাএ খুশীয়া মনাএ।
বিন আপকে থী
সুনী য়ে সাৰী বতিয়া

আপ আয়ে তৌ, খিল উঠী য়ে
মিলকে হম গীত গাএ
গাএ, গীত গাএ
স্বাগত মে দ্বীপ জ্বলাএ

## মাতৃমন্দিৰ (আশ্ৰম) গীত (হিন্দী)

হম আএ হে দিয়া জ্বালকে
মাতৃ মন্দিৰৌ সে
ডৰনা নহী হে, ইন কালৌ সে
কৰ্ম্ম হমেশা কৰনা হে।।
হম সাহাৰা আশা ঢুঢ়ে
মন্দিৰৌ কে দ্বাৰ মে
অল্লাকে অস্তিত্ব পৰা
বিশ্বাসৌ কৌ জৌড় কে
হম হে শিখ, হম হে ইসাই
অস্তিত্ব মেৰা কৰ্ম হে।।
আসমানৌ সে বাতে কৰনা
য়েহী হমাৰা লক্ষ্য হে
ভৰণ পৌষণ কী আশা কৰনা
মন্দিৰ হমাৰা মাতৃ হে
দৰ্দভৰী উঁচী আবাজৌ কী
আৰতি কী উতাৰৌ সে
হম আয়ে হে –

## অসমীয়া লোকসঙ্গীত

### মণিকোঁৱৰ-ফুলকোঁৱৰ গীত

শঙ্কৰদেউ ৰজাৰ পুতেক মণিকোঁৱৰ
কোলাত খতিখন নাই,
এবেলা দোলাতে এবেলা ঘোৰাতে
এবেলা খেলি খেলায়।।
খেলি খেলাই ৰঙকে নাপালে
ঘিলা খেলিবলৈ গ'ল,
খেলা খেলিয়ে ৰঙকে নাপালে
নইত গা ধুবলৈ গ'ল।
ৰৈয়া শামুকৰ তৈয়া,
মোৰ জানো থানুৱা
কেনিও নাপাবা
স্বপ্নত দেখিছো বেয়া .....।

### লালুঙৰ গীত (লোকগীত)

আজি যাওঁ বৰতক কালি যাঁও বৰতক
বৰতক ঢেপেলা পাত
বৰতক যাওঁতে চোৰাতে ডাকিলে
বিহা নাইকিয়া গাত
বৰত গাই আহিলে বৰতৰ গাভৰু
দিলে বাটত ডেকাই ভেটা
ডেকাহঁতৰ দুচকুত দেওমায়া লাগিলে
নেপালে গাভৰুক দেখা
পাহাৰৰ বুকতে আজাৰ ফুল ফুলিলে
বৰত পূজাত নাচিলে দেও

আমি যে আহিলো বৰতৰ পূজলৈ
মাতোঁতা নহলে কেও।।

## জিকিৰ

এঘাৰশ দুকুৰি নবীচন হিজিৰি
আকৌ পাঁচ বছৰ যায়।
চাহ মিলনে এই জিকিৰ কৰিলে
কোৰাণ কিতাবত পাই।
মমিনে মনিনে চেনেহা চেনেহী
চকুৰে চকুৰে বেথা।
নপঢ়া ফকিৰে কবলৈ ধৰিছে
আদি কালামৰ কথা। (........)

## দেহবিচাৰৰ গীত/ টোকাৰী গীত

যেতিয়া বিৰখে দুই পাত মেলিলে
তললৈ মেলিলে শিয়া
সেই গছে জুপি খোজে মহাদেৱে
টোকাৰী সজোঁগে দিয়া।।
মহাদেউ গোঁসায়ে টোকাৰী সাজিলে
বাটে পাৰেবতী গুণা।।
ইঙলা পিঙলা চিত্ৰা সুষম্না
এই চাৰিগুচি গুণা।
ৰেবাবে চেবাবে দুখনি টোকাৰী
আহিল ভাৰস্তলৈ নামি
এখনি গ'লগৈ পগলাৰ সঙ্গলৈ
এখনি ভাৰস্ত থাকি।।
ছাঙৰ ভাঙত্ৰ এমুঠি নমাই আন পাৰ্বতী

আঠিয়া কলেৰে খাওঁ।

কৈলাসৰ টোকাৰী নমাই আন পাৰ্বতী

ভিক্ষা মাগিবলৈ যাওঁ।। (......)

## বড়োগীত

বাগুৰুম্বা হাই বাগুৰুম্বা

জাত নগাবইলা খোল নগাবইলা

থাম্বৰম হমনান্নিই

বমনান্নিই লাগমনখা,

থুৰি বাৰীনি লাই ডাওসেন্

জংনী লাংবা লেইডেজেন

গও্চও, হওচও্, হওচৰ মৌওচাদেই।।

বইডেমলেই চিডমলেই মাওচাড়েই

হায় মৌওচাডেই, হায় মৌচতাডেই

ডাও জিৰি জিৰি সমো খিংখিৰি

সৌনানি জিনজিৰি হায় জিনজিৰি হায়

জিনজিৰি।

বাগৰুম্বা ........

## মহো হো গীত

অ হৰি মহো হো

ম'হ খেইদবা টাকান লো।

মহে বুলে মইল্লুৰে

টোপোলা পুৰা খাইলুৰে

টোপোলাত নহাল নুণ

চাউল কৰে দুণ দুণ

চাউল নেদি দিলাক কড়ি
এনথোৰ ঘৰ লৰি চৰি
লৰি চৰি যাওঁতে,
সোণাৰ নাঙাল বাঁওতে
সোণাৰ নাঙাল ৰূপাৰ ফাল
ঘৰচীয়া বৈটাই বৰে হাল,
হাল দিলু সীৰালে
মৈ দিলু পাটে,
মহ'ৰ মাকোক পাৰ কৈল্লু
বুঢ়াদিয়াৰ ঘাটে।

## পুৰুযোত্তম দাস ৰচিত গীত
## (ৰঙালী বিহুৰ পতাকা উত্তোলনৰ গীত)

শ্ৰীময় অসমীৰ শীতল বুকুত উঠে
উচবৰ মধু আলোড়ন।
জাগে গম্ভীৰ গিৰবৰ, প্ৰান্তৰ মনোহৰ,
সুন্দৰ বন উপবন
ভেদাভেদ পৰি হৰি, ক'ত, জাতি-উপজাতি
মহাপীঠ কৰে নিৰ্মাণ,
উলাহ অধীৰ ছন্দে, কৌটি কৌটি কণ্ঠে,
গায় সবে মিলনৰ গান।
সৰগৰ ৰহঘৰা ৰূপে ৰসে ৰঙে ভৰা
উচ্ছল য'ত প্ৰাণ মন,
সৃষ্টিৰ সুৰ বাজে

প্ৰীতিৰ পতাকা উৰে
নতুনৰ লৈ আবাহন।।

## অম্বিকাগিৰি ৰায়চৌধুৰী বিৰচিত গীত

আজি বন্দো কি ছন্দেৰে
সমাগত বিৰাট নৰ নাৰায়ণ ৰূপ, নৰ নাৰায়ণ ৰূপ।
পঙ্কিল পৰাধীন কুণ্ঠিত চিতমন
নাই ফুল চন্দন ধূপ।
দূৰ দ্বাপৰত শুনিছোঁ পাণ্ডবে জয়
কৰি সপ্ত ধৰিত্ৰী
যজ্ঞ ৰাজসূয় কৰিলে সমাপন, সম্ৰাট হৈ একছত্ৰী
দেশ দেশ জুৰি লাখ লাখ ভূপতিয়ে
গালে আহি মূৰ্ত্ত গায়ত্ৰী
আজি দাসত্ব বন্ধন ৰুধিত কণ্ঠত
নফুটে ৰাগিনী অনুৰূপ।।
গণ মুক্তিত নাই যজ্ঞ ৰাজসূয়
নাই ৰজা নৰপতি বৰ্গ
কলুষিত কলি বুলি পাঞ্চজন্য ধাৰী,
নাহে লব ভকতিৰ অৰ্ঘ।।
সেই নাৰায়ণ আজি জাগে নৰৰূপে
মোহাৰি বাধা উপসৰ্গ
আজি জনসূয়ৰে হ'ব
যজ্ঞ উদযাপন, আলোড়ি নিখিল ভুৱ
আজি বন্দো—

## পাৰ্বতী প্ৰসাদৰ গীত

গৰখীয়া হেৰ গৰখীয়া
কি সুৰ বজালি, দুপৰীয়া
পথাৰৰ মাজতে আঁহতৰ তলতে
ম'হৰ শিংৰ পেঁপাটি বায়।
দুপৰত আকাশত কি সুৰ মেলিলি
জগত নিজন কৰি যায় গৰখীয়া।
আঁহতৰ পাততে লাগিছে সুৰ
বতাহ বলিহে জুঁৰ জুঁৰ জুঁৰ
সুৰৰ ধ্বনি শুনি কলিজাত কপনি
ৰঙত ঘনে ঘনে লাগে
কোনোবা কাহিনীত ল'ৰালিৰ কাহিনী
মনত মনে মনে জাগে গৰখীয়া।

## লক্ষ্মীনাথ বেজবৰুৱাৰ গীত ঃ (টোকাৰী)

প্ৰেম প্ৰেম বুলি জগতে ঘূৰিলো
ঘৰতে আছিলে প্ৰেম
ধনে ধনে কৰি ঢাপলি মেলিলো
হিয়াতেই পৰম ধন হে।।
গুৰু শংকৰ .....
গঙ্গা, যমুনা স্নানিলো যতনে
গয়া, কাশী, তীৰ্থ গৈলো,
হিয়াৰ ঈশ্বৰ হিয়াতেই আছিল
কৰবাত বিচাৰি মৈলোহে।। গুৰু শংকৰ .......
প্ৰকৃত ধৰম বিচাৰি খুচাৰি

বিদেশে বগালো দুখে হে, গুৰু শংকৰ .....
নিজৰ দেশৰ নিৰ্মল ধৰম
নামঘৰৰ দুৱাৰ মুখেহে, গুৰু শংকৰ।
মোক গুৰু লাগে মই শিক্ষিত শিষ্য
জগতক জাননী দিলো
জগতৰে গুৰু শ্ৰীশংকৰ ঘৰতেই
অন্ধলাই নেদেখিলোহে, গুৰু শংকৰ! গুৰু শংকৰ!

### ড° ভূপেন হাজৰিকাৰ গীত

অসম আমাৰ ৰূপহী
গুণৰো নাই শেষ
ভাৰতৰে পূৰ্ব দিশৰ
সূৰ্য্য উঠা দেশ।
গোটেই জীৱন বিচাৰিলেও
অলেখ দিবস ৰাতি
অসম দেশৰ দৰে নেপাওঁ
ইমান ৰসাল মাটি
অ' চিৰ বিনন্দীয়া তোমাৰ
সেইজ পৰিবেশ
ভাৰতৰে পূৰ্ব দিশৰ
সূৰ্য্য উঠা দেশ।।

### কণমানিহঁতৰ নিচুকণি গীত

হুৰ হুৰ বতা চৰাই
মোৰ ধান নাখাবি
তোক দিম গোটা কৰাই

ধানো খাম
পতানো খাম
তোক বিয়া কৰি
ঘৰলৈ যাম।।

## কণমানিহঁতৰ গীত

কথা সুৰ ঃ জ্যোতিপ্ৰসাদ আগৰবালা

গছে গছে পাতি দিলে
ফুলৰে শৰাই
ৰাম ৰাম
ফুলৰে শৰাই ২

কলীয়া ভোমোৰা গুঞ্জৰি আহে
গোন্ধকে ধিয়াই ৰাম ৰাম
কোনে গোলাপী সখিক
এনে হাঁহি দিলে
ৰূপতে ৰঙে চৰাই
ওৰণি তলতে পৰিমল ৰেণু
উৰুৱাই পবনে দিলে বিলাই।।

## কণমানিহঁতৰ গীত

বিলতে হালিছে ধুনীয়া পদুমী
ফুলনিত ফুলিছে ফুল,
সেই ফুলে ফুলে পখিলা উৰিছে
সানিছে ৰেণুৰে বোল।

গছৰে ডালতে গাইছে কুলিয়ে

কুউ কুউ কৈ
দূৰ দূৰণিতে জুৰিটি নাচিছে
জিৰি জিৰি জিৰি জিৰি কৈ
নিজান বননিতে কেতেকী চৰায়ে,
সুঁহুৰি মাৰিছে বৈ।।

## বিহুগীত

**কথা ঃ নিৰ্মলপ্ৰভা বৰদলৈ**

আঁগলি বাহৰে লাহৰি গগণা
বহি তাঁতৰ পাতত বাওঁ
আহে কি নাহে ঐ মোৰেনো চেনাই ঐ
চিৰিপাটি মঙ্গলখন চাঁও
তইযে কলীয়া অ' আইতা
কেঁচা সোণ বৰষে
অলীয়া বলীয়া অ' আইতা কেঁচা সোণ বৰষে
মোকে কৰি গালি বাউল আইতা
জিলমিল কৰে ঐ আইতা
মুকুতা জ্বলে অ' আইতা
কেঁচা সোণ বৰষে তাত
কাণফুলি বেজাৰত কান্দে কি সৰু মাই২
কান্দে কি সৰু মই
গামখাৰু নিদিলে বুলি কি সৰু মাই
গামখাৰু নিদিলে বুলি
মাকৰ আগতে কান্দে কি সৰু মাই
কান্দে কি সৰু মাই
চকীলৈ নিদিলে বুলি কি সৰু মই

চকীলৈ নিদিলে বুলি
উজাই চালো মই ঐ
ভটিয়াই চলো মই
তোমাৰ মান শুবনি নাই
দেৱে ঐ মাৰিব মণিষে মাৰিব
তোমাক ধন অকলে পাই
এ লিলাই বহে তাঁতৰ পাতত
লিলাৰ চকু আলি বাটত২
লিলাৰ মাকু সৰি সৰি পৰে
কুলি তামোলৰে পুলি মোৰ আইজনী
অ কুলি তামোলৰে
পুলি মোৰ আইজনী
অ' কুলি তামোলৰে পুলি
খোপা ডাঙি ডাঙি বান্ধিছা আইজনী
অ' গৰাকী লাগকহি
বুলি মোৰ আইজনী
অ' গৰাকী লাগকহি বুলি২
জাৰণি মাজৰে জৰা মোৰ আইজনী
অ' জাৰণি মাজৰে
জৰা মোৰ আইজনী
অ' জাৰণিৰ মাজৰে জৰা
দীঘলকৈ ওৰণি নলবা আইজনী
অ' আগৰে চিনাকী
দৰা মোৰ আইজনী
অ' আগৰে চিনাকী দৰা

## কণমানিহঁতৰ গীত

কথা ঃ ড° ভূপেন হাজৰিক

পাচলি বাগিচা সৰু বাগিচা
মোৰ সৰু বাগিছা জানো দেখিছা ?
তাত মই ৰুইছোঁ পাচলি ইমান
সৰিয়হ ফুলবোৰ
ফুলিছে কিমান ।।
সৰু সৰু কোৰেৰে নিজে কোৰ মাৰোঁ
সৰু সৰু খন্তিৰে নিজে চাফ কৰোঁ
আবেলি পাচলিত দিওঁ মই পানী
মটৰৰ কলিবোৰ খাওঁ চিঙি আনি ।।
কবি মূলা, উৰহী, শাক, লফা, লাই
পুৱাতেই ছিঙো মই
খৰাহী ভৰাই
বজাৰত পাচলি বহু বেচা হয়,
মোৰ বাগিচাৰ দৰে সোৱাদ নহয় ।।

## ভূপেন হাজৰিকাৰ গীত

কথা সুৰ ঃ ড° ভূপেন হাজৰিকা

মানুহে মানুহৰ বাবে
যদিহে অকনো নাভাবে
অকণি সহানুভূতিৰে
ভাবিব কোনেনো কোৱা ? সমনীয়া
মানুহে মানুহক বেচিব খুজি
মানুহে মানুহক কিনিব খুজি

পুৰণি ইতিহাস দোহাৰিলে
ভুল জানো নহ'ব কোৱা ? সমনীয়া
দুৰ্বল মানুহে যদি
জীৱনৰ কোবাল নদী
পাৰ হয় তোমাৰে সাহত
তুমি হেৰুৱাবানো কি ?
মানুহ যদিহে নহয় মানুহ
দানৱ কাহানিও নহয় মানুহ
যদি দানৱ কাহানিবা হয়েই মানুহ
লাজ পাব কোনেনো কোৱা ?

## কামৰূপী লোকগীত

গায়িকা ঃ স্নেহলতা দাস

কোন কন্যা কান্দে ঘাটে
বিলাপ কৰীয়া
অত দিনে পতি ধন মোৰ
নাহিল যে ঘূৰিয়া ।।
নদীৰ তীৰে বহি কন্যা
আছে বাট চাই
আজি কিয় পতি ধন মোৰ
নাহিল যে দুনাই ।।
বণিজ কৰি সাউদে মোৰ
ঘনে আহি যাই
আজি কিয় পতি ধন মোৰ
নাহিল যে দুনাই ।।

## গোৱালপৰীয়া লোকগীত

বাৰ মাসে তেৰ ফুল ফুটে
বছৰে ফুটে হলা চৈ
নাযায়ো যমুনা জলে
তোমৰা নায়ায়ো নায়ায়ো
নায়ায়ো সৈ হে
ঔ না যমুনাৰ জ্বলে।।
যি ঘাটে ভৰিব আৰু জল
সেই ঘাটে কান্থাই আসৈ
নায়ায়ো যমুনা জ্বলে।।

নন্দেৰ বেটা চিকুন আৰু কালা
কালা বাজায় মোহন বাঁশী সৈ
নায়ায়ো যমুনাৰ জ্বলে।।

## ৰবীন্দ্ৰ সংগীত

কথা ঃ ৰবীন্দ্ৰনাথ ঠাকুৰ

যদি তোৰ ডাক শুনে কেও না আছে, তবে একলা চলো ৰে
একলা চলো, একলা চলো, একলা চলো, একলা চলো ৰে
যদি কেও কথা না কয়, অ্ৰে অ্ৰে ও অভাগা কেও কথা না কয়
যদি সবাই থাকে মুখ ফিৰায়ে সবাই কৰে ভয়
তবে পৰাণ খোলে, অ তুই, মুখ ফুটে তোৰ মনেৰ কথা
একলা বল্ ৰে।।
যদি শবাই ফিৰে যায়, অৰে্ অৰে্ অ অভাগা সবাই ফিৰেযায়
যদি গহন পথে যাবাৰ কালে কেও ফিৰে না চায়
তোবে পথেৰ কাঁটা, অ তুই

ৰক্তমাখা চৰণতলে একলা ডলো ৰে।।

## ঝুমুৰ (ঝুমই)

প্ৰথম বন্দন কৰি সৰস্বতীক
মাতি বুলি
আখৰা বন্দন ব্ৰজলক্ষী
মদন ঝুমুৰ লাগল ভাৰী
কৰম লিখিল দয়া
চাহাকেবাগানকে ছায়া
হায়ৰে প্ৰাণ দয়া
চাহাকে বাগন হৰিয়াৰা
হামোৰ জীৱত জীন গণিকে চাহাৰা
মৰ গইলে ছোৰিয়াব
তবু নাহি বিচাৰাই পাব
হায়ৰে প্ৰাণ দয়া
চাহাকে বাগান হাৰিয়াৰা
হোমোৰ জীৱত জীন গণিকে চাহাৰা
আমাৰকে চাহ বাগানে
হৈল হামদেৰ প্ৰাণ (হায়, হায়)
জীৱন গেইল যাতে দিব
ৰাগৰ সন্মান।।

## লক্ষ্মীৰাম বৰুৱা

পুৰণি বীণাৰে তাঁৰ
ছিগিছিলে যি আমাৰ
দুনাই বান্ধিছোঁ আই

বজোৱাঁহি এটি বাৰ
ছিঙি ভাঙি একাকাৰ
তাহিনিখনৰে তাঁৰ
অভাজনে বান্ধি লই
সপিলোঁ বীণা তোমাৰ।
তোমাৰেহে বীণা তাঁৰ
বাজিলে দেৱী এবাৰ
ফুলিব সঙ্গীত ফুল
দেশজুৰি অসমৰ।।
সঙ্গীতৰ মধুমাত
ধীৰে উঠি আকাশত
ইন্দ্রপুৰি জুৰি লই
হ'ব প্রতিধ্বনি তাৰ
সুমধুৰ গীতধ্বনি
গন্ধৰ্ব কিন্নৰে শুনি
উলাহে ধৰিব তান
লগে লগে মৰতৰ।।

## আনন্দিৰাম দাসৰ গীত

তুমি নুশুনা গানৰ
শুনালা অমিয়া জুৰ
ক'লা গানে গানে গানৰ সুৰেৰে
তুমি মোৰ, তুমি মোৰ
শুনালা অমিয়া সুৰ।।
পুৰতি আনিলা মৃদু সমীৰণ

সূৰুয়ৰ সানিলা সোণালী কিৰণ
ফুলালা হিয়াত প্ৰেমৰ সুৰভি
আছিলে তন্দ্ৰা বিভোৰ
শুনালা অমিয়া সুৰ।।
সন্ধিয়াৰ আনিলা দুৰণিৰ মলয়া
জীৱনত ঢালিলা জীৱনৰ অমিয়া
নিশা ধৰণী অকলশৰীয়া
কম্পিত মোৰ শঙ্কিত হিয়া
হিয়ালৈ আনি ল'লা আকোৱালি
কৰি শঙ্কা হিয়াৰে দূৰ।

## ভূপেন হাজৰিকা গীত

## কঁহুৱা বন

কঁহুৱা বন মোৰ অশান্ত মন
আলফুল হাতেৰে লোৱা সাবটি
এটি এটি ক্ষণ যেন মুকুতাৰে ধন
এনেই হেৰুবালে নাহে উভটি।।

নীলা আকাশৰ একোটি তৰা
হঠাৎ খহি সাবটি ধৰা
জিকমিক আন্ধাৰৰ, নিমাত ৰাতি
এটি২ ক্ষণ যেন
এটি২ পল
এনেয়ে হেৰুৱালে নাহে উভটি।।

পুবতি নিশাৰ সপোন দেখি
দেখিও নেদেখিলো
সেই ক্ষণটি

অনন্ত সময়ৰ সাগৰ খনিত
চঞ্চল কোলাহলে ভাগে ঘুমটি
অ' বলীয়া মন।
কিয় উচাতন
কালিৰ সূৰুয়ে আনি দিব পুবাটি।।

## হেমন্ত গোস্বামী

**কথা ঃ হেমন্ত গোস্বামী**

ৰিমঝিম ঝিম বৰষুণ পৰিছিল
মাজে মাজে বিজুলীয়ে নাচিছিল
এনেহেন লাগিছিল যেন ময়ো এটি
সুৰ হৈ তাতে মিলি যাম।
ডাৱৰে ডাৱৰে আকাশ ভৰিছিল
বতহে বতাহে আলোড়ন জাগিছিল
এনেহেন লাগিছিল যেন ময়ো এটি
সুৰ হৈ তাতে মিলি যাম।
বৃষ্টিমুখৰ হ'ল সন্ধ্যা ধূসৰ
ধুই নিলে অৱসাদ উদাসী মনৰ
প্ৰাণে প্ৰাণে দীপক জ্বলিছিল
ছন্দে ছন্দে তাৰ শিখা কঁপিছিল
এনেহেন লাগিছিল যেন ময়ো এটি
গীত হৈ তাতে মিলি যাম।।

## জ্যোতিপ্ৰসাদ আগৰবালাৰ গীত

সেউজীয়া সেউজীয়া
লানিকৈ ৰুলে ঐ
গছৰ শাৰী

সেউজী গছতে সোণৰ গুটি
সেউজী গছতে সোণৰ গুটি লাগে
হীৰা ফুলে মাৰে পোহৰ ছাটি,
সেউজী গছতে সোণৰ গুটি।।
ভাটি দেশৰ কুলি ছোৱালী অ'
টুকুৰি ভৰাবি কোমল পাতে
ভাগৰি জিৰাবি বিৰিখৰ ছাঁতে
আঙুলি বুলাবি পাতে পাতে
খৰকৈ বুলাবি অ'

লাখো লাখ টকাৰে মোকে নাতে
খৰকৈ আগুলি পাতে পাতে
চাহৰে বাগিছা, নহয় মোৰ দেউতা
ৰূপৰে বাগিছা আছে ফুলি
সেউজী গছতে সোণৰ গুটি।।

## ৰবীন্দ্ৰ নাথ ঠাকুৰ

## ৰাষ্ট্ৰীয় গীত

জনগন মন অধিনায়ক জয় হে
ভাৰত ভাগ্য বিধাতা।
পঞ্জাব সিন্ধ গুজৰাট মাৰাঠা
দ্ৰাবিড় উৎকল বঙ্গ।
বিন্ধ্য হিমাচল যমুনা গঙ্গা
উচ্ছল জলধিতৰঙ্গ।
তব শুভ নামে জাগে

তব শুব আশিষ মাগে।

গাহে তব জয় গাথা।

জনগণ মঙ্গল দায়ক,

জয়হে ভাৰত ভাগ্য বিধাতা।

জয়হে, জয়হে, জয়হে

জয় জয় জয় জয় হে।।

## বৰ গীত

## শুন শুনৰে, সুৰ বৈৰী প্ৰমাণ

**কথা ঃ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ**

ধ্ৰুং

শুন শুনৰে, সুৰ বৈৰী প্ৰমাণা নিশাচৰ নাশ নিদানা।

ৰাম নাম যম সমৰক সজিয়ে

সমদলে কয়লি পয়ানা।।

পদ- ঠাট প্ৰকট পটু কোটি কোটি কপি,

গিৰি গৰ গঢ় পদ ঘাৱে।

বাৰীধি তিৰ তৰি, কৰে গুৰুতৰ গিৰি

ধৰি ধৰি সমৰক ধাৱে।।

হাট ঘাট বহু বাট বিয়পি , চৌগঢ়ে বেঢ়লি লংকা।

গুৰু ঘন ঘন ঘোষ ঘৰিষণ গৰ্জন, শ্ৰৱণে জনময় শংকা।।

ধীৰ বীৰ শূৰ শেখৰ ৰাঘৱ, ৰাৱণ তুৱা পৰি ঝাম্পে।

সুৰ নৰ কিন্নৰ ফণধৰ থৰথৰ, মহীধৰ তৰসি প্ৰকম্পে।।

অন্ধ মুগুধ দশস্কন্ধ পাপ বুধ, জানকী শিৰত চৰাই।।

ৰঘুপতি পদ বৰ ধৰ ৰজনীচৰ, শংকৰ কহতু উপাই।।

(মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিৰচিত বৰগীত)

## তোৰে মোৰে আলোকৰে যাত্ৰা

*জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীত*

তোৰে মোৰে আলোকৰে যাত্ৰা
অব্যৰ্থ অব্যৰ্থ
আমি পালো জীৱনৰ অৰ্থ অভিনৱ
স্বাগত স্বাগত সতীৰ্থ।
সেউজীয়া জীৱনৰে জাগৃতি ছন্দ
আহে আহে
জনতাৰ অন্তৰে অন্তৰে
আলোক বসন্ত হাঁহে হাঁহে
প্ৰচাৰিত অৰুণবাণী।
আগবাঢ়ে, যুগাগ্ৰগামী তৰুণ সেনানী
আজি সমৃদ্ধ বেগে
জাগে জাগে বিপ্লৱী প্ৰাণ
মুখৰিত দিশে দিশে অগনি গান।

## অ'গুৰু মোৰ শংকৰ

*বিষ্ণুপ্ৰসাদ ৰাভাৰ গীত*

অ' গুৰু মোৰ শংকৰ
তৰিবৰ এ কিনো উপায়।
অ' গুৰু অ'—
ভাটিলৈ যাবলৈ শ্ৰীশংকৰ গুৰু অ'
বালিতে বান্ধিলা পঁজা, হে ৰাম ৰাম,

ছকুৰি ভকতে চাপৰি ধৰিছে
আপুনি লগাইছে ঘোষা, হে ৰাম ৰাম
আপুনি লগাইছে ঘোষা
অ' গুৰু অ'
নাও শিমলুৱা, ব'ঠা শিমলুৱা অ'
আৰু শিমলুৱা চৈ, হে ৰাম ৰাম
আৰু শিমলুৱা চৈ।
চৈৰে ভিতৰে গুৰুজন বহিছে
ছকুৰি ভকতক লৈ হে ৰাম ৰাম
ছকুৰি ভকতক লৈ
অ' গুৰু অ'
সেই নাওখনিতে শিলে ভৰা দিলা
অ' নাও বুৰোঁ বুৰোঁ কৰে, হে ৰাম ৰাম
নাও বুৰো বুৰো কৰে
নাও বুৰা দেখি শ্ৰীশংকৰ গুৰু
আপুনি কান্ধ পাতি ধৰে, অ' গুৰু
আপুনি কান্ধ ধৰে।
অ' গুৰু অ'
মাজ সাগৰতে একোডাল বিৰিখ অ'
তাতে নানান পখীৰ ছায়া হে ৰাম ৰাম
ৰজনী পুৱালে দশোদিশে গ'লে
এৰিলে বিৰিখৰ মায়া, হে ৰাম ৰাম
এৰিলে বিৰিখৰ মায়া।
অ'গুৰু মোৰ শংকৰ।

## লুইতৰ চাপৰিত ক'ৰে নাৱৰীয়া

*কথা ঃ ড° ভূপেন হাজৰিকা*

লুইতৰ চাপৰিত ক'ৰে নাৱৰীয়া
বালিত ভাতে ৰান্ধি খায়
সাউদৰ ডিঙৰা বগা পালে তৰা
উজনি দেশলৈ যায়।
হেৰ' নাৱৰীয়া মেলি দে ডিঙৰা
তৰি দে শুকুলা পাল
পশ্চিমৰ দিশৰে পচোৱা আহিছে
বতাহ্ বলিছে ভাল।
পালতে লাগিব পশ্চিমৰ পচোৱা
তুলবুল কৰিব নাও
ঢৌউ চেৱে চৱে নামে লগাই দিবি
হালিব জালিব গাৱ।।

## অসমৰ জাতীয় সংগীত

## অ' মোৰ আপোনৰ দেশ

*লক্ষ্মীনাথ বেজবৰুৱা*

অ' মোৰ আপোনাৰ দেশ
অ' মোৰ চিকুণি দেশ
এনেখন শুৱলা,
এনেখন সুফলা
এনেখন মৰমৰ দেশ।।

অ' মোৰ সুৰীয়া মাত
অসমৰ সুৱদি মাত
পৃথিৱীৰ ক'তো
বিচাৰি জনমটো
নোপোৱা কৰিলেও পাত।।

অ'মোৰ ওপজা ঠাই।
অ'মোৰ অসমী আই।
চাই লওঁ তোমাৰ
মুখনি এবাৰ
হেঁপাহ মোৰ পলোৱা নাই।।

## গৰখীয়া হেৰ গৰখীয়া

***কথা ঃ পাৰ্বতী প্ৰসাদ বৰুৱা***

গৰখীয়া হেৰৌ গৰখীয়া
কি সুৰ বজালি দুপৰীয়া
পথাৰৰ মাজতেআহঁতৰ তলতে
ম'হৰ শিংৰ পেঁপাটি বাই
দুপৰৰ আকাশত কি সুৰ মেলিলি
জগত নিজন কৰি যায়
গৰখীয়াহে কি সুৰ বজালি দুপৰীয়া।
আঁহতৰ পাততে লাগিছে সুৰ
বতাহ লাগিছে জুঁৰ জুঁৰ জুঁৰ।
সুৰৰ ধ্বনি শুনি কলিজাত কঁপনি
ৰঙত ঘনে ঘনে লাগে

কোনোবা কাহানিত ল'ৰালিৰ কাহিনী
মনত মনে মনে জাগে, গৰখীয়া
কি সুৰ বজালি দুপৰীয়া।

## মোৰ জীৱনৰে সখা কৃষ্ণ

*কথা ঃ জ্যোতিপ্ৰসাদ আগৰৱালা*

মোৰে জীৱনৰে সখা কৃষ্ণ
বজাৱ কি সুৰে বেণু ?
কপালতে তোৰ কোনে আঁকি দিলে ইন্দ্ৰধনু
ইন্দ্ৰধনু।
পুঁৱতি নিয়ৰে, সানে চৰণতে
শুকুলা মুকুতাৰ ৰেণু
শ্যামল গাতে কোনে
চন্দন পিন্ধালে ?
অ' তোৰ ফুল কুমলীয়া তনু
বজাৱ সোণৰে বেণু কৃষ্ণ তই
বজাৱ সোণৰে বেণু।
সুৰৰে জিঞ্জিৰি পিন্ধালি মোক
সুৰৰে জিঞ্জিৰি।

## বিশ্বৰ ছন্দে ছন্দে মহানন্দে

*বিষ্ণুৰাভাৰ গীত*

বিশ্বৰ ছন্দে
ছন্দে মহানন্দে
আনন্দে নাচা

নাচা তমোহৰ দেউ নাচা।
বন্দে বন্দে,
আজি সব
ভকত বৃন্দে বন্দে
তব চৰণ কমল
বন্দে।
জ্বলোৱা সাগ্নিক
তপো হোম বহ্নি,
বিনাশক এন্ধাৰ
তব জয়ী অগ্নি।
বিশ্বৰে দেউলত
জ্ঞানৰে বন্তিৰ
আলোকৰে শিখা
উঠক নাচি
অজ্ঞান এন্ধাৰ বিনাশি,
পুলকানন্দে ....।
নাচোনৰ তালে তালে
পুষ্পিত বননি,
ছেৱে ছেৱে হালেজালে
বিকশিত ফুলনি
আমোলমোল কৰে
শুৱনি ধৰণী
পুষ্পিত সুবাসিত
গন্ধে বন্দে আজি ...।

## মোৰে ভাৰতৰে মোৰে সপোনৰে

*জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীত*

মোৰে ভাৰতৰে
মোৰে সপোনৰে
চিৰ সুন্দৰ সংস্কৃতি।
সেউজীয়া মনতে,
বিকশি প্ৰকাশি উঠা
নৱজন জীৱনৰে অভিনৱ জ্যোতি।
আজি শিল্পী মনৰ প্ৰণতি
আজি শিল্পী প্ৰাণৰ ভকতি
জয়-অজেয় আলোকময় বিশ্বৰূপী
অনন্ত বিজয়ী
জনগণ মন মুকুতি
প্ৰণতি প্ৰণতি।

## পৰজনমৰ শুভ লগনত

*বিষ্ণুপ্ৰসাদ ৰাভাৰ গীত*

পৰজনমৰ শুভ লগনত
যদিহে আমাৰ হয় দেখা।
পুৰাবানে প্ৰিয়ে এই জনমত
মোৰ হিয়াৰ অপূৰ্ণ আশা,
এই জনমৰ কুসুম মালা
যতনে তুমি গাঁঠি ৰাখিলা
কাহানিও তুমি নিপিন্ধিলা।
শূন্য মোৰ বুকুৰ হ'ল যে উকা।
এই জীৱনৰ আঁউসী ৰাতি

চকুলো টুকি যায় যে কাতি
কাহানিও সুখৰ ৰূপহী জোনাক
হৃদয়তে জিলিকনি নিবিলায়।
এই জনমৰ গোপন কথা
গুপুতে থাকি দিয়ে যে বেথা
কাহানিও তুমি নেদেখিলা
শোকৰে ছবিটি হিয়াত আঁকা।
পূৰাবানে প্ৰিয়ে ...

## সেউজী সেউজী সেউজী অ'

*জ্যোতিপ্ৰসাদ আগৰৱালা*

সেউজী সেউজী সেউজী অ'
সেউজী ধৰণী ধুনীয়া।
সোণোৱালী শস্যৰ
পথাৰ কোলাত শোভে
ৰ'দালিৰে ফুল-ফল
সেন্দুৰীয়া।
আমাৰ চকুলোৰে
পানী দি জীয়ালোঁ
মাণিকী মধুৰি ধান,
তোমালৈ আনিছোঁ
জগতৰে শইচ
এৰা নিমাতী মান।

## জোনাকী কাৰেঙত কোনে বীণ বায়

*জ্যোতিপ্ৰসাদ আগৰৱালা*

জোনাকী কাৰেঙত কোনে বীণ বায় ?
পোহৰে পোহৰে হাঁহি বিলায়।
অ' জোনাকী কাৰেঙত ...
আমাৰে নিমাতীৰ কোনে মাত ফুটাব
ওঁঠতে হাঁহিটি দিব বুলাই।
অ' জোনাকী কাৰেঙত ...
আমাৰ নিমাতীজনী
নীল সাগৰৰ হীৰামণি
অৰুণৰ হাঁহিৰে মুখনি বোলোৱা।
আলাসৰ প্ৰতিমাখনি।
হাঁহো হাঁহোঁকৈ
চকুদুপাহিয়ে হঁহা নাই অতদিনে।
মাতো মাতোঁকৈ
ওঁঠ দুখনিয়ে
অমাতেৰে মন জিনে।
ধিয়ানে-গিয়ানে সচিতে-সপোনে,
কাকনো বিচাৰে কাকনো চায় ?
বীণখনি বায়,
কোনেনো দিবহি হাঁহি ফুলাই
নিমাতী কইনাৰ মাত ফুটা নাই
অ'মাত ফুটা নাই
জোনাকী কাৰেঙত কোনে বীণ বায় ?

## নিচলা আইৰে আমি খাটি অসমীয়া

*বিষ্ণুপ্ৰসাদ ৰাভাৰ গীত*

নিচলা আইৰে
আমি খাটি অসমীয়া
অসমী আইৰে আমি
ছোৱালী ধুনীয়া
ধৰণী শুৱাই থকা
অতি মোহনীয়া।
খোপাত কপৌ ফুল
হাতত জেতুকাৰ বোল
মুখত কিহৰ বোল
সজোৱা বোলোৱা
বিজ্ঞানৰ প্ৰজ্ঞান লৈ
আগবাঢ়ি যোৱা।
কবিতাৰে মোহচন্দ
পাহৰি পেলোৱা
বিলাসিনীৰ বেশ ধৰি
আগনি জ্বলোৱা অ' জ্বলোৱা
বিজ্ঞান প্ৰজ্ঞান লৈ
আগবাঢ়ি যোৱা।।

## সুৰৰে দেউলৰে ৰূপৰে শিকলি

*বিষ্ণুপ্ৰসাদ ৰাভাৰ গী*

সুৰৰে দেউলৰে
ৰূপৰে শিকলি

ভাঙি দিলি খুলি
দুৱাৰ সোণোৱালী
পূজাৰী অ'
সুন্দৰৰ পূজাৰী।
যাউতিযুগীয়া
বৰগীত অমিয়া
বনগীত সুৰীয়া
গোৱা অসমীয়া
প্ৰাণ মন ভৰি
পূজাৰী অ'
সুন্দৰৰ পূজাৰী।
তোৰে পৰশতে
প্ৰাণৰে হৰষে
তিয়াগি শুকুতি
পায় ঐ মুকুতি
ৰাগৰে মূৰতি
উটি ভাঁহি ফুৰে উৰি
পূজাৰী অ'
সুন্দৰৰ পূজাৰী।
শংখ বজোৱা
বৰকাঁহ বজোৱা
আৰতি লগোৱা,
বন্তি জ্বলোৱা
অতি উলাহেৰে আদৰি
পূজাৰী অ'

সুৰৰে দেউলৰে
শংখ বজোৱা
বৰকাঁহ কোবোৱা

## জননীৰ সন্তান জাগা

*জ্যোতিপ্ৰসাদ আগৰৱালা*

জননীৰ সন্তান জাগা
জাগা শক্তিমান জাগা মাতৃপ্ৰাণ
মৃত্যু গচকি আনা জয় জিনি
কৰি দুৰ্জয় অভিযান।
কৰ্মহীনতা, কাপুৰুষতায়ে
তোমাক কৰিলে জয়
তুমি দুৰ্বল ম্ৰিয়মান
তথাপিও নাই ভয় জাগা।।
শক্তি গায়ত্ৰী মনত পেলোৱা
হ'ব দুৰ্নিবাৰ
তেতিয়া তোমাৰ জয় নিনাদত শত্ৰু কম্পমান
অ'মোৰ আপোন পাহৰা দুৰ্মদ বীৰ
অজেয় নৱ জোৱান।
জননীৰ সন্তান ...

## নাহৰ ফুলে নুশুৱায়

*বিষ্ণুপ্ৰসাদ ৰাভাৰ গীত*

নাহৰ ফুলে নুশুৱায়

তগৰ ফুলে শুবাব।
তগৰ ফুলে নুশুৱায়
কপউ ফুলে শুৱাব।
কপউ ফুলে নুশুৱায়
(যদি) ঘিলা খোপাতে তোৰ,
হিয়া ফুল পাৰি দিম
(গুজি) খোপাতে মনোহৰ।
মহাসাগৰ সিঁচি আনিম
সাত মাণিকৰ ধন
মেঘৰ বুকু ফালি ছিঙিম
বিজুলী ফুল শুৱন,
মাণিক ফুলে নুশুৱায়
(যদি) সাতসৰীতে তোৰ
(হিয়া) ফালি উলিয়াই পিন্ধাম
তেজাল পোৱালমণি মোৰ।

## <u>ব'ল ব'ল ব'ল ব'ল</u>

*বিষ্ণুৰাভাৰ গীত*

ব'ল ব'ল ব'ল ব'ল
কৃষ্ণক শক্তি দল।
অ' বনুৱা সমনীয়া
আগবাঢ়ি যাওঁ ব'ল
জাগ জাগ জাগ জাগ
মজদুৰ ন-জোৱান।
নিৰ্যাতিত নিপীড়িত

কৃষক-শক্তিমান।
তোৰ বাহুতে আছে লুকাই
অসীম শক্তি ব'ল।
ৰণৰ শিঙা বাজে শুন ঐ
আগবাঢ়ি যাওঁ ব'ল।
কিহৰনো ভয় / আছে অভয়
বাণী দেৱতাৰ
শতৰু সৌ চৌপাশে ৰয়
ধনী জমিদাৰ—
সুহেঁ কলিজাৰ ৰঙা তেজ
প্ৰজা দুখীয়াৰ
ধ্বংস কৰ ধ্বংস কৰ
ধনীৰ অহংকাৰ।
দয়া মায়া নকৰিবি
ক্ষমাৰ দিন যে গ'ল
হাল, কোৰ, দা-হাতুৰী লৈ
আগবাঢ়ি যাওঁ ব'ল!
আমি খুৱাওঁ বিশ্ববাসীক
মাটি ফালি ধান-
আমি যুগাওঁ ধনী শ্ৰেণীক
অস্ত্ৰ শক্তিমান।
কাৰখানা কল তোৰেই সৃজন, পথাৰ সুবহল
নাঙল, কাঁচি, হাতুৰী দাৰ
যাদুকৰী ফল।।

## বগলী, বগা ফোট দি যা

*কথা ঃ নবকান্ত বৰুৱাৰ গীত*

*কণ্ঠ ঃ বীৰেন্দ্ৰনাথ দত্ত*

বগলী, বগা ফোট দি যা
ৰঙা ফোট নেলাগে সেন্দুৰৰ
ক'লা ফোট নেলাগে এন্ধাৰৰ

দি যা শুকুলা ফোট
গোঁসাইৰে কপালৰ চন্দন পোহৰৰ ফোট
অ' দি যা শুকুলা ফোট।

পূৱাৰ বেলিয়ে আকাশৰ কপালত
সোণোৱালী, ফোট দিলে,
ৰাতিৰ হাতীপটি আকাশৰ সেওঁতাত,
ৰূপালী ৰেখা আঁকিলে
পলাশ মদাৰৰে ৰঙা ফোট পিন্ধালে
জাৰণিৰ কুঁৱৰীজনী
ফুলনিৰ অকণি ভনীয়ে পিন্ধালে
পখৰা-চিতৰা মণি।
সৰিলে শেৱালি শুকালে কঁহুৱা
তগৰেও বুলিলে যাওঁ
গোঁসাইৰ কপালখনি উকা থাকিবনে
বগা ফোট ক'তেনো পাওঁ।
অ' সেয়েহে বগলী বগলী বগী ধকেধকী আমাৰে

কথাটো শুনি যা
শ্যাম বৰণীয়া কপালখন ধুনীয়া
তাতে তই বগা ফোট দি যায়।

## জোনবাই এ বেজী এটি দে

*নিৰ্মলপ্ৰভা বৰদলৈ কথাৰে*

*কণ্ঠ ঃ দীপালী বৰঠাকুৰ*

জোনবাই এ বেজী এটি দে
সোণে মোৰ গায়নে নেগায়
ধুনীয়া যোঁৱাতে, পৰীৰে দেশলৈ'
সোণে মোৰ যায় নে নেযায়।।

আনিছো তোমালৈ চোলাটি ফুলামকৈ
পিন্ধাহি অ' সোণটো আঁহা২
কাজলৰ এটি ফোট দিওঁ কপালত
এতিয়া এতিয়া হাঁহা২
লুকা-ভাকু খেল খেলিমে এতিয়া
সোণে মোক পায়নে নেপায়
ধুনীয়া ....।।
পৰীৰে দেশখন কিনো বিতোপন
ডাৱৰৰ সিপাৰে চিকেমিকে কৰে
সোণৰ পালেঙতে শোৱে ৰাজকন্যা
পদুম ফুলি ফুলি যায় কুঁৱৰীৰে খোজতে
সেই ৰাজকুঁৱৰীক আনিবলে'
সোণে মোৰ যায়নে নেযায়

ধুনীয়া .... ।।

## বিহুনাম

ছাগে ছেলাবৰে ডবুৰা কটাৰী
পহু ছোলৰাবৰে মিত
গাঁৱৰ বুঢ়া মেথা দায় দোষ নধৰিবা
গাই যাওঁ বতৰৰ গীত।
নামৰে কঠীয়া ঈশ্বৰে দিছিলে
ব্ৰহ্মায়ে সৰজা নাম,
বেয়া নাম ওলালে খেমিবা সদোৱে
প্ৰথমে পিৰিতি গাম।
অতি চেনেহৰে মুগাৰে মহুৰা
অতি চেনেহৰে মাকো
তাতোকৈ চেনেহৰ বহাগৰ বিহুটি
নেপাতি কেনেকৈ থাকোঁ।
চতে গৈয়ে গৈয়ে বহাগে পালেহি
ফুলিলে ভেবেলী লতা
কৈনো কৈ থাকিলে ওৰকে নপতে
ব'হাগৰ বিহুৰে কথা।

কণমানিৰ গীত – বালি মাহি তোৰে লগত ওমলিম নিজান পৰত আৰু ৰঙা-নীলা গীত ড° সুদৰ্শনা বৰুৱাৰ দ্বাৰা ইউটিউবত উপলব্ধ।

# প্ৰাৰ্থনা

**নামঘোষা ঃ ঘোষা**

মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময় মাগোহো ভকতি। সমস্ত মস্তক মণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদু পতি ॥১॥
যাৰ ৰাম কৃষ্ণ নাম - নাৱে ভৱসিন্ধু তৰি
পাৱে পৰম্পদ পাপী যত।
সদানন্দ সনাতন হেনয় কৃষ্ণক সদা
উপাসা, কৰোহো হৃদয়ত ॥২॥
মৎস্য কুৰ্ম্ম নৰসিংহ বামন পৰশুৰাম
হলীৰাম বৰাহ শ্ৰীৰাম
বুদ্ধ কল্কি নামে দশ আকৃতি ধৰিছা কৃষ্ণ,
তযু পাৱে কৰোহো প্ৰনাম ॥৩॥

# প্ৰাৰ্থনা

তুমি চিত্ত বৃত্তি মোৰ প্ৰৱৰ্ত্তক নাৰায়ণ
তুমি নাথ মঞি নাথৱন্ত।
চৰণ ছত্ৰৰ ছায়া দিয়া দূৰ কৰা মায়া
কৰা দয়া মোক ভগবন্ত।।
তুমি মোৰ অন্তৰ্য্যামী তযু ভৃত্য ভৈলো আমি
জানি কৃপা কৰা হৃষীকেশ।
দান্তে তৃণ তুলি লও যিমতে সেৱাত ৰও
দিয়া মোক সেহি উপদেশ।।
তুমি ভক্ত কল্পতৰু বাহিৰে ভিতৰে গুৰু

তুমি বিনে নাহি মোৰ আৰ।
কৃপা কৰা হে হৰি চৰণত ৰক্ষা কৰি
দিয়া মোক সেৱাৰস সাৰ।।
তুমি হৰি কৃপাময় বাহিৰত গুৰু ৰূপে
অনুগ্ৰহ কৰি আছা মোক।
অন্তৰ্য্যামী গুৰু ৰূপে তাকে সত্য কৰা মোক
তযু নামে সদা ৰতি হোক।।
হে কৃষ্ণ হে বাসুদেৱ দৈৱকী নন্দন হৰি
নমো নন্দ গোপৰ কুমাৰ।
কৃপাময় শ্ৰীগোবিন্দ তযু পদ অৰবিন্দ
কৰো মই লক্ষ্য নমস্কাৰ।।

# অসমৰ লোকসঙ্গীত

অসম প্ৰদেশ হৈছে বিভিন্ন জাতি-জনগোষ্ঠী, ভিন্ন বৰ্ণ, ধৰ্মৰ লোকৰ মিলনক্ষেত্ৰ। সেইবাবে, ভাষা, সংস্কৃতি, বিশ্বাস-মান্যতা, ৰীতি-নীতি, ভেদে সকলোৰে নিজৰ কলা-সংস্কৃতিৰ বিকাশ ঘটিছে। অসমত চাৰি প্ৰকাৰ উৎসৱ অনুষ্ঠান অনুসৰি গীত পৰিবেশন কৰা হয়। এনে কিছুমান গীত-মাতৰ ব্যাখ্যা প্ৰস্তুত কৰা হৈছে।

১। **বিহুগীত ঃ** বিহু অসমীয়া সমাজৰ প্ৰাণস্বৰূপ আৰু ইয়াৰ সৈতে জড়িত নৃত্য আৰু গীত, হুঁচৰি আদিয়ে অসমীয়া সমাজৰ পৰিচয় ডাঙি ধৰে। অসমত বিহু উৎসব 'খুব আনন্দ, উলহ মলহেৰে উদ্‌যাপন কৰা হয়। বিহুগীতসমূহ সাধাৰণতে প্ৰেম বৰ্ণনামূলক। অসমীয়া যুৱক-যুৱতীয়ে মিলি অতি উলহ মালহেৰে এই উৎসৱ পালন কৰে। বিহুৰ সময়ত হুঁচৰি দলে ঘৰে ঘৰে গৈ বিহুনৃত্য আৰু গীত গাই আৰু পাণ, তামোল, গামোছা আদিৰে এক মাংগলিক কৃত্য সম্পন্ন কৰি গৰাকীৰ মংগল কামনা কৰে। বিহু গীতৰ লগত ঢোল, পেঁপা, গগণা, সুতুলি, বাঁহী আদি লোকবাদ্য বাদন কৰা হয়। ব'হাগ বিহুৰ গীতবাজি প্ৰেম প্ৰণয়ৰ গীত স্বৰূপে প্ৰসিদ্ধ। বিহুৱা-বিহুৱতীয়ে নৃত্যসহ সুৰ লগাই এই গীতসূহৰ সমূহীয়াকৈ প্ৰস্তুত কৰে। বিভিন্ন প্ৰশ্ন-উত্তৰ শৈলীত ঢুলীয়া, নাচনীয়ে গীত পৰিবেশন কৰে।

কৃষি সম্বন্ধীয়, অসমীয়া সাজ-সজ্জা, খাদ্য, সংস্কাৰ সম্বন্ধীয় বিভিন্ন বিষয় গীতত ফুটি উঠে।

২। **কামৰূপী লোকগীত ঃ** কামৰূপী লোকগীত নামনি অসমৰ এক জনপ্ৰিয় গীত। কামৰূপ ৰজাৰ দিনতে এই গীত জনপ্ৰিয় হৈছিল। এই গীতত কৃষ্ণ-ৰাধা, যশোদা আদি ধৰ্মীয় বিষয় আৰু গ্ৰামাঞ্চলৰ সাধাৰণ মানুহৰ দুখ-সুখ, বিৰহ-বেদনা বৰ্ণনা কৰি গীত প্ৰস্তুত কৰা হয়। এই গীতৰ সহিত দোতোৰা, বাঁহী, খঞ্জুৰী, মঞ্জিৰা আদি বাদ্য বাদন কৰা হয়। শিৱ পাৰ্বতী, কৃষ্ণ-যশোদা চৰিত্ৰ সমূহ বিশেষভাবে দেখুৱা হয়।

৩। **গোৱাল পৰীয়া লোকগীত ঃ** গোৱালপৰীয়া লোকগীত অসমৰ গোৱালপাৰা অঞ্চলত প্ৰচলিত লোকগীত। এই গীতসমূহত প্ৰেম, বিৰহ, গ্ৰাম্য অঞ্চলৰ পৰিবেশ বৰ্ণনা কৰি গীতসমূহ গোৱা হয়। প্ৰতিমা পাণ্ডে বৰুৱা এই গীত প্ৰখ্যাত গায়িকা। এই গীতৰ সৈতে ঢাক, ঢোল, বাঁহী, দোতোৰা বাদ্যৰ প্ৰয়োগ কৰা হয়।

৪। **দেহবিচাৰৰ গীত ঃ** দেহবিচাৰৰ গীত হৈছে ধৰ্মীয় প্ৰসংগত প্ৰচলিত গীত। এই গীতসমূহ "টোকাৰী" নামৰ লোকবাদ্যৰ সহিত গোৱা হয়। লগতে বাঁহী, তালবাদ্যৰ

প্ৰয়োগ কৰা হয়। বিভিন্ন ধৰ্মমূলক কথা বিষয়ত এই গীতসমূহ প্ৰস্তুত কৰা হয়। নামনি অসমত এইবোৰ গীতক 'নিমাইৰ গীত' বুলিও জনা যায়।

৫। **আইনাম ঃ** আইনাম হৈছে অসমত প্ৰচলিত ধৰ্মমূলক গীত। এই গীত 'আই' অথবা দেবীক সন্তুষ্টিৰ নিমিত্তে গোৱা হয়। বিভিন্ন ৰোগ ব্যাধি দূৰ কৰিবলৈ এই গীত মাংগলিক কৃত্য অনুসৰি পৰিবেশন কৰা হয়।

৬। **বিয়ানাম ঃ** বিয়ানাম অসমত প্ৰচলিত বিবাহ সন্দৰ্ভত প্ৰচলিত গীত। মহিলাসকলে বিয়াৰ বিভিন্ন নিয়ম অনুসৰি, এই গীত পৰিবেশন কৰে। দৰা-কইনাক ধেমালী কৰাৰ নিমিত্তে, পানী তোলাৰ সময়ত, কইনাৰ জোৰণ, দৰা-কইনা স্নান কৰোৱাৰ সময়ত এই গীত পৰিবেশন কৰা হয়।

৭। **বাগৰুম্বা ঃ** বড়ো সমাজত প্ৰচলিত 'বাগৰুম্বা' গীত এক লোকসঙ্গীত। বড়ো মহিলাসকলে দখনা, আৰণি, ফাচৰা ইত্যাদি পৰিধান কৰি এই গীতৰ সৈতে নৃত্য পৰিবেশন কৰে। এই গীতৰ সৈতে খ্ৰাম (ড্ৰাম), চিফুং (বাঁহী), 'জোটা (ঘনবাদ্য), সেৰজা বাদ্য বাদন কৰা হয়।

৮। **ওজাপালি ঃ** ওজাপালি অসমত প্ৰচতি ধৰ্মীয় প্ৰসংগৰ লোক পৰিবেশ্য কলা। এই গীত/নৃত্যত অৰ্দ্ধঅভিনয় পৰম্পৰাৰ সংমিশ্ৰণ দেখা যায়। মূখ্য গায়কজনক 'ওজা' আৰু সহকাৰী গায়ক সকলক 'পালি' বোলা হয়। অসমত ওজাপালিৰ বিভিন্ন প্ৰকাৰৰ প্ৰচলন দেখা যায়। যেনেঃ সুকনানি ওজাপালি, ব্যাসগোৱা ওজাপালি, সত্ৰীয়া ওজাপালি ইত্যাদি। বিভিন্ন ধৰ্মীয় প্ৰসংগ যেনেঃ ৰামায়ণ, মহাভাৰত, পুৰাণ সম্বন্ধিত বিষয়ত গীতসমূহ পৰিবেশন কৰা হয়। 'ওজাপালি' সঙ্গীতৰ উদ্ভৱ নামনি অসমৰ দৰং, মংগলদৈ আদি স্থানত হৈছিল বুলি কোৱা হয়।

৯। **নাগাৰা ঃ** নাগাৰা বা নাগেৰা নামৰ দল একোটিত ১১/১২ জনৰ পৰা ৩০/৪০ জন নামুৰৈৰ লৈ গঠিত হয়। ইয়াত এজন প্ৰমূখ্য গায়ক থাকে। তেওঁক "ওজা" বোলা হয়। বাকী সহকাৰী গায়ক আৰু বাদক। পাঠকে বা ওজা ধৰ্মীয় প্ৰসংগ আৰু ভিন্ন দৈনন্দিন জীৱনৰ ঘটনাৰ বিষয়ত গীত বাখ্যা কৰি গীত পৰিবেশন কৰে। এই নামত নাগাৰা, বৰকাঁহ, মঞ্জিৰা, বাঁহী ইত্যাদি বাদ্য বাদন কৰা হয়।

১০। **পুতলা নাচ ঃ** পৃথিৱীৰ লোক অভিনয়ৰ ভিতৰত অতি প্ৰাচীন নৃত্য, গীত, অভিনয়, বাদ্য সমন্বিত কলা বুলিলে পুতলা নাচৰ বিষয়ে কব পাৰি। নিৰ্জীব পদাৰ্থ পুতলাক মানুহে ৰচী-লাঠি ইত্যাদিৰ সহায়ত পৰিচালনা কৰে আৰু সংগীত, নাট পৰিবেশন কৰা হয়।

পুতলা নাচ এজন সূত্ৰধাৰ থাকে যি কাহিনীৰ বাখ্যা কৰে।

১০/১১ শতিকাৰ পূৰ্বত প্ৰাগজ্যোতিষ কামৰূপত এই লোকলাৰ প্ৰচলনৰ বিষয়ে প্ৰমাণ পোৱা যায়। পুতলা নাচ কল্পিত বিষয়ৰ আধাৰত আৰু বাস্তৱ ঘটনাৰ আধাৰতো কৰা হয়। শিশুৰ খেলাৰ বাবে, ধৰ্মীয় প্ৰসংগ ইত্যাদি বিভিন্ন বিষয়ত পুতলা নাচ পৰিবেশন কৰা হয়।

**টোকাৰী গীতসমূহ ঃ** ৰামায়ণ, মহাভাৰত, শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ কাহিনী বিষয়ক কেন্দ্ৰ কৰি পৰিৱেশন কৰা হয় ইয়াত টোকাৰী নামৰ বাদ্য পৰিৱেশন কৰা হয়।

ইয়াৰোপৰি নিচুকনি গীত, বনঘোষা, পচতিগীত, বাৰমাহী গীত, ফাকুৱা গীত, ফুলকোঁৱৰ মণিকোঁৱৰ গীত, দিহানাম, জিকিৰ, জাৰী, শ্ৰমগীত, যেনে — মহোহো গীত, মাউতৰ গীত, গৰখীয়া গীত, ঢুলীয়া নাচ, খুলীয়া ভাৱৰীয়া, হাতীৰখীয়া গীত ইত্যাদি, মালিতা, আখ্যান গীত, বনগীত, গোৱালনী নাচৰ গীত, মাছমৰা গীত, নাওখেলৰ গীত, জাকৈমৰা গীত, শাকতোলা গীত, আউল পূজাৰ গীত, অপেশ্বৰী গীত, ধাইনাম, তুলসীৰ নাম, মিছিং বিহু, দেউৰী বিহু, ইত্যাদি বিভিন্ন লোকগীত আৰু নৃত্যৰ প্ৰচলন অসমৰ সাংস্কৃতিক সম্পদ।

মিছিংসকলৰ 'গুমৰাগ নৃত্য', কছাৰীসকলৰ হাইদাং নৃত্য, নিবিসকলৰ তৰোৱাল নৃত্য, বড়োসকলৰ বাথৌ পূজাৰ নৃত্য, মিছিংসকলৰ ঐনিতম ইত্যাদি উল্লেখনীয়। এনে বিভিন্ন নৃত্যৰ সৈতে বিভিন্ন গীত পৰিৱেশন কৰা হয়। পাৱৰা অসমৰ বাঘমাৰা, পাঠশালা, পাটাছাৰকুছি আদি অঞ্চলত প্ৰচলিত আৰু এই অনুষ্ঠানক পাৱৰা তোলা বোলা হয়। এই প্ৰসংগত আইসকলে গীত গায়। ধৰ্মীয় ৰীতি সম্পন্ন এই অনুষ্ঠান গোবিন্দপুৰ সত্ৰত বৈষ্ণৱ ৰীতিৰেও পালন কৰা হয়। শালি খেতি, কাতিমাহৰ মাহ-সৰিয়হ, আলু-কচু আদিৰ খেতি দৰঙ জিলাৰ বিশেষত্ব। শালি খেতিও খেতিয়কে উলহ-মালহেৰে দেউল উৎসৱ পালন কৰে। শালিখেতি শেষ কৰি কাতি মাহৰ আৰম্ভণিতে মথেনী উৎসৱ পালন কৰা হয়। ভাৰিগান, হৈছে ৰামায়ণ আৰু মহাভাৰতৰ কথা আধাৰিত গীত। অসমৰ পাতিৰাভাসকলে এই পৰিবেশনৰ প্ৰসংগত বিভিন্ন মুখা অভিনয় ব্যৱহাৰ কৰে। বিভিন্ন অস্ত্ৰ-শস্ত্ৰ আদি সমল ব্যৱহাৰ এই অনুষ্ঠানত কৰা হয়। মুখাসমূহ দৈত্য দানব, হনুমান আদিৰ ৰূপত নিৰ্মাণ কৰা হয়। লগতে পাৰম্পৰিকভাৱে মুখাসমূহৰ পূজা দিয়া হয়। ধুবুৰী, বঙ্গাইগাওঁ আদি অঞ্চলত ভাৰিগান প্ৰচলিত। ৰাৱণবধ, মহীৰাৱণ বধ, মেঘনাথ বধ, লক্ষ্মণৰ শক্তিশেল, সীতাৰ পাতাল প্ৰৱেশ আদি বিষয়ৰ

ভিত্তিত ভাৰিগান পৰিবেশন কৰা হয়। ভাৰিগানত অভিনয়ৰ প্ৰসংগত পাত্ৰ-পাত্ৰীয়ে পোছাক পিন্ধে। প্ৰসাধনত, পিঠাগুড়ি, চুণ, সেন্দুৰ, হালধী, ৰং আদি ব্যৱহাৰ কৰে। অভিনয়ৰ লগতে মংগল চাৰণ, বন্দনা, গীত-পদ, ধুৰা, খোলবাদন, বন্দনা, প্ৰস্তাবনা, সংলাপ, মূল কাহিনীৰ বৰ্ণনা, নাচ, বাদ্য, আদিৰে সমাপ্ত কৰা হয়। মূল গায়কক 'গীতাল' আৰু 'পাইল' বা 'পালিয়ে' সহকাৰী শিল্পীৰ ভূমিকা পালন কৰে। অসমত ধৰ্মীয় প্ৰসংগত বিভিন্ন নাম যেনে ঃ দুৰ্গানাম, জন্মাষ্টমীৰ নাম, পাঁচতিৰ গীত (বৰপেটা অঞ্চলত বিশেষকৈ প্ৰচলিত) আদি পৰিবেশন কৰা হয়। ইয়াৰোপৰি 'দৌলৰ গীত' বিশেষকৈ অসমৰ বৰপেটা অঞ্চলত প্ৰসিদ্ধ। বৰপেটাৰ কীৰ্তনঘৰ, কৃষ্ণ গোঁসাই ঘুনুচাৰ ঘৰলৈ যোৱা, লক্ষ্মীয়ে ঠেহ্ পতা আদি বিষিয় সমাবিষ্ট।

তুলসীৰ নাম, জগন্নাথৰ নাম, শিব নাম, ৰথ যাত্ৰা, পালনাম, নাগাৰা নাম অসমত ধৰ্মীয় প্ৰসংগত প্ৰচলিত নাম প্ৰসংগ। "দিহানাম" বৈষ্ণৱ সত্ৰত প্ৰচলিত। ইয়াত ১ জন মুখ্য ভকতে প্ৰথমে নাম ধৰে আৰু বাকীসকল ভকতে তেওঁৰ সহকাৰী ৰূপত পৰিবেশন কৰে। বাকীসকল সহকাৰী ভকতে তাল, নাগাৰা, ডবা, বৰকাঁহ বজায় আৰু তিনিকোণীয়াকৈ বহি মণিকূটৰ সন্মুখত নাম পৰিবেশন কৰে। দিহানামত কীৰ্তন, নামঘোষাৰ পদ পৰিবেশন কৰা হয়। পালনাম, শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ তিথি প্ৰসংগত আৰু অন্যান্য প্ৰসংগত মণিকূটৰ সন্মুখত পৰিবেশন কৰা হয়। ভকতসকল দুই শাৰীকৈ বহি বৰকাঁহ, হাতেৰে তালি দি নামঘোষাৰ পদ পৰিবেশন কৰে। সত্ৰ অনুসৰি দিহানাম, পালনাম পৰিবেশনত অৱশ্যে ভিন্নতা থাকিব পাৰে।

মালিতা ঃ ঐতিহাসিক বা বুৰঞ্জীমূলক কাল্পনিক লোকগীতবিলাকক বেলেড্ বা কাহিনী গীত বুলি অভিহিত কৰা হয়। অসমীয়া সাহিত্যত এনে লোকগীত বিলাকক মালিতা বোলা হয়। মালিতাসমূহ বুৰঞ্জী আধাৰিত অথবা কাল্পনিক আখ্যান গীতো হ'ব পাৰে। উদাহৰণস্বৰূপে - নাহৰৰ মালিতা, স্বৰ্গদেউ জয়ধ্বজ সিংহৰ গীত-মালিতা, জয়মতী কোঁৱৰীৰ মালিতা, মণিৰাম দেৱানৰ মালিতা আদি বুৰঞ্জীমূলক মালিতা গীত। ইয়াৰোপৰি বিভিন্ন 'জুনাগীত' পৰিৱেশন বিভিন্ন সংস্কাৰমূলক কাৰ্যৰ ক্ষেত্ৰত কৰা হয়। হেমকোষ অভিধান অনুসৰি, "হুঁচৰি" গোৱাই নাচিবৰ আগেয়ে গোৱা চুটি পদক 'জুনা' বোলা হয়। এই গীত পুৰণি অসমীয়া ছন্দ বিশেষ উদাহৰণস্বৰূপে ঃ কপাহৰ জুনা, পচলাৰ জুনা, শিবৰ জুনা, কৃষ্ণ বিবাহৰ জুনা, সামাজিক জীৱন বিষয়ক বিভিন্ন জুনাগীত, লঘুৰসাত্মক কথা বিষয়ক জুনা, তাঁতৰ জুনা, বুৰঞ্জীমূলক জুনা, ধেমেলীয়া জুনা গীত-পদ আদি প্ৰচলিত। প্ৰায়বোৰ গীতৰ লগত লোকৰঞ্জনৰ উদ্দেশ্য জড়িত আৰু হাস্যৰসাত্মক। বৰপেটাৰ 'নিংনি ভাওৰীয়ায়ে' এনেধৰণৰ জুনা-মালিতা পৰিৱেশন

কৰা দেখা যায়। “মহো-হো” নামনি অসমত প্ৰচলিত ঋতুকালীন উৎসৱ। আঘোণ মাহৰ প্ৰথমটো পূৰ্ণিমাৰ ম'হ খেদাবৰ অৰ্থে 'ম'হহো গীত' পৰিৱেশন কৰা হয়। বাঘ, ম'হ আদিৰ ভাও দি নৃত্য পৰিৱেশন কৰা হয়।

অসমত প্ৰচলিত উৎসৱ অনুষ্ঠানক মুঠতে ৪টা ভাগত ভগাব পাৰি।

উদাহৰণস্বৰূপে ঃ

(১) ঋতুকালীন উৎসৱ।

(২) পঞ্জিকা আশ্ৰয়ী উৎসৱ।

(৩) সীমিত উৎসৱ।

(৪) সংস্কাৰমূলক উৎসৱ।

ঋতুকালীন উৎসৱ অন্তৰ্ভূক্ত হৈছে — বসন্ত পূজা, জগদ্ধাত্ৰী পূজা, উগ্ৰতৰা, মংগলচণ্ডী, জন্মাষ্টমী, দৌল উৎসৱ, ঝুলন ইত্যাদি।


পঞ্জিকা আশ্ৰয়ী উৎসৱৰ অন্তৰ্ভূক্ত ঃ তিথি পৰ্ব, পূজা উপাসনা, বীৰ পুৰুষৰ জন্মদিন, গুৰুজনাৰ তিথি ইত্যাদি।

সীমিত অংশগ্ৰহণ উৎসৱৰ অন্তৰ্ভূক্ত ঃ মৰিয়া, কুমাৰ, কমাৰ, কুঁহিয়াৰ পেৰা, বাঘ পূজা, নাও পূজা আদি।

সংস্কাৰমূলক উৎসৱৰ অন্তৰ্ভূক্ত ঃ চূড়াকৰণ, তোলনী নামকৰণ, বিয়া আদি।

# তৃতীয় অধ্যায়

## ৰাগৰ সময় অনুসৰি বৰ্গীকৰণ ঃ



**শিক্ষা ব্যৱস্থাত সঙ্গীত বিষয়ক বিভিন্ন স্তৰ অনুসৰি প্ৰয়োগ হোৱা কিছুমান ৰাগৰ বিবৰণ, ৰাগ বিস্তাৰ— তান, আলাপ ঃ**

## ৰাগৰ পৰিচয়

## (১) ৰাগ ইমন

**আৰোহন ঃ** সা, ৰে, গা, মা, পা, ধ নি সং

**অবৰোহন ঃ** সং নি ধ, পা, ম, গা ৰে সা

**পকড় ঃ** নি ৰে গা, নি ৰে সা, মা, পা ধা, পা, মা, গা ৰে, নি ৰে সা।

এই ৰাগ কল্যাণ ঠাইৰ পৰা উৎপন্ন হৈছে। জাতিঃ সম্পূৰ্ণ। বাদীস্বৰ ঃ গা

**সমবাদীস্বৰ ঃ** নি। এই ৰাগ পূৰ্বাঙ্গবাদী ৰাগ। ৰাগ "ইমন" ৰাগত শুদ্ধ **"ম"** স্বৰটি বিবাদী স্বৰৰ ৰূপত প্ৰয়োগ হয়। আৰোহন আৰু অবৰোহনত সাতোটা স্বৰৰে প্ৰয়োগ কৰা হয়। ভাৰতবৰ্ষত মুছলমানসকলৰ প্ৰবজনৰ পিছত এই ৰাগৰ প্ৰাচীন নাম আছিল "কল্যাণ"। অৰ্থাৎ, এই ৰাগৰ দুটা নাম 'য়মন'। আৰু "কল্যাণ"। এই দুটা ৰাগৰ সংমিশ্ৰণৰ ফলত "ইমনকল্যাণ" ৰাগৰ উৎপত্তি হয়। এই ৰাগৰ চলন সাধাৰণতে মন্দ্ৰ "নি" পৰা আৰম্ভ কৰা হয় আৰু তিনিও সপ্তকত এই ৰাগৰ চলন কৰা হয়। কল্যাণ ঠাটৰ কেইবাটাও প্ৰকাৰ পোৱা যায়। যেনে ঃ শুদ্ধকল্যাণ, পূৰিয়া কল্যাণ, জৈত কল্যাণ ইত্যাদি। আলাপ আৰু আন আন ৰাগ উপস্থাপনৰ প্ৰক্ৰিয়া সঠিক ভাবে প্ৰয়োগ কৰি আৰু আন বিধি বিধানসমূহ ইমন ৰাগত সঠিকভাবে প্ৰয়োগ হ'লে ৰাগৰ সঠিকভাবে প্ৰয়োগ হ'লে ৰাগৰ শুভা বৃদ্ধি হয়। এই ৰাগত 'নি ৰে' আৰু "পা— ৰে" এই স্বৰ সমূদায়ৰ বাৰাম্বাৰ প্ৰয়োগ কৰা হয়।

কল্যাণ ৰাগ কল্যাণ ঠাটৰ আশ্ৰয় ৰাগ। এই ৰাগৰ প্ৰকৃতি গম্ভীৰ। বিভিন্ন শাস্ত্ৰীয় সঙ্গীতৰ শৈলীৰ ওপৰিও সুগম সঙ্গীত, ভজন আদি সঙ্গীতত এই ৰাগৰ ব্যৱহাৰ দেখা যায়।

**ন্যাস স্বৰ ঃ** সা, ৰে, গা, পা আৰু নি

সমপ্ৰকৃতিক ৰাগ য়মন কল্যাণ

**কল্যাণ ঃ** নি, ৰে গা ম পা, ধা পা মা, গা, ৰে গা ৰে, পা ৰে সা

**য়মন কল্যাণ ঃ** নি, ৰে গা ম পা, পা মা, গা, মা গা ৰে, নি ৰে সা।

আলাপ ঃ

(১) সা, নি̣, ধ̣, নি̣, ৰে সা, নি̣ ৰে গা, নি̣ ৰে গা–, ৰে গা–, ৰে, গা ৰে, নি̣ ধ̣, নি̣, ৰে সা।

(২) সা, নি̣, ৰে গা–, গা–, ৰে, গা– ম॑ গা–, ম॑ গা–, ৰে সা।

(৩) গা, ম॑ পা – – – পা (পা), ৰে, ম॑ গা, গা ম॑, মা॑ গা—, ম॑ গা ৰে সা,
ৰে গা পা ৰে, সা । ৰে গা পা ৰে, সা। ৰে গা ম॑ ধাপা, ৰে গ ম॑ গ ৰে,
ৰে গ ম॑, নি̣ ৰে সা।

(৪) ম॑, ধ স̇ – –, স̇ নি (প), ৰে গা ম॑ ধ, নি নি পা, ম॑ ধ, নি ৰে̇ গ̇–গা̇ – ৰ̇ স̇।

তান ঃ—

(১) নি̣ৰে গম॑ পা– ম॑ গ ৰেসা

(২) ৰেম॑ গাৰে সানি̣ ধ̣নি̣ ৰেগা মা॑গা ৰেসা

(৩) গামা॑ পাপা মা॑পা গামা॑ গাৰে সা–গাৰে মা॑গা পামা॑ ধাপা নিধা সা̇নি ৰে̇সা̇

(৪) নি̣ৰে গামা॑ গাৰে গামা॑ পামা॑ গাৰে নি̣ৰে সা–

(৫) গামা॑ পাধা মা॑পা গামা॑ গাৰে গাৰে নি̣ৰে সা–

(৬) মা॑ধা পামা॑ পা– নি̣ৰে গামা॑ পামা॑ গাৰে গাগা ৰেসা নি̣ধ̣ নি̣ৰে গাৰে সা–

(৭) পামা॑ পাপা নিনি ধাপা মা॑ধা পামা॑ পামা॑ গাৰে সা– পামা॑ গা– ধাপা মা॑–
নিধা পা– মা॑গা ৰেসা গাৰে সা— গাৰে সা— পম॑ গা – পম॑ গ -
ধ প ম॑– ধ প ম॑–নিধাপা নিধাপা সা̇নি ধা সানি ধা ৰে̇সা̇নি গাৰে̇ সা̇ নিধা পামা॑
গাৰে সা-

(৮) ধাপা মা॑গা ৰেসা নি̣ৰে গম॑ পধ নিস̇ নিধ পাম॑ গাৰে সা –স̇–সা̇ নিধা পামা॑
গাৰে সা-

(৯) নি̣ৰে গাৰে সা – মা॑পা মা॑গা ৰেসা পাধা মা॑পা গামা॑ গাৰে গাগা ৰেস স̇স̇–
নিসা̇ নিধা পামা॑ গাৰে সা –গ̇গ̇ ৰে̇– মা̇মা̇ গা̇–ৰেসা̇ নিধা পামা॑ গাৰে সা –

(১০) গাৰে ম॑গ পম॑ ধাপা নিধা সা̇নি ৰে̇সা̇ গা̇ৰে̇ সা̇নি ধাপা ম॑গ ৰেসা পাসা̇ নিসা̇
পানি ধানি মা॑পা মা॑ধা গামা॑ পা–

ৰেগা মা নিৰে গাগা ৰেসা—

(১১) গাগা ৰেসা পামা পাধা মাপা গামা গাৰে সা—মামা গাৰে ধাপা মধ পম গাৰে পপ মাগা নিধা পাধা মাপা গামা গাৰে সা—গাৰে গাৰে গাৰে মাগা মাগা মাগা পামা পামা পামা মাগা ৰেসা

(১২) সাৰে সাসা ৰেগা ৰেৰে গম গাগা মপ মম পধ পপ ধনি ধধ নিসং নিনি নিৰেং গাৰেং সানি ধাপা মগ ৰেসা।

(১৩) নি—— ৰে —— গা —— মা—— ধ —— নি——সা—
নি— ৰে— গা— মা— ধা— নি—সা— নিধা পামা গাৰে সা—

(১৪) নিৰে নিৰে ৰেগ ৰেগ গম মপ মপ
পধ পধ ধনি ধনি নিসং নিসং সা— নিধ পম গাৰে সা—

## (২) ৰাগ বিলাবল

**আৰোহন ঃ** সা, ৰে, গা, মা, পা, ধা, নি, সা

**অবৰোহন ঃ** সা, নি, ধা, পা, মা, গা, ৰে সা।

**পকড় ঃ** গাৰে, গাপা, মাগা, মাৰে, সাৰে সা।

এই ৰাগ ঠাট বিলাবলৰ আশ্ৰয় ৰাগ। স্বৰসমূহ শুদ্ধ। গায়ন সময়ঃ দিনৰ প্ৰথম প্ৰহৰ অথবা প্ৰাতঃকাল।

**বাদীস্বৰ ঃ** ধা সমবাদীঃ গা 'নি' স্বৰ আৰু 'গা' স্বৰ এই ৰাগত বক্ৰভাবে প্ৰয়োগ হয়। এই ৰাগ উত্তৰাঙ্গবাদী ৰাগ। 'নি' স্বৰৰ বক্ৰভাব আৰোহনত প্ৰতিফলিত হয়। যেনে ঃ ধানিধাসা—ৰেংসা।

গান্ধাৰ স্বৰৰ বক্ৰতা এইদৰে প্ৰতিফলিত হ'ব— মাগামাৰে— সা।

এই ৰাগৰ জাতি ঃ ষাড়ৱ—সম্পূৰ্ণ। বিলাবলৰ অনেক প্ৰকাৰ প্ৰচলনত আছে। যেনেঃ য়মনী বিলাবল, অল্লেয়া বিলাবল, শুক্ল বিলাবল ইত্যাদি।

আৰোহনত "ৰে" স্বৰ আৰু 'গা' স্বৰ বক্ৰভাবে এইদৰে প্ৰয়োগ হয় —

সা, গা ৰে গা পা, মা গা ম ৰে – বিলাবল অংগ ঃ মা গা, মৰে, সা ৰে সা।

আলাপঃ

(১) সা, সা ৰে সা, সা নি ধ পা, প ধ, সা, সা ৰে, ৰে গা, গা মা, মা পা, মা গা, মা ৰে, সা ৰে সা।

(২) গা, ৰে, গা পা, মা গা, মা ৰে, সা ৰে সা, গৰে, গা পা, গা পা, ধা, গা পা, মা মা গা, মা ৰে, সা।

(৩) গা, মা, পা, ধা, মা পা, মা গা, গৰে, মাগা, গাপ, মাগা, মাৰে সা —

(৪) সা, গা, ৰে, গা মা পা, মা পা ধা, নি ধা, সং, সং, নি ধ প, গা ৰে গা পা, মা গা, মা ৰে, সা ৰে সা।

তানঃ

(১) সাৰে সাসা গাৰে মাগা মাৰে সাৰে সা–

(২) মাগা মাৰে সাৰে সা – গৰে
মাগা মাৰে সাৰে সা –

(৩) গাৰে গাপা মাগা গাপা ধানি সাঁনি ধাপা মাগা মাৰে সাৰে সা –

(৪) সাৰে গাপা মাগা মাৰে গাপা সনি ধাপা মাগা ৰেসা

(৫) মাগা মাৰে গাপা মাগা মাৰে ধনি সাঁনি ধাপা মাগা ৰেসা।

(৬) গাপা ধনি সংৰং সং– সনি ধপ মাগা মাৰে সা–

(৭) পাপা গাপা ধানি সাঁনি ধানি সাঁৰেঁ গাঁৰেঁ মাঁগাঁ মাঁৰে সাঁৰেঁ সাঁনি ধাপা মাগা মৰে সা–

## (৩) অলেহ্য়া বিলাবল

**আৰোহনঃ** সা, গাৰে, গাপা, ধা নি সং

**অবৰোহনঃ** সাঁনি, ধাপা, ধানি, ধাপা, মাগা, ৰেসা।

**পকড়ঃ** সাঁনি, ধানি, ধাপা, মাগা, মাৰে, সা–

এইৰাগ বিলাবল ঠাটৰ পৰা উৎপন্ন হৈছে। সকলো স্বৰ শুদ্ধ যদিও “নি” (কোমল

'নি')ৰ প্ৰয়োগ ৰাগৰ উত্তৰাঙ্গত দেখা যায়। এই ৰাগৰ আৰোহনত মধ্যম বৰ্জিত আৰু অবৰোহনত ৭ টা স্বৰৰ প্ৰয়োগ হয়। জাতিঃ ষাড়ব-সম্পূৰ্ণ। বাদীস্বৰ ঃ ধা, সমবাদীঃ গা। গায়ন সময় দিনৰ প্ৰথম প্ৰহৰ। আৰোহনত এই ৰাগত শুদ্ধ "নি" স্বৰ আৰু অবৰোহনত দুয়োটা "নি" স্বৰৰ প্ৰয়োগ এই ৰাগত কৰা হয়। অন্যান্য স্বৰসমূহ শুদ্ধ।

অল্হেয়া বিলাবল, ৰাগ বিলাবলৰ এটা প্ৰকাৰ। আৰোহনত 'ৰে' স্বৰ, অবৰোহনত 'গা' স্বৰৰ বক্ৰ প্ৰয়োগ দেখা যায়। যেনেঃ গাৰে, গা পা মা গা, মা ৰে, সা—

এই ৰাগত শুদ্ধ "নি" আৰু কোমল 'নি' স্বৰৰ প্ৰয়োগ এই ধৰণে কৰা হয়।

সা নি সং নি, ধা নি ধ প।

এই ৰাগৰ ন্যাস স্বৰ ঃ সা, ৰে, পা সমপ্ৰকৃতিক ৰাগ ঃ বিলাবল। অল্হেয়া বিলালবলৰ মূখ্যস্বৰ ঃ সং, ধ নি প, মা পা, মগা, মা ৰে, সা।

আলাপঃ

(১) সা, গা ৰে- গা পা, সা, নি
ধা নি ধা পা, নি ধা — সা, গা ৰে
মা গা, মা ৰে, সা।

(২) সা, গা ৰে গা পা, ধা পা মা
গা, ৰে গা পা, গা পা ধ নি ধপ,
মা গা মা ৰে, সা ৰে সা।

(৩) সা পা ধা নি, ধা নি ধা পা, ধা
নি সাং, নি গাংৰেং, পাং গাং ৰেং, (সং), মাং গাং, মাং ৰেং, সাং, ধা নি ধা পা, ম গা, মা ৰে, সা।

তান ঃ

(১) সাৰে গাপা মাগা ৰেসা গাৰে গাপা মাগা মাৰে সা—
(২) গৰে গাপা ধনি ধপা সংনি ধনি ধপা মাগা ৰেসা
(৩) সাৰে সানি ধনি ধাপা নিসা মাগা ৰেসা পা গাপা মাগা মাৰে সা
(৪) গাপা ধানি সাংনি ধানি ধাপা মাগা ৰেসা
(৫) ৰেংসং সংৰেং সংনি ধনি ধপ মগ ৰেসা
(৬) সাংনি ধাপ ধানি সাংৰেং সাংনি ধানি
ধাপা মগা মৰে সাৰে সা— সাৰে—
গাপা ধানি সাংৰেং সাং—
(৭) গাগা ৰেসা গাগা ৰেসা সাৰে সানি ধনি

সাৰে গাপা মাগা পাধা নিধ

পাধা নিসাঁ সাঁৰেঁ গাঁমাঁ গাঁৰেঁ

সাঁনি ধাপা মাগা মৰে সা– সা সা সা গাৰে মাগা পামা ধাপা গাৰে গাপা মাগা ৰেসা

(৮) সাগা ৰেগা গাপা পাধা পাধা

গাপা গাপা ধানি সাঁৰেঁ সাঁনি ধানি ধাপা মাগা পাগা মাগা মাৰে সাৰে সা–

(৯) সাৰে গাৰে ৰেগা মাগা গামা পামা মাপা ধাপা পাধা নিধা ধানি ধাপা

মাগা মাৰে সাৰে সা–

(১০) সাপ, গপ ধনি, ধনি, পধ, পধ, গপ, গপ, গাৰে সা— ধানি ধানি নিসাঁ নিসাঁ

(১১) সাপপ, ৰেধধ, গনিনি, পসঁসঁ সঁনি নিধ ধপ পম গম গৰে ৰেসা

## (৪) ৰাগ ভৈৰব

**আৰোহনঃ** সা ৰে গা মা পা ধা নি সঁ

**আৰোহনঃ** সাঁ নি ধা, পা মা গা, ৰে সা

**পকড়ঃ** গা মা ৰে সা, গা মা ধা ধা পা।

এই ৰাগ ভৈৰব ঠাটৰ পৰা উৎপন্ন হৈছে। এই ৰাগ প্ৰাতঃকালীন ৰাগ। এই ৰাগৰ প্ৰকৃতি গম্ভীৰ আৰু কৰুণ। "ৰে" আৰু "ধা" স্বৰটি এই ৰাগত কোমলভাবে প্ৰয়োগ কৰা হয়। কুশল কলাকাৰে এই ৰাগৰ আৰোহনত কেতিয়াবা কোমল নিষাদ ব্যৱহাৰ কৰি দেখুৱায়। এই ৰাগৰ জাতি ঃ সম্পূৰ্ণ।

**বাদীস্বৰ** ঃ ধা, সমবাদী স্বৰ ঃ ৰে। বিস্তাৰ তিনিও সপ্তকতে কৰা হয়। এই ৰাগ উত্তৰাবাদী ৰাগ। ন্যাস ঃ সা, ৰে, পা, ধ

**সমপ্ৰকৃতিক** ঃ কালিঙ্গড়া আৰু ৰামকলী। এই ৰাগ ভৈৰব ঠাটৰ আশ্ৰয় ৰাগ। এই ৰাগৰ গায়নসময় প্ৰাতঃ কালৰ সন্ধিত কৰা হয়। গতিকে এই ৰাগ সন্ধিপ্ৰকাশ ৰাগ। এই ৰাগৰ 'ৰে' স্বৰ আৰু 'ধা' স্বৰটি আন্দোলিত অবস্থাত থাকে। যেনেঃ গা মা গাৰে গাৰে সা। আৰু গা মানিধ নিধ পা।

এই ৰাগ এক গম্ভীৰ প্ৰকৃতিৰ ৰাগ আৰু এক প্ৰাচীন ৰাগ। এই ৰাগৰ অনেক প্ৰকাৰ প্ৰচলন আছে। যেনে ঃ অহীৰ ভৈৰব, আনন্দ ভৈৰব ইত্যাদি।

কেতিয়াবা ইয়াৰ আৰোহনত পঞ্চম বৰ্জিত কৰা হয়। যেনে ঃ গা মা ধা ধা নি

সং।

অবৰোহনত 'গা' স্বৰ বক্ৰ প্ৰয়োগ কৰা হয়। যেনেঃ মা পা গা মা ৰে — ৰে সা। ভৈৰৱ অংগ পূৰ্বাঙ্গ — গা মা ৰে ৰে সা। উত্তৰাঙ্গ — গা মা ধ ধ পা।

আলাপ ঃ

(১) সা ৰে ৰে সা, নি ধা নি ধ প–, প ধ নিসা, সা ৰে ৰে গা গা, ৰে ৰে সা, গ মা, ৰে সা।

(২) গা মা পা — — , গা মা ধ ধ পা, মা গা, গা মা ধা ধা , পা ধা, মা পা, গা মা, ৰে সা।

(৩) গা মা ধা ধা – পা, ধা ধা নি সং, ৰং ৰং সং, গং মং ৰেং ৰেং সং, গা মা ধা ধ পা, পা, গা, মা, ৰে ৰে সা।

(৪) সা গা মা ধা প — , গা ৰে গ ৰে সা, সা ৰে গা, নি সা ৰে, ধ নি সা, গা মা, ৰে সা।

তান ঃ

(১) সা ৰে গামা পাধা মাপা গামা ৰে ৰে সা–

(২) সাৰে গামা পাধা নিসং সংনি ধাপা মাগা ৰেসা

(৩) সাৰে গামা পামা গামা পাধা পামা গামা গাৰে সা–

(৪) পামা গামা ৰেসা নিসা সাৰে গামা পাধা পামা গামা ৰে ৰে সা–

(৫) সাৰে গামা পধা নিসা সংনি ধাপা মাগা ৰেসা

(৬) নিসা গামাপাধা নিসং সংনি ধাপা মাগা ৰেসা

(৭) ধাপা মাপা গামা গাৰে গামা ধাপা মাগা ৰেসা

(৮) সানি ধনি সাৰে সা– গামা পামা গাম গাৰে সা–

(৯) সাৰে গাগা ৰেগা মামা গামা পাপা মাপা ধাধা পাধা নিনি ধানি সংসং নিধ পামা গাৰে সা – গম ধ – গ ধ প — ধ ধ মপ, প ধ ধ প, মপ, গ ম, ৰে সা

(১০) গামা গাৰে সা– পামা গাৰে সা– ধাপা মাগা ৰেসা, নিধা পামা গাৰে সা–

সংনি ধাপ মাগা ৰেসা।

(১১) নিসা গা– সাগা মা– গামা পা–

মাপা ধা – পাধা নি– ধানি র্সা–

র্সা– – নি– – ধা– – প – –

স– – গ– – ৰে– – সা – –

(১২) র্সানি র্সানি ধাপ ধাপ মাপা মাপা ধাপা ধাপা গম মপ পধ ধনি নির্সা নির্সা

ধানি পাধা মাপা গামা সাৰে সা –

## (৫) ৰাগ খমাজ

**আৰোহনঃ** সা গা, মা পা, ধা নি র্সা

**আৰোহনঃ** র্স নি ধাপা, মা গা, ৰে সা

**পকড়ঃ** নি ধা, মা পা ধা – ম গা, পা মা গা ৰে সা।

এই ৰাগ খমাজ ঠাটৰ পৰা উৎপন্ন হৈছে। আৰোহনত 'ৰে' স্বৰ বৰ্জিত। এই ৰাগত দুয়োটা 'নি' স্বৰৰ প্ৰয়োগ দেখা যায়। আৰোহনত শুদ্ধ 'নি' স্বৰ আৰু অবৰোহনত কোমল নিষাদৰ প্ৰয়োগ দেখা যায়।

ৰাগ পৰিবেশনৰ সময় ৰাতিৰ দ্বিতীয় প্ৰহৰ। এই ৰাগৰ বাদীস্বৰ হৈছে 'গা' স্বৰ আৰু সমবাদীস্বৰ হৈছে নিষাদ শাস্ত্ৰীয় আৰু উপশস্ত্ৰীয় সঙ্গীততো এই ৰাগৰ প্ৰয়োগ দেখা যায়। এই ৰাগ চঞ্চল প্ৰকৃতিৰ ৰাগ। এই ৰাগত ছোটা খেয়াল, ঠুমৰী, টপপা আদি গোৱা হয়। অবৰোহনত "ধা" স্বৰ পৰা "পা" স্বৰলৈ আগবাঢ়ি অধিক 'মা' স্বৰলৈ যোৱা হয়। যেনেঃ

নিধ, মাপা ধ – মা গা। এইদৰে, কেতিয়াবা আবৰোহনত 'পাা স্বৰ বক্ৰ প্ৰয়োগ কৰা হয়, ন্যাস স্বৰ ঃ সা,গা, পা সমপ্ৰকৃতিক ৰাগ – গা ম পা নি র্স, নি পা, গা মা পা।

**আলাপঃ**

(১) সা, নি ধ প, ধ নি সা ৰে সা, গা মা গা , গা ৰে গা, সা ৰে সা, মা গা, ৰে সা

(২) সা, গা মা – –, প – –, গা মা গা ৰে সা, নি ধা সা, গা মা – পা – – , গা, মা পা ধা ম গ – –, গা মা পা ধা গা ম গা, পা ম গা ৰে সা, নি ধ সা।

(৩) সা, গা মা গা, ৰে সা, নি সা গা মা গা, ৰে সা, গা মা, নি ধা – মা পা ধা মা গা,– গা–, মা পা, গা ম পা সং, ম পা, নি ধা পা – –, ম পা গা মা, স গা মা পা, গা মা গা ৰে সা।

(৪) গা মা পা, গা মা পা ধা, মা গা, গা মা পা ধা নি (সং), নি ধ পা ম নি ধ প, ধ ম প, ম গ, ৰে গা নি সা

(৫) গা মা পা, ধা নি সাং, পা ধা, মা পা, গা মা পা ধা নি, সাং, নি সাং, গাং মাং গাং ৰেং, সাং, (সাং) নি ধা নি সাং, ৰেং, সাং

## তান ঃ

(১) সাগা মপ মাগা ৰেস সা নিধ নি ধপ, ধনি সা– নিসা গামা গা–

(২) সাগা মাপা মাগা ৰেসা নিসা গামা গা –

(৩) সাগা মাপা মাগা ৰেসা ধনি ধাপা মাগা ৰেসা ধপ মগ ৰেসা

(৪) গামা পাধা মাপা নিধ পামা ধাপা মাগা ৰেসা

(৫) মাপা ধানি ধাপা মগা ৰেসা নিসা গামা পা–

(৬) ধাপা মাপা গামা পাধা নিসাং সাংনি ধাপা গামা নিসা মাগা ৰেসা।

(৭) নিসা গামা পাম গাৰে গম নিধ পম গৰেসা– গম সংনি ধপ মাগা গম নিধ পম গাৰে সা—

(৮) সাগা মাপা গামা গামা পাধা মাপা গামা গাৰে সা–

(৯) সাংৰেং সাংনি ধানি ধাপা মাগা ৰেসা গামা পাধা নিসাং।

(১০) পামা গামা পাধা নিসাং নিধ পাসাং গামা পাধা পামা গাৰে সা –

(১১) নিসা গামা পামা গাৰে গামা নিধ পামা গৰে সা –

(১২) ধাসাং নিধা পনি ধাপা পাপা মাপা গামা মগ ৰেম গৰে মাপা নিধ পামা গাৰে সা

(১৩) সাগা মাপ ধানি ধাপা মাপা মাগা ৰেসা ধনি ধনি ধপ ধপ ধনি সা

(১৪) নিসাং গাংৰেং সাংৰেং সাংনি ধাপা গামা পাধা নিসাং – সংনি ধনি ধপ মগ ৰেসা

(১৫) মাপা ধাপা মাপা ধানি সাঁৰেঁ সাঁনি সাঁনি ধাপা মাগা ৰেসা

(১৬) সাগা সাগা মাপা মাপা গামা গামা মাপা মাপা পানি পানি নিসঁ নিসঁ সঁনি সঁনি নিধ নিধ ধপ ধপ গম পধ নিসঁ নিধ পামা গাৰে সা — নিসা গম পদ নিসাঁ

## (৬) ৰাগ কাফী

**আৰোহনঃ** সা ৰে গা মা পা ধ নি সঁ

**অবৰোহনঃ** সঁ নি ধ পা মা গা ৰে সা —

**পকড়ঃ** ৰে পা মা পা গা ৰে, মা মা পা — অথবা, সাসা, ৰেৰে, গ গ, মম, প—।

এইৰাগ কাফী ঠাটৰ আশ্রয় ৰাগ, এইৰাগত 'গা' স্বৰ আৰু 'নি' স্বৰ- কোমল হয় আৰু অন্য স্বৰ শুদ্ধ হয়। বাদীস্বৰ ঃ পা আৰু সমবাদী স্বৰ-ৰে। জাতিঃ সম্পূৰ্ণ-সম্পূৰ্ণ। গায়ক সময়ঃ মধ্যৰাত্রি। সমপ্রকৃতিক ৰাগ সিন্দুৰা। এইৰাগৰ প্রকৃতি চঞ্চল। এই ৰাগত ছোটা খেয়াল আৰু ঠুমৰী অধিক প্রস্তুত কৰা হয়। অধিকাংশ ঠুমৰীত হোলী বিষয়ক বৰ্ণনা পোৱা যায়। ৰাগৰ সুন্দৰতা বৰ্দ্ধন কৰিবলৈ বিবাদী স্বৰৰ দৰে কেতিয়াবা আৰোহনত "শুদ্ধ গা' আৰু "শুদ্ধ নি" স্বৰৰ প্রয়োগ কৰা হয়। যেনেঃ মা — পা, ধ নি সঁ। নি ধ পা মা পা গা ৰে আৰু ৰে গা মা পা গ ৰে ।

এইৰাগত 'ৰে — প' আৰু 'প — গা' এইস্বৰ সংগতিৰ বাৰম্বাৰ প্রয়োগ দেখা যায়।

**আলাপ ঃ**

১। সা সা, নি সা, সা ৰে সা নি সা প্ ___ , প্ ধ্, ম্ প্, সা।

২। মা, ৰে সা, ৰে পা মা পা, গা —— ৰে, গ ম গ ৰে, সা, গা ৰে, নি ধ্ সা।

৩। সা, ৰে সা, ৰে প — , মাপ, গা — ৰে সা—, ৰে গা মা, গা ৰে, সা ৰে প— , মপ, গা ৰেসা, সা, ৰেৰে গাগা মামা পা

৪। গা — মা মা পা, মা পা গা ৰে সা, নি ধা পা সা, ৰে মা পা — , ধা মা পা গ ৰে—, সা ৰে গা — ৰে সা, নি ধ্ সা—, মা পা — গা — ৰে, ৰে সা নি ধ্ সা।

৫। মা পা ধা নি ধা পা—, ৰে মা পা— পা ধা নি ধা পা— , ধা নি সঁ নি সাঁ — নিধা, সঁ, গাঁ , ৰেঁ সাঁ, ৰেঁ নি সাঁ।

তান ঃ

১। সাৰে গাগা ৰেগা মামা গামা পাপা মাপা গামা গাৰে সা—

২। সাসা ৰেৰে গাগা মামাপা— মাপা ধাপা গাৰে সা— সা নি ধ সা—

৩। পাধ মাপা গাৰে সাৰে সা— ৰেৰে গাগা মাম পা— ধধ পধ নিনি ধনি সঁসঁ
নিধা পামা গাৰে সা

৪। মাপা ধাধা পাধা নিনি ধাধা পাপা মাপা গামা গাৰে সা—

৫। সাৰে গামা পাম গাৰে গাম পাধা নি সাঁ নিধা পামা গাৰে সা—

৬। সাৰে গাম ৰেপা মাপা ধানি ধাপা মাগা ৰেসা।

৭। পা— পামা পাধা নিসাঁ নিধা পামা গাৰে সা—

৮। ৰেগা ৰেগা মাপা মাপা ধানি সাঁ— সাঁৰেঁ সাঁনি ধাপা মাগা ৰেসা

৯। গাগা ৰেসা পাপা মামা গাগা ৰেৰে সা— নিনি ধাধা পাপা মামা গাগা ৰেৰে, সা— নিধা গাৰে সা—

১০। সাৰে সাগ ৰে— ৰেগা ৰেমা গা— গামা গাপা মা— মাপা মাধা পা— পাধা পানি, ধা— ধানি— ধাসঁ নি — নিসাঁ নিৰঁ সাঁ—
ধানি সাঁ— পধ নি — মাপা ধ— গামা
পা— ৰেগা মা— সাৰে গা — নিসা
ৰে— ধানি সা—

১১। সাৰে সা— সাৰে মগ ৰে— ৰেগ পম গ— মপ ধপ মা—
পধ নিধ প— ধ নি সঁনি ধ— নিসঁ ৰঁগঁ নি —সঁৰঁ গঁৰঁ সঁ— নিধ পধ মা- মগ , ৰেসা।

## (৭) ৰাগ পূৰ্বী

আৰোহনঃ নি সা ৰে গা মঁ পা, ধা নি সাঁ
আবৰোহন ঃ সাঁৰেঁ নি ধা পা, মঁপা গা মা গা ৰে সা

**পকড়** ঃ নি সা ৰে গা, ৰে গা ৰে মা গা, ৰে গা, ৰে সা

পূৰ্বী ৰাগ পূৰ্বী ঠাটৰ পৰা উৎপন্ন হৈছে। এইৰাগত "ৰে" "ধ" স্বৰ কোমল আৰু 'গা' স্বৰ আৰু "নি" স্বৰ শুদ্ধ হয় আৰু দুয়োটা মধ্যমৰ প্ৰয়োগ হয়।

"ৰে" "ধ" স্বৰ বক্ৰ ৰূপত প্ৰয়োগ কৰা হয়। বাদীস্বৰ ঃ গা আৰু সমবাদীস্বৰঃ নি, এই ৰাগ পূৰ্বাঙ্গবাদী আৰু গায়ন সময় ঃ দিনৰ চতুৰ্থ প্ৰহৰ। এই ৰাগএক সন্ধিপ্ৰকাশ ৰাগ। প্ৰকৃতি ঃ গম্ভীৰ আৰু ন্যাস স্বৰঃ সা, গা, পা, সমপ্ৰকৃতিক ৰাগ পূৰীয়াধনশ্ৰী। এই ৰাগৰ আৰোহনত অধিক পঞ্চম বৰ্জিত কৰি এইদৰে প্ৰয়োগ কৰা হয়। যেনে ঃ ম ধ নি সা।

প্ৰকৃতি ঃ গম্ভীৰ। এই ৰাগ- পূৰ্বাঙ্গবাদী আৰু ন্যাস ঃ সা, গা, পা।

সমপ্ৰকৃতিক ঃ পূৰ্বাঙ্গত, পৰজ

উত্তৰাঙ্গত ঃ পুৰীয়া ধনাশ্ৰী।

আলাপ ঃ

১। সা – সা নি সা, সা ৰে সা, নি ধ প, পা ধা নি সা, সা ৰে ৰে সা, ৰে গা ম গা, ম গা ৰে গা, ৰে সা, গা মা গা, ৰে সা

২। নি নি সা ৰে গা, গা— –, গা মা ৰে গা, ৰে সা, সা ৰে গা ম, গা মা গা, ৰে সা, ৰে গা ম, প— – , ম— –, গা মা গা–, ম গা ৰে গা, ৰে সা।

৩। নি ৰে গা মা পা, মা পা ধা মা পা— –, ম গা—মা – গা, পা ধা নি নি ধ পা–, ম গা, মা— গা ৰে সা।

৪। মধপা–, মধ নি ধ নি সং, (সং) নি ধ পা, ধ পা, মপা ধ পা, ম ধ নি সং, নি ৰেং সং, নি ধ পা, মপা, গা— মা– , গা, ৰে সা।

তানঃ

১। নি ৰে গা – ৰে গ ম – গ ম প– ম প ধ ম গ ৰে সা।

২। নি ৰে গা ৰে সা – নিধ নিধ প– মপ ধ নি সা –

৩। নি ৰে গাৰে সা – নিৰে গগ ৰেসা নিৰে গা– ৰেগা ম – গম প—মপ ধ—

পধ নি–ধনি সং–সংনি ধ প মগ ৰেসা

৪। গম গপ মপ ধ প মপ গম গপ পগ মপ গম গাৰে সা –

৫। গাগা ৰেসা গামা গাৰে গাগা ৰেসা গামা ধাপা ধানি ধানি ধাপা মাপা গাম গাৰে সা –

৬। পামা গামা গ– সাৰে গম পম গামা গা– মাগা ৰেসা

৭। নি ৰে গাগা ৰেগা মামা গামা পাপা মাপা ধা ধা পাধা নিনি ধানি সাংসাং
সাংসাং নিসাং নিনি ধানি ধাধা পাধা পাপা মাপা মামা গামা গাগা ৰেসা

৮। নি ৰেং গাংগাং ৰেংসাং নিৰেং সাংনি ধাপা
মাপা গামা গাৰে গাগা ৰেসা

৯। গাংমাং পাংমাং গাংমাং গাংৰেং সাংনি
ধাপা মগা ৰেসা সাৰে গামা গাৰে সা–

## (৮) ৰাগ আসাবৰী

**আৰোহনঃ** সা ৰে মা পা ধা সাং

**অবৰোহনঃ** সং নি ধা পা, মা গা ৰে সা

**পকড়ঃ** ৰে মা পা নি ধ পা এই ৰাগ আসাবৰী ঠাটৰ পৰা উৎপন্ন হৈছে। আৰোহনত 'গা', 'নি' বৰ্জিত। অবৰোহনত সকলো স্বৰ আৱশ্যকীয়। এই ৰাগৰ জাতি ঔড়ব সম্পূৰ্ণ। বাদীস্বৰঃ- ধা, সমবাদীঃ- গা, গায়ন সময় দিনৰ দ্বিতীয় প্ৰহৰ। এই ৰাগত গা, ধা, নি এই স্বৰসমূহ কোমল প্ৰয়োগ হয়। এই ৰাগ পৰিবেশনত শুদ্ধ 'ৰে' স্বৰৰ স্থানত কোমল 'ৰে' স্বৰৰ প্ৰয়োগ কৰা হয়। তেনে স্থলত এই ৰাগক "কোমল ৰে আশাবৰী" বোলা হয়।

আবৰোহনত মধ্যম স্বৰ বক্ৰ প্ৰয়োগ হয়। যেনেঃ সাং নি ধা পা, মাপা ধা মা পা গা ৰেসা। "পা গ" স্বৰ সংগতিৰ বাৰাম্বাৰ প্ৰয়োগ কৰা হয়। ন্যাসস্বৰঃ গা পা।

সমপ্ৰকৃতিক ৰাগ ঃ জৌনপুৰী।

আলাপ ঃ

(১) সা, ধা – ধা সা, ৰে সা–, ৰে ধা ধা সা, ৰে মা পা, মাপা গা ৰে সা, সা নি ধ প সা, সা, ৰে মা পা, মা মা পা, মা পা, গা গা ৰে সা, ধা সা।

(২) সা, ৰে মা পা, মা পা, ম পা, পা মা গা , ৰে সা

(৩) ম পা ধা ধ – পা, ধ নি ধ –, পা, ৰে মা
পা, নি ধ –, পা, মা পা
গা– , ৰে ধ –, মা পা, গা–, ৰে ম
পা নি, ধ – পা, মা পা গা ৰে সা

(৩) মা, পা ধ সং, ধ সং, ৰেং সং,
ৰেং গাং ৰেং সং, ৰ মং গং ৰেং
সাং নি ধ পা, মা পা, গা ৰে সা।

তান ঃ

(১) সাৰে মাপা ৰেমা পাধা সাং –সাংনি ধাপা
মাগা ৰেসা ৰেমা পা –

(২) সাংনি ধপ মপ ধসা গৰে সানি ধসা ৰেম প–

(৩) সাৰে মাপা নি নি ধ প মাপা ধাপা মাপা ধাপা মাগ ৰেসা

(৪) মাপা ধাসং ধসং নিধ মাপা গা ৰে সা –

(৫) মাপা ধাপ নি নি ধ প মাপা ধ প ৰেমা পাধা নি নি ধাপা মাপা ধাপা ৰেংসাং নি ধা পামা গাৰে সা –

(৬) সাৰে মা – ৰেমা পা– মাপ ধ –
পাধা সাং– সংৰেং ধাসাং পাধা মাপা
পাধা সাং– গাংগাং ৰেংসাং নি নি ধাপা
মাগা ৰেসা

(৭) সাৰে মাগা ৰেসা ৰেমা পামা গাৰে
মাপা ধাপা মাগা পাধা নিধা পামা
ধানি সাঁনি ধাপ মাগা ৰেসা।

(৮) ধাসাঁ ৰেঁমাঁ গঁৰ সঁৰ সঁনি ধপ মগা ৰেসা।

## (৯) ৰাগ ভূপালি

**আৰোহনঃ** সা ৰে গা পা ধা সাঁ

**অবৰোহনঃ** সাঁ, ধাপা, গাৰে, সা।

**পকড়ঃ** সাধা, সাৰেগা, পাগাৰে, ধ ৰেসা।

ৰাগ ভূপালি, কল্যাণ ঠাটৰ ৰাগ। এই ৰাগ এটি মধুৰ ৰাগ। এই ৰাগক "ভূপ বুলিও জনা যায়। এই ৰাগৰ পাঁচোটা শুদ্ধ আৰু মধ্যম আৰু নিষাদ বৰ্জিত। জাতিঃ ঔড়ব। এই ৰাগত মীড় আৰু গমক স্বৰ প্ৰয়োগে ৰাগৰ সৌন্দৰ্য্য আৰু ৰঞ্জকতা বৃদ্ধি কৰে। এই ৰাগ পূৰ্বাঙ্গবাদী। সমপ্ৰকৃতিক ৰাগ দেশকাৰ। মন্দ্ৰ আৰু মধ্য সপ্তকত ইয়াৰ চলন খুব আকৰ্ষণীয় হয়। এই ৰাগ সৰল আৰু মধুৰ হয়। ন্যাসঃ সা, গা পা। সমপ্ৰকৃতিকঃ দেশকাৰ।

**আলাপঃ**

(১) সা, সা ৰে সা ধা ধা সা, ধাসা ৰেসা, ধাসা ৰেসা, ৰে গা, ৰে গা, পা গা, ৰে গা ৰে সা, সাধ, সা ৰে গা –

(২) গা ৰে সা, ৰে সা, সা গা, গা গা পা, ধা– গা পা, সা ৰে সা,
সা ৰে গা পা ধ ধ প, ধা গা পা, গা, গা পা গা, ৰে গা, ৰে সা

**তানঃ**

(১) সাৰে গাপা ধাসাঁ, সাঁধা পাগা ৰেসা

(২) সাৰে সাৰে ৰেগা ৰেগা গাপা গাপা ধাপা গাপা গাৰে সা–

(৩) সাৰে গা– ৰেগা পা– গাপা ধা–

পাধা সঁসঁ ধাপা গাৰে সা–

(৪) সাৰে গাপা ধাপা সাৰে সাধা সাৰে গাৰে সা–

(৫) সাৰে গাপা ধাসাঁ ধাপা গাপা ধাপা গৰে সা–
সাৰে সধ সাৰে গা – পগা ধপ গাৰে সা–

(৬) গাপা ধাসাঁ ধাপা গাৰে পাগা গপ গাৰে সাৰে ধসা
ৰেগ প– সাৰে গ– ধসা ৰে –পধ সা–

(৭) গাৰে সা– পাগা ৰেসা ধাপা গৰে সা– সাঁধা পাগা গাৰে গা –

(৮) সাৰে গাৰে সঁসঁ ধাপা গাপা গাপা গৰে সাৰে সা–
সাসা গগ পপ ধধ সঁসঁ –

(৯) পাধা পাপা পাধা সাঁসাঁ ধাপা গাগা পাধা সাঁসাঁ ধাপা গাপা ধাসঁ ধাপা গাৰে সা–
ৰেগ পসঁ

(১০) সাৰে গাপা ধাপা গাপা ধাসঁ ধাপা গাধা পাগা পাৰে সা–

(১১) ধাধা পাপা গাগা গাপা ধাসঁ ৰেঁগাঁ সাঁসাঁ ৰেঁসাঁ ধাপা গৰে সা–

(১২) সাৰে সাসা পাধা পাপা সঁৰঁ সাঁসাঁ
ধাপা গৰে ধাপা পাগা গাৰে সা–

(১৩) সাৰে সাধ সাৰে গাৰে সাৰে সাধ
সাৰে গাৰে গাপা গাৰে গাপা
ধসঁ ধাপা গাৰে সা –

(১৪) পাধা পাসা ধাসা ধাৰে সাৰে
সাগা ৰেগা ধাপা গাপা সঁৰঁ
সাঁধা পাগা ৰেসা।

(১৫) গপ ধসঁ ধপ ৰেগ পসঁ ধপ গৰে
গাৰে সঁধ প – গপ ধসঁ ধপ পপ
গাৰে সঁধ পপ গপ গধ পপ
ৰঁসঁ গঁৰঁ সঁধ পপ গপ গৰে সা –

Anandaram Dhekial Phookan College Library
Acc No........
Date............
★ Nagaon : Assam ★

## (১০) ৰাগ বাগেশ্ৰী

**আৰোহনঃ** সা নি ধ নি সা, গা মা ধা নি সঁ

**অবৰোহনঃ** সঁ নি ধ, মা পা ধা গা, মা গা, ৰে, সা।

**পকড়ঃ** ধ নি সা, গা মা ধ নি সঁ ধ মা গা, মা গা ৰে সা।

ৰাগ বাগেশ্ৰী কাফী ঠাটৰ ৰাগ। এই ৰাগক ভিন্নজনে ভিন্ন ৰূপত পৰিবেশন কৰা দে যায়। বাদীস্বৰ ঃ মা

**সমবাদীস্বৰ** ঃ সা। এই ৰাগ হিন্দুসকলৰ মত অনুসৰি, বিদ্যাৰ দেবী সৰস্বতী আন এটা নাম "বাগদেবীৰ" নামেৰে নামাকৰণ কৰা হৈছে। বহুতে এই ৰাগক 'বাগেশ্বৰী বুলিও কোৱা হয়। 'গা' আৰু 'নি' স্বৰ এই ৰাগত কোমলভাবে প্ৰয়োগ হয়।

কেতিয়াবা কোনো কলাকাৰে শুদ্ধ 'নি' স্বৰৰ প্ৰয়োগ সুন্দৰভাবে কৰে। জাতি ঔড়ব— সম্পূৰ্ণ গায়ন সময় ৰাতিৰ দ্বিতীয় প্ৰহৰ।

আৰোহনত 'ৰে' স্বৰ বৰ্জিত হয়, কিন্তু কেতিয়াবা আৰোহনতো ইয়াৰ প্ৰয়ো দেখা যায় আৰু 'মা' স্বৰলৈ গৈ উভটি অহা হয়।

যেনে মা— গা ৰে গা মা, গা ৰে সা।

আৰোহনত 'প' স্বৰ বৰ্জিত আৰু অবৰোহনত বক্ৰ হয়। যেনে ঃ মা পা ধা কিন্তু সপাট তানত এই নিয়ম শিথিল ৰূপত ব্যৱহাৰ হয়।

যেনে ঃ সঁ নি ধ পা মা গা ৰে সা। এই ৰাগৰ জাতি সম্পৰ্কে ভিন্ন মতামত দে যায়। যেনে ঃ সম্পূৰ্ণ — সম্পূৰ্ণ।

ষাড়ব— সম্পূৰ্ণ, ঔড়ব — সমপূৰ্ণ।

এই ৰাগত সা, মা, ধা মা,

ধা গা এই স্বৰ সংগতিৰ প্ৰয়োগ কৰা হয়।

**আলাপঃ**

১। সা, ধা, নি ধা মা, ধা নি সা, সা মা সা, মা —, গা ৰে সা, নি সা ৰে সা, নি

নি সা।

২। ধা, নি সা, সা মা, গা ৰে সা, গা মা গা, ৰে সা, সা মা, মা, গা ৰে সা।

৩। গা মা ধা, মা ধা নি ধ, সং, নি ধ – মা, নি ধা, মা, ধ নি সাং নি ধা, নি ধা, মা নি ধা মা, মা মা, পা ধা গা – ৰে গা ৰে সা।

৪। মা ধা নি নি সং, ধ নি সাং, সাং
ৰেং, সাং, ৰেং নি, মা, ধ নি সাং,
ধা নি সাং, ধ নি, ম ধ; গামা, গাৰে, নিধ, সা–

তান ঃ

১। সাগা মাধা নি সং, নিধা মগা মাগা ৰেসা।

২। সামা গামা গাৰে সা– ধা নি
সামা গামা গাৰে সা –

৩। গামা ধামা ধানি ধামা গামা ধামা গাম গাৰে সা– নিসা মগ ৰেসা –

৪। মাধা নিসং নিধা মানি ধানি ধামা
গম গম ধম ধম মাগা মাগা গৰে গৰে ৰেস ৰেসা

৫। সাগা সামা গামা গাধা মাধা মানি
ধানি ধাসং (সাংনি নিধা ধামা মাগা
গাৰে ৰেসা) (তিহাই)

৬। ধানি ধামা গৰে সা– মাধা মানি
ধামা গাৰে সা–সাগা মনি ধম গৰে সা– মধ সংনি ধম গৰে সা–
গংৰেং সং– নিসং নিধ মগ ৰেসা

৭। নিসা গামা ধানি সাং– নিধা মাগা ৰেসা।

৮। মাধা মানি ধামা মামা গামা ধাধা
মাধা নিনি ধানি সাংসাং নিসাং নিধা
মাগা মাগা ৰেসা

৯। ধানি ধামা গামা ধনিসা– গামা
গাৰে সা– মামা গামা ধা নি ধাম গাৰে সা–

১০। সামা গাৰে সাৰে সামা গামা গৰে

সাৰে সা— সাৰে সাপা মপ মগ ৰে— সাৰে সা—

১১। মাধা নিসঁ ধানি সঁ— নিধা মাগা
গাৰে গাৰে সা—

১২। ধানি সাম গাম গাৰে সা—
মাগা ৰেসা ধানি সা— সঁ— নিধ মগ ৰেসা

১৩। সাগা মাধা গামা ধানি মাধা নি সাঁ
ধানি সঁ মঁ গাঁমাঁ গাঁৰেঁ সাঁ— নি ধা
মাগা মাগা ৰেসা

১৪। গামা গাৰে সামা গামা গামা
গাৰে সা— মাধা নিসা ধানি সাৰে সা—

১৫। সাঁনি, ধানি সাঁনি ধানি সাঁৰেঁ সাঁৰেঁ
সাঁনি, ধানি সাঁৰেঁ সাঁনি ধানি সাঁ —
ধানি ধাম গাৰে সা—

## (১১) ৰাগ কেদাৰ

**আৰোহনঃ** সা ম, মা পা, ধাপা, নিধা সাঁ

**অবৰোহনঃ** সাঁ, নি ধা, পা মাঁপা ধা পা, ম, পা ম ৰে সা।

**পকড়ঃ** সা মা মা, মা পা, মাঁপা
ধা পা মা, ৰে সা।

ৰাগ কেদাৰ কল্যাণ ঠাটৰ পৰা উৎপন্ন হৈছে। গায়ন সময় ৰাত্ৰিৰ প্ৰথম প্ৰহৰ। এই ৰাগত দুই মধ্যমৰ প্ৰয়োগ কৰা হয়। আৰোহন 'ৰে' স্বৰ আৰু 'ধ' স্বৰ বৰ্জিত হয় আৰু অবৰোহনত 'গা' স্বৰ দুৰ্বল আৰু বক্ৰভাৱত প্ৰয়োগ কৰা হয়। অন্য স্বৰ সমূহ শুদ্ধ হয়। বাদীস্বৰ মধ্যম আৰু সমবাদী স্বৰ 'সা'।

"তীব্ৰ (মাঁ)স্বৰৰ প্ৰয়োগ 'পা', স্বৰৰ সহায়ত প্ৰয়োগ কৰা হয়। এই ৰাগ ঔড়ব-ষাড়ব জাতিৰ এক পূৰ্বাঙ্গবাদী ৰাগ। মহাদেব শিবৰ আন এটি নামেৰে এই ৰাগৰ নাম 'কেদাৰ' নামাকৰণ কৰা হৈছে। এই ৰাগত 'তীব্ৰ মা' স্বৰ আৰোহনত 'পঞ্চম' স্বৰৰ

সৈতে আৰু "শুদ্ধ ম' স্বৰৰ আৰোহন-অৱৰোহন দুয়োটাতে প্ৰয়োগ হয়। কেতিয়াবা অৱৰোহনত 'ধ' স্বৰৰ পৰা 'মা' স্বৰলৈ আহোতে মীড়ৰ সৈতে দুয়োটা 'মা' একেলগে প্ৰয়োগ হয়, যি অতি মনোৰঞ্জক হয়। এই ৰাগবিশেষত 'গা' স্বৰটো বৰ্জিত হয়, কিন্তু অৱৰোহনত কেতিয়াবা মধ্যম স্বৰত 'গা' স্বৰ অনুলগ্ন– কণ স্বৰ ৰূপত প্ৰয়োগ হয়। যেনেঃ সা মা ––– মা গা পা। এই কণৰ প্ৰয়োগ ৰাগৰ সুন্দৰতা বঢ়োৱাৰ বাবে কৰা হয় আৰু ইয়াৰ প্ৰয়োগ নহলেও ৰাগহানি নহয়।

হম্মীৰ ৰাগৰ সমান এই ৰাগত কেতিয়াবা অৱৰোহনত সুন্দৰতা বৃদ্ধিৰ বাবে কোমল 'নি' স্বৰ বিবাদী স্বৰৰ ৰূপত প্ৰয়োগ হয়। যেনেঃ সঁ ধ নি পা, র্মা পা ধ পা ম।

ন্যাসা ঃ সা, মা, পা

সমপ্ৰকৃতিৰ ৰাগ ঃ হম্মীৰ, কেদাৰ। হম্মীৰ ঃ সা ৰে সা, গা মা নিধ– র্ম প,
গা মা ৰে সা

কেদাৰ ঃ সা, ৰে সা, মা, মা পা, র্মা পা, ধা পা মা, পা মা ৰে সা।

কামোদ ঃ সা, মা ৰে পা, গা মা পা, গা মা ৰে সা।

আলাপ ঃ

১। সা, ৰে সা সা নি ধ প , ম– প ধ নি সা, মা মা, পা, মা পা
পা ধা পা, র্মা পা ধা পা মা, ৰে সা, সাধা পা সা, ৰে সা।

২। সা মা মা পা, মা ৰে সা, মা মা পা
ধা পা মা, পা, মা– ৰে সা, মা পা
ধা– নি ধা পা, র্মা পা পা ধাপা ম, ৰে সা।

৩। সা মা মা ৰে সা, সা মা মা পা, সা পা, র্মা পা,
পা ধা পা পা
সাঁ ধা নি প, পা পা র্মা পা ধা পা, পধ, র্মপম– , সা ৰে সা।

৪। পা পা সা –– (মা)– পা, ধা পা মা
র্মা পা ধা পা, নি ধা নি সাঁ, পা ধা পা সাঁ ৰেঁ সাঁ, প ধ প সঁ ধ প মা –, র্মপধপা,
সঁ।

৫। সাঁ, মাঁমাঁ, ৰেঁ সাঁ, সাৰেঁ মাঁ পাঁ মাঁ, ৰেঁ সঁ,
সাঁ ৰেঁ (সাঁ), সাঁ ধা নি ধা পা, পা পা সাঁ।

তানঃ

১। সাৰে সামা মামা ৰেসা মাপা ধাপা মামা ৰেসা

২। মামা ৰেস পাপা মাপা ধাপা সামা–
গাপা মাপা ধাপা মামা ৰেসা

৩। সাৰে নিসা মামা ৰেসা মাপা ধাপা মপ
মামা ৰেসা

৪। মামা ৰেসা নিসা পাপা মাপা মামা
ৰেসা ধাধা পাপা মাপা মামা ৰেসা

৫। সাৰে সামা মপা ধাপা মাপা ধানি
সানি ধাপা মাপা মামা ৰেসা

৬। মাগা পামা ধাপা নিধা সানি ৰেসা
নিধা পামা মাপা ধাপা মামা ৰেসা

৭। মাপা নিধা মপা নিধা পধ মাপা
ধাপা মাপা মামা ৰেসা

৮। সাৰে সাসা ধাপা মাপা মামা ৰেসা
নিসা মামা ৰেসা নিসা মামা ৰেসা

৯। সাৰে সা – মাপা মা – পাধা
পা– ধানি ধা– নিসা নি– সাৰে
সা– নিধা পা– মাপা মামা ৰেসা

১০। সনি ধাপা মাপা ধাপা নিধা সাৰে
মামা ৰেসা সাৰে সা–

১১। মাপা ধানি পা– মাপা ধনি সা–
পাসা নিসা ধানি পাধা মাপা নিধা
পামা পা – মামা ৰেসা

# (১২) ৰাগ মালকোষ

**আৰোহনঃ** সা গা মা, ধ নি সঁ
**অবৰোহনঃ** সঁ নি ধ মা, গা মা গা সা
**পকড়ঃ** ধ নি সা মা, গা মা গা পা।

এই ৰাগ ভৈৰবী ঠাটৰ পৰা উৎপন্ন হৈছে। এই ৰাগত 'পা' স্বৰ আৰু 'ৰে' স্বৰ বৰ্জিত হয়। এই ৰাগৰ জাতি –

ঔড়ব – ঔড়ব। বাদীস্বৰ ঃ মা সমবাদী স্বৰ ঃ সা। এই ৰাগ ৰাতিৰ তৃতীয় প্ৰহৰত পৰিবেশন কৰা হয়। ইয়াত 'গা' 'ধা' 'নি' এই তিনিও স্বৰ কোমল প্ৰয়োগ হয়।

স্বৰসমূহ এইদৰে আৰম্ভ কৰা হয় –

নি সা, ধ নি সা, গামগমা, মা গা সা আৰু অন্তৰাত মাধানিধ , মাধ সঁ,

ধ নি ধ সঁ। এই ৰাগ গম্ভীৰ প্ৰকৃতিৰ।

এই ৰাগক কোনো কোনোৱে –

"মালকন্স" আৰু কোনো কোনোৱে

"মালকোষ" বুলিও কব খুজে।

এই ৰাগৰ চলন তিনিও সপ্তকত সমান ৰূপত প্ৰয়োগ হয়। এই ৰাগত বড়া খ্যাল, ছোটা খ্যাল, ধ্ৰুপদ, ধমাৰ, তৰানা, মসীদখানী – ৰজাখানী গত বজোবা হয়। এই ৰাগৰ কোমল 'নি' স্বৰক "শুদ্ধ নি" কৰি দিলে "চন্দ্ৰকোষ"ৰাগ হয়।

**ন্যাস ঃ** সা গা মা।

**সমপ্ৰকৃতিক ঃ** চন্দ্ৰকোষ ৰাগ।

**আলাপ ঃ**

১। ধ নি সা, মা গা, মা গা সা,
সা ধ নি ধ , নি সা, সা গা মা,
মা, ধ নি স ম ম, ধ গ মা,

মা গা, মা গা সা।

২। নি সা, ধ নি সা, সা গ গ মা মা মা, গ – , মা মা গ সা–,
ধ নি সা, মম, গা মা গ সা

৩। গা মা ধা ধা মা, ধা ধা মা ধা নি
ধা মা, মা গা, মা ধ মা, নি সা
গা মা, গা সা

৪। সাঁ ধা নি সাঁ, ধা নি সাঁ গা সাঁ,
নি সাঁ (সাঁ) নি ধা , মা ধা নি ধা, (সাঁ)।

তান ঃ (১) নি সা ধা নি ম ধা নি সা সামা
গামা ধামা গাসা

(২) নি সা গাম ধানি সাঁনি ধামা, ধামা গাসা নি সা

(৩) সামা গামা ধানি সাঁনি ধামা গামা ধামা গামা গাসা

(৪) ধা নি সাগা মাধা নিসাঁ সানি ধনি ধম নি সাগা– মা– গম ধ–
মম গ গ সা–

(৫) সাগা মাধা নিসাঁ সাঁনি ধামা গাসা
ধম গম গসা

(৬) গাগা সাসা মম গম গসা ধ ধ
মগ মাগ সস নি নি ধ নি ধম
গম গসা সঁসঁ নি সঁ নিধ মধ
নি নি ধম গসা

(৭) নি সা নিসা গামা গাসা নি সা গামা
সাগা মাগা ৰেসা সাগা মাধা
(নিসঁ নিধ মগ ৰেসা।) 3 (তিহাই)

(৮) সাগা মা – গম ধ– মধ নিধ

মধ নি – সঁ– ধনি ধম গামা

গাসা নি সা নি সা ধনি সা– ধনি সা– ধনি সা–

(৯) নিসা সা গামা গসা নিসা গম ধম

গম গাসা গাম ধনি সঁনি ধনি সঁনি

ধম গম গাসা সাগ গ মধ মাগা গমম ধনি ধম মধধ

নিসঁ নিধ মাগ সা–

(১০)গাগা সানি ধানি সা গা সা– মামা

গামা গাসা নিসা সাগা মা–

ধাধা মাগা সানি সাগা মাধা

নি–ধানি সাঁ– মাধা নি – গামা ধা –

মাগা মাগা সা –

(১১)সাগা সামা গাসা গাম গাধ

মগা মাধা মানি ধামা ধানি ধাসঁ

নিধা মগা মাগা সা –

(১২)গাগা গাসা মামা মাগা ধাধা ধামা

নি নি নিধা সাঁসাঁ সাঁনি গাঁগাঁ গাঁসাঁ

নিসাঁ ধানি মাধা গামা গা –

## (১৩) ৰাগ দেশ

**আৰোহনঃ** সা, ৰে, মা পা, নি সঁ–

**অবৰোহনঃ** সাঁ, নি , ধা পা, মা গা ৰে সা।

**পকড়ঃ** ৰে মা গা ৰে, পা ধা পা মা,